


কিশোৰ কলিতা. পাঠশালা

# সূত্ৰধাৰ

চতুৰ্থ বছৰ, পঞ্চম সংখ্যা
১–১৫ মাৰ্চ, ১৯৯২
VoL. V No.5
1-15 March, 1992

## বিষয়-সূচী

### ওৰাঙ মৃগয়া-বন ◻ ১৬

এসময়ৰ হাবি-জংঘলেৰে ভৰা অসম বন্যপ্ৰাণীৰ বাবে আছিল ৰম্যভূমি স্বৰূপ। কিন্তু বৰ্তমান হাবি-জংঘলবোৰ কাটি পেলোৱাৰ ফলত ক্ৰমান্বয়ে বন্যপ্ৰাণীবোৰ বিলুপ্তিৰ পথত। গতিকে এই বন্যপ্ৰাণী সমূহৰ সংৰক্ষণৰ প্ৰয়োজনীয়তা আহি পৰে। এই প্ৰয়োজনীয়তাৰ তাগিদাতেই কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানকে ধৰি অসমত কেইবাখনো বিস্তৃত বনাঞ্চলক মৃগয়াবন বা অভয়াৰণ্য বুলি ঘোষণা কৰা হয়। এই বনাঞ্চলসমূহৰে এখনৰ নাম ওৰাঙ। গুৱাহাটীৰ পৰা প্ৰায় ১৩০ কিলোমিটাৰ দূৰত। নানা জীৱ-জন্তু, চৰাই-চিৰিকতিৰ ৰম্যভূমি ওৰাঙ বনাঞ্চলক কেন্দ্ৰ কৰি এইবাৰৰ প্ৰচ্ছদ আগবঢ়াইছে ক্ৰমে হৰিচৰণ দাস, ভূপেন তালুকদাৰ, গীতাৰ্থ পাঠক আৰু হিতেন মহন্তই।

অৰ্থনীতি ◻ ১০

### সংস্কাৰৰ দোমোজাত ভাৰতীয় অৰ্থনীতি

তৃতীয় বিশ্বৰ দেশসমূহৰ ভিতৰত ভাৰতৰ স্থান অৰ্থনৈতিকভাবে তলত। ভাৰতবৰ্ষ আজিও পৃথিৱীৰ একবিংশতিতম দৰিদ্ৰ দেশ। ভাৰতীয় অৰ্থনীতি সম্বন্ধে এক বিশ্লেষণাত্মক প্ৰবন্ধ আগবঢ়াইছে গীতিমল্লিকা শইকীয়াই।

### অসমৰ আৰ্থিক অনগ্ৰসৰতা আৰু তাৰ প্ৰতিকাৰ ◻ ৬

অসমৰ আৰ্থিক অনগ্ৰসৰতাৰ মূল কাৰণ সমূহ আৰু তাৰ প্ৰতিকাৰৰ উপায় সম্পৰ্কে বিশিষ্ট কেইগৰাকীমান ব্যক্তিৰ মতামত সূত্ৰধাৰত প্ৰকাশ কৰা হৈছে। এইবাৰৰ মতামত আগবঢ়াইছে পৰিকল্পনা আৰু ঔদ্যোগিক দিশৰ সৈতে জড়িত বিশিষ্ট ব্যক্তি যতীন হাজৰিকাদেৱে। সূত্ৰধাৰৰ হৈ পাঠকলৈ যুগুতাই আগবঢ়াইছে সবিতা লহকৰে

বিশেষ নিবন্ধ
মানৱ সভ্যতা আৰু সংস্কৃতি : অতীত, বৰ্তমান আৰু ভৱিষৎ ◻ ড° পবিত্ৰ কুমাৰ শৰ্মা ◻ ২৭

বিশেষ নিবন্ধ
অসম : বৰ্তমান আৰু ভৱিষ্যৎ (৬) ◻ সুজিত চৌধুৰী ◻ ২৯

অহা সংখ্যাত
বিজ্ঞান আৰু বিশ্বাস : ড° পবিত্ৰ বৰগোহাঞি
এজন বঙালী বুদ্ধিজীৱীৰ দৃষ্টিত সমসাময়িক অসম : সুপ্ৰিয় বন্দোপাধ্যায়
অসমীয়া উপন্যাস : ড° গোবিন্দপ্ৰসাদ শৰ্মা

প্ৰতিবেদন
বৌতাত বড়ো উগ্ৰপন্থীৰ হুঙ্কাৰ আৰু নৃশংস হত্যাকাণ্ড ◻ দেবব্ৰত বৰগোহাঞি ◻ ৩৫

ৰাজধানী সংবাদ
প্ৰস্তাৱিত আই, আই, টি-ত নাম ভৰ্তিকৰণ ◻ হৰেন বুঢ়াগোহাঞি ◻ ৩১

যুৱ মানস
মানৱতা ◻ ৰাজীৱ বৰমুদৈ ◻ ৪৭

শিল্প-সংস্কৃতি
নাবিকৰ নতুন অভিযান – বুৰঞ্জী পাঠ ◻ অনিল ভূঞা ◻ ৩৮

নেপথ্য দৰ্শন
'হিতেশ্বৰ শইকীয়াই মহাত্মা গান্ধীৰ বাওঁহাতখন পাইছে নেকি ?' ◻ ছদ্মবেশী ◻ ৪৩

মতামত
বাতৰিৰ আঁৰৰ বাতৰি ◻ বদন বৰুৱা ◻ ৫১
অতীত আৰু বৰ্তমান : জড় অৱক্ষয়ৰ অৰ্থ বিচাৰি ◻ কুমুদ বৰুৱা

দৃষ্টিকোণ
সন্ত্ৰাসবাদ : ৰাইজ : পক্ষ-বিপক্ষ প্ৰসংগত ◻ মুনীন চৌধুৰী ◻ ১৪

সম্পাদকীয় ৫
চিঠি ৪
কবিতা ৩৪
গল্প, অণুগল্প ৪০
গ্ৰন্থজগত ৪৫
ব্যক্তি আৰু ঘটনা ৪৮
খেল-ধেমালি ৫৪
চিনেমা ৬০
এক পৃষ্ঠা ৬২

সম্পাদক (অবৈতনিক)
হোমেন বৰগোহাঞি
সম্পাদনা সহকাৰী
মালবিকা পাঠক
মুখ্য প্ৰতিবেদক
হৰেন বুঢ়াগোহাঞি
কলা নিৰ্দেশক
চম্পক বৰবৰা
কাৰ্যাধ্যক্ষ
অনিল কুমাৰ গগৈ

পূৰবী প্ৰকাশন প্ৰাইভেট লিমিটেডৰ হৈ অনিল কুমাৰ গগৈৰ দ্বাৰা ইষ্টাৰ্ণ প্ৰেছ এন্ড পাব্লিকেশানচ প্ৰা: লি:-ত মুদ্ৰিত আৰু মনজেৰা হাউচ, মতিলাল নেহৰু ৰোড, পানবজাৰ, গুৱাহাটী - ১-ৰ পৰা প্ৰকাশিত: ◻ ফোন- ২৪৮৫৪, ২৭৮২৩, ৩৩৬১৮

Bombay:-
Mr. Subhajit Mitra
12, Shankar Jyoti 10th Road.
Chembur
Bombay-400071
Ph. 555, 4491

Calcutta:-
Mr. Gautam Sengupta.
7/1C Lindsay Street. (1st Floor)
Calcutta-700087
Ph. 241221, 248571

Delhi:-
Mr. Ranaji Sen.
B-51, Soami Nagar.
New Delhi-110017
Ph. 642, 8608

## তথাকথিত সাংবাদিক বুদ্ধিজীৱী

যোৱা ১৬-৩০ নবেম্বৰ সংখ্যা সূত্ৰধাৰত ৰাজীৱ বৰমূদৈৰ মতামত আৰু যোৱা ১-১৫ জানুৱাৰী সংখ্যা সূত্ৰধাৰত মৃণাল গগৈ আৰু অনিৰুদ্ধ হাজৰিকাৰ উক্ত মতামতৰ ওপৰত প্ৰকাশিত বিতৰ্ক পঢ়ি দু-আষাৰ নিলিখি নোৱাৰিলো।

প্ৰথমেই মই কৈ লওঁ, মই বৰমূদৈৰ হৈ ওকালতি কৰিব ওলোৱা নাই আৰু গগৈ-হাজৰিকাক প্ৰত্যাহ্বানো জনোৱা নাই।

এতিয়া আহো বৰমূদৈৰ মতামণ্ডল। এষাৰ কথা সত্য যে, অসমত এতিয়া তথাকথিত স্বয়ম্ভু বহু কেইজন 'সাংবাদিক-বুদ্ধিজীৱীৰ' আৱিৰ্ভাৱ হৈছে। যি সকলক আমি বৰমূদৈৰ দৰে 'পাগল' আৰু চেৰাবলিয়া বুলি নকলেও নিৰ্লজ্জ সুবিধাবাদী বুলি ক'ব পাৰো। এইসকল সাংবাদিক বুদ্ধিজীৱীয়ে আজি অসমত 'চৰকাৰী সন্ত্ৰাসৰ' বিৰুদ্ধে তীব্ৰ বিৰুদ্ধাচৰণ কৰাৰ লগতে নিজকে 'দিল্লীবাদ বিৰোধী সংগ্ৰামী' আৰু 'মানৱ অধিকাৰৰ ৰক্ষক' বুলি ঘোষিত কৰিছে। উল্লেখযোগ্য যে এইসকলে কিন্তু 'বচৰকাৰী সন্ত্ৰাস' দেখা নাই। অথচ এইসকল হ'ল তথাকথিত 'নৱপেক্ষ' আৰু 'জনসাধাৰণৰ সপক্ষে' বুলি দাবী কৰা কেইখনমান কাকতৰ সাংবাদিক-বুদ্ধিজীৱী।

আল্‌ফা আজি চৰম বিপৰ্যয়ৰ সমুখীন। ইয়াৰ কাৰণ আল্‌ফাৰ দূৰদৰ্শিতাৰ অভাৱ আৰু তথাকথিত এইসকল সাংবাদিক-বুদ্ধিজীৱীৰ পৰামৰ্শত তেওঁলোকে (আল্‌ফা) লোৱা ভুল পদক্ষেপ। গগৈ আৰু হাজৰিকাদেৱক সুধিছো, অসমত সৈন্য বাহিনী নিয়োগৰ বাবে অকল হিতেশ্বৰ শইকীয়াই দায়ীনে? কাৰ ভুলৰ বাবে মেঘ ফুকন, অনিৰ্বাণ হাজৰিকা, ৰাজু বৰুৱা, নেত্ৰ চেতিয়া আৰু হীৰক জ্যোতি মহন্তৰ মৃত্যু হ'ল? ৮ জুলাইৰ পৰা পিছৰ সময়ছোৱাৰ ভিতৰত পণবন্দীক এৰি দি ৰাইজৰ মতামতক সন্মান কৰাহেঁতেন (যিটো অৱশেষত আল্‌ফাই মানি ললে) হিতেশ্বৰ শইকীয়াই সেনা বাহিনী অনাৰ সুবিধা পালেহেঁতেন নে? আল্‌ফাই তেতিয়াই বুজা নাছিল কিয় যে এদিন পণবন্দী এৰি দিবই লাগিব। এইবোৰৰ বাবে আল্‌ফা যিমান দায়ী তাতোকৈ বেছি দায়ী সেইসকল সাংবাদিক-বুদ্ধিজীৱী, যি সকল আল্‌ফাক উচটাই জোল খাইছে।

ভাব হয়, এইসকল তথাকথিত সাংবাদিক-বুদ্ধিজীৱীয়ে আল্‌ফাক 'গছত উঠাই গুৰি কাটিবলৈ' লোৱা নাইতো। মুখত ৰাম নাম লৈ এই সকলে ভণ্ড দেশপ্ৰেমিকৰ ভাও জুৰিছে। অসমৰ যুৱ সমাজে এই সকল সাংবাদিক-বুদ্ধিজীৱীৰ পৰা কিবা সুজ্ঞান শিকিবলগীয়া আছে বুলি ভবাটো এটা মূৰ্খামিৰ বাহিৰে আন একো নহয় বুলিয়েই ভাবো।

**প্ৰদীপ বৰুৱা**
**তেজপুৰ**

## অসমীয়াৰহাৰাকাৰি

সূত্ৰধাৰৰ (১-১৫ ডিচেম্বৰ) সম্পাদকীয় প্ৰবন্ধত আপুনি অসমীয়া জাতিৰ ভৱিষ্যত নিৰ্ণায়ক অতি অন্তৰ্ভেদী প্ৰশ্ন কেইটামান তুলিছে। সঁচাকৈয়ে কেইখনমান দৈনিক, সাপ্তাহিক আৰু অৰ্দ্ধ-সাপ্তাহিক কাকতে অসমৰ জনসাধাৰণক উন্মত্ত কৰি যি সৰ্বনাশী অসম আন্দোলন চলালে তাৰ ক্ষতি পূৰণ হবলৈ বহু বছৰৰ প্ৰয়োজন হব। কিন্তু তাৰ পিছতো আজি দুখনমান সাপ্তাহিক আৰু কেতবোৰ তথাকথিত বুদ্ধিজীৱীয়ে আল্‌ফাৰ প্ৰচাৰ-পত্ৰিকা আৰু মুখপাত্ৰৰ ৰূপত জাতিটোক চৰম ধ্বংসৰ মাজলৈ লৈ যাবলৈ ওলাইছে। এই দুয়োটা পৰিস্থিতিয়ে অৱশ্যে এটাই সত্য প্ৰতীয়মান কৰিছে; সি হৈছে, মধ্যবিত্ত অসমীয়া বুদ্ধিজীৱীৰ বিপদজনক অথচ পুতৌ লগা চৰিত্ৰ। এহাতে ছাত্ৰ সংস্থাৰ ফেটীবাদী সন্ত্ৰাস আৰু আনহাতে সম্ভাব্য ক্ষমতাৰ লোভে তেতিয়া এওঁলোকক যেনেকৈ সক্ৰিয় কৰিছিল, আজিও এহাতে আল্‌ফাৰ ত্ৰাসত আৰু আনহাতে সম্ভাব্য স্বাধীনাতৰ ঘিউ-মৌৰ লোভত এওঁলোক 'স্বাধীন অসম'ৰ প্ৰৱক্তা হৈছে। ত্ৰাসৰ চাবুক আৰু লোভৰ গাজৰে এওঁলোকক দেশপ্ৰেমিক কৰিছে।

**বিনোদ গোস্বামী**
**মঙ্গলদৈ**

## অসমৰ স্বাধীনতা সংগ্ৰাম প্ৰসংগত

'সূত্ৰধাৰ'ৰ ১৬-৩১ জানুৱাৰী '৯২ সংখ্যাত প্ৰকাশিত ৰমেশ কলিতাৰ 'অসমৰ স্বাধীনতা সংগ্ৰাম' সম্পৰ্কে লিখা সমালোচনাটিয়ে আমাৰ দৃষ্টি আকৰ্ষণ কৰিছে। উক্ত লেখাটি জাগীৰোড কলেজত অনুষ্ঠিত উত্তৰ-পূব ভাৰত বুৰঞ্জী সংস্থাৰ দ্বাদশ বাৰ্ষিক সন্মিলনৰ অভ্যৰ্থনা সমিতিৰ দ্বাৰা প্ৰকাশিত (ৰমেশ কলিতাই লিখাৰ দৰে জাগীৰোড মহাবিদ্যালয়ৰ দ্বাৰা প্ৰকাশিত নহয়) অসমৰ স্বাধীনতা সংগ্ৰাম, প্ৰথম পৰ্ব ১৮২৬ – ১৯০০ শীৰ্ষক গ্ৰন্থৰ সমালোচনা। গ্ৰন্থখনৰ সম্পাদনা জাগীৰোড কলেজৰ বুৰঞ্জী বিভাগৰ প্ৰৱক্তা সাহিত্যিক, সমালোচক ড০ সুভাষ সাহাৰ। গ্ৰন্থখনিৰ ওপৰত শ্ৰী কলিতাই বিভিন্ন দিশত আলোকপাত কৰি সমালোচনা আগবঢ়োৱা বাবে প্ৰথমতে আমি তেখেতক ধন্যবাদ জনাইছো। তেখেতে গ্ৰন্থখনত প্ৰকাশিত কিছুমান তথ্য আৰু বিশ্লেষণ সম্পৰ্কে দ্বিমত প্ৰকাশ কৰিছে। আমি যিহেতু বুৰঞ্জী বিভাগৰ মানুহ নহয়, গতিকে এই বিষয়ে ঐতিহাসিক প্ৰমাণ দাঙি ধৰাৰ আমাৰ সাধ্য নাই। এই সম্পৰ্কত সংশ্লিষ্ট গৱেষক লেখক সকলে নিশ্চয় স্পষ্টীকৰণ দিব। আমি মাত্ৰ এজন বুৰঞ্জীৰ প্ৰতি আকৰ্ষণ থকা সাধাৰণ পাঠক হিচাপে শ্ৰীকলিতাৰ লিখাটো সম্পৰ্কে দুই-এটা মতামত দিব বিচাৰিছো। এইখিনিতে কৈ থওঁ যে গ্ৰন্থখনত প্ৰকাশিত ড০ সূৰ্য কান্ত বৰপূজাৰীৰ 'অসমত ১৮৫৭ চনৰ বিদ্ৰোহ' শীৰ্ষক প্ৰবন্ধটি আমাৰ দ্বাৰা ইংৰাজীৰ পৰা অনুবাদ কৰি দিয়া হৈছিল।

গ্ৰন্থখনৰ সন্দৰ্ভত শ্ৰীকলিতাৰ লেখাটো বিভিন্ন দিশৰ পৰা কৌতূহল উদ্দীপক আৰু সত্যানুসন্ধানী। কিন্তু তেখেতে গ্ৰন্থখনৰ সম্পাদক ড০ সুভাষ সাহাৰ এটি প্ৰবন্ধ সম্পৰ্কে যি মতামত আগবঢ়াইছে তাক আমি সহজভাবে ল'ব পৰা নাই। তেখেতে লিখিছে, 'ফুল-গুৰিৰ কৃষক বিদ্ৰোহৰ আলোচনাটি ড০ সাহাই পাল মাৰি লিখিছে।' কিন্তু আমি পঢ়ি তেনে পাল মৰাৰ ইংগিত নেপালো। ড০ সাহাই ফুলগুৰিৰ কৃষক বিদ্ৰোহৰ পটভূমি, ক্ৰমবিকাশ আৰু ইয়াৰ চৰিত্ৰৰ বিষয়ে যি গভীৰ বিশ্লেষণাত্মক ব্যাখ্যা দাঙি ধৰিছে ইয়ে সাধাৰণ পাঠক পাঠিকাক নিশ্চয় উপকৃত কৰিব। আলোচনাটি লিখোতে ড০ সাহাই ছয়খন ইতিহাসৰ অমূল্য গ্ৰন্থৰ উদ্ধৃতিও দাঙি ধৰিছে। ড০ সাহাই বিভ্ৰান্তিমূলক তথ্য দিয়া বুলি কলিতাই যি অভিযোগ আনিছে ইয়াৰ স্পষ্টীকৰণ ড০ সাহায়ে নিশ্চয় দিব। কিন্তু সামগ্ৰিক ভাবে উক্ত প্ৰবন্ধটোৱে ফুলগুৰিৰ কৃষক বিদ্ৰোহৰ এক যথাৰ্থ ব্যাখ্যা দাঙি ধৰিব পাৰিছে। এই ক্ষেত্ৰত আমাৰ বক্তব্য হ'ল ইতিহাসৰ বহুল তথ্যই সম্প্ৰতি ইংৰাজীত প্ৰকাশ হৈছে। কিন্তু অসমীয়া পাঠকৰ বাবে এতিয়াও যথেষ্ট প্ৰামাণ্যমূলক ঐতিহাসিক গ্ৰন্থ প্ৰকাশ হোৱা নাই। এজন গৱেষক বা ইতিহাস বিশেষজ্ঞৰ বাবে হয়তো ফুলগুৰিৰ কৃষক বিদ্ৰোহৰ ওপৰত আৰু তথ্য দাঙি ধৰিব পাৰিব। কিন্তু সাধাৰণ পাঠকৰ বাবে ড০ সাহাৰ লেখাটোৱে এক স্পষ্ট আভাস দিব পাৰিছে। এই সন্দৰ্ভত সম্পাদক সাহাই কিতাপখনৰ ভূমিকাত লিখা এই কথাখিনি উল্লেখনীয়ঃ 'আলোচ্য এই গ্ৰন্থখনত আমি অসমৰ স্বাধীনতা সংগ্ৰামৰ প্ৰথম পৰ্ব অৰ্থাৎ ১৮২৬ চনৰ পৰা ১৯০০ চনলৈকে এই সময়ছোৱাৰ আৰ্থ-সামাজিক, ৰাজনৈতিক ঘটনাৱলীৰ নিৰ্মোহ বিচাৰ বিশ্লেষণ কৰাৰ লগতে সচেতন মানৱীয় জিজ্ঞাসাৰ মৌলিক দিশ সমূহ উন্মোচন কৰিবলৈ পৰিকল্পনা কৰিছিলো। এই সম্পৰ্কত অসমত চিন্তা চৰ্চা একেবাৰে কম হোৱা নাই। নতুন নতুন তথ্যৰ উদ্ঘাটনে প্ৰচলিত (প্ৰায় স্বতঃসিদ্ধৰ দৰে) বহু ধাৰণা অসত্য আৰু ভিত্তিহীন বুলিৰ সাম্প্ৰতিক গৱেষণাই প্ৰমাণ কৰিছে। অসম সমাজ জীৱনৰ ইতিহাস গৱেষণাৰ এনে সাধনালব্ধ ফল নিঃসন্দেহে আশাৰ কথা। কিন্তু দুৰ্ভাগ্যবশতঃ গৱেষণাৰ বেছিভাগ ফলেই ইংৰাজী ভাষাত প্ৰচাৰিত হোৱাত সৰ্বসাধাৰণ অসমীয়া পাঠকৰ বাবে এতিয়াও দুৰ্বোধ্য বা সাধাৰণ ৰাইজে পূৰ্বৰ ধাৰণাকেই বদ্ধমূল বুলি ধৰি থাকিব লগীয়া হৈছে।' ড০ সাহাৰ এই মন্তব্য নিতান্তই তাৎপৰ্যপূৰ্ণ। আৰু এই দৃষ্টিকোণৰ পৰাই গ্ৰন্থখনত প্ৰকাশিত প্ৰতিটো প্ৰবন্ধই যথেষ্ট ফলপ্ৰসূ হৈছে। ড০ সাহাৰ লেখাটোও। কিন্তু শ্ৰী কলিতাই মন্তব্য দিয়াৰ দৰে 'পালমৰা' বিধৰ হোৱা নাই। আশা কৰো ড০ সাহাই কলিতাৰ দৰে এনে নিৰাশব্যঞ্জক আৰু নীচাত্মিকা বাক্যবাণত ধৰাশায়ী নহৈ ভৱিষ্যতলৈ অসমৰ আৰু অধিক তথ্য পোহৰলৈ আনি গ্ৰন্থখনৰ পৰৱৰ্তী পৰ্ব কেইটাৰ কাম আগবঢ়াই নিব। শেষত ড০ সাহালৈ আমাৰ অনুৰোধ গ্ৰন্থখনিৰ নামকৰণ 'অসমৰ স্বাধীনতা সংগ্ৰাম' নকৰি 'স্বাধীনতা সংগ্ৰামত অসম' কৰিলে অধিক স্পষ্ট আৰু অৰ্থবহ হ'ব।

**হেমন্ত ৰাজবংশী**
**গুৱাহাটী**






# আলফাৰ শেষ সুযোগ

আলফাৰ কেন্দ্ৰীয় সাধাৰণ পৰিষদে দীঘলীয়া আলোচনাৰ অন্তত চৰকাৰৰ লগত আলোচনাত বহিবলৈ সিদ্ধান্ত লৈছে বুলি বাতৰি প্ৰকাশ পাইছে। সন্দেহ নাই যে এই সিদ্ধান্তই আলফাৰ সুবুদ্ধিৰ পৰিচয় দিছে। কিন্তু জানিব পৰা মতে অস্ত্ৰ-সমৰ্পণৰ প্ৰশ্নত তেওঁলোক এতিয়াও ঐক্যমতত উপনীত হব পৰা নাই। অস্ত্ৰ সমৰ্পণ নকৰালৈকে আলফাক সম্পূৰ্ণভাবে বিশ্বাসত লোৱা টান হব আৰু কেন্দ্ৰীয় চৰকাৰেও বোধহয় আলোচনালৈ আগবাঢ়ি নাহিব। সেই কাৰণে এই বিষয়ে আলফাই আৰু দকৈ চিন্তা কৰি চোৱাৰ প্ৰয়োজন আছে বুলি আমি ভাবো। কেন্দ্ৰীয় চৰকাৰে আলফাৰ পৰা তিনিটা লিখিত প্ৰতিশ্ৰুতি পাইহে সামৰিক অভিযান সাময়িকভাবে স্থগিত ৰাখিছে। সেই প্ৰতিশ্ৰুতি তিনিটা হ'ল – (১) আলফাই হিংসাৰ পথ বৰ্জন কৰিব, (২) সংবিধানৰ গণ্ডীৰ ভিতৰতে অসমৰ সমস্যাবোৰৰ সমাধানৰ পথ বিচাৰিব, আৰু (৩) যথাসময়ত অস্ত্ৰ-সমৰ্পণৰ কাৰণে তেওঁলোকে কাৰ্যপন্থা নিৰূপণ কৰিব। আলফাই হিংসাৰ পথ বৰ্জন কৰিব বুলি প্ৰতিশ্ৰুতি দিয়াৰ পিছত হাতত অস্ত্ৰ ৰখাৰ কোনো যুক্তি আৰু প্ৰয়োজন নাই, কাৰণ একমাত্ৰ হিংসাৰ পথ লবৰ কাৰণেহে অস্ত্ৰৰ প্ৰয়োজন। অস্ত্ৰ সমৰ্পণ কৰিবলৈ ইচ্ছা নকৰি তেওঁলোকে ভৱিষ্যতে প্ৰয়োজন হলে হিংসাৰ পথ লোৱাৰ ইঙ্গিত দিছে। ই দেখ্‌দেখ্‌কৈ প্ৰতিশ্ৰুতি ভঙ্গৰ অপৰাধ।

আলফাই এতিয়া এটা কথা স্পষ্টভাবে বুজা উচিত যে শান্তিৰ পথলৈ ঘূৰি অহাৰ বাহিৰে এতিয়া তেওঁলোকৰ গত্যন্তৰ নাই। যোৱা পাঁচ-ছবছৰ ধৰি তেওঁলোকে যি অস্ত্ৰ-শিক্ষা লৈছিল তাৰ সহায়ত তেওঁলোকে এজনো মাত্ৰ ভাৰতীয় সৈন্যক মাৰিব নোৱাৰিলে। তদুপৰি এতিয়া আলফাই নাগা আৰু কাচিন বিদ্ৰোহীসকলৰ পৰা অস্ত্ৰৰ যোগান পাই থকাৰ পথো সমূলি বন্ধ হৈ গৈছে, কাৰণ ব্ৰহ্মদেশৰ সৈন্যবাহিনীয়ে বিদ্ৰোহীসকলৰ বিৰুদ্ধে সৰ্বাত্মক অভিযান চলাই তেওঁলোকৰ গোপন ঘাটিবোৰ দখল কৰি পেলাইছে। নাগা বিদ্ৰোহীসকল এতিয়া দলে দলে ভাৰতলৈ পলাই আহিছে। গতিকে আলফা বিদ্ৰোহীসকলে এতিয়াৰ পৰা অস্ত্ৰ-সৰবৰাহ আৰু প্ৰশিক্ষণৰ কাৰণে বাহিৰৰ কোনো শক্তিৰ ওপৰত নিৰ্ভৰ কৰিব নোৱাৰে। আনহাতে আলফাৰ হিংসাত্মক কাৰ্য-কলাপৰ প্ৰতি অসমৰ জনসাধাৰণৰ বিন্দুমাত্ৰ সমৰ্থন নাই বুলি ইতিমধ্যে সন্দেহাতীতভাবে প্ৰমাণিত হৈ গৈছে। কেৱল সেয়েই নহয়, আলফাই সংঘটিত কৰা পৈশাচিক হত্যাকাণ্ডবোৰে তেওঁলোকক মানুহৰ মনত ঘৃণা আৰু ভয়ৰ পাত্ৰ কৰি তুলিছে। এনেকৈ আলফাই বাহিৰৰ পৰা সামৰিক সমৰ্থন আৰু ভিতৰৰ পৰা নৈতিক সমৰ্থন দুয়োটাই হেৰুৱাইছে। এনে এটা পৰিস্থিতিত কোনো সন্ত্ৰাসবাদী সংগঠনৰ পক্ষেই নিজৰ অস্তিত্ব বজাই ৰখা সম্ভৱ নহয়।

কিন্তু সেইবুলি আলফাৰ ভৱিষ্যৎ সমূলি অন্ধকাৰ – এনে কথাও কব নোৱাৰি। অসমৰ মানুহে আলফাৰ সন্ত্ৰাসবাদ আৰু বিচ্ছিন্নতাবাদৰ সমৰ্থন নকৰিলেও অসমৰ স্বাৰ্থ-ৰক্ষাৰ কাৰণে তেওঁলোকে উত্থাপন কৰা কিছুমান গুৰুত্বপূৰ্ণ দাবী সমৰ্থন কৰে। গতিকে তেওঁলোকে যদি নিজকে এটা গণতান্ত্ৰিক ৰাজনৈতিক দল হিচাপে সংগঠিত কৰি অসমৰ স্বাৰ্থৰক্ষাৰ হ'কে আন্দোলন কৰিবলৈ আগবাঢ়ি আহে তেন্তে তেওঁলোকে জনসমৰ্থনৰ পৰা বঞ্চিত নহব বুলি আশা কৰিব পাৰি। আঞ্চলিক দলবোৰৰ ব্যৰ্থতা আৰু হঠকাৰিতাই যি শূন্যতাৰ সৃষ্টি কৰিছে সেই শূন্যতা পূৰণ কৰিবলৈ আলফা আগবাঢ়ি আহিলে তেওঁলোকে এতিয়াও এটা ঐতিহাসিক ভূমিকা লব পাৰে।

# অসমৰ আৰ্থিক অনগ্ৰসৰতাৰ কাৰণ আৰু তাৰ প্ৰতিকাৰ

সবিতা লহকৰ

অসম ভাৰতৰ অংগৰাজ্য। কিন্তু ভাৰতৰ অন্যান্য অংশৰ তুলনাত অসমৰ উন্নয়নৰ গতি একেবাৰে লেহেম। বিশেষকৈ অৰ্থনৈতিক ক্ষেত্ৰত অসমৰ অৱস্থা একেবাৰে পাছপৰা। ইয়াৰ কাৰণবোৰ অনুসন্ধান কৰিবলৈ যাওঁতে কিছু ঐতিহাসিক পটভূমি মনত পেলাব লাগিব।

বৃটিছ শাসনৰ আগলৈকে ভাৰতবৰ্ষ আছিল সম্পূৰ্ণৰূপে সামন্ততান্ত্ৰিক দেশ। সামন্ত ব্যৱস্থাত মুষ্টিমেয় ভূ-স্বামীৰ স্বাৰ্থৰক্ষাৰ বাবেই পুঁজিৰ বিকাশ ঘটোৱা নহয়। কল-কাৰখানা বা উদ্যোগ প্ৰতিষ্ঠাৰ যোগেদি ৰাষ্ট্ৰৰ নিয়ন্ত্ৰণ পুঁজিপতি শ্ৰেণীৰ হাতলৈ গুচি যোৱাৰ আশংকাত সামন্ত প্ৰভুসকলে উৎপাদন ক্ষেত্ৰত বা অন্যান্য সামাজিক ক্ষেত্ৰতো সাতামপুৰুষীয়া পদ্ধতিকে আঁকোৱালি থাকে। ভাৰতবৰ্ষৰ ক্ষেত্ৰতো সেয়ে ঘটিছিল। সেয়ে যেতিয়া ন-ন আৱিষ্কাৰেৰে পৃথিৱীৰ বহুদেশ সম্পদশালী হৈ উঠিছিল তেতিয়াও ভাৰতবৰ্ষৰ সকলো ঠাইতে শিক্ষাৰ পোহৰেই পৰা নাছিল। এনে এক অৱস্থাৰ মাজতে সাম্ৰাজ্যবাদী বৃটিছে যেতিয়া ভাৰতবৰ্ষ শাসন কৰাৰ সুযোগ পালে, তেওঁলোকেও বহুক্ষেত্ৰতে সামন্ত প্ৰভুসকলৰ সৈতে আপোচ কৰি চলিবলৈ ধৰিলে। ফলত য'ত একেবাৰে প্ৰয়োজন বা সংঘাত নাই তেনে ক্ষেত্ৰতহে উদ্যোগ আদি প্ৰতিষ্ঠা বা ৰাস্তা-পদুলি নিৰ্মাণৰ কাম কৰা হ'ল। প্ৰয়োজনৰ ক্ষেত্ৰতো গুৰুত্ব দিয়া হ'ল সৰ্বসাধাৰণ বা এই দেশৰ স্বাৰ্থত নহয়, সাম্ৰাজ্যবাদী স্বাৰ্থতহে। অৱশ্যে বৃটিছে যিহেতু সাম্ৰাজ্যবাদী লুণ্ঠনৰ স্বাৰ্থতহে ভাৰত শাসন কৰিবলৈ লৈছিল, গতিকে ই একেবাৰে স্বাভাৱিক আছিল। বৃটিছ শাসন কালৰ এই বৈষম্যৰ ফলত ভাৰতৰ কিছু কিছু অঞ্চল শিল্প সমৃদ্ধ হৈ উঠাৰ বিপৰীতে আন কিছু অঞ্চল একেবাৰে পশ্চাদপদ হৈ ৰ'ল। অসম ১৮২৬ চনৰ পিছতহে বৃটিছ ভাৰতৰ অন্তৰ্ভুক্ত হয়। অসমলৈ ৰেল সংযোগ বা আধুনিক পৰিবহণৰ আগমন হয় তাৰ পিছতহে। গতিকে বৃটিছ শাসনৰ তলত থকা ১০০ বছৰীয়া কালছোৱাত চুবুৰীয়া বঙ্গ বা দাক্ষিণাত্যৰ মাদ্ৰাজ আদি চহৰৰ দৰে অসমৰ গুৱাহাটী বা তেজপুৰ সমৃদ্ধ হৈ নুঠিল। আনহাতে স্বাধীনতাৰ পৰৱৰ্তী বছৰবোৰতো দেখা গ'ল ভাৰতবৰ্ষৰ ৰাষ্ট্ৰব্যৱস্থাৰ শ্ৰেণী চৰিত্ৰৰ বিশেষ সলনি হোৱা নাই। দেখা গ'ল ভাৰতবৰ্ষত সামন্ততন্ত্ৰৰ অৱশেষো ৰৈ গৈছে আৰু পুঁজিৰো উপযুক্ত বিকাশ ঘটা নাই। চাৰিত্ৰিকভাৱে ভাৰতবৰ্ষ অৰ্ধ সামন্তবাদী আৰু অৰ্ধ পুঁজিবাদী ৰাষ্ট্ৰত পৰিণত হৈছে। গতিকে অৱধাৰিতভাৱেই ভাৰতবৰ্ষৰ নিয়ন্ত্ৰণ বৃটিছ সাম্ৰাজ্যবাদীৰ হাতৰ পৰা দেশীয় পুঁজিপতি আৰু সামন্তবাদীসকলৰ যুটীয়া নেতৃত্বলৈ গ'ল। নিজ স্বাৰ্থৰ সুৰক্ষাৰ বাবেই তেওঁলোকেও যাতায়াতৰ অসুবিধা আৰু সীমান্তবৰ্তী ৰাজ্য হোৱা হেতুকে নিৰাপত্তাৰ অজুহাত আদি দেখুৱাই অসমত উদ্যোগ স্থাপনৰ পৰা বিৰত হৈ থাকিল। অথচ অপৰ্যাপ্ত কেঁচামালসমৃদ্ধ অসমৰ কেঁচামালেৰেই ভাৰতৰ বিভিন্ন অঞ্চলৰ উদ্যোগ চলি আছে।

অসমৰ মানুহ মূলতঃ কৃষিজীৱী। কিন্তু স্বাধীনতাৰ পিছৰ কালছোৱাত অসমৰ কৃষিক্ষেত্ৰত কোনোধৰণৰ উন্নয়নমূলক কাম নহ'ল। ভাৰতবৰ্ষৰ পঞ্জাব বা হাৰিয়ানাৰ দৰে ৰাজ্যসমূহে মূলতঃ কৃষিৰ যোগেদিয়েই সমৃদ্ধ হৈছে। জলসিঞ্চন ব্যৱস্থাৰ সুপ্ৰয়োগ আৰু উন্নত কৌশল ব্যৱহাৰ কৰি অসমতো সেউজ বিপ্লৱ সফল কৰি তুলিব পাৰি। কিন্তু অসমৰ খেতিয়ক ৰাইজে বৰ্তমানেও বৰষুণৰ পানীৰ ওপৰতে নিৰ্ভৰ কৰিবলগা হৈ আছে। অথচ ব্ৰহ্মপুত্ৰ নদীত এক বৃহৎ বান্ধ নিৰ্মাণৰ যোগেদিয়ে অসমৰ কৃষিক্ষেত্ৰ আৰু শক্তি উৎপাদনৰ ক্ষেত্ৰতো বৈপ্লৱিক পৰিৱৰ্তন সাধন কৰিব পাৰি।

অসমৰ উন্নয়ন বাধাপ্ৰাপ্ত হোৱাৰ এই মূল কাৰণসমূহৰ লগতে আন এটা প্ৰধান কাৰণ হৈছে ইয়াৰ অধিবাসীসকলৰ পৰিশ্ৰম বিমুখ মনোভাব আৰু উদ্যমহীনতা। অসমীয়া মানুহ স্বভাৱতে আৰামপ্ৰিয়। আগতে কম পৰিশ্ৰমতে মানুহে জীৱন ধাৰণৰ প্ৰয়োজনীয় বস্তুখিনি আহৰণ কৰি লব পাৰিছিল। কিন্তু বৰ্তমানৰ এই প্ৰতিযোগিতাৰ যুগত তিষ্ঠি থাকিবলৈ হলে কঠোৰ পৰিশ্ৰম আৰু অধ্যৱসায় অত্যন্ত প্ৰয়োজনীয়। অথচ অসমৰ যুৱসমাজত বৰ্তমানে কম পৰিশ্ৰমতে অধিক উপাৰ্জন হোৱা জীৱিকালৈহে ধাউতি বাঢ়িছে। সেয়ে বিশেষ বুদ্ধি বা কৌশল অথবা পৰিশ্ৰম খটুৱাই কৰিবলগা হোৱা যিকোনো কামৰ বাবেই অসমৰ বাহিৰৰ লোক বিচাৰিবলগীয়া হয়। অসমৰ যুৱক-যুৱতীয়ে প্ৰায়েই অভিযোগ কৰে যে অসমীয়া যুৱক-যুৱতীক বঞ্চিত কৰা হৈছে। কিন্তু বঞ্চিত কিদৰে হয় – তাক এটা সৰু উদাহৰণেৰে বুজাব পাৰি।

অসমত আই আই টি এখন প্ৰতিষ্ঠা হব লাগে – ই সকলো অসমীয়াৰে দাবী। কিন্তু এই প্ৰতিষ্ঠান প্ৰতিষ্ঠা হোৱাৰ পিছত আমাৰ লাভ হব কিমান সেই সম্পৰ্কে আমি নিশ্চয় ভবা-গুণা কৰা নাই। কাৰণ আই আই টিৰ পৰিচালনা, ভৰ্তিকৰণকে ধৰি সকলো কাম হব সৰ্বভাৰতীয় ভিত্তিত। অসমৰ বাবে বিশেষ কোনো কোটাও ইয়াত নাথাকে – কাৰণ ই আই আই টিৰ নিয়ম নহয়। তদুপৰি নিয়োগৰ ক্ষেত্ৰতো অসমৰ মানুহে সুযোগ পোৱাৰ আশা কম – কাৰণ অসমত কাৰিকৰীভাৱে প্ৰশিক্ষণপ্ৰাপ্ত লোকৰ অভাৱ। এতিয়া সেয়ে অসমৰ যুৱক-যুৱতীৰ বাবে কৰণীয় হব আই আই টিৰ দাবীত শ্ৰেণী বৰ্জন নহয়, বৰং বেছি ভালকৈ নিজক সৰ্বদিশৰ পৰাই আই আই টিত নিযুক্তি পাবলৈ প্ৰস্তুত কৰাটোহে। নহলে আই আই টি, গেছ ক্ৰেকাৰ আদি স্থাপন হলেই অসমত ঔদ্যোগিক বিকাশ ঘটিব বা আৰ্থিকভাৱে অসম উন্নত হব বুলি ভবাটোও হব এক বাতুলতা মাত্ৰ। এই প্ৰসঙ্গতে আমি 'সূত্ৰধাৰ'ৰ তৰফৰ পৰা অসমৰ অৰ্থনৈতিক অনগ্ৰসৰতাৰ মূল কাৰণসমূহ আৰু তাৰ প্ৰতিকাৰৰ উপায় সম্পৰ্কে বিশিষ্ট কেইগৰাকীমান লোকৰ মতামত জানিব খুজিছিলো। বিশেষকৈ পৰিকল্পনা আৰু ঔদ্যোগিক দিশৰ সৈতে জড়িত বিশিষ্ট ব্যক্তি যতীন হাজৰিকা, অৰ্থনীতিবিদ পৰমেশ্বৰ শৰ্মা, পৰিকল্পনা বিষয়া ভাস্কৰ বৰুৱা, বিশিষ্ট বেংকাৰ কৃষ্ণপ্ৰসাদ বৰুৱা, থানেশ্বৰ বৰুৱা আৰু অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ বিত্ত বিভাগৰ ভাৰপ্ৰাপ্ত সদস্য শান্তিকাম হাজৰিকা আদিয়ে তেওঁলোকৰ সুচিন্তিত মতামত আমালৈ আগবঢ়াইছে। এইবাৰ প্ৰকাশ কৰা হ'ল যতীন হাজৰিকাৰ মতামত।





# 'অসমৰ বাবে অৰ্থনৈতিক বিকাশ হ'ল দেশৰ সৰহ সংখ্যক লোকে দুবেলা দুমুঠি খোৱাৰ সংস্থান পোৱা–'



*সূত্ৰধাৰৰ সম্পাদক ডাঙৰীয়া,*

আপুনি মোক প্ৰশ্ন কৰিছে যে অসমৰ আৰ্থিক অনগ্ৰসৰতাৰ প্ৰধান কাৰণ কি কি বুলি মই ভাবো আৰু সেইবোৰৰ প্ৰতিকাৰৰ কাৰণে মই কেনেধৰণৰ উপায়ৰ কথা ভাবো। আপোনাৰ প্ৰশ্নৰ আৰম্ভণিতে আপুনি কৈছে যে আৰ্থিক উন্নয়নৰ ক্ষেত্ৰত অসম ভাৰতবৰ্ষৰ কেইখনমান উন্নত ৰাজ্যৰ তুলনাত পিছপৰি থকাৰ কিছুমান কাৰণ ঐতিহাসিক। এইখিনিতে মই কম যে ঐতিহাসিক কাৰণৰ লগতে আমাৰ ৰাজ্যখনৰ অনগ্ৰসৰতাৰ এটা প্ৰধান কাৰণ হ'ল – ভৌগলিক অৱস্থিতি। দেশৰ এটা মূৰত অৱস্থিত আৰু তিনিখন বিদেশী ৰাষ্ট্ৰৰ প্ৰায় গাতে লাগি থকা ভৌগলিক অৱস্থিতিয়ে আমাৰ অৰ্থনৈতিক বিকাশত বাধাৰ সৃষ্টি কৰাটো স্বাভাৱিক। তদুপৰি আমি ভাৰতবৰ্ষৰ প্ৰধান বজাৰখনৰ পৰা বহুত দূৰত। অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত বজাৰৰ ভূমিকা মুখ্য। আমাৰ ৰাজ্যখনক মূল খণ্ডৰ লগত সংযোগ কৰাৰ লগতে ৰাজ্যখনৰ বিভিন্ন অঞ্চলক সাৱটি লোৱা পৰিবহণ ব্যৱস্থাও আশানুৰূপ নহয়। এইক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে নিজৰ দায়িত্ব এৰাব নোৱাৰে। ঐতিহাসিক কাৰণসমূহ বিশ্লেষণৰ বোধকৰো প্ৰয়োজন নাই। কোনোবা মনীষী এজনৰ একাষাৰ কথা মোৰ মনত আছে – "যাৰ বৰ্তমান নাই, সিয়ে অতীতক লৈ মূৰ ঘমাই থাকে।" কিন্তু তথাপি এইখিনিতে উল্লেখ কৰিব লাগিব যে আজি চাৰি পাঁচ দশকৰ আগলৈকে আমাৰ ৰাজ্যখন আৰ্থিক আৰু সামাজিক ক্ষেত্ৰত যথেষ্ট টনকিয়াল আছিল – আৰু এই টনকিয়াল অৱস্থাত আমাৰ জনসাধাৰণৰ আত্মসন্তুষ্টিয়ে এনে আৰ্থ-সামাজিক মূল্যবোধ সৃষ্টি কৰিছিল যি মূল্যবোধৰ তলত আমাৰ "উদ্যম, অধ্যৱসায় আৰু শ্ৰম সহিষ্ণুতাৰ অভাৱ ঘটিছে।"

আৰ্থিক উন্নয়নৰ কথা চিন্তা কৰোতে আমি আমাৰ অনগ্ৰসৰতাৰ কাৰণসমূহ অৰ্থনৈতিক দৃষ্টিকোণৰ পৰা বিশ্লেষণ কৰাটো একান্ত প্ৰয়োজন। এনে বিশ্লেষণৰ প্ৰথম প্ৰশ্ন হব – আৰ্থিক উন্নয়ন অৰ্থাৎ অৰ্থনৈতিক বিকাশৰনো সংজ্ঞা কি? অসমকে ধৰি গোটেই ভাৰতবৰ্ষখনেই হল দুখীয়া মানুহৰ দেশ। চৰকাৰী হিচাপ মতেই আমাৰ ৰাজ্যখনৰ সৰহসংখ্যক লোক দৰিদ্ৰ। আৰ্থিক উন্নয়নৰ সংজ্ঞা দৰিদ্ৰ আৰু ধনী দেশৰ কাৰণে বেলেগ বেলেগ। আমেৰিকা যুক্তৰাষ্ট্ৰই অৰ্থনৈতিক বিকাশ বুলি কলে হয়তো মহাকাশলৈ মানুহ পঠিওৱা বা ষ্টাৰ ৱাৰৰ প্ৰস্তুতি সম্পূৰ্ণ কৰা বুলি বুজিব – কিন্তু ভাৰতবৰ্ষৰ দৰে দুখীয়া দেশ তথা অসমৰ দৰে ৰাজ্যত অৰ্থনৈতিক বিকাশ হ'ল দেশৰ সৰহ সংখ্যক লোকক দুবেলা দুমুঠি খোৱাৰ সংস্থান দিয়া, থাকিবলৈ এটি সৰু ঘৰৰ ব্যৱস্থা কৰা, খোৱা পানী এটুপিৰ যোগান ধৰা আৰু স্বাস্থ্য ৰক্ষাৰ কাৰণে লাগতিয়াল ন্যূনতম চিকিৎসাৰ ব্যৱস্থা কৰা। এনে এটা অৰ্থনৈতিক পৰিস্থিতিত আমাৰ আৰ্থিক উন্নয়নৰ মূল লক্ষ্য হব লাগিব দুখীয়া জনসাধাৰণৰ জীৱন ধাৰণৰ মানদণ্ডৰ কিছু পৰিমাণে হলেও উন্নতি সাধন কৰা। জীৱন ধাৰণৰ মানদণ্ডৰ উন্নতিৰ কাৰণে জনসাধাৰণৰ উপাৰ্জনক্ষম নিয়োগৰ (Income generating employment) আৱশ্যক। পৃথিৱীৰ কোনো দেশৰ অৰ্থনীতিয়ে কেৱল নিয়োগৰ কাৰণে নিয়োগৰ থল উলিয়াই জীয়াই থাকিব নোৱাৰে, জনসাধাৰণে (Productive employment) উৎপাদনক্ষম নিয়োগৰ দ্বাৰাহে নিজে জীয়াই থকাৰ উপৰিও ৰাষ্ট্ৰীয় অৰ্থনীতিৰ বিকাশৰ কাৰণে অৰিহণা যোগাব পাৰে।

অৰ্থনীতিৰ বিভিন্ন খণ্ডৰ বিষয়ে আলোচনা কৰাৰ আগতে আমাৰ ৰাজ্যখনৰ সামগ্ৰিক উন্নয়নৰ কাৰণে লাগতিয়াল মূল বিষয়কেইটাৰ (BASIC SUPPORT) বিষয়ে উনুকিওৱা প্ৰয়োজন। আমি সকলোৱে জানো যে প্ৰলয়ংকাৰী বানপানীয়ে প্ৰতিবছৰে আমাৰ অৰ্থনীতি তেনেই জুৰুলা কৰি পেলায়। গতিকে অসমৰ আৰ্থিক অনগ্ৰসৰতা দূৰ কৰাৰ প্ৰধান প্ৰতিকাৰ হব বছৰে বছৰে হোৱা বানপানীৰ কৰাল গ্ৰাসৰ পৰা ৰাজ্যখনক সম্পূৰ্ণকৈ নোৱাৰিলেও কিছু পৰিমাণে ৰক্ষা কৰা। যেতিয়ালৈকে প্ৰলয়ংকাৰী বানপানীৰ পৰা ৰাজ্যখনৰ জনসাধাৰণক সকাহ দিব পৰা নেযায় তেতিয়ালৈকে আৰ্থিক উন্নয়নৰ ক্ষেত্ৰত বিশেষ সফলতা লাভ কৰাৰ আশা কৰিব নোৱাৰি। এইক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে মুখ্য ভূমিকা গ্ৰহণ কৰাৰ বাবে দায়বদ্ধ। অৰ্থনৈতিক উন্নয়নৰ আন দুটা মূল লাগতিয়াল বিষয় হ'ল পৰিবহণ ব্যৱস্থা আৰু যথেষ্ট পৰিমাণৰ বিদ্যুৎ সৰবৰাহ ব্যৱস্থা। মই আগতেই উনুকিয়াই আহিছো যে আমাৰ ৰাজ্যখনত ৰেল, আলি-পদুলি আৰু জল পৰিবহণৰ ব্যৱস্থা অতি পুতৌজনক। ৰেল সংযোগ উন্নয়নৰ কথা ভাবিলে কেৱল গুৱাহাটীৰ পৰা তিনিচুকীয়া বা বদৰপুৰলৈ ব্ৰডগজ লাইন খোলাৰ কথা ভাবিলেই সমস্যাৰ শেষ নহয়। ৰাজ্যখনত ব্ৰডগজ লাইনৰ কথা ভবাৰ লগে লগে ফাৰাক্কাৰ ওপৰেদি অধিক সংখ্যক ৰেল ডবা অহাযোৱাৰ ব্যৱস্থাৰ কথাও চিন্তা কৰিব লাগিব। কাৰণ ফাৰাক্কা বেৰেজৰ ওপৰত থকা ৰেল দলঙৰ কাৰ্য ক্ষমতা বৰ্তমানৰ দৰে থাকিলে ৰেল পৰিবহণৰ ক্ষেত্ৰত থকা অসুবিধা সদায় ভোগ কৰিব লাগিব। আলি-পদুলিৰ কথা বেছি বহলাই কোৱাৰ প্ৰয়োজন নাই কাৰণ আমি প্ৰত্যেকেই এই অসুবিধাৰ কথা বিশদ ভাৱে জানো। আমাৰ ৰাজ্যত জল পৰিবহণৰ সুযোগ থকা সত্ত্বেও সেই সুযোগৰ যথোপযুক্ত ব্যৱহাৰ হোৱা নাই। আধুনিক যুগত অৰ্থনৈতিক উন্নয়নৰ মাপকাঠী হ'ল বিদ্যুৎৰ ব্যৱহাৰ। কৃষিয়েই বোলক, উদ্যোগেই বোলক অৰ্থনীতিৰ সকলো খণ্ডৰে বিকাশৰ কাৰণে বিদ্যুৎ একান্ত অপৰিহাৰ্য। পৰিতাপৰ কথা বিদ্যুৎ

উৎপাদনৰ যথেষ্ট সম্ভাৱনা থকা সত্ত্বেও আমাৰ ৰাজ্যত বিদ্যুৎ উৎপাদন অতি কম। তদুপৰি যি পৰিমাণৰ বিদ্যুৎ উৎপাদন কৰাৰ ক্ষমতা ৰাজ্যখনত প্ৰতিষ্ঠা কৰা হৈছে (INSTALLED CAPACITY) তাৰ পঞ্চাশ শতাংশও কাৰ্যক্ষম কৰিব পৰা নাই। প্ৰতি ইউনিট বিদ্যুৎ উৎপাদনৰ কাৰণে ব্যয় কৰা ধনৰ পৰিমাণো ভাৰতবৰ্ষৰ ভালেকেইখন ৰাজ্যৰ তুলনাত অসমত বেছি। যথেষ্ট পৰিমাণৰ বিদ্যুৎ সস্তা দৰত সৰবৰাহৰ ব্যৱস্থা কৰিব পাৰিলেহে অসমৰ দৰে উন্নয়নকামী ৰাজ্যত আৰ্থিক উন্নয়ন সম্ভৱ।

মই আগেয়েই কৈছো যে দুখীয়া জনসাধাৰণৰ জীৱনৰ মানদণ্ড উন্নত কৰিবৰ হলে জনসাধাৰণক উৎপাদনক্ষম আৰু যথেষ্ট পৰিমাণৰ উপাৰ্জন কৰিব পৰা নিয়োগৰ থলৰ সুবিধা দিব পাৰিব লাগিব। এনে নিয়োগৰ থল কিনো হব পাৰে সেই বিষয়ে চিন্তা কৰোতে আমি ৰাজ্যখনৰ অৰ্থনৈতিক খণ্ডসমূহৰ কথা ভাবিব লাগিব। আমাৰ ৰাজ্যখন কৃষি প্ৰধান ৰাজ্য – কাৰণ জনসাধাৰণৰ শতকৰা ৭৬ জনৰ জীৱিকা কৃষি। গতিকে আমাৰ ৰাজ্যৰ অৰ্থনীতিৰ প্ৰধান খণ্ড (PRIMARY SECTOR) হল কৃষি। যদিও আমাৰ জনসাধাৰণৰ শতকৰা ৭৬ জনৰ জীৱিকা কৃষি কিন্তু কৃষিত কাম কৰা লোকৰ সংখ্যা হল শতকৰা কেৱল ৪০ জন। আমাৰ মাজত এটা ধাৰণা আছে যে যিহেতু জনসংখ্যা অনুপাতে আমাৰ মাটিৰ পৰিমাণ কম – সেইকাৰণে খেতিত লাগি থাকিলে আমাৰ জনসাধাৰণৰ আৰ্থিক উন্নতি হোৱাৰ আশা নাই। এই ধাৰণা সত্য নহয়। আমি সকলোৱে জানো যে জাপান এখন সমৃদ্ধিশালী ঔদ্যোগিক দেশ। জাপানৰ অৰ্থনৈতিক উন্নয়নে আজি গোটেই বিশ্বত আলোড়নৰ সৃষ্টি কৰিছে। কিন্তু জাপানৰ এই অভূতপূৰ্ব সাফল্যৰ মূল হ'ল কৃষি। জাপানে এইটোও উপলব্ধি কৰিছে যে দেশখনত ক্ৰমাৎ বাঢ়ি অহা নিবনুৱা সমস্যা সমাধান কৃষিৰ দ্বাৰাহে সম্ভৱ – উদ্যোগৰ দ্বাৰা নহয়। জাপানত প্ৰতি এশ একৰ মাটিত ১৯২ জন লোকৰ উৎপাদনক্ষম আৰু উপাৰ্জনশীল নিয়োগৰ সুবিধা আছে আৰু এনে নিয়োগৰ দ্বাৰা তেওঁলোকে প্ৰতি হেক্টৰ মাটিত ৬০০০ কিলোগ্ৰামতকৈও অধিক শস্য উৎপাদন কৰে। ইয়াৰ বিপৰীতে আমাৰ এশ একৰ মাটিত ৮০ জনমান লোকেহে কাম কৰে আৰু এওঁলোকে উৎপাদন কৰা শস্যৰ পৰিমাণ হ'ল প্ৰতি হেক্টৰত কেৱল ১৫০ কিলোগ্ৰাম। এনে এটা অৱস্থাত মাটিৰ ওপৰত জনসাধাৰণৰ হেঁচা সহিব নোৱৰা বুলি ভাবিলে ভুল হব। কৃষিৰ উন্নতিৰ কাৰণে চিন্তা কৰিলে ইয়াৰ কাৰণে আৱশ্যকীয় মূল উপাদান সমূহৰ বিকাশৰ কথাও চিন্তা কৰিব লাগিব। এনে উপাদানৰ প্ৰধান হ'ল ভূমি সংস্কাৰ – ভূমি সংস্কাৰ বুলিলে আমি প্ৰকৃত খেতিয়কক মাটিৰ মালিকীস্বত্ব দিয়াৰ ব্যৱস্থা কৰাৰ কথা ভাবিব লাগিব। মালিকী স্বত্বৰ লগতে ৰাজহ বিভাগৰ নথি-পত্ৰৰ সংস্কাৰ কৰি প্ৰকৃত খেতিয়কৰ নামত মাটিৰ পট্টা দিয়াটো একান্ত প্ৰয়োজন। বৰ্তমান চৰকাৰে প্ৰৱৰ্তন কৰা পাছবুক পদ্ধতি এই বিষয়ে এটি উৎসাহজনক পদক্ষেপ। কৃষি উন্নয়নৰ কাৰণে প্ৰয়োজনীয় দ্বিতীয় উপাদান হল জলসিঞ্চন ব্যৱস্থা। চৰকাৰী হিচাপ মতে আমাৰ ৰাজ্যত শতকৰা ৬ ভাগ মাটিতহে জলসিঞ্চনৰ ব্যৱস্থা আছে। খেতিৰ মাটিৰ অতি কমেও ২৫ শতাংশত জলসিঞ্চনৰ ব্যৱস্থা কৰিব পাৰিলেহে কৃষি ক্ষেত্ৰত কিছু উন্নতি সধা সম্ভৱ। কৃষি ক্ষেত্ৰৰ বিকাশৰ তৃতীয়টো উপাদান হ'ল – জনশিক্ষা। জনশিক্ষাৰ বহুল প্ৰচলনৰ দ্বাৰা পুৰুষ-মহিলা সকলোকে সাক্ষৰ কৰি তুলিব নোৱাৰিলে অৰ্থনৈতিক, সামাজিক বা ৰাজনৈতিক বিকাশ কেতিয়াও সম্পূৰ্ণ হব নোৱাৰে। আজি কিছুদিনৰ আগতে পৰিকল্পনা আয়োগে অসমৰ অৰ্থনৈতিক বিকাশৰ পথ নিৰ্দেশনৰ উদ্দেশ্যে ড° এল, চি জৈনৰ নেতৃত্বত এখনি সমিতি গঠন কৰিছিল। এই সমিতিয়ে স্পষ্টভাবে ঘোষণা কৰিছে যে অসমৰ অৰ্থনৈতিক বিকাশৰ পাত্ৰটোত বহল ফুটা আছে আৰু এই ফুটাবিলাক মাৰিব নোৱাৰিলে অৰ্থনৈতিক বিকাশৰ সকলো প্ৰচেষ্টা ব্যৰ্থ হব। এই সমিতিয়ে প্ৰথমতেই উল্লেখ কৰিছে যে অসমৰ জনসাধাৰণৰ জীৱন নিৰ্বাহৰ কাৰণে বছৰি ৭০০ কোটি টকাৰো অধিক মূল্যৰ খাদ্য শস্য, খোৱা তেল, মাছ, কণী আদি অন্যান্য ৰাজ্যৰ পৰা আমদানী কৰিব লাগে। এই আমদানিকৃত সামগ্ৰীবিলাক ৰাজ্যখনতে উৎপাদন কৰিব পাৰিলে ৰাজ্যখনৰ পৰা বাহিৰলৈ যোৱা বৃহৎ পৰিমাণৰ ধন ৰাজ্যখনতে থাকি যাব। গতিকে অসমৰ আৰ্থিক অনগ্ৰসৰতা দূৰ কৰাৰ এটা প্ৰধান উপায়

আপোনাৰ প্ৰশ্নৰ উত্তৰৰ সংশ্ৰৱত মইএটি গীতাৰ শ্লোক উল্লেখ কৰি মোৰ বক্তব্যৰ সামৰণি মাৰো। এই শ্লোকটো হ'ল – "গুনৈৰুত্ৰমতাং য়াতি নৌচ্ছেৰাসন সংস্থিত ঃ"যাৰ ভাৱাৰ্থ হ'ল – "তুমি তোমাৰ নিজৰ অধ্যৱসায় আৰু পৰিশ্ৰমৰ দ্বাৰাহে নিজক প্ৰতিষ্ঠা কৰিব পাৰিবা।" – আনৰ অনুগ্ৰহত নহয়।





হ'ল ৰাজ্যখনত কৃষিৰ উন্নতি সাধন কৰা। কৃষি বুলি কওঁতে কৃষিৰ আনুষঙ্গিক পশুপালন, মৎস্য পালন, হাঁহ কুকুৰা পালন আদিও সামৰি লব লাগিব।

অৰ্থনৈতিক বিকাশৰ প্ৰতি অৰিহণা যোগোৱা দ্বিতীয় খণ্ড (Secondary Sector) হ'ল উদ্যোগ। উদ্যোগৰ ক্ষেত্ৰত আমাৰ ৰাজ্যখন তেনেই পিছপৰা। যদিও তেল আৰু চাহ উদ্যোগৰ বয়স এশ বছৰতকৈও অধিক আৰু তেল আৰু চাহ উদ্যোগে অসমত আনুষঙ্গিক উদ্যোগ (Ancillary Industries) বিকাশৰ কাৰণে বিশেষ অৰিহণা যোগোৱা অপৰিহাৰ্য আছিল – কিন্তু পৰিতাপৰ কথা এইক্ষেত্ৰত এই দুয়োটা উদ্যোগে অৱহেলা জনিত কাৰণত একো কৰিব নোৱাৰিলে। ভৌগলিক অৱস্থিতি, অনুন্নত পৰিবহণ ব্যৱস্থা আৰু মূলবজাৰৰ পৰা দূৰত্বৰ কাৰণে আমাৰ ৰাজ্যত গতানুগতিক ধৰণৰ (Conventional Type) উদ্যোগ স্থাপন কৰি বচাই ৰখা টান। গতিকে আমি এনে উদ্যোগৰ কথাহে চিন্তা কৰিব লাগিব যি উদ্যোগৰ কাৰণে লাগতিয়াল উপাদান আমাৰ ৰাজ্যতে পোৱা যায় আৰু যি উদ্যোগৰ উৎপাদিত বস্তু দূৰ দূৰলৈ পৰিবহণ কৰাৰ সুবিধা আছে। এনে উদ্যোগৰ কথা ভাবিলেই আমাৰ ৰাজ্যত প্ৰচুৰ পৰিমাণে পোৱা প্ৰাকৃতিক গেচৰ যথোপযুক্ত ব্যৱহাৰৰ কথা আমাৰ মনলৈ আহে। প্ৰাকৃতিক গেচৰ যথোপযুক্ত ব্যৱহাৰৰ কথা চিন্তা কৰোতে আমি এটা কথা স্পষ্টভাবে উপলব্ধি কৰিব লাগিব। ২৫০০/৩০০০ কোটি টকা বিনিয়োগ কৰি অসমত এটা গেচ ক্ৰেকাৰ স্থাপন কৰিলেই আমাৰ ৰাজ্যখন ঔদ্যোগিক ৰাজ্য হৈ পৰিব বা ই আমাৰ নিবনুৱা সমস্যা সমাধান কৰি পেলাব বুলি ভাবিলে ভুল কৰা হব। আজিৰ যুগত ঔদ্যোগিক প্ৰযুক্তি বিদ্যাই অভূতপূৰ্ব সাফল্য লাভ কৰিছে – গতিকে পেট্ৰ'ৰসায়ন আদি উচ্চমানৰ প্ৰযুক্তিযুক্ত উদ্যোগৰ ক্ষেত্ৰত আজি এনে অৱস্থা আহি পৰিছে যে এনে উদ্যোগত ৩০০০ কোটি টকা বিনিয়োগ কৰি তিনিশ মানুহৰ উৎপাদনক্ষম প্ৰত্যক্ষ নিয়োগৰ থল উলিওৱা টান। কিন্তু এই গেচ ক্ৰেকাৰে উৎপাদন কৰা বিভিন্ন উপাদান (Feed Stock) সমূহ কেঁচামাল হিচাপে লৈ বহুত সংখ্যক সৰু সৰু উদ্যোগ স্থাপন কৰি সৰহসংখ্যক লোকৰ উৎপাদনক্ষম নিয়োগৰ ব্যৱস্থা কৰাৰ সুবিধা আছে। তদুপৰি এনে বৃহৎ উদ্যোগ স্থাপনৰ ফলত সেৱাখণ্ডত (Service Sector) অপৰিসীম নিয়োগৰ থল উদ্ভাৱন হয় আৰু ই বহুসংখ্যক লোকক উপাৰ্জনক্ষম আত্মনিয়োগৰ সুবিধা দিয়ে। পেট্ৰ'ৰসায়নিক উদ্যোগৰ উপৰিও আমাৰ ৰাজ্যত তেল, চাহ, কাগজৰ কল, ৰেল আদিৰ আনুষঙ্গিক উদ্যোগ, কৃষি উদ্যোগ, চিমেন্ট উদ্যোগ, বিভিন্ন ধৰণৰ Value added commodity যেনে চাহৰ পেকেট কৰা, বিভিন্ন ধৰণৰ হেণ্ডলুম হেণ্ডীক্ৰেফট্ উৎপাদন কৰা আদি উদ্যোগ স্থাপন কৰাৰ সুবিধা আছে। প্ৰয়োজনীয় পৰিকল্পনা, দূৰ দৃষ্টি পৰিশ্ৰম আৰু অধ্যৱসায় সহকাৰে এনে উদ্যোগ স্থাপন কৰিলে এনে উদ্যোগৰ দ্বাৰা উদ্যোগীসকল নিজে লাভবান হোৱাৰ উপৰিও ৰাজ্যখনৰ আৰ্থিক উন্নতিত বৰঙণি যোগাব পাৰে।

অৰ্থনীতিৰ তৃতীয় খণ্ড (TERTIANY SECTOR) টো হৈছে সেৱা খণ্ড (Service Sector) এইক্ষেত্ৰত উপাৰ্জনক্ষম নিয়োগৰ সুবিধা অপৰিসীম। অশিক্ষিত, অৰ্দ্ধশিক্ষিত, উচ্চশিক্ষিত সকলো শ্ৰেণীৰ নিবনুৱাই এই খণ্ডত নিজৰ প্ৰচেষ্টাৰে উপাৰ্জনক্ষম জীৱিকাৰ ব্যৱস্থা নিজেই কৰিব পাৰে। সেৱা খণ্ডত নিয়োগৰ কথা চিন্তা কৰোতে আমি আমাৰ ৰাজ্যখনৰ নিবনুৱা সমস্যাটোৰ আবেগবিহীন নিৰপেক্ষ বিশ্লেষণ কৰা আৱশ্যক। এটি অতি ৰূঢ় সত্য আমি মানি লবলৈ টান পাওঁ যে আমাৰ ৰাজ্যত নিয়োগৰ থলৰ তুলনাত নিয়োগ কৰিব পৰা (EMPLOYABLE) লোকৰ সংখ্যা তাকৰ নহয়। অৱশ্যে নিয়োগ বুলিলে চৰকাৰী, অৰ্দ্ধচৰকাৰী, বেচৰকাৰী খণ্ডৰ চাকৰি কিম্বা উদ্যোগপতি হোৱাৰ কথা ভাবিলে বেলেগ। অৱশ্যে চাকৰিৰ কাৰণেও প্ৰয়োজনীয় সংখ্যাৰ নিয়োগৰ উপযোগী লোকৰ অভাৱ প্ৰায়েই দেখা যায়। ৰাজ্যখনৰ বিভিন্ন চৰকাৰী, অৰ্দ্ধচৰকাৰী, বেচৰকাৰী প্ৰতিষ্ঠানৰ কাৰণে লাগতিয়াল টাইপিষ্ট, ষ্টেনোগ্ৰাফাৰ আদিৰ আজিও অভাৱ। যদিও এনে বিদ্যা অৰ্জন কৰি এনে চাকৰিৰ কাৰণে নিজকে উপযুক্ত কৰি তোলা বিশেষ কঠিন কাম নহয়। চাকৰিৰ বাহিৰেও আমাৰ সমাজত বিভিন্ন ধৰণৰ আত্মনিয়োগৰ থল আছে। আজি আমাৰ ৰাজমিস্ত্ৰী নাই, প্লাম্বাৰ নাই, ইলেকট্ৰিচিয়ানৰ অভাৱ, উপযুক্ত কাঠমিস্ত্ৰীৰ অভাৱ। এনে কামৰ কাৰণে বিশেষ একো জটিল প্ৰশিক্ষণ নেলাগে। ইয়াৰ উপৰিও বেহা-বেপাৰৰ ক্ষেত্ৰতো পৰিশ্ৰমী আৰু অধ্যৱসায় লোকৰ কাৰণে উপাৰ্জনৰ যথেষ্ট সুযোগ আছে। এনেধৰণৰ সুযোগৰ সদ্ ব্যৱহাৰ নকৰি আমাৰ দৈন্যতাৰ কাৰণে আন কাৰোবাক জগৰীয়া কৰি বহি থাকিলে আমি নিজকে প্ৰতাৰণা কৰা হব। সেৱাখণ্ডত অৱস্থিত অপৰিসীম উপাৰ্জনক্ষম জীৱিকাৰ সুবিধা লবৰ কাৰণে আমাৰ নিবনুৱা লোকসকলক কৰি গঢ়ি তুলিবলৈ হলে আমি মানৱ সম্পদ বিকাশ (HUMAN RESOURCE DEVELOPMENT)-ৰ ওপৰত অধিক গুৰুত্ব দিব লাগিব। বিখ্যাত অৰ্থনীতিবিদিসকলে দৃঢ়ভাবে মত প্ৰকাশ কৰিছে যে এখন ৰাষ্ট্ৰৰ সকলো ক্ষেত্ৰতে বিকাশৰ কাৰণে আন সম্পদতকৈও মানৱ সম্পদৰ ভূমিকা অধিক গুৰুত্বপূৰ্ণ। মানৱ সম্পদ বিকাশৰ কাৰণে প্ৰয়োজন পথ-প্ৰদৰ্শন (Guidance) অনুপ্ৰেৰণা (Motivation) আৰু প্ৰশিক্ষণ (Training)।

সম্পাদক ডাঙৰীয়া, আপোনাৰ প্ৰশ্নৰ উত্তৰ দিবলৈ মই দীঘলীয়া বক্তব্য ডাঙি ধৰিব লগা হল। অৱশ্যে আপোনাৰ আলোচনীৰ প্ৰতিনিধি সবিতা লহকৰে মোক আশ্বাস দিছিল যে মই দ্বিধাহীনভাবে মোৰ বক্তব্য দীঘলীয়া কৰিব পাৰো। মই অৰ্থনীতিবিদ নহওঁ, মই চ'চিয়েল এক্টিভিষ্টও নহওঁ। আপোনাৰ প্ৰশ্নৰ লগত জড়িত বিষয়বস্তুৰ মোৰ চল্লিশ বছৰীয়া চাকৰি জীৱনৰ অভিজ্ঞতাৰে এজন সাধাৰণ নাগৰিক হিচাপেহে বিশ্লেষণ কৰিবলৈ প্ৰয়াস কৰিছো। গতিকে এই বিশ্লেষণ কিমান সঠিক আৰু বাস্তৱত প্ৰযোজ্য সেইটো আপুনি আৰু আপোনাৰ আলোচনীৰ পাঠকসকলেহে নিৰ্ণয় কৰিব লাগিব।

আপোনাৰ প্ৰশ্নৰ উত্তৰৰ সংশ্ৰৱত মই এটি গীতাৰ শ্লোক উল্লেখ কৰি মোৰ বক্তব্যৰ সামৰণি মাৰো। এই শ্লোকটো হ'ল –

"গুনৈৰুত্ৰমতাং য়াতি নৌচ্ছেৰাসন সংস্থিত ঃ" যাৰ ভাৱাৰ্থ হ'ল – "তুমি তোমাৰ নিজৰ অধ্যৱসায় আৰু পৰিশ্ৰমৰ দ্বাৰাহে নিজক প্ৰতিষ্ঠা কৰিব পাৰিবা।" – আনৰ অনুগ্ৰহত নহয়।

ইতি

আপোনাৰ

যতীন হাজৰিকা

লেখক পৰিচিতিঃ ভাৰতীয় প্ৰশাসনীয় সেৱাৰ অৱসৰপ্ৰাপ্ত বিষয়া যতীন হাজৰিকা অসমৰ আটাইতকৈ অভিজ্ঞ আৰু প্ৰতিভাবান বিষয়াসকলৰ অন্যতম। চাকৰি জীৱনত তেখেতে গৃহ, উদ্যোগ, স্বাস্থ্য, খাদ্য আৰু সাধাৰণ প্ৰশাসন আদি গুৰুত্বপূৰ্ণ বিভাগবোৰৰ দায়িত্ব বহন কৰিছিল। দীৰ্ঘকাল ধৰি তেঁখেত অসম প্ৰশাসনৰ অন্যতম লাইখুঁটা স্বৰূপ আছিল। অৱসৰ লোৱাৰ পিছতো তেখেতে বোম্বাইৰ Institute of Banking Personnel Selection ৰ পৰিচালনা সমিতিৰ সদস্য, নতুন দিল্লীৰ Indian Institute of Public Administration-ৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকৰ সদস্য, কেন্দ্ৰীয় চৰকাৰৰ বিত্ত দপ্তৰৰ একাধিক উপদেষ্টা পৰিষদৰ সদস্য আৰু বৰ্তমানে Banking Service Recruitment Board-ৰ উত্তৰপূৰ্বাঞ্চল গোটৰ সভাপতিৰ গুৰু দায়িত্ব বহন কৰি আছে।

*অহা সংখ্যাত ঃ কৃষ্ণপ্ৰসাদ বৰুৱা, থানেশ্বৰ বৰুৱা আৰু শান্তিকাম হাজৰিকা*

# সংস্কাৰৰ দোমোজাত ভাৰতীয় অৰ্থনীতি

গীতিমল্লিকা শইকীয়া

উন্নত দেশবোৰৰ কথা বাদেই তৃতীয় বিশ্বৰ দেশসমূহৰ ভিতৰতো ভাৰতৰ স্থান অৰ্থনৈতিক ভাবে তলত। আজিও ভাৰতবৰ্ষ পৃথিৱীৰ একবিংশতিতম দৰিদ্ৰ দেশ। পৃথিৱীৰ মুঠ জনসংখ্যা ৪·৪৯৫ বিলিয়নৰো (শতকোটি) অধিক। তাৰে শতকৰা পোন্ধৰ ভাগ ভাৰতৰ জনসংখ্যা। এই শতকৰা পোন্ধৰ ভাগ লোক পৃথিৱীৰ সৰ্বমুঠ উপাৰ্জনৰ শতকৰা ১·৫ ভাগৰহে গৰাকী। স্বাধীনতাৰ পিছত ভাৰতৰ জনসংখ্যা দুগুণ হৈছে। শতকৰা বছৰি জনসংখ্যা বৃদ্ধিৰ হাৰ ২·৫%।

স্বাধীন ভাৰতে অৰ্থনৈতিক পৰিকল্পনাক দেশৰ আৰ্থিক উন্নয়নৰ আহিলা হিচাপে গ্ৰহণ কৰিছে। এই আহিলাৰ জৰিয়তে দেশৰ নানা আৰ্থ-সামাজিক সমস্যা সমাধান কৰি কম সময়ৰ ভিতৰতে এক উন্নত অৰ্থনৈতিক ব্যৱস্থা গঢ়িব পৰা হ'ব বুলিয়ে ভবা হৈছিল। ১৯৫১-৫২ চনৰ পৰা অৰ্থনৈতিক পৰিকল্পনাৰে দেশৰ কাম-কাজবোৰ আৰম্ভ হৈছিল। পৰিকল্পিত অৰ্থনীতিৰ চাৰিটা দশক অতিক্ৰম হোৱাৰ পিছত কিন্তু আজি পৰিকল্পনা ব্যৱস্থাটোৰ ওপৰতে মানুহৰ সন্দেহ উপজিছে। তাৰ কাৰ্যকাৰিতা সম্পৰ্কে নানা প্ৰশ্ন উত্থাপিত হৈছে। সমসাময়িক বিশ্বৰ ঘটনাৰ পৰা বুজিবলৈ আমাৰ সহজ হয় যে ইয়াক কোনো দলীয় বা নীতিগত ব্যৰ্থতা বুলি ক'ব নোৱাৰি। দেশৰ অৰ্থনীতিৰ বাস্তৱ পৰিস্থিতিয়েই কিছুমান মৌলিক সংস্কাৰ দাবী কৰিছে। স্বাধীনতাৰ পিছত দেশৰ অৰ্থনীতিবিদসকলৰ সন্মুখত এইটোৱেই আটাইতকৈ ডাঙৰ প্ৰত্যাহ্বান।

অৰ্থনীতিবিদসকলৰ মতে প্ৰথম পৰিকল্পনাৰ আৰম্ভণিতে দেশৰ অৰ্থনীতি প্ৰায় স্থবিৰ অৱস্থাত আছিল। জনমূৰি আয় বৃদ্ধিৰ হাৰ আছিল ০·০৫%। দেশত খাদ্য আৰু কেঁচামালৰ তীব্ৰ সংকট আছিল। উদ্যোগিক উৎপাদনো আছিল তেনেই নগণ্য। ১৯৫১ চনত দেশে ৪·৭ নিযুত টন খাদ্য সামগ্ৰী আমদানি কৰিব লগা হৈছিল। ১৯৫১-৫২ চনত বৈদেশিক বাণিজ্যৰ ঘাটি আছিল ১৬৩ কোটি টকা। সেই পটভূমিত বিচাৰ কৰিলে বৰ্তমান দেশৰ অৰ্থনীতিত চকু লগা পৰিৱৰ্তন আৰু উন্নতি অনস্বীকাৰ্য। ১৯৫১-৫২ চনৰ পৰা দেশৰ জাতীয় আয়ৰ বাৰ্ষিক বৃদ্ধিৰ হাৰ ৪%। এই বৃদ্ধিৰ হাৰ বৰ বেছি ক'ব নোৱাৰি। কিন্তু পৰিকল্পনাৰ আগৰ জাতীয় আয় বৃদ্ধিৰ লগত তুলনা কৰিলে এই সাফল্য নিশ্চয় যথেষ্ট। কৃষি সম্পদৰ বৃদ্ধিৰ হাৰো এই কালছোৱাত কেইবাগুণো বাঢ়িছে। স্বাধীনতাৰ আগতে কৃষিজাত সামগ্ৰীৰ বৃদ্ধিৰ হাৰ আছিল ০·৩%, সি বাঢ়ি গৈ ৩% হৈছেগৈ। পঞ্জাব আৰু হাৰিয়ানাৰ কৃষি সামগ্ৰীৰ উৎপাদনৰ মান পশ্চিমীয়া দেশৰ লগত ফেৰ মাৰিব পৰা। পৰিকল্পনাৰ কালছোৱাত উদ্যোগিক উৎপাদনৰ বৃদ্ধিৰ হাৰ ৬% তকৈও বেছি।

> দেশ এতিয়া গভীৰ আৰ্থিক সংকটৰ গৰাহত। এই সংকটৰ প্ৰধান কাৰণ হৈছে দেশে বলে পৰাতকৈ ব্যয় বেছি কৰিছে। আয় চাই ব্যয় কৰা নাই। এই সংকট দূৰ কৰিবলৈ আন্তৰ্জাতিক সংস্থাসমূহে ভাৰতক আৰ্থিক সহায় আগ-বঢ়াব। কিন্তু এই ধনৰ যাতে অপচয় নহয় তাৰ বাবে মূলতঃ পৰিচালনা ক্ষেত্ৰৰ অদক্ষতা আঁতৰ কৰাৰ তেওঁলোকে গুৰুত্ব দিছে।

দেশৰ শিক্ষা, কাৰিকৰী শিক্ষা, প্ৰশিক্ষণ, গৱেষণা, জনস্বাস্থ্য আদিৰ ক্ষেত্ৰত বিনিয়োগ বৃদ্ধিৰ ফল স্বৰূপে এই কালছোৱাত দেশৰ দক্ষ মানৱ শক্তিৰ বিকাশ চমকপ্ৰদ। প্ৰশিক্ষণপ্ৰাপ্ত মানৱ শক্তি সম্পদৰ বৃহৎ ভাণ্ডাৰ হিচাপে ভাৰতৰ স্থান পৃথিৱীৰ ভিতৰতে তৃতীয়। শিক্ষিতৰ হাৰ ১৯৫১-৫২ চনৰ শতকৰা ১৬·৭ জনৰ পৰা ১৯৮০-৮১ চনত ৩৬·২ জনলৈ বৃদ্ধি পাইছে। পৰিকল্পনাৰ কালছোৱাত জন্ম-মৃত্যুৰ হাৰৰ ক্ষেত্ৰত পৰিৱৰ্তন মন কৰিব লগীয়া। মৃত্যুৰ হাৰ প্ৰতি হাজাৰত ২৭·৪ জনৰ পৰা ১১·১ জনলৈ কমিছে। আৰু জন্মৰ হাৰ প্ৰতি হাজাৰত ৩৯·৯ জনৰ পৰা ৩২·৬ জনলৈ হ্ৰাস পাইছে। গড় আয়ুস ১৯৫১ চনৰ ৩২ বছৰৰ পৰা ১৯৮১ চনৰ ৫৮ বছৰলৈ বৃদ্ধি পাইছে।

অৰ্থনৈতিক পৰিকল্পনাৰ এই সফলতা সত্ত্বেও দৰিদ্ৰতা, নিবনুৱা আৰু মূল্যবৃদ্ধি– এই প্ৰধান সমস্যাটো সমাধানৰ ক্ষেত্ৰত আশানুৰূপ ফল পোৱা নগ'ল। ইতিমধ্যে সাতোটা পঞ্চবাৰ্ষিক পৰিকল্পনা আৰু তিনিটা বছৰেকীয়া পৰিকল্পনাত মুঠ ৩৫৫,১৩৮ কোটি টকা ব্যয় কৰা হৈছে। ব্যয়ৰ পৰিমাণ প্ৰথম পৰিকল্পনাৰ ১,৯৬০ কোটি টকাৰ পৰা সপ্তম পৰিকল্পনাত ১৮০,০০০ কোটি টকা হ'লগৈ। দেশৰ প্ৰত্যেকজন নাগৰিকে জীৱনধাৰণৰ নিম্নতম প্ৰয়োজনীয়তাখিনি যোগান ধৰাই পৰিকল্পনাৰ মূল লক্ষ্য আছিল; চৰকাৰে প্ৰতিশ্ৰুতি দিছিল যে কৰ্মসংস্থান বৃদ্ধি কৰি, দৰিদ্ৰতা আৰু আৰ্থিক বৈষম্য দূৰ কৰি দেশৰ আত্ম নিৰ্ভৰশীলতা আৰু আৰ্থিক বিকাশ নিশ্চিত কৰি সেই লক্ষ্য সাধন কৰা হ'ব। ষষ্ঠ পৰিকল্পনাত দৰিদ্ৰ সীমাৰ তলত থকা মানুহৰ সংখ্যা ৪৮·৪% জন বুলি হিচাপ কৰা হৈছিল। এই সংখ্যা সপ্তম পৰিকল্পনাৰ শেষত ৩৫·৮% জনলৈ কমিছে। দেশৰ এক বুজন অংশ লোক দৰিদ্ৰ সীমাৰ তলত আৰু এক অংশ দৰিদ্ৰ সীমাৰ ওচৰে-পাঁজৰেও আছে। প্ৰায় ২৩৭ নিযুত লোক দৰিদ্ৰ সীমাৰ তলত। অৰ্থনৈতিক উন্নয়নৰ ফলত দেশত অৰ্থনৈতিক অসমতা বৃদ্ধিৰ দৃষ্টান্ত সুস্পষ্ট। মুঠ মাটিৰ গৰাকীৰ ৭০% ভাগ ক্ষুদ্ৰ খেতিয়ক। এই শতকৰা সত্তৰ ভাগ কৃষকৰ হাতত মুঠ খেতি মাটিৰ শতকৰা পঁচিশ ভাগহে আছে। আনফালে মুঠ খেতিয়কৰ মাত্ৰ তিনি শতাংশ ধনী খেতিয়ক। এই ধনী খেতিয়ক শ্ৰেণীয়ে মুঠ খেতি মাটিৰ এক চতুৰ্থাংশতকৈও বেছি মাটি তেওঁলোকৰ দখলত ৰাখিছে। গ্ৰামাঞ্চলত আৰ্থিক বৈষম্য চিৰস্থায়ী হোৱাৰ মূল কাৰণ এয়ে।

## অভিজাততন্ত্ৰৰ সাফল্য

কেইবাবছৰো আগতেই বিশিষ্ট অৰ্থনীতিবিদ অমৰ্ত্য সেনে কৈছিল যে ভাৰতবৰ্ষই এতিয়ালৈকে যি সাফল্য অৰ্জন কৰিছে তাৰ সৰহখিনিয়েই "অভিজাততন্ত্ৰৰ সাফল্য"। অষ্টম পৰিকল্পনাৰ অভিগমন টোকাত (Approach Paper) পৰিকল্পনা আয়োগে স্বীকাৰ কৰিছে যে সত্তৰৰ দশকৰ মাজ ভাগৰ পৰা পৰিকল্পনাৰ অগ্ৰগতি সমাজৰ উচ্চ স্তৰৰ মানুহৰ বাবেহে বেছি সহায়ক হৈছে। এই সময়ছোৱাত দেশৰ উৎপাদনৰ পেটাৰ্ণ এনেদৰে পৰিৱৰ্তন হৈছে যে এই পৰিৱৰ্তনে সংখ্যা গৰিষ্ঠ সাধাৰণ লোকতকৈ মুষ্টিমেয় উচ্চ শ্ৰেণীৰহে বেছি উপকাৰ সাধিছে। জনসংখ্যাৰ উচ্চস্তৰৰ কেৱল শতকৰা দহজনে ভোগ কৰিব পৰা বিলাসী সামগ্ৰী দেশত বেছিকৈ উৎপাদিত হৈছে। নিযুক্তিৰ ক্ষেত্ৰতো পৰিকল্পনাৰ ফলস্বৰূপে হোৱা উন্নয়নে দেশৰ মধ্যবিত্ত আৰু উচ্চ মধ্যবিত্ত সকলৰ মাজত অধিক নিযুক্তিৰ সুবিধা দিছে। সেই বাবে জনসাধাৰণৰ প্ৰায় শতকৰা চল্লিশ ভাগ দৰিদ্ৰ সীমাৰ তলত থকা আৰু শতকৰা প্ৰায় বিশ-ত্ৰিশ ভাগ কোনোমতে এই সীমাৰ ওপৰত থকা বৃহৎ সংখ্যক লোকে ৰাহি ধনেৰে পুঁজি গঠন কৰাৰ কথা কল্পনাই কৰিব নোৱাৰে। বাদবাকী শতকৰা ত্ৰিশ ভাগমান লোকেহে সঞ্চয় কৰিব পাৰিছে। আনফালে এই দৰিদ্ৰ দেশখনত একচেতিয়া পুঁজিপতিৰ অৰ্থনৈতিক সম্পদ অভাৱনীয় ভাবে বৃদ্ধি পাইছে। ভাৰতত একচেতিয়া পুঁজি বিকাশৰ খৰটকীয়া গতি মন কৰিব লগীয়া। এই কথাবোৰে ইয়াকে প্ৰমাণ কৰে যে পৰিকল্পনাৰ ফলত হোৱা অগ্ৰগতিয়ে দেশত বহুতো সুফল আনিছে যদিও সকলোৰে মাজত এই সুফল বিতৰণ হোৱা নাই। ফলত অৰ্থনৈতিক বৈষম্য বাঢ়িছে। ভাৰতবৰ্ষৰ দৰে বিশাল দেশত বৈষম্যও বহুৰূপী, উল্লেখ কৰা প্ৰয়োজন যে সেইবোৰৰ প্ৰতিক্ৰিয়াও সুদূৰ প্ৰসাৰী, তাৰ সমাধানহীন ৰাজনৈতিক পৰিণতি আমি সকলোৱে দেখিছো।

নিবনুৱাৰ সংখ্যা এটা পৰিকল্পনা কালৰ পৰা আনটোলৈ ক্ৰমাগতভাবে বৃদ্ধিহে হৈছে। প্ৰথম পৰিকল্পনাৰ শেষত নিয়োগ বিনিময় কেন্দ্ৰৰ হিচাপ অনুসৰি দেশৰ নিবনুৱা ৫৩ লাখ আছিল। সপ্তম পৰিকল্পনাৰ অন্তত পঞ্জীভুক্ত নিবনুৱাৰ সংখ্যা ৩১০ লাখলৈ বাঢ়িল। অকল সেয়েনে? পঞ্জীয়নভুক্ত নোহোৱা জীৱিকাৰ পথ বিচাৰি নোপোৱাসকলৰ সংখ্যা? নিবনুৱা আৰু অৰ্দ্ধ-নিবনুৱা আছেই। শিল্প প্ৰতিষ্ঠানৰ অগ্ৰগতিয়ে বৰ্দ্ধিত নিবনুৱাৰ নিযুক্তিৰ চাহিদা পূৰাব পৰা নাই। মূলধন প্ৰধান আধুনিক উদ্যোগে বিনিয়োগ কৰা ধনৰ অনুপাতে নিযুক্তিৰ সুবিধা দিব নোৱাৰে। এই বৃহৎ সংখ্যক নিবনুৱাৰ নিযুক্তি ক্ষেত্ৰত যথেষ্ট তৎপৰতা চকুত পৰা নাই। কাৰণ সত্তৰৰ দশকত নিযুক্তিৰ প্ৰসাৰৰ হাৰ আছিল ২·৮%। আশীৰ দশকত নিযুক্তিৰ সুযোগ ১.৫৫% লৈ হ্ৰাস পালে। বৰ্তমান কেন্দ্ৰীয় চৰকাৰে যি নীতি গ্ৰহণ কৰিছে তাৰ ফলত নিয়োগক্ষেত্ৰ অধিক সংকুচিত হৈছে।

## ৰাজহুৱা খণ্ডৰ ভূমিকা

সমাজবাদী আদৰ্শৰ অনুপ্ৰেৰণাত ৰাজহুৱা খণ্ড প্ৰতিষ্ঠা কৰি বিভিন্ন ক্ষেত্ৰলৈ এই খণ্ডৰ সম্প্ৰসাৰণ কৰা হ'ল। ৰাজহুৱা খণ্ডই দেশত অৰ্থনৈতিক বৈষম্য আঁতৰ কৰি সামাজিক ন্যায় প্ৰতিষ্ঠা কৰিব বুলি আশা কৰা হৈছিল। প্ৰথম পৰিকল্পনাৰ আৰম্ভণিতে কেন্দ্ৰীয় চৰকাৰৰ অধীনত আছিল মাত্ৰ পাঁচটা ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান, সপ্তম পৰিকল্পনাৰ শেষত সেই সংখ্যা বাঢ়িগৈ ২৪৪ টা হ'লগৈ। ৰাজহুৱা খণ্ডত বিনিয়োগৰ পৰিমাণ ২৯ কোটি টকাৰ পৰা ৯৯,৩১৫ কোটি টকা হ'লগৈ। পৰিকল্পনা সমূহতো ৰাজহুৱাখণ্ডৰ বিনিয়োগৰ অংশ শতকৰা ৫৫ ভাগ। সামাজিক আৰু অৰ্থনৈতিক বুনিয়াদ তৈয়াৰ কৰাৰ ক্ষেত্ৰত ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানসমূহে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে যদিও সামগ্ৰিকভাবে ৰাজহুৱা খণ্ডৰ কাৰ্য সংশোধন বৰ হতাশ জনক। কেৱল কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিষ্ঠান সমূহেই নহয় ৰাজ্যিক চৰকাৰ সমূহৰ প্ৰতিষ্ঠানবোৰেও দেশৰ মানুহৰ আশা-আকাংক্ষা পূৰণত দুখ লগাকৈ ব্যৰ্থ হৈছে। ৰেল বিভাগৰ তিতা-কেঁহা সোৱাদ ৰাইজে পাইছে। ডাক-তাঁৰ বিভাগৰ অদক্ষতাৰ বাবেই মানুহে ব্যয়বহুল ব্যক্তিগতখণ্ডৰ ডাক ব্যৱস্থাৰ ওপৰত নিৰ্ভৰ কৰিব লগা হৈছে। চৰকাৰী পথ পৰিবহণৰ ওপৰত মানুহে নিৰ্ভৰ কৰিবলৈ এৰিছে। বিদ্যুৎ বিভাগৰ অকৰ্মণ্যতাৰ বাবে উৎপাদন ক্ষতিগ্ৰস্ত হোৱাৰ উপৰিও প্ৰতিদিনে বিদ্যুৎ কৰ্তনৰ ফলত এহাতেদি বিদ্যুৎ বিভাগৰ লোকচান আৰু আনহাতেদি নাগৰিকৰ হাজাৰ হাজাৰ কৰ্ম ঘন্টাৰ অপচয় হৈছে, এনে অৱস্থাত আৰ্থিকভাবে সৱল সকলে ব্যক্তিগত শক্তি উৎপাদন যন্ত্ৰ যোগাৰ কৰি লৈছে। সেইবোৰে যে বায়ু প্ৰদূষণ আৰু শব্দ প্ৰদূষণ বৃদ্ধি কৰিছে তালৈ চকু দিওঁতা কোনো নাই। বিতৰণ ব্যৱস্থাৰো অনেক কেৰোণ। ৰাজহুৱাখণ্ডৰ বিৰুদ্ধে আটাইতকৈ সৰৱ অভিযোগ হৈছে যে এই প্ৰতিষ্ঠান সমূহ দুৰ্নীতিৰ দুৰ্গ। বিশেষজ্ঞসকলৰ মতে কেইটামান বৃহৎ ৰাজহুৱা উদ্যোগৰ বাহিৰে বাকীবোৰ ৰাজহুৱা প্ৰতিষ্ঠানত পৰিচালনাত অদক্ষতা আৰু দুৰ্নীতিৰ ৰাজত্ব চলিছে। ৰাজনৈতিক হস্তক্ষেপে ৰাজহুৱাখণ্ডৰ কৰ্মদক্ষতা হ্ৰাস কৰি সেইবোৰক দুৰ্বল কৰাৰ উদাহৰণ দেশৰ সকলো ঠাইতে আছে। চৰকাৰী উদ্যোগিক প্ৰতিষ্ঠানবোৰৰ লোকচান আৰু অপচয় দিনে দিনে বৃদ্ধি পাইছে। বহুবোৰ প্ৰতিষ্ঠান ৰুগীয়া, কোনোবোৰ আছে মৃত্যুৰ দুৱাৰডলিত আৰু কোনোবোৰ মৃত।

## টকাৰ মূল্য

অতি সম্প্ৰতি সকলো বস্তুৰ মূল্য বৃদ্ধিয়ে আনবোৰ সমস্যা তল পেলাইছে। যোৱা দশকটোত (১৯৮১-

৯১( দেশৰ পাইকাৰী মূল্যসূচী দুগুণ বাঢ়িছে। অৰ্থাৎ টকাৰ মূল্য আধা কমি গৈছে। একে পৰিমাণৰ টকাৰে বৰ্তমান বজাৰৰ দহ বছৰৰ আগতে পোৱা দ্ৰব্যৰ আধাহে পাব পাৰি।

টকাৰ আভ্যন্তৰীণ মূল্য হ্ৰাস পোৱাৰ উপৰিও ইয়াৰ বহিৰ্মূল্যও ক্ৰমান্বয়ে কমিয়েই আছে। দহ বছৰৰ আগতে যি এক এমেৰিকান ড'লাৰৰ দাম ৯ টকা আছিল, তাৰ মূল্য এতিয়া ২৬ টকা। যি এক পাউণ্ড-ষ্টাৰ্লিঙৰ বিনিময় হাৰ আছিল ১৭ টকা, তাৰ মূল্য এতিয়া ৪৭ টকা। ১৯৮০-'৯০ এই দহ বছৰৰ ভিতৰতে টকাৰ বহিৰ্মূল্য ৫৫% কমোৱা হৈছে। দেশৰ ৰপ্তানিৰ তুলনাত আমদানি বেছি।

আশীৰ দশকত দেশত এনে কিছুমান উদ্যোগ স্থাপন কৰা হ'ল যিবোৰৰ চালিকা শক্তি অটুত ৰাখিবলৈ আমদানি সামগ্ৰী আৰু প্ৰযুক্তিৰ প্ৰয়োজন। ইফালে টকাৰ বহিৰ্মূল্য হ্ৰাসৰ পিছত একে পৰিমাণৰ আমদানি দ্ৰব্যৰ বাবে অধিক বিদেশী মুদ্ৰা দিব লগা হৈছে। আমদানিৰ পৰিমাণ কমাব নোৱাৰিলে বহিৰ্মূল্য হ্ৰাসে দেশৰ তহবিল চহকী কৰিব নোৱাৰে। দেশৰ ভিতৰৰ মূল্য বৃদ্ধিৰ ফলত ৰপ্তানি দ্ৰব্যৰ উৎপাদন ব্যয় দিনে দিনে বৃদ্ধি পাইছে। দ্ৰব্যমূল্য বৃদ্ধিৰ ফলত উৎপাদনকাৰীয়ে ৰপ্তানি কৰাতকৈ সামগ্ৰী দেশতে বিক্ৰী কৰাটোৱেই লাভজনক যেন পাইছে।

দেশৰ মুষ্টিমেয় এলিট শ্ৰেণীটোৰ বাবে প্ৰয়োজন হোৱা বিলাসী সামগ্ৰীৰ উৎপাদনত অধিক মনোযোগ দিয়া দেখা গৈছে। ভাৰতীয় সামগ্ৰীৰ মান উন্নত নহ'লে কেৱল বহিৰ্মূল্য হ্ৰাসৰ দ্বাৰা ৰপ্তানি বৃদ্ধি নহয়। আমদানি মূল্য বেছি, ৰপ্তানি মূল্য কম হোৱাৰ ফলত দেশে বৈদেশিক বাণিজ্যত ভাৰসাম্য ৰাখিব পৰা নাই। দেশৰ আমদানি মূল্য ৪৩,১৭০ কোটি টকাৰ বিপৰীতে ৰপ্তানি মূল্য ৩২,৫২০ কোটি টকাহে হ'লগৈ। ১৯৯১ চনৰ জানুৱাৰীত ভাৰতৰ সঞ্চিত বৈদেশিক মুদ্ৰা ভাণ্ডাৰ ১,৮০০ কোটি টকালৈ নামিল যি ধনেৰে কেৱল এক পষেকৰ আমদানি মূল্যহে শোধ কৰিব পৰা যায়।

১৯৯১ চনৰ জুলাইত সংসদত দাখিল কৰা অৰ্থনৈতিক সমীক্ষা অনুসৰি ১৯৯১ চনৰ মাৰ্চত ভাৰতৰ বৈদেশিক ঋণৰ পৰিমাণ আগৰ বছৰৰ ৯৭,৯৬৬ কোটি টকাৰ পৰা ১২০,০০০ কোটি টকালৈ বৃদ্ধি পালে। সেই বছৰৰে জুলাই মাহৰ টকাৰ অবমূল্যায়ণৰ পিছত এই ঋণৰ প্ৰকৃত বোজা হৈছেগৈ ১৬২,০০০ কোটি টকা। ঋণৰ পৰিমাণ দেশৰ জাতীয় আয়ৰ ৪৭% ভাগ। এই বৃহৎ ঋণৰ বোজা কমাব নোৱাৰিলে ভাৰতবৰ্ষ পৃথিৱীৰ ভিতৰতে দ্বিতীয় বৃহৎ ধৰুৱা দেশ হৈ পৰিব। ধৰুৱা দেশ হিচাপে পৃথিৱীৰ ভিতৰত ব্ৰাজিলৰ স্থান প্ৰথম। অকল বিদেশৰ ওচৰতে ধৰুৱা হৈয়ে সমস্যা সমাধান হোৱা নাই, দেশৰ ভিতৰতো ভাৰত চৰকাৰৰ আভ্যন্তৰীণ ঋণ ৪৮৫ বিলিয়ন (শতকোটি) টকাৰ পৰা ২৭৯৬ বিলিয়নলৈ বাঢ়িল। বৰ্তমান চৰকাৰে ব্যয় কৰা প্ৰতিটো টকাৰ ঐকৈছ পইচা ব্যয় হয় ঋণৰ সুদৰ বাবদ।

চল্লিছ বছৰত অৰ্থনৈতিক পৰিকল্পনাই দেশখন সবল, সুস্থিৰ আৰু স্বাৱলম্বী কৰি তুলিব লাগিছিল। কিন্তু বাস্তৱত সেয়া হৈ নুঠিল। দেশৰ বাণিজ্য নীতি আৰু অৰ্থনৈতিক পৰিকল্পনাই দেশৰ বহিৰ্বাণিজ্যৰ ঘাটি দূৰ কৰাত বেয়াকৈ বিফল হৈছে বুলিয়ে ক'ব পৰি। এই ভাৰ সাম্যহীনতাৰ ফলতেই বিদেশী মুদ্ৰা ভাণ্ডাৰ টনকিয়াল হোৱা নাই। পৃথিৱী জুৰি হোৱা তেল সংকট, তেলৰ মূল্যবৃদ্ধি, উপসাগৰীয় যুদ্ধই দেশৰ নাটনিৰ জুইত ঘিউহে ঢালিলে। পূৰ্বৰ ছোভিয়েত ৰাছিয়া আছিল ভাৰতৰ ৰপ্তানি সামগ্ৰীৰ দ্বিতীয় প্ৰধান ক্ৰেতা। সেই ছোভিয়েত ৰাষ্ট্ৰ ব্যৱস্থা ভাগি পৰাত ভাৰতৰ বহিৰ্বাণিজ্য ক্ষতিগ্ৰস্ত হ'ব বুলিও আশঙ্কা কৰা হৈছে। ১৯৪৯ চনৰ টকাৰ অৱমূল্যায়ণৰ পিছত ১৯৬৬ চনত পুনৰ সৰহীয়া অঙ্কৰে টকাৰ বহিমূল্য একেবাৰতে ৩৬% হ্ৰাস কৰা হ'ল। তাৰ পিছত ১৯৯১ চন পৰ্যন্ত টকাৰ বহিৰ্মূল্য একেবাৰতে সৰহীয়াকৈ কমোৱা হোৱা নাছিল যদিও অলপ অলপকৈ টকাৰ বিনিময় মূল্য কমোৱা হৈ আছিল। ১৯৮১-ত দেশৰ বাণিজ্যিক লেনদেনত বৰ ডাঙৰ ঘাটি পৰিছিল। এই ঘাটি কমাবলৈ লাহে লাহে টকাৰ অৱমূল্যায়ণ কৰা হৈছিল। এইদৰে ট্ৰিপিং অৱমূল্যয়ণ চলিয়ে আছিল। আগতেই উল্লেখ কৰা হৈছে যে ১৯৮০-'৯০-ৰ দশকতে টকাৰ বহিৰ্মূল্য ৫৫% কমোৱা হৈছিল। তাৰ উপৰি আন্তৰ্জাতিক মুদ্ৰা ভাণ্ডাৰৰ পৰা (আই, এম, এফ) ৫২০০ কোটি টকা ধাৰে লোৱাও হৈছিল। চৰকাৰৰ হাতত থকা সোণ আৰু ৰিজাৰ্ভ বেংকৰ সঞ্চিত ভাণ্ডাৰৰ প্ৰায় ৬৬ টন সোণ বন্ধক ঋণ লব লগা অৱস্থাও হ'ল। ধাৰ কৰি ধাৰ পৰিশোধ কৰাৰ অভ্যাসত দেশ আজি জুৰুিলা।

## সংস্কাৰঃ সম্ভাৱনা আৰু সংশয়

১৯৯১ চনৰ জুনত নতুন চৰকাৰে কেন্দ্ৰত শাসন ভাৰ লৈয়েই দেশৰ অৰ্থনীতিৰ সংকট মোচনৰ বাবে ভালেমান মৌলিক সংস্কাৰ সাধন কৰিব লগা হৈছে। কৃতী অৰ্থনীতিবিদ আৰু বৰ্তমান কেন্দ্ৰৰ বিত্তমন্ত্ৰী প্ৰফেছৰ মনমোহন সিং এই সংস্কাৰ আন্দোলনৰ শিৰোমণি। এই ব্যৱস্থা সমূহে ৰাজনৈতিক নেতা আৰু অৰ্থনীতিবিদ সকলৰ মাজত বিতৰ্কৰ সৃষ্টি কৰিছে। কোনো কোনোৱে আশঙ্কা প্ৰকাশ কৰিছে, আকৌ কোনো কোনোৱে অতিশয় আশাবাদী হৈছে। আৰু কোনোজনে এই সংস্কাৰৰ পৰিণতি কি হ'ব কোৱৰ সময় নৌ এথোন বুলিয়ে কৈছে।

বৈদেশিক লেন-দেনৰ ঘাটি পূৰাবলৈ আৰু প্ৰায় উদং বিদেশী মুদ্ৰা ভাণ্ডাৰ টনকিয়লা কৰিবলৈ প্ৰথমেই আই, এম, এফ আৰু বিশ্ববেংকৰ দীৰ্ঘম্যাদী ঋণ ল'ব লগা হ'ল। এই ঋণৰ পৰিমাণ কিমান তাক সঠিককৈ জনা নাযায় যদিও ৫০০০ বিলিয়নৰ (শতকোটি) পৰা ৭০০০ বিলিয়ন ড'লাৰ হ'ব বুলি অনুমান কৰা হৈছে। আই, এম, এফ-ৰ বৃহৎ পৰিমাণৰ ঋণ পাবলৈ ভাৰতে কেইটামান চৰ্ত মানিবই লাগিব। ঋণ লোৱাৰ বাবে ভাৰত চৰকাৰে আই এম এফ-ৰ ওচৰত কেইটামান প্ৰতিশ্ৰুতিও দিছে; যেনে– (ক) চলিত আৰ্থিক বছৰত বিত্তীয় ঘাটিৰ পৰিমাণ সৰ্বমুঠ জাতীয় সম্পদৰ ৬·৫% ভাগলৈ হ্ৰাস কৰিব, (খ) ঋণৰ ওপৰত নিৰ্ভৰশীলতা কমাব, (গ) অনুৎপাদনশীল ব্যয় হ্ৰাস কৰিব, তাৰ বাবে ভৰতুকি (চাবচিডি), প্ৰতিৰক্ষা ব্যয় আৰু বিদেশী ঋণৰ সুদ পৰিশোধ কমাব।

দেশ এতিয়া গভীৰ অৰ্থিক সংকটৰ গৰাহত। এই সংকটৰ প্ৰধান কাৰণ হৈছে দেশে বলে পৰাতকৈ ব্যয় বেছি কৰিছে। আয় চাই ব্যয় কৰা নাই। এই সংকট দূৰ কৰিবলৈ আন্তৰ্জাতিক সংস্থাসমূহে ভাৰতক আৰ্থিক সহায় আগবঢ়াব। কিন্তু এই ধনৰ যাতে অপচয় নহয় তাৰ বাবে মূলতঃ পৰিচালনা ক্ষেত্ৰৰ অদক্ষতা আঁতৰ কৰাৱ তেওঁলোকে গুৰুত্ব দিছে। অত্যধিক আমদানিৰ ওপৰত নিৰ্ভৰশীলতা আৰু আন্তৰ্জাতিক প্ৰতিযোগিতাৰ অভাৱ ভাৰতীয় অৰ্থনীতিৰ প্ৰধান দুৰ্বলতা বুলি ধৰা হৈছে। বৈদেশিক পুঁজিৰ ওপৰত থকা নিয়ন্ত্ৰণ দূৰ কৰি অৰ্থনীতিৰ দুৱাৰ প্ৰতিযোগিতাৰ বাবে মুকলি কৰাৰ পৰামৰ্শ দিয়া হৈছে। জুন মাহত কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছত নতুন কেন্দ্ৰীয় চৰকাৰে এইবোৰ চৰ্ত পূৰণ কৰিছে– (ক) শৰকৰা বিশভাগ টকাৰ অৱমূল্যায়ণ কৰা হৈছে, (খ) বাণিজ্যিক আৰু উদ্যোগিক নীতিৰ সংস্কাৰ কৰা হৈছে। বিদেশী সামগ্ৰী আৰু বিদেশী মূলধনৰ আমদানিৰ ওপৰত থকা নিয়ন্ত্ৰণ হ্ৰাস, বিদেশী বিনিয়োগ বৃদ্ধি, ওঠৰটা বিষয়ৰ উদ্যোগৰ বাহিৰে বাকী উদ্যোগৰ ক্ষেত্ৰত অনুজ্ঞাপত্ৰ উঠাই দিয়া, বিভিন্ন সামগ্ৰীৰ ওপৰত থকা চাবচিডি বন্ধ কৰা আদি কাৰ্যৰ দ্বাৰা চৰকাৰে অৰ্থনীতিৰ মৌলিক সংস্কাৰ কাৰ্যত হাত দিছে। বিদেশস্থ ভাৰতীয়সকলকো (NRI) পুঁজি বিনিয়োগৰ অবাধ সুযোগ দিয়া হৈছে।

চৰকাৰৰ এই নতুন বিত্তীয় আৰু বাণিজ্য নীতিৰ বাবে বহুতো অৰ্থনীতিবিদে সংশয় প্ৰকাশ কৰিছে। তেওঁলোকৰ মতে টকাৰ অৱমূল্যায়ণে দেশৰ তহবিল চহকী কৰিব নোৱাৰিব আৰু দেশৰ বাণিজ্যও সম্প্ৰসাৰণ নহব যদিহে আমদানি ৰোধ কৰা নহয় আৰু ৰপ্তানি দ্ৰব্যৰ মান আৰু পৰিমাণ বহু পৰিমাণে বৃদ্ধি কৰা নহয়। তাকে কৰিব নোৱাৰিলে অৱমূল্যায়ণৰ ফলত বিদেশী ঋণৰ ভাৰ আৰু বাঢ়িবহে। বহুতে আকৌ কৈছে যে ইমান বৃহৎ বিদেশী ঋণৰ জানো প্ৰকৃততেই প্ৰয়োজন আছিল? বহুত সামগ্ৰীৰ ওপৰত থকা চৰকাৰৰ চাবচিডি বন্ধ কৰা বা কমোৱাৰ ফলত সেইবোৰ সামগ্ৰীৰ দাম বৃদ্ধি পাইছে। চাউল, আটা আদিৰ ওপৰত থকা চাবচিডি কমোৱাৰ ফলত এই নিত্য প্ৰয়োজনীয় সামগ্ৰী সমূহৰ দাম ইতিমধ্যেই বাঢ়িছে। সাৰৰ ওৰপত থকা চাবচিডি বহুতো পৰিমাণে কমোৱাত কৃষকৰ উৎপাদনব্যয় বাঢ়িছে। ইয়াৰ ফলত সৰ্বমুঠ কৃষি উৎপাদন হ্ৰাস হোৱাৰ আশঙ্কাও আছে। বিদেশী পুঁজিৰ অবাধ চলাচলে দেশীয় পুঁজি সংকুচিত কৰিব বুলিও বহুতে ভাবিছে। ভাৰতত বিদেশী পুঁজি বিনিয়োগ কৰাৰ ফলত দেশৰ বিদেশী মুদ্ৰাভাণ্ডাৰ বিশেষ চহকী নহব বুলিও বহুতে কৈছে। এনে পুঁজিৰ বাধাহীন চলাচলে দেশৰ ক্ষুদ্ৰ উদ্যোগপতিসকলৰ উদ্যম হ্ৰাস কৰিব। তাৰ উপৰি বিদেশী পুঁজিপতিয়ে মূলধন প্ৰধান উৎপাদন ব্যৱস্থা গ্ৰহণ কৰিলে দেশৰ নিবনুৱাসকলৰ সংস্থানত বিশেষ সহায় নকৰিব বুলিও ভবা হৈছে।

উন্নয়নশীল দেশ এখনে ঋণ লব লগা হ'বই পাৰে। ঋণেই যঁতমানে দুৰ্যোগৰহে সৃষ্টি কৰে বুলি ভাবিলে ভুল হ'ব। ঋণৰ ধন পৰিকল্পিত ভাবে আৰু দক্ষতাৰে বিনিয়োগ কৰিলে তাৰ সুফল লাভ সম্ভৱ। উদাহৰণ স্বৰূপে পঞ্চাশৰ দশকত লোৱা ঋণৰ উপৰিও আশীৰ দশকতো বৃটেইনে আন্তৰ্জাতিক মুদ্ৰা ভাণ্ডাৰৰ পৰা (আই, এম, এফ) ঋণ লৈছিল আৰু সেই ঋণৰ সঠিক ব্যৱহাৰ কৰি সেই দেশৰ আৰ্থিক সংকট দূৰ কৰিবলৈ সক্ষম হৈছিল। ১৯৮৫ চনত দক্ষিণ কোৰিয়া, মালয়েছিয়া, থাইলেণ্ড আৰু ইণ্ডোনেছিয়াই আই এম এফ-ৰ পৰা ঋণ লৈ এই ফাণ্ডৰ নিৰ্দ্দেশাৱলীৰ মতে কাম কৰি উল্লেখযোগ্য সাফল্য লাভ কৰিছে। আনফালে আশীৰ দশকত আই এম এফ-ৰ পৰা দীৰ্ঘম্যাদী ঋণ লোৱাৰ পিছত লেটিন আমেৰিকা আৰু আফ্ৰিকাৰ বহু দেশৰ জনসাধাৰণ ভীষণ দুৰ্দশাৰ সম্মুখনী হৈছে। ভাৰতৰ ক্ষেত্ৰতো এনে দুৰ্দশা হব পাৰে বুলি বহুতো অৰ্থনীতিবিদে আশঙ্কা কৰিছে।

দেশখনৰ জনসংখ্যাৰ গুণগত বৈশিষ্ট্য, প্ৰকৃতিক আৰু মানৱ সম্পদৰ ব্যৱহাৰ যোগ্যতা আদি কথা মনত ৰাখি কৰা অৰ্থনৈতিক পৰিকল্পনা আৰু পৰিকল্পনাৰ ধনৰ উচিত ব্যৱহাৰৰ দ্বাৰা যে অৰ্থনৈতিক উন্নয়ন লাভ কৰি পৰনিৰ্ভৰশীলতা দূৰ কৰিব পাৰি তাৰ উদাহৰণো আছে। প্ৰিন্সটন বিশ্ববিদ্যালয়ৰ ৰবাৰ্ট ৱেডৰ অধ্যয়নে তথ্য প্ৰমাণসহ দেখুৱাইছে যে দক্ষিণ কোৰিয়া, টাইৱান, চিংগাপুৰ আৰু হংকঙৰ অৰ্থনীতিয়ে এতিয়ালৈকে পৃথিৱীৰ কোনো দেশে লাভ কৰিব নোৱৰা আৰ্থিক বিকাশ লাভ কৰিছে। দক্ষিণ কোৰিয়া, টাইৱান আদি দেশবোৰ ১৯৬২ চনলৈকে পৃথিৱীৰ দৰিদ্ৰতম দেশ বুলি পৰিগণিত হৈছিল। আজি এচিয়াৰ এই "চৰি দ্ৰেগনেই" পৃথিৱীৰ সৰ্বমুঠ উদ্যোগজাত ৰপ্তানিৰ শতকৰা দহভাগ ৰপ্তানি কৰিবলৈ সক্ষম হৈছে। এই ক্ষেত্ৰত এই দেশকেইখন আমেৰিকাতকৈও বেছি পিছত নাই। পৃথিৱীৰ মুঠ ৰপ্তানিত আমেৰিকাৰ অংশ শতকৰা বাৰ।

আই এম এফ, বিশ্ববেংক, এচিয়ান ডেভেলপ্মেন্ট বেংক আৰু জাপান আদি দেশৰ পৰা লোৱা ধনেৰে বিদেশী মুদ্ৰা ভাণ্ডাৰ ১৯৯১ চনৰ ডিচেম্বৰত ১০,০০০ কোটি টকা হৈছে। এই ধনৰ উপযুক্ত ব্যৱহাৰ অত্যন্ত জৰুৰী হৈ পৰিছে। ভাৰতৰ লাও লোৱা অৱস্থাৰে এই পৰ্বত-প্ৰমাণ বিদেশী ঋণৰ বোজা পৰিশোধ কৰিবলৈ দেশৰ প্ৰচলিত নীতিৰ পৰিৱৰ্তনৰ আৱশ্যকতা অস্বীকাৰ কৰিব নোৱাৰি। কিন্তু অকল নীতিৰ পৰিৱৰ্তনে এখন দেশৰ বহুমুখী সমস্যাবোৰ সমাধান কৰিব নোৱাৰে। জনসাধাৰণৰ সচেতন উপলব্ধি আৰু সহযোগিতা অবিহনে কোনো দেশে উন্নতি কৰিব নোৱাৰে। বহু চিন্তাশীল ব্যক্তিয়ে দেশৰ দেউলিয়া অৱস্থাৰ বাবে জাতীয় চৰিত্ৰৰ দুৰ্বলতালৈ আঙুলিয়াব খোজে। চৰিত্ৰহীনতা আৰু খোঁৱা-খুলীয়া স্বভাৱৰ বাবে বহু স্বচ্ছল পৰিয়াল দেউলিয়া হোৱাৰ উদাহৰণ আছে। ৰাষ্ট্ৰৰ জীৱনতো তেনে হ'ব পাৰে। ভাৰতীয় জাতীয় চৰিত্ৰত কামৰ প্ৰতি অনীহা, যোগ্যতা বৃদ্ধিৰ প্ৰতি অমনোযোগিতা, আয়াসতে ধন-সম্পদৰ গৰাকী হোৱাৰ প্ৰতি অসীম আগ্ৰহ, নিজৰ স্বাৰ্থসিদ্ধিৰ বাবে ৰাজহুৱা স্বাৰ্থ পৰিহাৰ কৰা আৰু অসৎ উপায়ে ধন সংগ্ৰহৰ প্ৰতি ধাউতি বাঢ়িছে। কাম-কাজত ফাকি আৰু ৰাজহুৱা ধনৰ অপচয় সকলোতে এটা সাধাৰণ দৈনন্দিন ঘটনা। ৰাজহুৱা ধন ব্যয় হয় অথচ কাম নহয়, বা হ'লেও প্ৰত্যাশিত আয়ুস বৰ কম। ইয়াৰ ফলত ৰাজহুৱা ধনেৰে ৰাজহুৱা কাম হোৱাৰ পৰিৱৰ্তে কেইজনমানৰ ব্যক্তিগত পুঁজি টনকিয়াল হয়। এইদৰেই যদি দেশৰ পৰিকল্পনাৰ বুজন অংশ ধন ব্যয় হয়, তেন্তে পৰিকল্পনাই দেশৰ গৰিষ্ঠ সংখ্যক লোকৰ বাবে কেতিয়াও সুফল নিশ্চিত কৰিব নোৱাৰে।

দেশ এখনৰ অৰ্থনৈতিক স্থিৰতা আৰু উন্নয়নৰ কাৰণে অন্যতম প্ৰধান প্ৰয়োজনীয় বিষয় হৈছে চৰকাৰী ব্যয়ৰ ক্ষেত্ৰত মিতব্যয়িতা। এই ক্ষেত্ৰত বৃটিছ শাসকসকলে দেখুৱা আৰ্হি আজিও স্মৰণীয়। দ্বিতীয় মহাযুদ্ধৰ পিছত বৃটেইনত যেতিয়া পেট্ৰ'লৰ ৰেচনিং কৰা হৈছিল তেতিয়া চৰকাৰৰ জ্যেষ্ঠ চেক্ৰেটাৰী সকলে গাড়ী এৰি চাইকেল ব্যৱহাৰ কৰিবলৈ লৈছিল, আনকি ৰিজাৰ্ভ বেংকৰ গৱৰ্ণৰ চাৰ জেমছ টেইলৰে বাছেৰে অহা-যোৱা কৰিবলৈ লৈছিল। সাম্প্ৰতিক কালছোৱাত দেশৰ ইমান সংকটৰ সময়তো আমাৰ দেশৰ নেতাসকলৰ ব্যয় সংযমৰ আৰ্হি চকুত পৰা নাই। দেশৰ নেতা আৰু শাসকসকলৰ কাম-কাজবোৰ উচ্চ আদৰ্শৰ দ্বাৰা প্ৰভাৱান্বিত হ'লে সাধাৰণ মানুহে কিছু ত্যাগ কৰিবলৈ নিশ্চয় উদ্বুদ্ধ হ'ব।

দেশৰ বৰ্তমান অৰ্থনৈতিক সংকটে আমাক যেন সকীয়াই দিছে জাতীয় চৰিত্ৰত দেখা দিয়া অৱক্ষয় ৰোধৰ সময় আহি পৰিছে আৰু পলম কৰিলে ইয়াৰ ফল বিষময় হ'ব। ■

# সন্ত্ৰাসবাদঃ ৰাইজঃ পক্ষ বিপক্ষ প্ৰসংগত

মুনীন চৌধুৰী

অসমৰ পৰিস্থিতিয়ে এনে দ্ৰুততাৰে মোট সলাইছে যে বহুতৰ বহু সপোন থান-বান হৈ গ'ল। 'পৰিৱৰ্তনকামী জনগণৰ প্ৰতিনিধিসকলৰ' বিষয়ে উম্ঘটিত হোৱা তথ্যবোৰে তেওঁলোক যে স্বাধীন অসমৰ দুঃস্বপ্নৰ সতে নোম নেগুৰ বৰ্জিত কিছুমান কামৰ লগত যুক্ত আছিল তাক প্ৰমাণ কৰিলে। অৰ্থৰ আশ্চৰ্যজনক লেনদেন আৰু হত্যাকাণ্ডবোৰক বাদেও নিজ সতীৰ্থৰ সন্তেদ পুলিচক জনোৱা কথাটো (হীৰকজ্যোতি মহন্ত প্ৰসংগ), যদি সত্য হয়, তেন্তে বুজিব পাৰি কিমান কিম্ভুত কিমাকাৰ আছিল তেওঁলোকৰ আদৰ্শ।

সময় আগবঢ়াৰ লগে লগে দুৰ্যোগৰ মুখামুখি হৈছে ঢোলৰ লগৰ টেমেকা বুদ্ধিজীৱীবোৰ। যিসকলে এদিন 'অসমত বুদ্ধিজীৱী আছেনে', 'ৰাষ্ট্ৰসন্ত্ৰাসেই ব্যক্তি সন্ত্ৰাস আনে' বা 'জনগণেই একমাত্ৰ ভৰসাৰ থল' বুলি দেদাউৰিয়াইছিল, এতিয়া তেওঁলোকেই লুটি বাগৰ মাৰি কৰলৈ আৰম্ভ কৰিছে– 'এই ভুল ক্ৰুটিবোৰে সংগঠনটোৰ ওপৰত যে বিপৰ্যয় মাতি আনিছে তেনে নহয়, ই অসমৰ সমাজ জীৱনলৈকো প্ৰচণ্ড দুখ, কষ্ট আৰু বিপদৰ ধুমুহা কঢ়িয়াই আনিছে' (ধ্ৰুৱজ্যোতি বৰা, বুধবাৰ, ১ জানুৱাৰী '৯২)। এই কথাষাৰে স্পষ্টভাবে কয় অসমৰ বুকুত ৰাষ্ট্ৰসন্ত্ৰাস নমাৰ একমাত্ৰ কাৰণ আলফাৰ তাণ্ডৱ। অথচ তেৱেঁই ৪ ছেপ্তেম্বৰ '৯১ ৰ বুধবাৰত ব্যক্তিসন্ত্ৰাস তথা ৰাষ্ট্ৰ সন্ত্ৰাসৰ ব্যাখ্যা কৰিবলৈ গৈ আলফাৰ সন্ত্ৰাসৰ ওকালতি কৰিছিল- সমস্যাৰ গভীৰতা তথা ঐতিহাসিক প্ৰেক্ষাপটৰ পৰা বিচাৰৰ অজুহাতেৰে। কথা বহল নকৰি এষাৰ কথা কওঁ– শঠতাৰো এটা সীমা থকা উচিত।

অসমৰ সাম্প্ৰতিক পৰিস্থিতিত তৃতীয় পক্ষ এটাই জীৱনক বাজী কৰি আৱেগৰ বানক ভেটা দিব খুজিছে। সাৰ্থকতা অসাৰ্থকতাৰ প্ৰশ্ন সময়ৰ হাতত তুলি দিয়া যুগুত যদিও এটা কথা কোৱা অনুচিত নহয় যে যোৱা সময়ছোৱাত আল্‌ফা কেন্দ্ৰিক অসম সমস্যা সম্পৰ্কে কিছুদূৰ বিস্তৃত আলোচনা হ'ল। 'পৰিৱৰ্তনকামী জনগণৰ আশা আকাংক্ষাৰ প্ৰতিভূ- বুদ্ধিজীৱীসকলে' বাৰীৰে সাপ নোযোৱা গালি গালাজতে ক্ষান্ত নাথাকি জুই পানীয়ে পৃথক কৰাৰ দাবী কৰা সত্বেও (প্ৰসংগ– তানখায়া ঘোষণা কৰক, সসাদিন ৬ ডিচেম্বৰ) আজি পৰ্যন্ত এই আলোচনাৰ সুস্পষ্ট প্ৰতিবাদ কৰিব পৰা নাই।

এতিয়া এই লেখাৰ আচল উদ্দেশ্যলৈ আহো। ১–১৫ জানুৱাৰী সংখ্যা 'পষেকৰ' সম্পাদকীয় স্তম্ভত প্ৰশ্ন উত্থাপন হৈছে 'আপুনি কাৰ পক্ষত'। সম্পাদক মহাশয়ে ১৫–৩০ ডিচেম্বৰ '৯১ সংখ্যা সূত্ৰধাৰৰ সম্পাদকীয়ৰ বিৰুদ্ধে লিখিছে– "......... সেয়ে জাতীয় জীৱনৰ গভীৰ সংকটৰ সময়ত 'শ্ৰেষ্ঠ সাহিত্যিকে' যেতিয়া আটাইতকৈ জৰুৰী বিষয় হিচাপে 'আপুনি সন্ত্ৰাসবাদৰ পক্ষে নে বিপক্ষে' বুলি অতি কৌশলেৰে প্ৰশ্ন তোলে–ৰাইজৰ তেতিয়া তাৰ অন্তৰ্নিহিত উদ্দেশ্য বুজিবলৈ বাকী নাথাকে। বুজিবলৈ বাকী নাথাকে কোন কাৰ পক্ষত।" –আনক কৌশল অৱলম্বনকাৰী বুলি ক'বলৈ গৈ তেৱোঁ এটা চতুৰালিৰ আশ্ৰয় লৈছে। সেয়া হ'ল 'ৰাইজ' শব্দটো। আজিৰ ধামখুমীয়াৰ সতে ৰাইজৰ সম্পৰ্কটো ক্ষীণ। সংকটৰ গৰাহত পৰা অসমীয়া মধ্যবিত্ত সমাজকো ই সম্পূৰ্ণৰূপে অংগীভূত কৰিব পৰা নাই।

'পষেকৰ' সম্পাদক মহাশয়ে আল্‌ফা –সৃষ্ট সন্ত্ৰাসবাদক ঘৃণা কৰা সকলক 'চৰকাৰী দমন নিপীড়নৰ ইন্ধন যোগোৱা' বুলি কৈছে। তলৰ উদ্ধৃতিটো চাওঁক :

"..........The Economists and the terrorists merely bow to the different poles of spontaneity of labour movement pure and simple, while the terrorists bow to the passionate indignation of intellectuals, who lack the ability or opportunity to connect the revolutionary struggle and the working class movement intoan integral whole. It is difficult indeed for those who have lost their belief or who never believed, that this is possible, to find out some outlet for their indignation and revolutionary energy other than terror. Thus both forms of subservience to spontaneity we have mentioned are nothing but the beginning of the implementation of the notorious crudo programme: Let the workers wage their "Economic struggle against the employers and the government, and let the intellectuals conduct the political struggle by their own efforts- with the aid of terror, of course! " (What is there common between Economism and terrorism, Lenin, selected works, p.p.149 vol. 1)

লেনিনৰ ৰচনা যদি আমি বুজি পাইছো তেন্তে এনে সিদ্ধান্তত উপনীত হব পাৰো যে মালিক শ্ৰেণী বা ৰাষ্ট্ৰবিৰোধী চৰিত্ৰ থাকিলেও অৰ্থনীতিবাদ তথা সন্ত্ৰাসবাদ-আশ্ৰয়ী আন্দোলনৰ বিৰুদ্ধাচৰণ কৰাটো মহাভাৰত অশুদ্ধ হোৱা কথা নহয়। সেই সময়ৰ ৰাচিয়াতো সন্ত্ৰাসবাদক সমৰ্থন জনোৱা এচাম সদাশয় ব্যক্তি ওলাইছিল। লেনিনে তেওঁলোকক কি বুলি কৈছিল চাওক– ".......many Russian liberals-avowed liberals that wear the mask of Marxism- whole heartedly sympathise with terror and try to foster the terr orists mood that have surged up in the present time. (পূৰ্বোক্ত ৰচনা)

থোঁৱা চাওৰ পৰা লেনিনৰ ৰচনা অৱতৰত নমাই নানিলোহেঁতেন, যদিহে 'পষেক'ৰ সম্পাদক মহোদয় লেনিনবাদী বিপ্লৱী নহ'লহেঁতেন। তেওঁ দস্তুৰমত লেনিনবাদী, কাৰণ একেটা সম্পাদকীয়তে তেওঁ 'ৰাষ্ট্ৰ আচলতে শোষিত ৰাইজক নিপীড়ন কৰাৰ এটা হাতিয়াৰ' বুলি কৈছে। প্ৰত্যেকেই অৱগত স্বত্বেও কওঁ যে আমাৰ হাতত থকা লেনিনৰ নিৰ্বাচিত ৰচনাৱলীৰ ২৪২ পৃষ্ঠাত একেষাৰ বাক্য আছে। নিৰ্ভেজাল বিপ্লৱী সম্পাদকক নিৰ্ভেজাল উত্তৰ লেনিনেই দি গৈছে। আমি কি কম একা।

এটা সময়ত আজিৰ ৰাষ্ট্ৰ সন্ত্ৰাস নাছিল। আনহাতে সমগ্ৰ অসমতে আল্‌ফাই দহৰম-মহৰম নিৰ্বিঘ্নে কৰিছিল অগপ চৰকাৰৰ সহযোগত। আল্‌ফাৰ নৰ্দমা চাফাই জাতীয় কৰ্মতো বিপ্লৱৰ গোন্ধ পোৱা বুদ্ধিজীৱীসকলে প্ৰশংসাত পঞ্চমুখ হৈ থকা সময়তে ডঃ হীৰেণ গোঁহাইয়ে 'আজিৰ অসম'ত লিখিছিল – "............কিন্তু ই ধুৰুপ যে নগালেণ্ডত এসময়ত আৰু আজিও মণিপুৰৰ সীমান্ত অঞ্চলত কৰাৰ দৰে ভাৰতীয় সৈন্য বাহিনীয়ে থলুৱা মানুহৰ গাৰঁত পৈশাচিক অত্যাচাৰ চলাব।' মানুহজনৰ ভৱিষ্যত বাণীৰ গুৰুত্ব উপলব্ধি নকৰি তেওঁক স্থিতাৱস্থাবাদী বুলি টেঁটুফলা হ'ল। অথচ আজি যেতিয়া তেওঁৰ দৰে মানুহৰ ভৱিষ্যত বাণী বাস্তৱ হ'ল, তেতিয়া প্ৰশ্ন উত্থাপন হৈছে আপুনি ৰাইজৰ পক্ষে নে বিপক্ষে ?' 'অভাৱনীয় পৰিস্থিতি'ৰ বাবে অশ্ৰুপাত কৰাৰ আগতেই এই পৰিস্থিতিৰ মুখামুখি হবলৈ প্ৰস্তুত হোৱা উচিত নাছিল জাঁনো ?

পষেকৰ সম্পাদকৰ কেইটামান প্ৰশ্নৰ উত্তৰ এনেদৰে দিয়া উচিত বুলি ভাবো :

প্ৰশ্ন– আজি অসমত উগ্ৰপন্থাৰ সৃষ্টি হ'ল কিয় ?

উত্তৰ–অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ একাংশৰ আন্তঃ আৰু বহিঃ সংকটৰ ফলত। মনত ৰখা উচিত যে জম্মু আৰু কাশ্মীৰ, পঞ্জাৱ, অসমত উগ্ৰপন্থীৰ সৃষ্টিৰ আগতে আঞ্চলিকতাবাদে ৰাজত্ব কৰি এক পৰীক্ষা নিৰীক্ষা কৰিছে।

প্ৰশ্ন– অসমৰ আজিৰ শোকলগা অৱস্থাই সৃষ্টি কৰা নাইনে ?

উত্তৰ– ওহোঁ। কাৰণ উগ্ৰপন্থা ইতিমধ্যে এক ব্যৰ্থ পন্থা বুলি প্ৰমাণিত হৈছে। অসমৰ শোকলগা অৱস্থাৰ পথ অন্যহে। তেওঁৰ সম্পাদিত সাদিনতেই কিছু কিছু উদয়াদিত্য ভৰালীয়ে দেখুৱাই আছে।

প্ৰশ্ন– এই বিষয়ে ৰজাঘৰীয়া বুদ্ধিজীৱীমহলে ৰাইজক কি জবাব দিব ?

উত্তৰ– ৰজাঘৰীয়া কোন আৰু কি উত্তৰ দিব নাজানো। কিন্তু উগ্ৰপন্থা ঘৃণা কৰা আমি ইতৰবোৰে এইটোকেই দিম।

প্ৰশ্ন– আজিৰ অসমৰ দুৰৱস্থাৰ বাবে দায়ী উগ্ৰপন্থীসকল নে শাসক শ্ৰেণী ?

উত্তৰ– দুৰৱস্থাৰ কাৰণ হ'ল আমাৰ অৰ্থনীতিত সাম্ৰাজ্যবাদৰ শোষণ (শেহতীয়া আই, এম, এফ, জাতীয়) তথা আধা সামন্তবাদ। মামুলি ধৰণৰ ৰাজনৈতিক কছৰতেৰে এই শিল বগৰাবও পৰা নাযাব। ইতিমধ্যে বহু কছৰৎ বৃথা আস্ফালন বুলি প্ৰমাণিতও হৈছে। আনহাতে দুৰৱস্থা অৱসানৰ লগত উগ্ৰপন্থাৰ সম্পৰ্ক অহি নকুল।

প্ৰশ্ন– তদুপৰি উগ্ৰপন্থীৰ ত্ৰুটি বিচ্যুতিৰ বাবে ৰাইজ দায়ী হব পাৰে নেকি ?

উত্তৰ– ৰাইজক কোনোবাই দোষী বুলি কৈছে নেকি ? এটা প্ৰমাণ আছেনে ? তদুপৰি উগ্ৰপন্থীসকলে ক্ৰুটি–বিচ্যুতিয়েই কৰা নাই অক্ষমণীয় অপৰাধেই কৰিছে।

প্ৰশ্ন– উগ্ৰপন্থা উদ্ভৱ হোৱাৰ আগেয়ে অসম সোণৰ আছিল নেকি ?

উত্তৰ– নাছিল। একেদৰে মানুহে মগজু (তেওঁলোকেও) আৰু কলিজা বন্ধকত থৱলগীয়া হোৱা নাছিল।

প্ৰশ্ন– আজিৰ অসমৰ সম্পদৰাজিৰ নৃশংস লুণ্ঠনৰ বাবে দায়ী কোন ?

উত্তৰ– 'সাদিন'ৰ পাতত উদয়াদিত্য ভৰালীয়ে কৈ আছে। এইখন পুৰণি ৰেকৰ্ড। ছাত্ৰসন্থাই দহবছৰ, অগপই পাঁচ বছৰ, নিবাৰণ বৰাহতে এযুগমান ধৰি বজাই আছে। আৰু কিমান দিন বজাব ?

প্ৰশ্ন– আজিৰ অসমৰ অনগ্ৰসৰতাৰ বাবে দায়ী কোন ?

উত্তৰ– ওপৰোক্ত উত্তৰ।

প্ৰশ্ন– অসমত যি সামৰিক ৰাজত্ব চলিছে সি গণতান্ত্ৰিকনে ?

উত্তৰ– শ্বৰনম কলিতাৰ হত্যাকাণ্ড গণতান্ত্ৰিকনে ?

প্ৰশ্ন– অসমৰ জাতি সত্তাসমূহৰ জাতীয় আত্মসন্মান সুৰক্ষাৰ বাবে কোনো ব্যৱস্থা প্ৰতিষ্ঠিত শাসক শ্ৰেণীয়ে কৰিছেনে ?

উত্তৰ– এইটোহে জৰুৰী প্ৰশ্ন। ইয়াৰ কিবা এটা হেস্ত নেস্ত হব লাগে। বহুতৰ সান্দহ খোৱা বালি তল যাব বাবে আজিলৈ হোৱা নাই। স্বাধীন অসম লৈ তাল-আফাল কৰি থাকোতে কোক্‌ৰাঝাৰৰ দেৱালত লিখিছে– 'We are Indian' বুলি।

প্ৰশ্ন– এনে দুৰৱস্থাৰ পৰা ৰাইজে মুক্তি বিচৰাটো উচিত হয়নে নহয় ?

উত্তৰ– হয়। পিছে মুক্তিদাতা নেতাসকলৰ কথা-বতৰাবোৰ দেখোন অন্ধৰ হস্তী বৰ্ণনাৰ দৰে।

প্ৰশ্ন– জনগণৰ সন্মুখত বিকল্প কি ?

উত্তৰ– ওপৰত কোৱা হৈছে। আকৌ কৈছো- বন্দুক নহয়। কোনোপধ্যে নহয়।

সদুত্তৰ হয়নে নহয় নাজানো। কিন্তু উত্তৰ দিলো।

সন্ত্ৰাসবাদক ঘৃণা কৰো বাবেই সূত্ৰধাৰৰ সম্পাদকীয়ৰ বিৰুদ্ধে উঠা গৰ্জনৰ উত্তৰ দিয়াটো দায়িত্ব বুলি ভাবিছো। এতিয়া নাও বুৰি তল যায়। ঢিঙৰ পৰা নমা ভাল। সীমাবদ্ধতা সত্বেও মাও চে তুঙে এষাৰ গুৰুত্বপূৰ্ণ কথা কৈছিল– "ভুল কৰা, বাৰে বাৰে কৰা, এটা ভুল দুবাৰ নকৰিবা।" নব্য জাতীয়তা বাদৰ প্ৰৱক্তাসকলে কথাষাৰ উপলব্ধি কৰা উচিত। সূ

প্ৰচ্ছদ নিবন্ধ

# ওৰাঙৰ ৰংবোৰ বুটলিব কোনে ?

হৰিচৰণ দাস

----------

-আপোনাৰ ঘৰ ?

-দৰং জিলাৰ ওৰাঙত ।

-অ', ওৰাং, সেই ৰসগোল্লা ওৰাং ?!

-হয় ।

-ওৰাঙৰ ৰসগোল্লা সঁচাকৈয়ে সোৱাদ দেই ! মই এবাৰ তেজপুৰলৈ যাওঁতে খাইছিলো । এটকাতে ইমান ডাঙৰ ৰসগোল্লা ! সোৱাদো যে ইমান ধুনীয়া । আমাৰ ইয়াৰ ৰসগোল্লাবোৰ আকৌ ৰবৰৰ দৰে । চামুচখন বহাই দিলেই ৰসগোল্লাটোও ৰবৰৰ দৰে বহি যায় !.........

ওৰাঙৰ বাসিন্দা হিচাপে বাহিৰলৈ গলে এনেধৰণৰ বক্তব্য প্ৰায়ে শুনিবলৈ পাওঁ । গৌৰৱত বুকুখন দুইঞ্চি মান ফুলি উঠে । কেতিয়াব পিছে পাম যোৱা বেলুনৰ দৰে মিঠাইৰ ৰাজধানী ওৰাঙত জন্মগ্ৰহণ কৰা্ৰ বাবে থকা গৌৰৱৰ মোনাখন সোঁত্‌লোত্‌ খায়ো পৰে । কাৰণ কেতিয়াবা এনেধৰণৰ বক্তব্যও শুনিবলগীয়া হয়- "... ...এ আ্যাজিকালি ওৰাঙৰ ৰসগোল্লাৰ একো নাইকিয়া হ'ল দিয়া । সেইদিনা মই খাই আহিছো নহয় । ওৰাঙতকৈ আমাৰ ইয়াতেই ভাল ৰসগোল্লা পায় । সেই নামটো আছে কাৰণে খায় আৰু"... ওৰাং অভয়াৰণ্যৰ পাচতেই ওৰাঙৰ গৌৰৱৰ কাৰণ ৰসগোল্লা সম্পৰ্কে কৰা এনে মন্তব্যই আমক অতি বিব্ৰত কৰে । অৱশ্যে এনে মন্তব্য বহুতে ইয়াৰ বশৱৰ্তী হৈয়ো নকৰা নহয় । কাৰণ এতিয়াও দুটকাত ওৰাঙত যিটো আকৃতিৰ ৰসগোল্লা পোৱ যায় সেইটো অসমৰ আনঠাইত কমেও তিনি টকা লাগিব । অৱশ্যে ওৰাঙৰ ৰসগোল্লাৰ আকৃতি আৰু গুণগত মানদণ্ড নিম্নস্তৰলৈ গতি কৰাৰ কথাটো আমি অস্বীকাৰ নকৰো । কেইবছৰমান আগলৈকে ওৰাং মৌজা আছিল হাবি জংঘলেৰে ভৰপুৰ । প্ৰচুৰ পথাৰমানে ঘাঁহ গজা বাবে ইয়াৰ গৰু ম'হৰ গাখীৰো হৈছিল প্ৰচুৰ । এতিয়া জনসংখ্যা বৃদ্ধিৰ লগে লগে গৰু ম'হৰ বাবে চৰণীয়া পথাৰ কমি আহিছে গতিকে গাখীৰৰ উৎপাদনো কমি আহিছে ।

"ওৰাং মৌজা বাঘৰ চোং , ডিগবৈ ৰাং ৰিং তেলৰ পুং " বুলি এক পুৰণি প্ৰৱচন প্ৰচলিত আছে । বৰ্ত্তমান ওৰাং মৌজা কেৱল মাত্ৰ বাঘৰ চোং হৈ থকা নাই, কিন্তু এইটোও সঁচা যে ইয়াৰ ঐতিহ্যও একেবাৰে হেৰাই যোৱা নাই । ইয়াৰ ঐতিহ্য বহণ কৰিছে ওৰাং অভয়াৰণ্যখনে । এতিয়াও মাজে মাজে অভয়াৰণ্যৰ দাঁতি কাষৰীয়া অঞ্চলত দুই একোটা বনৰাজ ওলাই ৰাইজৰ মাজত হৈ চৈৰ সৃষ্টি নকৰাকৈ নাথাকে ।

মনোৰম প্ৰাকৃতিক শোভাৰে ভৰপুৰ ওৰাং মৌজা । ইয়াৰ উত্তৰে- পাহাৰ আবৃত বৌতা বনাঞ্চল । দক্ষিণে ব্ৰহ্মপুত্ৰ নদী । ইয়াৰ পূব ফালেৰে বৈ গৈছে পাঁচনৈ । মাজেৰে বৈ গৈছে ধনশিৰি আৰু পগলাদিয়া নৈ । মৌজাখনৰ অন্তৰ্গত ওৰাং চাহবাগিছা, লাৱাঁবাৰী চাহবাগিছা, বেটিবাৰী চাহবাগিছা আদিয়ে ইয়াৰ প্ৰাকৃতিক শোভাত যেন সোণত সুৱাগ চৰাইছে ।

ঐতিহাসিক দৃষ্টিকোণৰ পৰাও ওৰাং মৌজাৰ স্থান উল্লেখনীয় । চৌধ্যশ শতিকাত ইয়াত ভূঞাসকলে ৰাজত্ব কৰিছিল । পিছলৈ ভোট আৰু কোচসকলৰ আক্ৰমনৰ বাবে তেওঁলোক পলাই যায় । তেওঁলোকে স্থাপন কৰা এই ৰাজ্যখনৰ নাম আছিল 'বৌতা' ৰাজ্য । ওৰাঙৰ ঠায়ে ঠায়ে তেওঁলোকে খন্দা কেইবাটাও পুখুৰী আৰু শিৱ মন্দিৰ সমূহে তেওঁলোকৰ ৰাজত্বকালৰ স্মৃতি বহণ কৰিছে ।

ওৰাং নামটোৰ উৎপত্তি সম্পৰ্কে দুটা প্ৰবাদ প্ৰচলিত আছে । প্ৰথমটো প্ৰবাদমতে দ্বাদশ শতিকাত পালবংশৰ পাছত কামৰূপত বৈদ্যদেৱ বা আৰিমত্ত নামে এজন পৰাক্ৰমী ৰজাই ৰাজত্ব কৰিছিল । সম্ভৱতঃ এওঁৰ ৰাজধানী উত্তৰ কামৰূপৰ ৰঙিয়াৰ ওচৰত আছিল । সেই সময়ত দৰং জিলাৰ এক অংশ ওৰাঙৰ পূবসীমাত থকা পাঁচনৈ লৈ ৰায়াবী দেৱ নামে এজন শাসন কৰ্ত্তাই শাসন কৰিছিল । তেজপুৰত পোৱা বল্লভ দেৱৰ তামৰ ফলিত এই ৰায়াবী দেৱৰ কথা উল্লেখ আছে । বুৰঞ্জীবিদ ড° প্ৰতাপ চন্দ্ৰ চৌধুৰী দেৱৰ মতে উক্ত ৰায়াবীদেৱক আৰু -A History Of Assam ৰ প্ৰণেতা গেইট চাহাব তথা মঙলদৈ বুৰঞ্জী প্ৰণেতা স্বৰ্গীয় দীনেশ্বৰ শৰ্মাৰ মতে পিতৃ ৰামচন্দ্ৰ নামৰ এজন শাসন কৰ্ত্তাক বধ কৰি এই অঞ্চলৰ শাসন ভাৰ কাঢ়ি লৈ আৰিমত্তই নিজৰ ৰাজ্যৰ পৰিসৰ বহল কৰিছিল । সেয়ে ক্ৰমাৎ আগুৱাই আহি পাঁচনৈকে সীমা ৰাখি বৰ্ত্তমান ওৰাং নামৰ এই ঠাইৰ পৰাই পূৱলৈ ৰাজ্য জয়ৰ ওৰ পেলাইছিল । 'ওৰ' মানে 'শেষ' বা 'অন্ত' । তেতিয়া এই অঞ্চলৰ অধিবাসী বিলাক আছিল জনজাতীয় লোক আৰু তেওঁলোকে শব্দৰ শেষত আকাৰ (া) আৰু অনুস্বাৰ (ং) ব্যৱহাৰ কৰি কথা কৈছিল । সেয়েহে 'ওৰ' শব্দৰ পৰাই পাঁচনৈৰ গাতে লাগি থকা অঞ্চলটোক 'ওৰাং' বুলি কোৱা হৈছিল ।


দ্বিতীয়টো প্ৰবাদ অনুসৰি ইংৰাজ বিলাকে যেতিয়া অসমৰ বিভিন্ন ঠাইত চাহবাগিছা বিলাক পাতি ফুৰিছিল তেতিয়া এই অঞ্চল হাবিৰে ভৰপুৰ আছিল । ইংৰাজ চাহাবে বনুৱা লগাই এই হাবি ভাঙি চাহ বাগিছা পাতিছিল । এই হাবি ভাঙি চাহবাগিছা পতা কামত লগাবলৈ ইংৰাজসকলে বনুৱা আনিছিল উৰিষ্যাৰ পৰা । এওঁলোক আছিল 'ওৰাং' জনজাতিৰ লোক । এই ওৰাং জনগোষ্ঠীৰ লোক এতিয়াও আছে । এওঁলোকৰ নাম অনুসৰি ঠাই খনৰ নাম ওৰাং হয় বুলি বহুতে কব খোজে ।

বৰ্ত্তমান ওৰাং মৌজাই মূলতঃ তিনিটা অঞ্চল সামৰি লৈছে । বৌতা অঞ্চল, মাজবাট অঞ্চল আৰু ওৰাং অঞ্চল । এই তিনিওটা অঞ্চলৰ ইতিহাস সামৰি ওৰাং মৌজাৰ সামগ্ৰীক ইতিহাস । এই অঞ্চলসমূহত আমি তলত দিয়া ঐতিহাসিক অনুষ্ঠান সমূহ দেখিবলৈ পাওঁ ।

**বৌতা সত্ৰ ঃ** মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে তেওঁৰ ধৰ্ম প্ৰচাৰ কালত ছমাহ বৌতাত আছিল বুলি কথা-গুৰু-চৰিতত উল্লেখ আছে । শ্ৰীমন্ত শঙ্কৰদেৱে বৌতা নদীৰ পাৰতেই বৌতা সত্ৰ স্থাপন কৰিছিল । কালক্ৰমত বৌতা সত্ৰ নদীৰ বুকুত জাহ যায় । অৱশ্যে বৰ্তমান বৌতা নদীটো মৃত । কিন্তু ইয়াৰ বৈ যোৱা সাঁচ এতিয়াও দেখিবলৈ পোৱা যায় । বাৰিষা কালত ই এক সুঁতিৰ ৰূপ ধাৰণ কৰে । ৰাষ্ট্ৰীয় ঘাই পথৰ ওপৰত গোলাবিল প্ৰাথমিক বিদ্যালয়ৰ কাষৰ দলংখন এতিয়াও বৌতাদলং নামে জনাজাত । অৰ্থাৎ ইয়াৰ তলেৰে যোৱ সুঁতটোৱেই একালৰ বৌতা নদী আছিল ।

মাধৱদেৱ গুৰুজনাৰ ভনীয়েক উৰ্বশীৰ বিয়া এই বৌতাতেই হৈছিল বুলি কথা গুৰু চৰিতত উল্লেখ আছে । এই সম্পৰ্কে মহেশ্বৰ নেওগদেৱে তেওঁৰ 'শ্ৰীশ্ৰীমন্ত শঙ্কৰদেৱ' গ্ৰন্থত লিখিছে- "... ... কথা চৰিত মতে গোৱিন্দগিৰী হৰশিঙাৰ ঘৰত ৯ বছৰ, পুখুৰী পাৰত এবছৰ আৰু ঘাঘৰি মাঝিৰ ঘৰত চৈধ্য বছৰ আছিল । বেজবৰুৱাদেৱৰ মতে কিন্তু মাঝিৰ ঘৰতে ওঠৰ বছৰ হৈছিল আৰু তাৰ পৰা যাবৰ বেলিকা উৰ্বশীৰ বয়স হৈছিল দহ বছৰ । বৰকণাগিৰীয়ে টৈমনিৰ ওচৰৰে বৌতাৰ সৰস্বতী ভূঞা বংশৰ হেঁকেৰাকুচি (শিৱসাগৰ জিলা)-ৰ গয়, গয়াপাণিক পাই তেওঁৰ ওচৰতে ঘৰ কৰি ৰ'ল আৰু গয়াপাণিলৈ উৰ্বশীক বিয়া দিলে ।"

দীননাথ শৰ্মাদেৱৰ মঙলদৈৰ বুৰঞ্জী মতে সু-কবি ৰাম সৰস্বতীৰ ঘৰো হেনো বৌতাতেই আছিল ।




ওৰাং মৌজা

**গেলাবিল সত্ৰঃ** ওৰাং চাৰি আলিৰ পৰা চাৰি কিঃ মিঃ পশ্চিমে ৰাষ্ট্ৰীয় ঘাই পথৰ পৰা প্ৰায় এশ মিটাৰমান আঁতৰত গেলাবিল সত্ৰ অৱস্থিত । এই সত্ৰৰ ইতিহাস বহণ কৰিছে ভাস্কৰ্যখচিত দুটা শিলে । এই শিল দুটাক লৈ এক জনশ্ৰুতি প্ৰচলিত আছে । এই জনশ্ৰুতি অনুসৰি এদিন হেনো কোনো এক সজ্জনে সপোনত নৈৰে দুটা শিলামূৰ্ত্তি উটি অহা দেখা পালে । কথাটো তেওঁ ৰাতিপুৱা সকলোকে জনালে । তেওঁৰ কথা শুনি বহুকেইখন গাঁৱৰ ৰাইজ নৈৰ পাৰত উপস্থিত হ'ল আৰু দেৱমূৰ্ত্তি দুটা বিচৰাত লাগিল । অৱশেষত গেলাবিল গাঁৱৰ ৰাইজে এই শিলামূৰ্ত্তি দুটা বিচাৰি পালে আৰু আনি তাক নামঘৰত প্ৰতিস্থাপিত কৰিলে । পণ্ডিত সকলৰ মতে এই শিলা মূৰ্ত্তি দুটাৰ এটা হয়গ্ৰীৱ মাধৱ আৰু এটা পৰশুৰামৰ ।

মূৰ্তি দুটাৰ আকৃতি লৈ চাই আমাৰ ধাৰণা হয় ই হয়তো বৌতা সত্ৰৰ ভাস্কৰ্য খচিত খুঁটাৰ ভগ্নাৱশেষ । কাৰণ ইয়াৰ আকৃতি প্ৰায় ঘূৰণীয়া আকৃতিৰ খুঁটা দুটুকুৰাকৈ কাটি থোৱাৰ দৰে । উল্লেখযোগ্য যে এই সত্ৰৰ ডেৰশ মিঃ পূবেৰে বৌতা নদী বৈ গৈছিল । গতিকে ঘটনাক্ৰমে গেলাবিল গাঁৱৰ ৰাইজে ভাঙি যোৱা বৌতা সত্ৰৰ ভগ্নাৱশেষৰ ভাস্কৰ্যখচিত এই শিল দুটা পোৱা আশ্বৰ্যজনক নহয় । অৱশ্যে এয়া আমাৰ অনুমানহে । প্ৰত্নতত্ত্ববিদ সকলে এই সম্পৰ্কে চিন্তা-চৰ্চা কৰিব বুলি আমাৰ বিশ্বাস ।

**মাজবাটৰ মহামুনি থানঃ** ওৰাং মৌজাৰ মাজবাট ৰেলষ্টেচনৰ পৰা কিছু নিলগত এটা মন্দিৰ আছে । এই মন্দিৰটো 'মহামুনি'ৰ মন্দিৰ নামে জনাজাত । মন্দিৰটো প্ৰকৃতাৰ্থত বোদ্ধ-স্তূপহে আছিল । ৰামগোঁসাই নামৰ এক বৌদ্ধ ভিক্ষুৱে এই মন্দিৰটো নিৰ্মাণ কৰিছিল । মন্দিৰটোৱে ওৰাং মৌজাত ভোটসকলৰ বসবাস কৰাৰ স্মৃতি বহণ কৰিছে ।

কিন্তু কালক্ৰমত শৈৱ- ধৰ্মী ভূপতি, বিশেষকৈ বাণৰজাৰ ৰাজত্ব কালত এই বৌদ্ধ মন্দিৰ শিৱ মন্দিৰলৈ ৰূপান্তৰিত হয় । জেঠ মাহৰ পূণিমা তিথিত ইয়াত এক বছৰেকীয়া উৎসৱ পালন কৰা হয় । মন্দিৰটোৰ কাষতেই এটা পুখুৰীও আছে । এই পুখুৰীটো বাণ ৰজাৰ দিনত খন্দা হৈছিল বুলি স্থানীয় ৰাইজে বিশ্বাস কৰে ।

**দেৱাল খণ্ডৰ শিৱমন্দিৰঃ** মাজবাটৰ পৰা প্ৰায় তিনি কিঃ মিঃ মান পূবে ৰেল লাইনৰ কাষতেই এটা শিৱ মন্দিৰ আছে । স্থানীয় ৰাইজৰ মতে শোণিতপুৰৰ মহাপৰাক্ৰমী বাণ ৰজাই ইয়াক সজাইছিল । ইয়াত হেনো বাণ ৰজাৰ

এটা মূৰ্তিও আছিল। ১৯৫০ চনৰ বৰভূঁইকপত মন্দিৰটো ভাঙি পৰে। ইয়াৰ পিছতে ৰাইজে মিনি মন্দিৰটো থিয় কৰাইছিল যদিও, কেইবছৰমান আগতে এদিন দুপৰীয়া মন্দিৰটো পুনৰ খহি পৰে।

ঐতিহাসিক সমল সংৰক্ষণৰ দায়িত্বত থকা চৰকাৰী বিভাগৰ চকু মন্দিৰটোৱে আজিলৈকে আকৰ্ষণ কৰিব নোৱৰাটো দুৰ্ভাগ্যজনক। বাণ ৰজাৰ মূৰ্তিটো যদি আছিল, তেনেহলে খননকাৰ্য চলাই তাক উদ্ধাৰৰ ব্যৱস্থা কৰা উচিত। কোনো কোনো লোকৰ মতে বাণ ৰজাৰ মূৰ্তিটো ভাঙি যোৱাৰ কোনো এক বৃটিছ চাহাবে হেনো ইয়াৰ খণ্ডিত মূৰটো তেওঁৰ বঙলা শুৱাবলৈ লৈ যায়।

বৰ্তমান মন্দিৰটো এক ধ্বংস স্তূপলৈ পৰ্যবসিত হোৱাৰ পথত। এগৰাকী বিহাৰী ব্ৰাহ্মণে এতিয়া কোনো মতে পূজা-অৰ্চনা কৰি ইয়াৰ পুৰণি পৰম্পৰাখিনি বহণ কৰি আছে। কিন্তু একাংশ ৰাইজৰ মতে ব্ৰাহ্মণজনে হেনো মন্দিৰটো তেওঁৰ নিজা সম্পত্তি যেন জ্ঞান কৰে। তেওঁ ইয়াত ৰাম, লক্ষ্মণ আৰু সীতাৰ মূৰ্তিও স্থাপন কৰিছে। ব্ৰাহ্মণ গৰাকীৰ আগ্ৰাসী ভূমিকাত স্থানীয় ৰাইজে সহজভাবে লব পৰা নাই।

**লাহাবাৰী আৰু ভেলুগুৰিঃ** ওৰাঙৰ কিছু দূৰৈত লাহাবাৰী নামে এখন গাওঁ আছে। ইয়াত গোবিন্দ আতৈৰ বংশধৰ সকলে প্ৰতিষ্ঠা কৰা এখন সত্ৰ আছে। এই সত্ৰ লাহাবাৰী হিচাপে জনাজাত।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে ওৰাঙৰ ভেলুগুৰি গাঁৱত সুদীৰ্ঘ পোন্ধৰ বছৰ থাকি নিবিড়ভাবে সাহিত্য চৰ্চাত মগ্ন আছিল। এই ভেলাগুৰিয়েই আগতে বেলগুৰি নামে জনাজাত আছিল। ইংৰাজৰ ৰাজত্ব কালত বেলগুৰিৰ নাম ভেলগুৰি আৰু পিছলৈ ভেলুগুৰি হয়।

**পাউৰিপোটাৰ কামাখ্যা মন্দিৰঃ** ওৰাঙৰ পৰা প্ৰায় তিনি কিঃ মিঃ দক্ষিণে পাউৰিপোটা গাঁৱত এটা কামাখ্যা মন্দিৰ আছে। দুশমান বছৰ আগতে গাওঁখনত দেখা দিয়া ক'লেৰা ৰোগৰ পৰা ৰক্ষা পাবলৈ ৰাইজে লগ হৈ এই মন্দিৰটো সাঁজি আৰু লগতে এটা পুখুৰী খান্দি কামাখ্যাদেৱীৰ পূজা পাতে। প্ৰতি বছৰে ইয়াত দেওধনী নৃত্য নচাৰ ৰীতি প্ৰচলিত আছিল। কিন্তু বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱে বৰ্তমান ইয়াৰ জনপ্ৰিয়তা কমাই আনিছে।

**ওৰাং অভয়াৰণ্যৰ ভিতৰৰ শিৱমন্দিৰঃ** ওৰাং অভয়াৰণ্যৰ বন বিষয়া ভূপেন তালুকদাৰদেৱৰ পৰা জানিব পৰা মতে ওৰাং অভয়াৰণ্যৰ দহ কিঃ মিঃ ভিতৰত এটা শিৱমন্দিৰ আছে। ইয়াৰ কাষত পাঁচ বিঘামানৰ এটা পুখুৰীও আছে। ইয়াৰ কাষৰে পাঁজৰে পৰি থকা শিলৰ টুকুৰাবোৰত ফুল আদিৰ নক্সা কটা আছে। ওৰাং অভয়াৰণ্য যে একালত জনবসতিপূৰ্ণ স্থান আছিল বুলি সেই কথা মন্দিৰটোৱে প্ৰমাণ কৰে। শিৱভক্ত বাৰভূঞাসকলে তেওঁলোকৰ ৰাজত্বকালত এই মন্দিৰটো সজোৱা বুলি অনুমান কৰিব পাৰি। ইয়াৰ খননকাৰ্য চলালে ওৰাঙৰ ইতিহাসৰ আৰু কিছু কথা জানিব পৰা যাব। এই সম্পৰ্কে প্ৰত্নতাত্ত্বিকসকলে আৰু বিভাগীয় চৰকাৰী বিষয়াসকলে ব্যৱস্থা ল'ব বুলি আমাৰ বিশ্বাস।

ওৰাং মৌজাৰ দক্ষিণে অৱস্থিত ওৰাং অভয়াৰণ্য আৰু উত্তৰে অৱস্থিত বৌতা বনাঞ্চলে ইয়াৰ প্ৰায় একতৃতীয়াংশ এলেকা আগুৰি আছে। মাজৰ ঠাইখিনিৰ প্ৰায় একতৃতীয়াংশ আগুৰি আছে ওৰাং, মাজবাট, বেটিবাৰী, লাৱাঁবাৰী, বেটালি, বাঁহীপুখুৰী আদি চাহ বাগিচা সমূহে। মোজাখনত মুঠ চাহ শ্ৰমিকৰ সংখ্যা ২৪,০০০ৰো অধিক। বাকী একতৃতীয়াংশ জনবসবতিপূৰ্ণ গ্ৰাম্যাঞ্চল। ইয়াত বিভিন্ন জনগোষ্ঠীৰ লোকে বসবাস কৰে। বড়ো, ৰাভা আদি জনজাতীয় জনগোষ্ঠীৰ উপৰিও কোঁচ, নেপালী, বঙালী, চৰুৱা মুছলমান আদিৰ লোকসকলে আতীজৰে পৰা ইয়াৰ মিলাপ্ৰীতিৰে বাস কৰি আহিছে। অসম আন্দোলন আৰু বড়ো আন্দোলনৰ কেতবোৰ আবেগিক মুহূৰ্তত দুই এটা বিক্ষিপ্ত ঘটনা ঘটিলেও সাধাৰণ কৃষক ৰাইজৰ মাজত থকা আন্তৰিক মিলাপ্ৰীতি এতিয়া পুনৰ স্থাপিত হৈছে।

মৌজাখনৰ শিক্ষাৰ বিস্তাৰৰ গতি লেহেমীয়া। ওৰাং উচ্চতৰ মাধ্যমিক বিদ্যালয়, মাজবাট উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু বৌতা উচ্চতৰ মাধ্যমিক বিদ্যালয়েই হ'ল মৌজাখনত শৈক্ষিক পৰিবেশ গঢ়ি তোলাত বিশেষভাবে অৰিহণা যোগোৱা শিক্ষানুষ্ঠান। কিন্তু স্থানীয় ৰাইজৰ অভিযোগ মতে শিক্ষানুষ্ঠান কেইখনত আগৰ দৰে শৈক্ষিক পৰিবেশ নাই। ছাত্ৰ-ছাত্ৰীবোৰৰ মই-মতালি বৃদ্ধি পাই যোৱাৰ লগে লগে শিক্ষকসকলৰ উৎসাহ-উদ্দীপনা কমি আহিছে আৰু ফলস্বৰূপে শিক্ষানুষ্ঠান কেইখনৰ শৈক্ষিক বাতাবৰণ নিম্নগামী হৈছে।

এই কেইখন বিদ্যালয়ৰ উপৰিও গেলাবিল, নলবাৰী, বৰঝাৰ, পাউৰিপোটা, বৌতাষ্টেচন আদিত বড়ো আৰু বঙালী মাধ্যমকে ধৰি কেইবাখনো উচ্চ-মাধ্যমিক তথা মাধ্যমিক বিদ্যালয় স্থাপিত হৈছে। শেহতীয়াকৈ ওৰাঙৰ বিষ্ণুৰাভা মহাবিদ্যালয় আৰু মাজবাটত মাজবাট মহাবিদ্যালয় স্থাপিত হৈছে। মৌজাখনত মুঠ প্ৰাথমিক বিদ্যালয়ৰ সংখ্যা পঞ্চাশখনৰ অধিক।

শিক্ষানুষ্ঠানৰ সংখ্যাৰ দিশেদি বহুত যেন লাগিলেও জনসংখ্য অনুপাতে শিক্ষানুষ্ঠান এতিয়াও তাকৰীয়া। মৌজাখনৰ মুঠ গাঁৱৰ সংখ্যা এশৰো অধিক। আনফালে চাহ বাগিছাসমূহ আছেই। তাৰ উপৰি যিকেইখন শিক্ষানুষ্ঠান এতিয়া আছে, তাৰ প্ৰায় ভাগৰে ঘৰ-দুৱাৰ আদিৰ অৱস্থা শোচনীয়। খেলা-ধূলাৰ বাবে প্ৰয়োজনীয় খেল পথাৰ আৰু খেল সামগ্ৰীৰো অভাৱ। বহুকেইখন বিদ্যালয়েই এতিয়ালৈকে চৰকাৰী নোহোৱাত দুখীয়া জনসাধাৰণৰ ল'ৰা-ছোৱালীয়ে মাচুলৰ শকত বোজা কঢ়িয়াব লগা হৈছে।

ওৰাং মৌজাৰ ভিতৰুৱা কেতবোৰ অনুন্নত গাওঁৰ প্ৰাথমিক বিদ্যালয়ৰ অৱস্থা অতি শোচনীয়। আনহাতেদি শিক্ষকসকলো সচেতন নহয়। কোনো কোনো প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকে সপ্তাহত তিনিদিনমানহে স্কুললৈ যায়। যিদিনা যায়, সেই দিনাও এঘন্টামানহে স্কুলত উপস্থিত থাকে। ফলস্বৰূপে এই অনুন্নত গাওঁসমূহৰ ল'ৰা-ছোৱালীয়ে উপযুক্ত শিক্ষা পোৱাৰ পৰা বঞ্চিত হৈছে। এইক্ষেত্ৰত শিক্ষাবিভাগে উপযুক্ত ব্যৱস্থা লোৱাটো ৰাইজে কামনা কৰে।

মৌজাখনৰ যাতায়ত ব্যৱস্থা কিছু পৰিমাণে সুচল। ইয়াৰ মাজেৰে ৫২নং উত্তৰ ৰাষ্ট্ৰীয় ঘাইপথ পাৰ হৈ গৈছে। ইয়াৰ পৰা ওলাই যোৱা শাখাপথ সমূহে ভিতৰুৱা অঞ্চলসমূহ সংলগ্ন কৰিছে। চাহ উদ্যোগৰ প্ৰয়োজনীয়তাৰ বাবে ওৰাং-মাজবাট পথটো পকী যদিও বাকী ধনশ্ৰীঘাট-অভয়াৰণ্য, ধনশ্ৰীঘাট-মেৰাবিল, ওৰাং চাৰিআলি-অভয়াৰণ্য আদি পথসমূহ কেঁচা। এই পথসমূহ পকী কৰাৰ প্ৰয়োজনীয়তা আছে। বিশেষকৈ ওৰাং চাৰিআলিৰ সৈতে ওৰাং অভয়াৰণ্য সংযোগকাৰী দহ কিঃ মিঃ দৈৰ্ঘ্যৰ পথটো পকী কৰাটো একান্ত প্ৰয়োজন। বৌতা বনাঞ্চলৰ কাষৰীয়া ঠাইৰ গাওঁসমূহৰ পথ সমূহৰ উন্নয়নৰ বাবেও চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। এই অঞ্চলত ধান আৰু কুঁহিয়াৰ আদি প্ৰচুৰ পৰিমাণে উৎপন্ন হয়। এই অঞ্চলৰ কৃষক ৰাইজৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি যাতায়ত ব্যৱস্থা উন্নত কৰাটো প্ৰয়োজনীয়।

মৌজাখনৰ ৰাইজৰ চিকিৎসাৰ বাবে ওৰাং, মাজবাট, বৌতা প্ৰাথমিক চিকিৎসা কেন্দ্ৰ স্থাপন কৰা হৈছে। কিন্তু চিকিৎসালয়কেইখনে এই বৃহৎ মৌজাখনৰ ৰাইজক চিকিৎসা প্ৰদান কৰাত সফল হব পৰা নাই। ৰোগী অনুপাতে ডাক্তৰ আৰু আসনৰ অভাৱে সময়ে সময়ে ৰাইজক তামা-কাঁহা দেখুৱাই আহিছে।

মৌজাখনৰ ৰাইজৰ মূল জীৱিকাৰ উপায় হ'ল কৃষি আৰু চাহ উদ্যোগ। কিন্তু কৃষকসকলে আধুনিক কৃষি পদ্ধতিৰ প্ৰতি এতিয়াও আকৰ্ষিত নোহোৱাটো উদ্বেগৰ বিষয়। জলসিঞ্চন ব্যৱস্থাৰ অভাৱে কৃষক ৰাইজক আধুনিক কৃষি প্ৰণালীৰ পৰা আঁতৰাই ৰাখিছে। মৌজাখনৰ মাজেৰে বৈ যোৱা পাঁচনৈ, পগলাদিয়া আৰু ধনশ্ৰী নদীত পানীদুৱাৰ (শ্লুইচ গেট)ৰ ব্যৱস্থা কৰি মৌজাখনৰ পথাৰত পানী যোগানৰ ব্যৱস্থা সুন্দৰ ভাবে কৰিব পাৰি। এই ক্ষেত্ৰত জলসিঞ্চন বিভাগে উদ্যোগ নোলোৱাটো দুৰ্ভাগ্যজনক কথা। উল্লেখযোগ্য যে কেইবছৰমান আগতে ওৰাঙৰ নিচিনা মাৰি পথাৰৰ এটা কোণত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা এক পানী যোগানৰ বাবে ভূ-গৰ্ভলৈ পাইপ বহুৱা হৈছিল। সেই পাইপডাল আজি প্ৰায় দহ বছৰ ধৰি তেনেদৰেই আছে। পানী উঠাবৰ বাবে আৰু পথাৰত বিতৰণৰ বাবে আজিলৈকে তাত যন্ত্ৰপাতি অনা দেখা নগ'ল। ইয়াৰ অন্তৰ্নিহিত কাৰণ আজিলৈকে কোনেও জানিব পৰা নাই!

ওৰাং মৌজাৰ গঞা ৰাইজৰ মাজত বিশুদ্ধ পানী যোগানৰ বাবে জনস্বাস্থ্য আৰু কাৰিকৰী বিভাগে পতা ভেকোভাওনা সম্পৰ্কে উল্লেখ নকৰাটো নিশ্চয় অনুচিত হব। বহুবোৰ গাওঁত এই বিভাগে পাইপ লাইন বহুৱালে, পাইপৰ ওপৰত ধতুৰা গঁজিল, মাহ গ'ল, বছৰ গ'ল – ৰাইজে পিছে পাইপৰ বিশুদ্ধ পানী খাবলৈ নাপালে। উদাহৰণ স্বৰূপে সোণাজুলি গাওঁৰ কথাকে আঙুলিয়াব পাৰি। ওৰাঙৰ পৰা চাৰি কিঃমিঃ পশ্চিমে অৱস্থিত এই গাওঁখনত পাইপ বহুৱা আজি প্ৰায় দহ বছৰ হ'ল। এতিয়ালৈকে ৰাইজে পাইপৰ পানীৰ মুখ দেখাৰ সৌভাগ্য নহ'ল! জনস্বাস্থ্য বিভাগৰ এনে কুস্বাস্থ্যকৰ নীতিয়ে আমাক সঁচকিত কৰিছে!

সাহিত্য সংস্কৃতিৰ ক্ষেত্ৰত ওৰাং মৌজাখন পিছপৰি থকা নাই। দুই এগৰাকী উৎসাহী লোকৰ চেষ্টাত ইয়াৰ পৰা আলোচনী আদিও সময়ে সময়ে প্ৰকাশ পায়। কেইবছৰমান আগতে প্ৰসিদ্ধ সাহিত্যিক লক্ষ্যধৰ চৌধুৰী, হিতেশ ডেকা আদিৰ লিখনিৰে সমৃদ্ধ 'উপবন' নামৰ তিনিমহীয়া আলোচনী এখন যতীন্দ্ৰমোহন নাথৰ সম্পাদনাত প্ৰকাশ পাইছিল। অৰ্থনৈতিক কাৰণত বৰ্তমান আলোচনীখন বন্ধ হৈ আছে যদিও ইয়াৰ পুনৰ প্ৰকাশৰ যো-জা চলিছে বুলিও জানিব পৰা গৈছে। অসম সাহিত্য সভাৰ বাৰ্ষিক অধিবেশন এখন ইয়াত অনুষ্ঠিত কৰাৰ বাবেও একাংশ ৰাইজে আশা কৰিছে।

ক্ৰীড়াৰ ক্ষেত্ৰত ওৰাং মৌজা পিছপৰি আছে। সু-সংগঠকৰ অভাৱত ইয়াৰ ক্ৰীড়া প্ৰতিভাসমূহে বিকাশৰ বাট বিচাৰি পোৱাত অসুবিধা হৈছে। কেইবছৰমান আগতে বিদ্যালয়সমূহে এইক্ষেত্ৰত কিছু আগভাগ লৈছিল যদিও বৰ্তমান সেই পৰিবেশ ম্লান পৰি গৈছে। স্থানীয় যুৱক-যুৱতীসকল এইক্ষেত্ৰত সঁচেতন হব বুলি আমি আশা কৰো।

চাহ বাগিচাৰ সুমধুৰ ঝুমুৰ, বড়োসকলৰ বাগুৰুম্বা, নেপালীসকলৰ লোকগীত, চৰুৱা মুছলমানসকলৰ লোকগীতৰ সুৰ মুৰ্চ্ছনাৰে ওৰাং মৌজাৰ সংস্কৃতিৰ ৰংঘৰ বঞ্জিত। কিন্তু দুৰ্ভাগ্যজনক কথা যে এই সোণসেৰীয়া সাংস্কৃতিক সম্পদসমূহৰ বিকাশৰ বাবে ইয়াত তেনে কোনো অনুষ্ঠান নাই। এই লোককলা-কৃষ্টি আদিৰ বিকাশৰ বাবে ওৰাঙত এটা প্ৰেক্ষাগৃহ নিৰ্মাণ কৰাৰ অতীৱ প্ৰয়োজন। স্থানীয় তৰুণ-তৰুণীসকলে এইক্ষেত্ৰত বিশেষ উদ্যোগ গ্ৰহণ কৰিব পাৰে।

জীৱনশিল্পী, অসম সাহিত্য সভাৰ গোৰেশ্বৰ অধিবেশনৰ সভাপতি লক্ষ্যধৰ চৌধুৰীদেৱে শিক্ষামন্ত্ৰী হৈ থকা কালত ওৰাঙলৈ আহোতে এষাৰ কথা কৈছিল – "ওৰাঙৰ ৰসগোল্লা যেনে সোৱাদ ওৰাঙৰ ছাত্ৰ-ছাত্ৰী, ল'ৰা-ছোৱালীবোৰো তেনে সোৱাদ লগা হব লাগিব।" ওৰাঙৰ ল'ৰা-ছোৱালী ওৰাঙৰ ৰসগোল্লাটোৰ দৰে সোৱাদ লগা হ'বলৈ হ'লে তেওঁলোকে ক্ৰীড়া-সংস্কৃতি, সাহিত্য আদি বিভিন্ন দিশেৰে নিজৰ পাৰদৰ্শিতা প্ৰদৰ্শণ কৰিবলৈ সক্ষম হব লাগিব।

ওৰাঙৰ ৰাইজে ওৰাং অভয়াৰণ্যখনৰ প্ৰতি বিশেষ নজৰ ৰখা উচিত। ওৰাং অভয়াৰণ্যখনক উদ্যান হিচাপে গঢ়ি তুলিবলৈ ৰাইজৰ সহায়-সহযোগিতাৰ নিতান্তই প্ৰয়োজন হ'ব। অভয়াৰণ্যখনৰ বন বিষয়া ভূপেন তালুকদাৰৰ মতে মহন্ত চৰকাৰৰ দিনত তেওঁলোকৰ ফালৰ পৰা এই প্ৰস্তাৱ হেনো দিয়া হৈছিল। তেওঁলোকে হেনো লগত এখন আঁচনিও প্ৰস্তুত কৰি দিছিল। কিন্তু মাটিকালি কম বুলি হেনো চৰকাৰে সেই প্ৰস্তাৱ অগ্ৰাহ্য কৰিলে। বন বিষয়াগৰাকীৰ মতে অভয়াৰণ্য এখনক ৰাষ্ট্ৰীয় উদ্যান ৰূপে গঢ়িবলৈ যাওঁতে – মাটিকালিৰ কোনো সীমাবন্ধা নাথাকে। আনহাতে ওৰাং অভয়াৰণ্যৰ মাটিকালি ৭০ বৰ্গ কিলোমিটাৰৰো অধিক। গতিকে চৰকাৰৰ উৎসাহ হে এইক্ষেত্ৰত মূল কথা।

ওৰাঙলৈ কম সংখ্যক হলেও ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰ তথা ভাৰতৰ বাহিৰৰ চুইডেন আদিৰ পৰা পৰ্যটক আহে। উপযুক্ত প্ৰচাৰৰ অভাৱত এই মনোৰম প্ৰাকৃতিক শোভা উপভোগ কৰিবলৈ অহা লোকৰ সংখ্যা কম যদিও ইয়ালৈ তাকৰীয়াকৈ হলেও অহা ভ্ৰমণকাৰীসকলৰ সন্তুষ্টিৰ বাবে পৰ্যটন বিভাগে ব্যৱস্থা লোৱা দৰকাৰ। পৰ্যটকসকলৰ বাবে আধুনিক সা-সুবিধাৰ পৰ্যটন নিবাস, ভাৰতৰ বাহিৰৰ আৰু ভাৰতৰ বিভিন্ন প্ৰান্তৰ পৰা অহা পৰ্যটকসকলৰ লগত সু-বিজ্ঞ গাডৰ ব্যৱস্থা কৰাৰ ক্ষেত্ৰত পৰ্যটন বিভাগে আগ্ৰহ আৰু উৎসাহ দেখুওৱা উচিত।

অসমৰ মানুহে সুদূৰ কন্যাকুমাৰীৰ সূৰ্য ডুবা দৃশ্য চাবলৈ যায়, দাৰ্জিলিঙলৈ পুৱাৰ সূৰ্য উঠা দৃশ্য চাবলৈ যায়। কিন্তু ওৰাং অভয়াৰণ্যৰ ব্ৰহ্মপুত্ৰৰ পাৰত সেই দৃশ্য আৰু বেছি মধুৰ আৰু নিবিড়ভাবে উপভোগ কৰিব পাৰি। উপভোগ কৰিব পাৰি পাঁচনৈৰ পাৰৰ ওৰাং চাহ বাগিচাৰ সেউজীয়া চাহপাতৰ ফাঁকে ফাঁকে পুৱাৰ অৰুণে সিঁচি দিয়া শতসহস্ৰ হিৰন্ময় ৰেখা! গৈছেনে কোনোবাই কেতিয়াবা সেই বৰেণ্য প্ৰাকৃতিক শোভা চাবলৈ? ওৰাঙৰ ৰংবোৰ বুটলিবলৈ? গৈছেনে ?? –

গৈছানে কেতিয়াবা ওৰাং চাবলে' ?
ৰসেভৰা ঘূৰণীয়া মিঠাই খাবলে' ?
ৰাজ আলিৰ কাষতেই চাহৰ দোকান,
মিঠায়ে তাতেই বহি গায় ক'ত গান।
মোক খা মোক খা বুলি তোমাক মাতিব,
দেখিলে জিভাৰ পানী ওলাই আহিব!
ওৰাঙৰ অৰণ্যৰ জীৱজন্তু যত,
হৰিণ, বান্দৰ আৰু হাতী আছে ক'ত!
নেউল, কেৰ্কেটুৱা, পেলিকান পখী,
লাজুকী বান্দৰে তাত পাতে হেনো সখি!
সেউজীয়া পাতে ভৰা চাহৰ বাগান,
ঝুমুৰ শুনিবা তাত পাতিলেই কাণ।
বাগুৰুম্বা চোৱা যদি ইয়ালে' আহিবা,
চিফুঙৰ সুৰে সুৰে তুমিও নাচিবা।
ওৰাঙৰ ৰং সনা এমোকোৰা হাঁহি,
নিঁবাদেই টোপোলাত কেতিয়াবা আহি!

আহিবচোন কেতিয়াবা – ওৰাঙৰ ৰং সনা এমোকোৰা হাঁহি লৈ যাবহি! ■

# ওৰাঙৰ মৃগয়া-বন

ভূপেন্দ্ৰনাথ তালুকদাৰ

বিশ্বত বন্যপ্ৰাণীৰ সংখ্যা ক্ৰমাগত ভাবে তীব্ৰ গতিত হ্ৰাস হৈ অহাৰ পৰিপ্ৰেক্ষিতত পৃথিৱী জুৰি মানুহৰ মনত ইয়াৰ সংৰক্ষণৰ বাবে হোৱা সজাগতা নিশ্চয় পলমকৈ হ'লেও এটা শুভ লক্ষণ। কিন্তু এই সজাগতা প্ৰকৃতাৰ্থত কিমান দূৰ ফলপ্ৰসু তাৰ বস্তুনিষ্ঠ বিশ্লেষণ কৰা দৰকাৰ। সৃষ্টিৰ কালৰে পৰা বনৰীয়া জন্তুক সাধাৰণভাবে মানৱ সমাজে শত্ৰু আৰু খাদ্য হিচাপে গণ্য কৰি আহিছে। বৰ্ধিত জনসংখ্যাৰ ফলত বিশ্বজুৰি হোৱা খাদ্য সংকট আৰু শত্ৰুৰ প্ৰতি মানুহৰ মনত সোমাই থকা পুৰাতন ধাৰণা– এই দুয়োটাৰ বিক্ৰীয়াকে বন্যজন্তুৰ ক্ৰম-বিলুপ্তিৰ কাৰণ বুলি ক'ব পাৰি। ক্ৰমাগতভাবে হ্ৰাস হোৱা বন্যজন্তুৰ বাসস্থান মানুহৰ বসতিলৈ পৰিৱৰ্তিত হোৱাটোৱেই প্ৰাণীসমূহৰ ধ্বংসৰ মূল কাৰণ।

কথা কিছুমান কোৱা সহজ। বাস্তৱত এই কাম কৰা কিন্তু কঠিন। দেখা গৈছে বন্যপ্ৰাণীৰ সংৰক্ষণৰ বিষয়ে যিসকলে লিখে তেওঁলোকৰ বেছি ভাগেই সংৰক্ষণৰ লগত প্ৰত্যক্ষভাবে জড়িত নহয় বা এই উপদেশসমূহ প্ৰযোজ্য কৰা ক্ষেত্ৰ কৰ্মৰ থলিৰ অভিজ্ঞতা থকা লোক নহয়। আমি এইদৰে বুজাব খোজা নাই যে এনে উপদেশসমূহৰ কোনো গুণগত মান নাই।

ইয়াত সাধাৰণতে সংৰক্ষণৰ ক্ষেত্ৰত সৰ্বসন্মতভাবে দিয়া উপদেশ এটাৰ কথাহে ক্ষেত্ৰ ভিত্তিক দৃষ্টিকোণৰ পৰা বিশ্লেষণ কৰিবলৈ চেষ্টা কৰিম। অকল বন্যপ্ৰাণীৰ ক্ষেত্ৰতে নহয় যিকোনো পৰিকল্পনা এটাৰ সু-সংহত প্ৰয়োগ আৰু কৃতকাৰ্যভাবে পৰিকল্পিত কৰিবলৈ ৰাইজৰ সহযোগ প্ৰথমতে আৱশ্যক। জনসাধাৰণৰ বন্যপ্ৰাণী সংৰক্ষণৰ প্ৰতি সচেতনতা বৃদ্ধি কৰি সংৰক্ষণৰ অংশীদাৰ কৰি লব নোৱাৰিলে প্ৰাণীসমূহ কেৱল মাত্ৰ আইনৰ প্ৰয়োগেৰে মুষ্টিমেয় চাকৰিয়াল বন কৰ্মীয়ে ৰক্ষা কৰিব নোৱাৰে। •

বন্যপ্ৰাণী সংৰক্ষণত ব্যৰ্থ হোৱা বুলি এক মুখে অ-বনপালকসকলে বনকৰ্মীকে দোষাৰোপ কৰি অহাটো বৰ্তমানে চিৰাচৰিত অভিমত হোৱা যেন দেখা গৈছে। আমি বনকৰ্মীক দোষমুক্ত বুলি নকওঁ। কিন্তু সকলো বনকৰ্মীকে নিষ্ঠাৱান বুলি কোৱাৰ পক্ষপাতী আমি নহয়। পানী দূষিত হ'লে তাত ভাল মাছ দিলেও বাচি থাকিব নোৱাৰে। গতিকে মাছ বচাই ৰাখিবলৈ প্ৰথমতে পানীখিনি উপযোগী কৰি লোৱাহে প্ৰয়োজন।

বন্যপ্ৰাণী সংৰক্ষণৰ ক্ষেত্ৰত বিভিন্ন জনৰ সমস্যা বিভিন্ন। কিন্তু সংৰক্ষণৰ ক্ষেত্ৰত লোক সচেতনতা বৃদ্ধিৰ বাবে পোৱা সমস্যাসমূহ প্ৰায় সকলো ক্ষেত্ৰতে একে হোৱা দেখা যায়। অন্ততঃ মূল সমস্যাটো সকলোতে একে। অভয়াৰণ্য বা ৰাষ্ট্ৰীয় উদ্যান এখনৰ আয়তন, গঠন আৰু অৱস্থানৰ লগত তাৰ পৰিচালনা নিৰ্ভৰশীল। মাথো ক'ৰবাত কেইটামান দুঃপ্ৰাপ্য জন্তুৰ উপস্থিতিৰ বাবেই এখন অভয়াৰণ্য ঘোষণা কৰি সংৰক্ষণৰ ব্যৱস্থা আৰম্ভ কৰা সঠিক হয় নে নহয় তাক বিচাৰ কৰি চোৱা দৰকাৰ। উদাহৰণস্বৰূপে পৱিতৰা বা ওৰাঙৰ দৰে অভয়াৰণ্য হয়তো অতিজতে পুৰাতন পৰিস্থিতিত অস্তিত্বৰ সংকটৰ ফালৰ পৰা কোনো ভাবুকিৰ সম্মুখনী হোৱাৰ সম্ভাৱনা দেখা পোৱা হোৱা নাছিল। কিন্তু বৰ্তমানৰ পৰিস্থিতিত ইয়াৰ ভৱিষ্যৎ অস্তিত্বৰ কথা চিন্তা কৰিলে এনে অভয়াৰণ্যৰ অস্তিত্ব স্থায়ী যেন বোধ নহয়। আৰু অনাগত ভৱিষ্যতত এনে অভয়াৰণ্যৰ চাৰিওফালে বন্যপ্ৰাণীৰ উপদ্ৰৱ অধিক মাত্ৰাত হবলৈ আৰু প্ৰাণীসমূহো অধিক মাত্ৰাত বাহিৰত নিধন হবলৈ বাধ্য। লাগিলে যিমানে কটকটীয়া সংৰক্ষণ ব্যৱস্থা বিভাগৰ ফালৰ পৰা নলওক কিয়।

আমাৰ আলোচ্য বিষয় হ'ল– জনসাধাৰণক বন্যপ্ৰাণী সংৰক্ষণৰ প্ৰতি সজাগতা বৃদ্ধি কৰি সংৰক্ষণৰ অংশীদাৰ কৰা। এনে ব্যৱস্থাৰ বাবে অভয়াৰণ্যখনৰ অৱস্থানে প্ৰধান ভূমিকা লয়। এই আলোচনাত আমি ওৰাং অভয়াৰণ্যৰ কথাহে আলোচনা কৰিম। গতিকে তাৰ বাবে ইয়াৰ জন্ম, জন্ম লগ্নৰ পৰিস্থিতি, কালৰ বিৱৰ্তনত ৰূপান্তৰিত ৰূপ আৰু অৱস্থান ঠোৰতে কোৱা ভাল হব।

প্ৰায় ১৮৮০, ১৯০০ চন মানলৈ বৰ্তমানৰ ওৰাং অভয়াৰণ্যখন কেইখনমান জনবসতিপূৰ্ণ আদৰ্শ হিন্দু গাওঁ আছিল। এই এলেকাত এতিয়াও বিদ্যমান ২৬টা বিভিন্ন জ্যামিতিক আকাৰৰ সুগঠিত পুখুৰী আৰু সেই এলেকাবোৰত পৰিকল্পিত অৱস্থানৰ লগতে বৰ্তমানেও ভগ্ন অৱস্থাত থকা মন্দিৰটোৱে এনে ধাৰণাৰ সাক্ষ্য বহণ কৰি আছে। সেই সময়ত মহামাৰী ৰূপ ধাৰণ কৰা কলা-জ্বৰৰ প্ৰকোপত পূৰ্বৰ বাসিন্দা বড়ো (?) জনগোষ্ঠীৰ লোকসকলে গাওঁ এৰি যোৱাৰ পিছত অনুকূল পৰিবেশ পাই গোট খোৱা পহু আদি সৰু সৰু জন্তুৰ বাসস্থানলৈ ৰূপান্তৰিত হোৱাত তদানীন্তন চৰকাৰে ১৯১৫ চনত ওৰাঙক এখন মৃগয়াবন (Game Reserve) ঘোষণা কৰিলে।

১৯২০ চনত অসমৰ চাদুল্লা চৰকাৰৰ পৰিকল্পনা মতে পূৰ্ববঙ্গৰ ভগনীয়া আমদানি কৰি অসমৰ পতিত মাটিত শস্য উৎপাদন কৰিবলৈ লোৱা অধিক শস্য উৎপাদন, Grow more food scheme আঁচনিৰ কবলত আৰু Line system-ৰ প্ৰয়োগৰ বলি কৰি ওৰাঙৰ ১২৯১৫ বিঘা মাটি এনে লোকৰ সংস্থাপনৰ বাবে মুকলি কৰি দিলে। এই অসংৰক্ষিতকৰণ (Dereservation) কাৰ্য ১৯৩১ চনত সমাপ্ত হোৱাৰ সময়ৰে পৰা আজিলৈকে এনে লোকৰ প্ৰব্ৰজন ব্যাপক ৰূপত হোৱাৰ ফলত পূৰ্বৰ বিৰাট আকাৰৰ ওৰাঙৰ জংঘল শিঙৰী হৈ ঢেকীয়াজুলীৰ সৈতে ভূটানৰ লগত থকা সংযোগ বিচ্ছিন্ন হৈ ই বৰ্তমানে জনসমুদ্ৰৰ মাজত এটা অকণমানি দ্বীপৰ লেখীয়া হ'ল। ওৰাঙৰ মাটিকালি ৭৮৮০·০০ হেক্টৰ আৰু ইয়াৰ সমুদায় ৪৮·০০০ কিঃ মিঃ দৈৰ্ঘ্যৰ সীমাৰ প্ৰায় ৪৬·০০০ এলেকা জনবসতিৰে সামৰা। সহজেই অনুমেয় যে বৰ্তমান ওৰাং অভয়াৰণ্যক আগুৰি থকা গাওঁ সমূহৰ জনসাধাৰণৰ অৰ্থনৈতিক, শৈক্ষিক পৰিস্থিতি অতি শোচনীয়। আমি এই গাওঁবোৰৰ বৰ্তমানৰ আৰ্থ-সামাজিক দিশ চোৱাৰ আগতে অভয়াৰণ্যখনৰ প্ৰভাৱ অঞ্চলবোৰত কেনে তাৰ চমু আলোচনা কৰো আহক।

১৯৮৫ চনৰ ছেপ্তেম্বৰ মাহলৈকে ওৰাং এখন Game Reserve হে আছিল। আইনগত ভাবে এনে এলেকাত অনেক শিথিলতা আছিল। সেয়ে এই অৰণ্যৰ ভিতৰৰ পৰা চাৰিওফালৰ দুখীয়া ৰাইজে নিত্য ব্যৱহাৰ্য বস্তু– খৰি, খেৰ, মাছ আদি পোৱাত আৰু গৰু ম'হ চৰোৱাত বাধা পোৱা নাছিল। কিন্তু অভয়াৰণ্য ঘোষিত হোৱাত গড় চিকাৰৰ সংখ্যা ক্ৰমাগতভাবে বৃদ্ধি পোৱাৰ পিছত আৰু অভয়াৰণ্যখনৰ বাসভূমিৰ উন্নতিৰ পৰিপ্ৰেক্ষিতত আইন অনুসাৰে এনে পৰিপ্ৰেক্ষিতত আইন অনুসাৰে এনে সামগ্ৰীসমূহ বননিৰ পৰা নিয়া সম্পূৰ্ণৰূপে বন্ধ কৰি কটকটীয়া ব্যৱস্থা লোৱাৰ লগে লগে ৰাইজৰ লগত বনকৰ্মীৰ সংঘৰ্ষৰ ৰূপ পূৰ্ণ পৰ্যায়ত অৱতীৰ্ণ হ'ল। অভয়াৰণ্যৰ ৪৮ কিঃ মিঃ জুৰি থকা সীমাৰ এনে এখন গাওঁ নাই য'ত যোৱা কেইবা বছৰত মানুহ বাঘ বা হাতীয়ে হত্যা কৰা নাই। হাতীয়ে ঘৰ ভঙা বা গড়, গাহৰি পহু আদিয়ে শস্য নষ্ট কৰা ঘটনা একেবাৰে চিৰাচৰিত আৰু সাধাৰণ ঘটনা।

যোৱা ১৯৮৮ চনৰ পৰা ১৯৯১ চনলৈ বন্যজন্তুৰ আক্ৰমণত মৃত্যু আৰু জখম হোৱা হিচাপ এনে ধৰণৰ– (১-১-৮৮–১-১-৯২)

মৃত্যু– ২০ জন

জখম– ৩৫ জন

যিহেতু ঘৰ ভঙা, শস্য ধ্বংস কৰা আৰু পশুধন নিহত কৰা বাবদ চৰকাৰৰ ফালৰ পৰা কোনো সাহাৰ্য দিয়া নহয় সেয়ে এনে হিচাপ ইয়াত দেখুৱা হোৱা নাই।

বন্যপ্ৰাণীয়ে অৰণ্যৰ পৰা গৈ খেতি পথাৰ নষ্ট কৰা, ঘৰ-দুৱাৰ ভঙা স্বভাৱ বা মানুহ হত্যা কৰা ঘটনাবোৰ বিশ্লেষণ কৰা এটা বেলেগ অধ্যায়। বন্যপ্ৰাণী উপদ্ৰৱ সিহঁতৰ বাসস্থানৰ কালি, আকাৰ আৰু অৱস্থানৰ লগতে আৱশ্যকীয় খাদ্যসম্ভাৰ আৰু অনুকূল পৰিবেশৰ ওপৰত ঘোৰতে নিৰ্ভৰশীল। বৰ্তমানৰ ওৰাং অভয়াৰণ্য ব্ৰহ্মপুত্ৰ নদীৰ প্ৰায় পাৰতে অৱস্থিত। ব্ৰহ্মপুত্ৰৰ চৰবোৰত, অভয়াৰণ্যৰ দক্ষিণ সীমাত, ইতিমধ্যে মানুহৰ বসতি আৰম্ভ হৈ গৈছে। গতিকে চাৰিওফালৰ জনবসতিয়ে অভয়াৰণ্যখনৰ জীৱনবোৰক খোৱাঁৰত ৰখাৰ দৰে আগুৰি আছে। জন্তুবোৰে বেৰ বা অইন প্ৰতিবন্ধক নোহোৱা সীমাৰ পৰা এখোজ বাহিৰলৈ গ'লেই হয় খেতি পথাৰ অথবা কাৰোবাৰ পদুলিত ভৰিখন থব লাগে। চাৰিওফালৰ জনবসতি এলেকাত খেতি মাটিৰ অভাৱ ইমানেই যে অভয়াৰণ্যৰ সীমাৰ এফুটৰ পৰাই ৰাইজে খেতি আৰু ঘৰ সজা কাম কৰিছে। গতিকে বন্যপ্ৰাণীৰ সাধাৰণ এটা উপদ্ৰৱেই হয় কাৰোবাৰ পেটত গোৰ মাৰিছে বা জীৱনটোকে মাৰিছে।

ওৰাং অভয়াৰণ্যৰ সীমাত থকা গাওঁবোৰ একাদিক্ৰমে হ'ল– উত্তৰ বেজিমাৰী, নলবাৰী, কছাৰীভেটিটোপ, ফটাশিমলু, বৰভগীয়া, বেলশিৰি, বছাশিমলু ১নং আৰু ২নং। পশ্চিমে– ৰঙাগড়া পথাৰ, ভৱপুৰ, ৰহমানপুৰ, কাছমাৰী, মোলামাৰী, বগৰীবাৰী, বৌমাৰী, ডিম্মুচৰ। দক্ষিণে– ডিম্মুচৰ, হামুচৰ, গনিমুঞ্চিচৰ, মাজৰচৰ ইত্যাদি।

পূৰ্বতে উল্লেখ কৰিছো যে অভয়াৰণ্যখনৰ মুঠ ৪৮ কিঃ মিঃ সীমা এলেকাৰ প্ৰায় ৪৬ কিঃ মিঃ এলেকা এই গাওঁবোৰে আগুৰি আছে। নকলেও হব যে এই গাওঁবোৰৰ আবাদ এলেকা সীমাৰ পৰা আৰম্ভ। এই আটাইকেইখন গাঁৱৰ ভিতৰত সীমাৰ ওচৰতে থকা পুৰণি বেজিমাৰী গাঁৱৰ জনবসতিৰ তুলনামূলক জৰিপ এটা আমাৰ দ্বাৰা কৰা হৈছিল। এই জৰিপত আমি অভয়াৰণ্যৰ সীমাৰ পৰা ৫০০ মিটাৰৰ ভিতৰত থকা পৰিয়ালবোৰকহে অন্তৰ্ভূক্ত কৰিছো। এই জৰিপৰ সংক্ষিপ্ত বিৱৰণ তলত দিয়া হ'ল– অভয়াৰণ্যৰ সীমাৰ পৰা ৫০০ মিঃ দূৰত্বৰ ভিতৰত বাস কৰা মুঠ পৰিয়ালৰ সংখ্যা হ'ল ৭৩টা। ইয়াৰ ভিতৰত মাত্ৰ এটা পৰিয়ালতহে এজন চৰকাৰী চাকৰিয়াল আছে। অৰ্থাৎ এটা মাত্ৰ পৰিয়াল চাকৰিৰ টকাৰে মোটামোটি পোহপাল গৈ আছে। বাকী সকলোবোৰ খেতি-বাতি নাইবা অইন কাম-কাজত নিৰ্ভৰশীল। এবিঘাও মাটি নোহোৱা বা ৫ বিঘালৈ মাটি থকা পৰিয়াল হ'ল ৬৫·৭%। ১৫ বিঘাৰ ওপৰত মাটি থকা পৰিয়াল হ'ল মাত্ৰ ৭টা (৯·৫%)। এই ৭টা পৰিয়ালৰ মুঠ জনসংখ্যা হ'ল ১০৩জন। সমুদায় ৭৩টা পৰিয়ালৰ ভিতৰত জনমুৰি মাটিৰ পৰিমাণ ০·৩৪ বিঘা।

মুঠ জনসংখ্যা ৫৪৭জনৰ ভিতৰত মাত্ৰ ৮২জন হয় পঢ়াশালিত পঢ়ি আছে বা নিম্নখাপৰ শ্ৰেণীসমূহত পঢ়ি এৰি দিছে। এই শিক্ষিত লোকসকলৰ ভিতৰত মাত্ৰ ১০ম শ্ৰেণীলৈকে ধৰা হৈছে। স্বাক্ষৰতাৰ হাৰ সমুদায় জনসংখ্যাৰ ভিত্তিত মাত্ৰ ১৪·৯৯ ভাগ। ৫৪৭ জনৰ ভিতৰত মাত্ৰ ৪ জনে হাইস্কুল শিক্ষান্ত পৰীক্ষা পাচ কৰিছে। বৰ্তমানে পঢ়াশালিত পঢ়ি থকা ছাত্ৰৰ সংখ্যা ৩৮জন। ১১-ৰ পৰা ৩৬ বছৰলৈকে মুঠ জনসংখ্যা হ'ল ২৪৮জন। ইয়াৰ ভিতৰত মাত্ৰ এজন চৰকাৰী চাকৰিয়াল। ১০ বছৰৰ তলৰ ল'ৰা-ছোৱালীৰ সংখ্যা ১৭৭জন। অৰ্থাৎ সমুদায় জনসংখ্যাৰ ৩২·৫৫ ভাগ ১০ বছৰৰ তলৰ। জনসংখ্যাৰ বৰ্দ্ধিত হাৰ ইয়াৰ পৰাই অনুমান কৰিব পাৰি। তাৰ উপৰি একে সম্প্ৰদায়ৰ লোক বিভিন্ন এলেকাৰ পৰা এই ঠাইলৈ অহা কাম তাকৰীয়া মাটি সত্বেও অন্ত হোৱা নাই। ওপৰোক্ত পৰিসংখ্যাৰ পৰা অনুমান কৰা কঠিন নহব, এই অঞ্চলৰ জনসাধাৰণৰ মাজত দৰিদ্ৰতাৰ সীমাৰেখাডাল কিমান ওপৰত।

পূৰ্বতে গাঁৱৰ লোকসকলে বৰ্তমানৰ অভয়াৰণ্যৰ বননিত খৰি, খেৰ, মাছমৰা, গৰুচৰোৱা কামবোৰ কৰি আছিল। কিন্তু অভয়াৰণ্য ঘোষণাৰ পিছত কটকটীয়া সংৰক্ষণ কৰি এই আটাইবোৰ তথাকথিত অধিকাৰ সংৰক্ষণৰ খাতিৰতে বন্ধ কৰি দিয়াত সম্পূৰ্ণভাবে খেতি নিৰ্ভৰশীল আৰু মাছ মাৰি জীৱন নিৰ্বাহ কৰা লোকসকল বিমোৰত পৰাটো স্বাভাৱিক। আৰু যিহেতু অভয়াৰণ্য এখনৰ সংৰক্ষণৰ মূল কামটোৱেই হৈছে বন্যপ্ৰাণীৰ বাসস্থানৰ উন্নতি আৰু সংৰক্ষণ কৰা, তেনে ক্ষেত্ৰত কোনোপধ্যে পূৰ্বতে ভোগ কৰি থকা ৰাইজৰ এই সুবিধাসমূহ চলাই থাকিব দিব নোৱাৰে।

কিন্তু তাৰ বিনিময়ত বন্যপ্ৰাণীয়ে সীমাৰ বাহিৰলৈ গৈ শস্য নষ্ট কৰা, ঘৰ ভঙা বা মানুহৰ জীৱন নাশ কৰা ঘটনা প্ৰায় সাধাৰণ। সীমাৱৰ্তী খেতি জন্তুৰ উপদ্ৰৱৰ পৰা চপোৱা কাম অনিশ্চিত। ১৯৮৮ চনৰ পৰা বিভিন্ন সময়ত বন্যপ্ৰাণীয়ে হত্যা কৰা লোকৰ সংখ্যা পূৰ্বতে কোৱা হৈছে। আমি এই গাঁৱৰ পশুধন জৰিপ কৰা নাই যদিও প্ৰয়োজন অনুসাৰে থাকিব লগীয়া খেতি প্ৰধান গাওঁ এখনৰ তুলনাত এই সংখ্যা তাকৰ নহয়। কিন্তু এই অসংখ্য পশুধনক চৰোৱা কাম কৰিবলৈ মুকলি মাটি V.G.R, P.G.R. এখনো পাবলৈ নাই। গতিকে এহাতে পশুধনে অভয়াৰণ্যৰ সীমাৰ ভিতৰৰ লহপহীয়া ঘাহ-বন

বিচাৰি আহিবলৈ বাধ্য হৈছে আৰু বাসভূমি সংৰক্ষণৰ খাতিৰতে বাধ্য হৈ বন বিভাগৰ দ্বাৰা এনে পশু অভয়াৰণ্যত সোমোৱা বন্ধ কৰিব লগীয়া হৈছে। ফলত ই এটা ক্ৰমিক সংঘৰ্ষৰ কাৰণ হৈ আছে আৰু ভৱিষ্যতেও অধিক ব্যাপক ৰূপত থকাৰ সম্ভাৱনা পূৰামাত্ৰাই আছে।

অভয়াৰণ্যৰ সীমাৰ গাতে লাগি থকা বিভিন্ন আকাৰৰ বিল, নলাবোৰ মাছৰ প্ৰজননৰ ক্ষেত্ৰ। মাছ'ইয়াত উভৈনদী। কিন্তু সীমাৰ এফুট আঁতৰত থকা জলাশয়বোৰত মাছ পাবলৈ নাই। জীৱিকাৰ বাবেই হওক বা খাবলৈকে হওক, মাছৰ এই লোভে অভয়াৰণ্যত সোমাবলৈ লোকসকলক প্ৰলোভিত কৰে আৰু ইয়েই কাজিয়াৰ কাৰণ হৈ পৰিছে। পূৰ্বতে দিয়া অৰ্থনৈতিক আভাসৰ পৰা সহজে অনুমেয় যে প্ৰায় ৮০ শতাংশ লোকতকৈ অধিকে চৰম দৰিদ্ৰ হৈ বসবাস কৰি আছে। এনে লোকক সামান্য কিছু টকাৰ বিনিময়তে প্ৰলোভিত কৰা একেবাৰে সহজ কথা আৰু তাৰে সুযোগ লৈ বাহিৰৰ পৰা চিকাৰীয়ে চিকাৰৰ বাবে এনে লোকৰ ঘৰত লুকাই থকাৰ সুবিধা পাইছে।

অভয়াৰণ্যৰ পৰা যোৱা গড়, হাতী, গাহৰি আৰু পহুৱে অঞ্চলটোৰ বিভিন্ন সময়ত লগোৱা শস্য ক্ৰমাগতভাৱে ধ্বংস কৰি থকা আৰু তাৰ বাবে এপইচাও ক্ষতিপূৰণ নোপোৱা এনে লোকে বাহিৰৰ পৰা চিকাৰৰ বাবে অহা চিকাৰীক গোপনে ৰক্ষণাবেক্ষণ দিছে আৰু এনে চিকাৰী লুকাই থকাৰ সন্দেদ বন বিভাগক দিওঁতাজনক গোটেই গাঁৱৰ লোকে মৰাৰ ভাবুকি দিয়াৰ ঘটনা ঘটি আছে। ফলত বেছিভাগ ক্ষেত্ৰতে চিকাৰীয়ে চিকাৰ কৰি বা নকৰাকৈয়ে গুচি যোৱাৰ পিছতহে এনে লোকে বন বিভাগক খবৰ দিছে যাতে খবৰ দিওঁতাজনৰ প্ৰাণৰ ভয় নেথাকে আৰু বন বিভাগৰ লোকৰ লগতো সম্ভাৱ থাকে। সীমাৰ একেবাৰে ওচৰতে কোনো ঘৰত লুকাই থকা চিকাৰীক কৰায়ত্ত কৰিবলৈ চেষ্টা কৰিলেই ওলোটাই আৰক্ষীৰ গোচৰ তৰি হাৰাশাস্তি কৰা অলেখ উদাহৰণ আছে।

এই কথা ঠিক যে- সীমাৰ ওচৰতে বাস কৰি থকা এনে লোকবোৰ দুখীয়া বা ধনী যিয়েই নহওক, বন্যপ্ৰাণীৰ পৰা পাই থকা অহৰহ উপদ্ৰৱে কোনো মতে তেখেতসকলক এনে প্ৰাণীৰ সংৰক্ষণৰ বাবে মনত চিন্তাৰ উদ্ৰেগ কৰিব নোৱাৰে। নিজৰ, আজিৰ দিনটোৰ বাবে খোৱা ভাত কেইটাৰ যিজনৰ বাবে অৰ্জা সম্ভৱপৰ নহয় তেনেলোকক আমাৰ ভৱিষ্যত প্ৰজন্মৰ বাবে নিজৰ শস্য ক্ষেত্ৰ ধ্বংস কৰা প্ৰাণীটোক ৰক্ষা কৰাৰ কথা বুজাব যোৱাটো তেনে ক্ষেত্ৰত কিমান প্ৰাসঙ্গিক তাক বুজাইহে বুজিব। ঠিক একেদৰে এডালো খেৰ-কুটা নোপোৱা অভয়াৰণ্যখনৰ প্ৰতি উপদ্ৰুত এলেকাৰ লোকৰ মাজত মৰম জন্মোৱা এটা দুৰূহঃ কাজ। অভয়াৰণ্যখনৰ অস্তিত্বই চাৰিওফালৰ জনসাধাৰণৰ বাবে অভিশপ্ত হৈ পৰিছে। যিঘৰ লোকৰ একমাত্ৰ উপাৰ্জনক্ষম লোকজনক ঘৰটো ভাঙি শুই থাকোতে হাতীয়ে বা বাঘে হত্যা কৰিছে, যিঘৰ লোকৰ একমাত্ৰ খেতিড'ৰা বন্যপ্ৰাণীয়ে খাই তহিলং কৰি গোটেই বছৰটোৰ বাবে পেটত গাঠি দিব লগীয়া অৱস্থা কৰিছে আৰু ভৱিষ্যতেও একেদৰে কৰি থাকিব বুলি নিশ্চিত তেনে লোকক কি ভাষাৰে বুজোৱা যায় যে এই দুঃপ্ৰাপ্ৰ বন্যপ্ৰাণীসমূহ লোপ পালে আমাৰ ভৱিষ্যৎ প্ৰজন্মই অস্তিত্বৰ সংকটত পৰিব। যিজনে তেওঁৰ আটাইতকৈ প্ৰিয়জনক বন্যপাণীয়ে হত্যা কৰা দেখিছে সেইজন লোকে পৃথিৱী পৃষ্ঠৰ পৰা এটা বন্যপ্ৰাণী চিৰদিনৰ বাবে নিঃশেষ হোৱা বেদনাক কিমানদূৰ হৃদয়েৰে উপলব্ধি কৰিব ?

পৃথিৱী পৃষ্ঠত বাস কৰা জীৱ বিলাকৰ ভিতৰত মানুহেই একমাত্ৰ প্ৰাণী যিয়ে যিকোনো পৰিৱৰ্তনক সহজে মানি লৈ জীৱন নিৰ্বাহ কৰিব পাৰে। কিন্তু বন্যপ্ৰাণীয়ে উপযুক্ত বাসস্থান নেপালে বাচি থাকিব বা বংশ বিস্তাৰ কৰিব নোৱাৰে। গতিকে বন্যপ্ৰাণীৰ বাসস্থান মানুহৰ স্বাৰ্থৰ খাতিৰত ধ্বংস কৰি নিঃশেষ কৰি দিয়াৰ এই চৰম মুহূৰ্তত আমি কিছু পৰিমাণে হ'লেও অমানৱীয় হৈ দুঃপ্ৰাপ্য বন্যপ্ৰাণী সমূহক তাৰ বাসস্থানৰ সৈতে বাচি থকাৰ অধিকাৰখিনি দিয়া কৰ্তব্য। ৰেল আলিৰ ওচৰত বাস কৰা লোকে ৰেলৰ উকিৰ বাবে হোৱা ধ্বনি প্ৰদূষণৰ (Noise Polution) অপকাৰৰ বাবে ৰেল আলি এটা উঠাই দিব নোৱাৰে। বন্যপ্ৰাণীৰ বাসভূমিৰ ওচৰত বসবাস কৰি থকা লোকসকলে সকলো ধৰণৰ উপদ্ৰৱ সহ্য কৰি সহাৱস্থান কৰিবলৈ বাধ্য থকাৰ বাদে উপস্থিত কোনো সমাধান নাই। এই ক্ষেত্ৰত শিক্ষিত বা অশিক্ষিত, ধনী বা দুখীয়া যিয়েই নহওক, কটকটিয়া আইনৰ প্ৰয়োগ অবিহনে মাত্ৰ বুজাই মেলি উপদ্ৰুত এলেকাৰ লোকক বন্যপ্ৰাণী প্ৰেমী কৰি সংৰক্ষণৰ অংশীদাৰ কৰা কাৰ্য সম্ভৱপৰ নহয়। ৰাইজৰ মাজত ভাল বেয়া সকলো ধৰণৰ লোকেই আছে। ওচৰৰ এলেকাৰ সকলো লোকেই বন্যপ্ৰাণী বিদ্বেষী হ'লেও আইনৰ প্ৰতি অনুগত্য হৈ থাকিব লাগিব। ৰাইজৰ মাজত থকা দুষ্ট প্ৰকৃতিৰ লোককেইজনক ধৰি আনি শাস্তি দিয়া হয়তো কষ্টকৰ কাম। এই ক্ষেত্ৰত সমূহ ৰাইজে সহযোগ নকৰিলে বেয়া লোকৰ লগত উলুৰ লগত বগৰী পোৰা হোৱাৰ দৰে ঘটনা দুই এটা ঘটিব পাৰে। কাৰণ মূৰৰ পকা চুলি এডালৰ দৰে দুষ্ট প্ৰকৃতিৰ এনে লোকক বাচি উলিয়াই অনা; ৰাইজৰ সহযোগ অবিহনে সম্ভৱ নহয়। এনে লোকক ৰাইজে নিজে বাচি উলিওৱা বা চৰকাৰক খবৰ দিয়া আইনসন্মত কৰ্তব্য। গতিকে এনে পৰিস্থিতিত অৰণ্যৰ চাৰিওফালে বসবাস কৰা লোকসকলে বনকৰ্মীৰ বিপক্ষে কৰ্তব্যৰ খাতিৰত কৰা আইনৰ প্ৰয়োগত অতিচাৰ বুলি অভিযোগ উঠিলেই তাক নিৰপেক্ষ সংস্থাৰ দ্বাৰা বাস্তৱ পাৰিস্থিতিৰ সন্দৰ্ভত বিবেচনা কৰি চাব লাগিব। নহ'লে বৰ্তমানে কৰাৰ দৰে একপক্ষীয়ভাৱে বনকৰ্মীক এনে ক্ষেত্ৰত দোষাৰোপ কৰি থাকিলে বাৰে বাৰে কৰ্তব্য কৰিবলৈ গৈ মিছা অভিযোগত হাৰাশাস্তি হোৱা নিষ্ঠাৱান কৰ্মীসকল হতাশাগ্ৰস্ত হৈ চাকৰিৰ বাবে চাকৰি কৰি থাকিবলৈ বাধ্য।

অকল শিক্ষিত লোকৰ সংখ্যা অধিক বা অৰ্থনৈতিকভাৱে টনকিয়াল লোকেৰে অভয়াৰণ্য এখনৰ চাৰিওফালে আগুৰি থাকিলেই যে সমস্যাবোৰ লোপ পাই যাব সেই আশা কৰা সমীচীন নহয়। বৰং এনেলোকৰ আইনৰ প্ৰতি থকা শঙ্কা অশিক্ষিত লোকতকৈ কম হোৱাটো স্বাভাৱিক হোৱা হেতুকে আদালতত বনকৰ্মীৰ বিপক্ষে দাখিল কৰা মামলাৰ সংখ্যা বৃদ্ধি হব। উপদ্ৰুত এনে এলেকাৰ লোকে বন্যপ্ৰাণীৰ লগত সহাৱস্থান কৰাৰ বাহিৰে উপস্থিত আন বিকল্প নাই। বৰ্তমানৰ পৰিস্থিতিত মাথো উপদ্ৰুত এলেকাৰ লোকৰ মাজত উপযুক্ত প্ৰচাৰ কৰি সংৰক্ষণৰ অংশীদাৰ কৰা কাৰ্যতকৈ আইনৰ যথাযথ প্ৰয়োগক কম গুৰুত্ব দিলে হিতে বিপৰীত হোৱাৰ আশঙ্কা অধিক। আৰু এই ক্ষেত্ৰত ক্ষেত্ৰখনৰ উপযুক্ত জ্ঞান নথকা লোকৰ দ্বাৰা ৰচনা কৰা বিধি সমূহৰ প্ৰয়োগে একো কাম নিদিব।

ৰাজনৈতিক নেতা-আৰক্ষী-ন্যায়পালিকাৰ ওতঃপ্ৰোতভাৱে সহায়ৰ ফলতহে বন বিভাগে বন্যপ্ৰাণী সংৰক্ষণত কৃতকাৰ্য হব পাৰিব। আৰু বন্যপ্ৰাণী ধ্বংসৰ বাবে এই আটাইবোৰ বিভাগ সমভাৱে জগৰীয়া হৈ থাকিব লাগিব। ■





# ওৰাঙৰ বাঘ অজগৰৰ মাজত এৰাতি

গীতাৰ্থ পাঠক

জীপগাড়ীৰ হেডলাইট পৰি বস্তুটো নিশাৰ এন্ধাৰত মুকুতাৰ দৰে জ্বলিছিল। বস্তুটো কি হব পাৰে বুলি সুধিম বুলি ভাবোতেই বন বিষয়াগৰাকীয়ে আমাক কলে, সেইটো দিনকণা চৰাই, যাক ইংৰাজীত নাইটজাৰ বুলি কোৱা হয়।


ওৰাং অভয়াৰণ্যৰ মাজে মাজে হাবিৰ বাটেৰে গাড়ীৰে গলে পথৰ ওপৰত এনেদৰে দিনকণা চৰাই পৰি থকা পোৱা যায়। চৰাইটো অৱশ্যে নেদেখি। চৰাইৰ মুকুতাৰ দৰে জ্বলি থকা এটা চকুহে দেখা যায়। চৰাইৰ মূৰৰ দুয়োফালে দুটা চকু থকাত একেলগে দুয়োটা চকুত গাড়ীৰ পোহৰ পৰাটো সম্ভৱ নহয়, এটা চকুতহে পোহৰ পৰি প্ৰতিবিম্বিত হলে সেইটো মুকুতাৰ দৰে জ্বলি থকা দেখা যায়। চৰাইটোৰ বৈশিষ্ট্য এইখিনিতেই যে পোহৰ পৰিলে চৰাইটোৱে একো দেখা নোপোৱা হয় আৰু ৰৈ থকা ঠাইতেই থৰ হৈ পৰি থাকে। এনেদৰে অহা-যোৱা বাটত পৰি থকা দিনকণা চৰায়ে গাড়ীখন কাষ পোৱাৰ লগে লগে যেতিয়া তাৰ গাত গাড়ীৰ ছাঁ পৰে তেতিয়া পথৰ মাজৰ পৰা উৰি গুচি যায়। পোনতে এনে লাগে যেন চৰাইটো গাড়ীৰ চকাৰ তলত পৰি মৰিবহে। কিন্তু কাষ পোৱাৰ লগে লগে কালবিলম্ব নকৰি দিনকণা উৰি গুচি যায়।

ওৰাং অভয়াৰণ্যৰ বন বিষয়া ভূপেন তালুকদাৰ ওৰাং অভয়াৰণ্যৰ প্ৰতিজোপা গছ চৰাই তথা বন্যপ্ৰাণীৰ সৈতে একাত্ম। তেওঁ আমাক অভয়াৰণ্যখন প্ৰায় তন্ন তন্নকৈ দেখুৱাইছিল। ওৰাঙৰ হাবিৰ বাটে বাটে নিশা গাড়ীৰে ঘূৰি ফুৰোতে এক বিচিত্ৰ অভিজ্ঞতাৰ সোৱাদ লবলৈ আমি সুযোগ পাইছিলো। সাধাৰণতে অৰণ্যত বাঘ দেখা পোৱাটো দুষ্কৰ। আমাৰ আশা আছিল আমি ওৰাঙত বাঘ দেখা পামেই। নিশাৰ বেলিকা বাঘ দেখাৰ সৌভাগ্য হব বুলি আমি পথৰ দুয়োধাৰে সন্তৰ্পণে চকু ফুৰাই গৈছিলো। ওৰাঙত প্ৰায় ২৫টামান বাঘ আছে। এই ২৫টা বাঘৰ এটা দেখা পালেও আমাৰ নয়ন সাৰ্থক হ'লহেঁতেন। দিনকণা চৰাইৰ চকুত যেতিয়া গাড়ীৰ পোহৰ পৰি মুকুতাৰ দৰে জ্বলি উঠিছিল তেতিয়া পোনতে আমাৰ সন্দেহ হৈছিল সেয়া নিশ্চয় বাঘৰ চকু হব। পিচে তালুকদাৰে আমাক কৈছিল যে দিনকণা আৰু বাঘৰ চকুত পোহৰ পৰিলে দূৰৈৰ পৰা একেই দেখি। কিন্তু দিনকণা লৰচৰ নোহোৱাকৈ বহি থাকে। ৰাঘ হলে কিন্তু জ্বলি উঠা চকুটো তৎক্ষণাৎ আঁতৰি যোৱা দেখা যায়। এফলীয়া হৈ নাথাকিলে বাঘৰ দুটা চকু দূৰৈৰ পৰা জ্বলি উঠা দেখা যায়। হঠাৎ দেখিলো এনেদৰে পোহৰ পৰি জ্বলি উঠা চকু এটা পথৰ দাঁতিলৈ আঁতৰি গ'ল। আমাৰ ধাৰণা হ'ল সেইটো নিশ্চয় বাঘ হব। বনবিষয়াগৰাকীয়ে ঠিক সেই ঠাইতেই গাড়ীখন ৰখাই দি পথৰ দুয়ো দাঁতিয়ে টৰ্চলাইট মাৰি চালে। পথৰ দুয়োদাঁতি নল-খাগৰিৰে ভৰা। গতিকেই আমি একো দেখা নাপালো। পিচে আফচোচ কৰিবলগীয়া কথা এইটোৱেই যে আমাক সাতশিমলু বাংলাত থৈ তালুকদাৰ যেতিয়া নিজৰ কোৱাৰ্টাৰলৈ গুচি গৈছিল তেতিয়া বাঘৰ পোৱালি এটা গাড়ীখনৰ আগে আগে দৌৰি এসময়ত হাবিৰ মাজত সোমাই পৰিছিল। পিছদিনা ৰাতিপুৱা তালুকদাৰে যেতিয়া আমাক পোৱালি বাঘ দেখাৰ কথা কৈছিল তেতিয়া নিজকে ভাগ্যহীন যেন লাগিছিল।

তালুকদাৰে আমাক বন্যপ্ৰাণীৰ কেতবোৰ আচৰিত স্বভাৱৰ কথা তেওঁৰ নিজস্ব অভিজ্ঞতাৰ পৰা কৈছিল। সমগ্ৰ অসমত যেতিয়া আল্‌ফা, হিতেশ্বৰ শইকীয়া চৰকাৰৰ ভৱিষ্যৎ ইত্যাদি বিষয়ে মানুহৰ চিন্তা-চৰ্চাক ঢাকি পেলাইছিল তেতিয়া এই উশাহ বন্ধ হোৱা পৰিবেশৰ পৰা বন্যপ্ৰাণী আৰু প্ৰকৃতিৰ বিচিত্ৰ পৰিবেশৰ মাজত দুদিনৰ বাবে হলেও সোমাই এইষাৰ কথা গভীৰভাৱে উপলব্ধি কৰিছিলো যে মানুহতকৈ হিংস্ৰ জীৱ আৰু পৃথিৱীত নাই। বন্যপ্ৰাণীবোৰে মানুহৰ দৰে জ্ঞান আহৰণ আৰু সুবিধা পালেহেঁতেন যদি তেনেহলে মানুহতকৈ হাজাৰগুণে উন্নত সমাজ গঢ়ি তুলিব পাৰিলেহেঁতেন আৰু তেতিয়া মানুহতকৈ অধম প্ৰাণী কোনো নাথাকিলেহেঁতেন। আমেৰিকাৰ কবি ৱাল্ট হুইটমেনে তেওঁৰ বিখ্যাত কবিতা 'চং অব্ মাইচেলফ্' কবিতাৰ এঠাইত কৈছিলযে তেওঁ জন্তুৰ সৈতে বসবাস কৰিবলৈ ভাল পাব, কাৰণ সিহঁত আত্মসন্তুষ্ট আৰু শান্ত। তেওঁ কৈছিল – "সিহঁতৰ দশাৰ বাবে সিহঁতে নাকান্দে, সিহঁত নাঘামে সিহঁতে এন্ধাৰত শুই শুই নিজৰ পাপৰ বাবে চকুলোও নুটুকে।"

বাঘ নেদেখিলো হয়, কিন্তু আমি যথেষ্ট ভাগ্যবান এই কাৰণেই যে পৃথিৱীৰ বুকুত নিঃশেষ হৈ অহা তেলীয়া সাৰেং চৰাই দেখিলো। তেলীয়া সাৰেং দেখাটো ভাগ্যৰ কথা নহয়, কিন্তু একেলগে সাত সাতোটা তেলীয়া সাৰেং চৰাই উৰি যোৱা দেখাটো হেনো সাতভাগ্যৰ কথা। কিয়নো এই লুপ্তপ্ৰায় চৰাই একেলগে দুটাতকৈ অধিক কোনোপধ্যেই দেখা নাযায়। আমি পিচে সাতোটা একেলগে যুঁজাৰু বিমানৰ দৰে ফৰ্মেশ্বন কৰি শাৰীপাতি উৰি যোৱা দেখিলো। তেতিয়া মনত পৰিছিল অসমীয়া ফকৰা যোজনা এফাকি "তেলীয়া সাৰেঙে চুচোতে-মাজোতেই ফেঁচু ৰজা হ'ল।" এই ফঁকৰা-যোজনা ফাকিয়ে তেলীয়া সাৰেঙৰ মসৃণ পাখী দুখনৰ কথাকেই কৈছে। আমি পিছদিনা ৰাতিপুৱা ৰামকং কেম্পত গাড়ী থৈ বালি চাপৰিৰে খোজকাঢ়ি লুইতৰ পৰা সোমাই অহা জুৰি এটিত দেখিলো যোৰে যোৰে চকৈ চকোৱা চৰাই পৰিছে। বালি চাপৰিৰ ওপৰেৰে যেতিয়া এক কিলোমিটাৰমান খোজকাঢ়ি গৈছিলো তেতিয়া আমি বালিত ভালেমান বাঘৰ খোজৰ চিহ্ন দেখিলো। অৱশ্যে সেই খোজৰ চিন নতুন নাছিল। বাঘৰ উপৰিও গঁড়, হাতী আদিৰ খোজ বালিত স্পষ্ট হৈ আছিল। অৰ্থাৎ সেই জুৰিটোলৈকে বাঘ, হাতী, গঁড় আটায়ে পানী খাবলৈ যে আহে সেইটো বুজিলো।

ওৰাং অভয়াৰণ্যৰ আটাইতকৈ মনমোহা যিটো দৃশ্যই আমাক মুগ্ধ কৰিছিল সেইটো হ'ল হৰিণৰ জাক। আমি দুদিনৰ ভিতৰত নহলেও চাৰিশমান হৰিণ দেখিছিলো। আমাৰ গাড়ীৰ শব্দ পাই হৰিণবোৰ কেউদিশে দৌৰিছিল




ওৰাং বনাঞ্চলৰ মানচিত্ৰ

যদিও সিহঁত বৰ দূৰলৈ দৌৰি যোৱা নাছিল। বনবিষয়া তালুকদাৰে কৈছিল যে তেওঁৰ জীপগাড়ীখনৰ শব্দ বনৰ জীৱ-জন্তুৰ চিনাকি। সিহঁতে জানে যে এই গাড়ীৰে অহা মানুহবোৰে সিহঁতৰ অনিষ্ট নকৰে। হৰিণৰ নতুনকৈ শিং গজিলে শিংটো এক পাতল নোমাল ছালৰ আবৰণেৰে ঢকা থাকে। এই আবৰণখন দেখাত ভেলভেটৰ দৰে বাবে এনে শিঙক ভেলভেট শিং বুলি কোৱা হয়। এনে ভেলভেট শিং থকা বহু হৰিণ আমি দেখিছিলো। ওৰাং অভয়াৰণ্যৰ মাজত ব্ৰহ্মপুত্ৰৰ ফালে অৱস্থিত সৰুটাৱাৰৰ ওপৰত উঠি আমি একেলগে প্ৰায় দুশমান হৰিণৰ জাক এটি দেখিছিলো। গাড়ীখন যেতিয়া হৰিণৰ কাষেৰে পাৰ হৈ যায় তেতিয়া হৰিণবোৰ কেউদিশে দৌৰি গলে কেতিয়াবা দোখোৰ-মোখোৰত পৰি একো একোটা হৰিণ অকলশৰীয়া হৈ যায়। অকলশৰীয়া হৈ পৰাৰ লগে লগে হৰিণটো কেতিয়াবা ভেলেঙা লাগি বৈ থাকে। তেতিয়াই বাঘে এনে অকলশৰীয়া হৰিণ মাৰি খায়। কেতিয়াবা হৰিণৰ দৌৰোতে ঠেং বা হাড় ভাগি যায়। এনেদৰে ঠেং ভগা হৰিণ এটি বন বিষয়াই হাবিৰ পৰা আনি চিকিৎসা কৰোৱাই এৰি দিছিল কিন্তু হৰিণটোৱে বনলৈ উভতি নগ'ল। কেতিয়াবা ঘাঁহ খাই খাই অলপ দূৰলৈ গলে ঘৰলৈ অহা বাট চিনি নেপাই এঠাইত বৈ কান্দিবলৈ ধৰে। হৰিণটোক তেতিয়া বনকৰ্মীয়ে তাৰ পৰা লৈ আহিব লাগে। আমি দেখিছিলো তাক বন বিষয়াৰ কাৰ্যালয়ৰ কাষত আপোনমনে ঘাঁহ খাই থকা।

বন বিষয়া তালুকদাৰে ওৰাঙত থকা সকলো চৰাই-চিৰিকতি আৰু গছ-গছনি চিনি পায়। দূৰৈৰ পৰা চৰাই উৰি যোৱা দেখিলেই চৰাইটোৰ বৈজ্ঞানিক নাম, মানুহে কি নামেৰে মাতে অথবা নামনিৰ মানুহে কি বুলি মাতে কৈ দিব পাৰে। তেওঁৰ পৰাই আমি বিভিন্ন চৰাই আৰু গছ-গছনি সম্পৰ্কে জানিবলৈ সুবিধা পালো। জীৱ-জন্তুৰ কেতবোৰ আচৰিত ব্যৱহাৰৰ কথা তেওঁ আমাক কৈছিল। সাতশিমলু বাংলাৰ বাহিৰৰ ঘাঁহনিত বহি থাকিলে গছৰ পাত কঁপাই বৈ যোৱা বতাহৰ সোঁ সোঁৱনি শব্দ আৰু চৰাইৰ মাত শুনিলে যিকোনো মানুহৰ অৰণ্যৰ মাজত হেৰাই যোৱাৰ অনুভূতি এটিৰ সৃষ্টি হয়। নিজকে অৰণ্যৰ অংশ হিচাপে বিলীন কৰি দিবলৈ মন যায়। এনেদৰে বহি থাকোতেই আকাশৰ পৰা ভাহি আহিছিল চিলনীৰ এক কৰুণ মাত। তেতিয়া আমাৰ এজনে জীৱনানন্দৰ একাকি কবিতা আওবাবলৈ আৰম্ভ কৰিছিল –

"হায় চিল, সোণালী ডানাৰ চিল
উৰে উৰে খেয়োনাকো
ধানশিৰী নদীটিৰ পাশে তোমাৰ কান্নাৰ সুৰে
বেতেৰ ফলেৰ মত
ম্লান তাৰ চোখ মনে আছে।" ...

ওৰাং অভয়াৰণ্যখন প্ৰকৃততে মানুহে সৃষ্টি কৰা অৰণ্য। এইখন অৰণ্য নাছিল। ১৯১৬ চনত বৃটিছে এক বৃহৎ পতিত অঞ্চলত বৃক্ষৰোপণ কৰি গেম ৰিজাৰ্ভৰ সৃষ্টি কৰে। ওৰাঙৰ জন্ম কাজিৰঙাতকৈ এবছৰ আগতেই। কাজিৰঙাই আজি 'জাতীয় উদ্যান'ৰ স্বীকৃতি পাইছে। দেখাত ওৰাঙ পিছপৰি আছে। সেইটো একপ্ৰকাৰে ভালেই হৈছে। কিয়নো মানুহৰ সমাগম ওৰাঙত কাজিৰঙাৰ দৰে হব পৰা নাই। আমাৰ ধাৰণা অৰণ্য অৰণ্যই হৈ থাকিব লাগে। অৰণ্যলৈ যদি নিতৌ হাজাৰ হাজাৰ মানুহ আহে তেনেহলে বন্যজীৱন বাধাগ্ৰস্ত নহব জানো? আনহাতে অৰণ্যৰ মাজত পাঁচতাৰকা যুক্ত বাংলাৰ প্ৰয়োজনীয়তা বুজি নাপাওঁ। যদি অৰণ্যৰ সোৱাদ পাবলৈ কোনোবাই অৰণ্যলৈ আহে তেনেহলে থকা-মিলা সা-সুবিধা ইত্যাদিও অৰণ্যৰ সৈতে সামঞ্জস্য থকা হব লাগে। সাতশিমলু বঙলাটোত বিজুলী নাছিল। তাৰ বাবে আমি ভালেই পাইছিলো আৰু বন বিষয়াগৰাকীক আমি পৰামৰ্শ দিছিলো যে এই বঙলাটোলৈ যেন বিজুলী কেতিয়াও নানে। হয়তো তাত থকা প্ৰাকৃতিক পৰিবেশৰ বাবেই এতিয়াও নিশা বঙলাটোৰ আশেপাশে বনৰীয়া হাতী বাঘ ইত্যাদি ওলায়।

ওৰাঙৰ অন্য এক বিশেষত্ব হ'ল ইয়াৰ অজগৰ সাপ। বন বিষয়াগৰাকীৰ মতে ওৰাঙত প্ৰায় পঞ্চাশৰো অধিক সংখ্যক



অজগৰ সাপ আছে। সাতশিমলু বঙলাৰ আশেপাশেও কেতিয়াবা বোলে অজগৰ ওলায়। বঙলাত থকা ঘৰচীয়া মেকুৰী এটাক দিন দুপৰতে এদিন অজগৰ সাপ এডালে বন বিষয়াৰ চকুৰ আগতেই কেনেকৈ ভক্ষণ কৰিলে সেই কথা তেওঁ আমাক কৈছিল। বনৰ ভিতৰত বনকৰ্মচাৰীসকলে অজগৰৰ অত্যাচাৰৰ বাবেই কুকুৰা পুহিবলৈ প্ৰায় এৰি দিছে। অজগৰে প্ৰায়েই ঘৰচীয়া কুকুৰা খাই পেলায়। ওৰাঙত হাতীৰ সংখ্যা মাত্ৰ সাতোটা। এইকেইটা হাতী অকলশৰীয়া হাতী আৰু আটাইকেইটাই হিংস্ৰ। পালৰ পৰা দলভাগি ওলাই অহা এই হাতীকেইটাৰ ভিতৰত অসমান দাঁতৰ তাল বেতাল নামৰ হাতীটো বৰ বিপজ্জনক। এই হাতীটোৱে কেবাটাও মানুহ হত্যা কৰিছে। মাইকী হাতীৰ প্ৰতি এই হাতীটো আকৰ্ষিত নহয় আৰু একপ্ৰকাৰৰ মাইকী বিদ্ৰোহী ধৰণৰ।

ওৰাং অভয়াৰণ্যৰ বৰ্তমান মাটিকালি প্ৰায় ৮০ বৰ্গ কিলোমিটাৰ হব। এই অভয়াৰণ্যলৈ চোৰাং চিকাৰী আহে যদিও বনকৰ্মচাৰীসকলৰ তৎপৰতাৰ বাবে সফল হব পৰা নাই। যোৱাবছৰ গঁড়হত্যাৰ কোনো ঘটনা ইয়াত ঘটা নাই। কিন্তু অভয়াৰণ্যৰ একেবাৰে কাষতে মানুহৰ গাওঁ থকাৰ ফলত বন্যপ্ৰাণীৰ অহাযোৱাত বাধাগ্ৰস্ত হোৱা দেখা যায়। আনহাতে অভয়াৰণ্যৰ কাষতে গাঁৱৰ ৰাইজে খেতি কৰাৰ ফলত বনৰীয়া জীৱ-জন্তুৱে খেতিত উৎপাৎ কৰে। চাৰ চাদুল্লাৰ দিনতেই এই অভয়াৰণ্যৰ আশেপাশে বহু মানুহ বহুওৱা হয়। তাৰ পিছত বিভিন্ন ৰাজনৈতিক কাৰণত অভয়াৰণ্যৰ আশেপাশে জনবসতি বহুৱাই দিয়াৰ ফলত অভয়াৰণ্যৰ যথেষ্ট পৰিমাণে ক্ষতি হৈছে। ফলত প্ৰায়েই বন বিভাগৰ সৈতে স্থানীয় ৰাইজৰ বহুতৰে সৈতে কাজিয়াৰ সূত্ৰপাত হোৱা দেখা যায়। চৰকাৰে এইক্ষেত্ৰত ব্যৱস্থা নললে ভৱিষ্যতে ৰাজনীতিৰ মেৰপাকৰ ফলতেই এই অভয়াৰণ্যখন ধ্বংসৰ ফালে আগবাঢ়ি যাব।

চন্দ্ৰলোক পদাৰ্পণ কৰা প্ৰথম মানুহ নীল আৰ্মষ্ট্ৰঙে কৈছিল – "এই বাসস্থানক (পৃথিৱীখনক) ৰক্ষণাবেক্ষণ দিয়া আৰু ৰক্ষা কৰাৰ প্ৰয়োজনীয়তাৰ বিষয়ে ইয়াৰ আগতে ইমান গভীৰভাবে অনুভৱ কৰা হোৱা নাছিল; কিন্তু পৃথিৱীখনক ৰক্ষা কৰিব লাগে কাৰ পৰা? – কোনো বহিৰ্জগতৰ আক্ৰমণকাৰী বা প্ৰাকৃতিক দুৰ্যোগৰ পৰা নহয় – বৰং ইয়াত বসবাস কৰি থকা মানুহৰ হাতৰ পৰাহে।" সূ



# বন্যপ্ৰাণীৰ বিচিত্ৰ আচৰণ আৰু মুক্ত বিচৰণৰ স্থলী ওৰাং অভয়াৰণ্য

হিতেন মহন্ত


প্ৰকৃতিৰ ৰূপ বিচিত্ৰ। বিচিত্ৰ প্ৰকৃতি বিচিত্ৰ জীৱ-জন্তুৰ বাসভূমি। প্ৰকৃতিৰ বুকুত বাস কৰা জীৱ-জন্তুৰ বিচিত্ৰ আচৰণে প্ৰকৃতিক অধিক বিচিত্ৰময় আৰু মনমোহা কৰি তোলে। প্ৰকৃতিৰ সৈতে মানুহৰ সম্পৰ্কও নিবিড়। প্ৰকৃতিৰ কোলাতে মানুহ ডাঙৰ-দীঘল হয়। প্ৰকৃতিৰ বিচিত্ৰ ৰূপত মানুহ মুগ্ধ হয়। প্ৰকৃতিৰ বিচিত্ৰ ৰূপ মানুহে বুজিবলৈ চেষ্টা কৰে। মানুহ, জীৱ-জন্তুৰে ভৰপূৰ এই বিচিত্ৰ জগতখনেই প্ৰকৃতিৰ দান।

সেয়ে আজি এফালে যিদৰে মানুহে জীৱ-জন্তু হত্যা কৰি, বনাঞ্চল কাটি প্ৰকৃতিৰ অমূল্য সম্পদ ধ্বংস কৰিছে, ঠিক সেই দৰে আনফালে আকৌ অসীম ত্যাগৰ বিনিময়ত বনাঞ্চল আৰু ইয়াত মুক্তভাবে বিচৰণ কৰা বন্যপ্ৰাণীক মানুহৰ নিষ্ঠুৰ গ্ৰাসৰ পৰা ৰক্ষা কৰাৰ বাবে আন এচাম মানুহ আগবাঢ়ি আহিছে। প্ৰকৃতি আৰু ইয়াৰ বন্যপ্ৰাণীৰ ৰক্ষাৰ কামত ব্ৰতী হৈ এই চাম মানুহে কেৱল প্ৰকৃতি আৰু বন্যপ্ৰাণীৰেই নহয় সমগ্ৰ মানৱ জাতিৰো উপকাৰ সাধন কৰিছে। প্ৰকৃতিৰ ভাৰসাম্য বজাই ৰখাত সহায় কৰিছে। প্ৰকৃতিৰ ভাৰসাম্যৰ সৈতে মানৱ জাতিৰ মঙ্গল ওত-প্ৰোতভাবে জড়িত। প্ৰকৃতিক ৰক্ষা কৰা ভাব ধাৰা এতিয়া আন্দোলনত পৰিণত হৈছে। দেশে বিদেশে এই আন্দোলনৰ ধ্বনি শুনা গৈছে।

এই আন্দোলনৰ ফলস্বৰূপেই দেশে-বিদেশে বিস্তৃত বনাঞ্চলক মৃগয়া বন বা বন্যপ্ৰাণী অভয়াৰণ্য ঘোষণা কৰি ক্ৰমান্বয়ে লুপ্ত হবলৈ ধৰা বন্যপ্ৰাণী সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে। এসময়ৰ হাবি-জংঘলৰ দেশ অসম বন্যপ্ৰাণীৰ ৰম্যভূমি আছিল। কিন্তু আধুনিক যুগৰ পৰশ পৰাৰ লগে লগে হাবি-বননি কাটি দিয়াৰ ফলত বন্যপ্ৰাণী ক্ৰমান্বয়ে লুপ্ত হবলৈ ধৰে। ক্ৰমান্বয়ে লুপ্ত হবলৈ ধৰা বন্যপ্ৰাণী সংৰক্ষণৰ প্ৰয়োজনীয়তা আহি পৰে। এই প্ৰয়োজনীয়তাৰ তাগিদাতেই কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানকে ধৰি অসমত কেইবাখনো বিস্তৃত বনাঞ্চলক মৃগয়াবন বা অভয়াৰণ্য ঘোষণা কৰা হয়।

ইয়াৰেই এখনৰ নাম ওৰাং অভয়াৰণ্য। গুৱাহাটীৰ পৰা প্ৰায় ১৩০ কিলোমিটাৰ নিলগত অৱস্থিত এই ওৰাং অভয়াৰণ্যই দৰং আৰু শোণিতপুৰ জিলাৰ বিস্তৃত অঞ্চল আগুৰি আছে। বনৰীয়া জীৱ-জন্তু, চৰাই-চিৰিকতিৰ ৰম্যভূমি এই ওৰাং অভয়াৰণ্য। সাতশৰো অধিক পহু, ২৫টা বাঘ, বনৰীয়া হাতী, গঁড়, গাহৰি, অজগৰ সাপ, ১৩০ বিধৰো অধিক চৰাইৰ বাসভূমি এই ওৰাং অভয়াৰণ্য। বন্যপ্ৰাণীয়ে নিৰ্ভয়ে বিচৰণ কৰে এই ওৰাং অভয়াৰণ্যত। অলপতে ওৰাং অভয়াৰণ্যলৈ পৰ্যটক হিচাপে গৈ নিৰ্ভয়ে বিচৰণ কৰি ফুৰা বন্যপ্ৰাণীৰ বিচিত্ৰ আচৰণ দেখি আৰু এই বিষয়ে খণ্ড বিষয়া ভূপেন্দ্ৰনাথ তালুকদাৰৰ পৰা শুনি তবধ মানিলো। দৰাচলতে যেন মানুহৰ পৰিৱৰ্তে বন্যপ্ৰাণীসকলেহে প্ৰকৃতিৰ নিয়ম-নীতি আখৰে আখৰে পালন কৰি চলে। নিয়ম-নীতি উলংঘা কৰাৰ বাবে বন্যপ্ৰাণীবোৰে যেন সম্পূৰ্ণ অপাৰগ। অনাহকত ইটোৱে-সিটোৱে কেতিয়াও অনিষ্ট সাধন নকৰে। বিচিত্ৰ আচৰণৰ জৰিয়তে বন্যপ্ৰাণীবোৰে প্ৰকৃতিৰ ভাৰসাম্য ৰক্ষা কৰি চলে।

প্ৰকাণ্ড অজগৰ সাপে পহুৰ দৰে বেগী জন্তুকো খেদি ধৰি খোৱাৰ দৰে বিভিন্ন আৰু ৰোমাঞ্চকৰ ঘটনা এই ওৰাং অভয়াৰণ্যতে ঘটে। যি কৌশল প্ৰয়োগ কৰি প্ৰকাণ্ড অজগৰ সাপ এটাই পহুৰ দৰে বেগী জন্তুক ধৰে আৰু গোটে গোটে ভক্ষণ কৰে সেয়া শুনিলে যিকোনো এজন ব্যক্তিৰ গাৰ নোম শিয়ৰি উঠিব।



প্ৰকাণ্ড অজগৰ সাপটোৱে চিকাৰৰ প্ৰতীক্ষাত জোপোহাৰ আঁৰত চোপ লৈ থাকে। সম্মুখেৰে পহুৰ জাক দৌৰ মৰাৰ লগে লগে ত্বৰিৎ গতিৰে চোচা মাৰি সাপটোৱে পহুটো বা পহুজাকৰ পিছ লয় আৰু তৎক্ষণাৎ পহুটোৰ ঠেং এখনত ধৰি মাৰ্টিত বগৰাই পেলায়। ইয়াৰ পিছত পহুটোক সাপটোৱে তাৰ শৰীৰেৰে পেচ দি চেপি চেপি মাৰিবলৈ ধৰে। এনেধৰে সাপটোৱে বল প্ৰয়োগ কৰি চেপি থকাৰ ফলত পহুটো মূৰ্ছা যোৱাৰ দৰে হয় আৰু শেষত সাপটোৱে তাৰ মুখখন মেলি পহুটোৰ মুখত হেঁচি ধৰাৰ লগে লগে তাৰ চিকাৰৰ মৃত্যু হয়। মৃত চিকাৰ ভক্ষণ কৰা কৌশলো অতি আশ্চৰ্যজনক। সাপটোৱে তাৰ শৰীৰেৰে পেচ দি বল প্ৰয়োগ কৰি পহুটোৰ হাড়-মূৰ ভাঙি মণ্ডৰ দৰে অৰ্থাৎ লাডুৰ দৰে কৰি লয় আৰু ইয়াৰ পিছত সি ভক্ষণ কৰে। কেতিয়াবা খোৱাৰ আগেয়ে সাপটোৱে তাৰ চিকাৰ 'স্থানান্তৰ কৰিবলগীয়া হয়। তেতিয়াও সি এটা অভিনৱ কৌশল প্ৰয়োগ কৰে। প্ৰথমে সাপটোৱে পহুটো শৰীৰেৰে পেচ দি লয় আৰু তাৰ পিছত এককোৰতে পেচটো এৰি দিয়ে। পেচটো এৰি দিয়াৰ লগে লগে পহুটো দুৰলৈ চিটিকি পৰে। এনেদৰে সাপটোৱে তাৰ চিকাৰ নিৰাপদ স্থানলৈ লৈ যায়। কেৱল সেয়ে নহয় ওৰাং অভয়াৰণ্যত অজগৰ সাপে সেই একেই বিচিত্ৰ কৌশল প্ৰয়োগ কৰি টোকোৰা নামৰ এৰিধ চৰাই ধৰি খায়। এনেদৰে অজগৰ সাপে পহু বা চৰাই ধৰি খোৱাৰ বাবে দুখ কৰিবলগীয়া একো নাই। কাৰণ প্ৰকৃতিৰ ভাৰসাম্য ৰক্ষাৰ বাবে ইয়াৰ প্ৰয়োজন আছে।

ঠিক একেদৰে চৰাইৰ আচৰণো বিচিত্ৰ। শগুণে মৰাশ খোৱাৰ বিষয়টোকে লোৱা যাওক। সাধাৰণতে মৰাশ দেখা মাত্ৰকেই শগুণে আগুৰি ধৰে। কিন্তু যেতিয়ালৈকে ৰজা শগুণটো আহি নাপায়, তেতিয়ালৈকে অন্য শগুণবোৰে মৰাশটো আগুৰি ধৰি থাকে। ৰজা শগুণটো আহি খাবলৈ আৰম্ভ কৰি দিয়াৰ পিছতহে অন্য শগুণবোৰে খাবলৈ আৰম্ভ কৰে। ইয়াৰ কাৰণটো কোনোবাই লক্ষ্য কৰিছেনে? ৰজা শগুণটোৰ ঠোঁটটো বেকা অৰ্থাৎ হাতোৰাৰ লেখীয়া। সাধাৰণতে গৰু, ম'হ আদিৰ ছাল টান হোৱাৰ বাবে অইন শগুণবোৰে সেই ছাল ফুটা কৰি খাব নোৱাৰে। ৰজা শগুণটো আহি তাৰ হাতোৰা সদৃশ ঠোঁটটোৰে ছাল ফুটাই দিয়াৰ পিছতহে অইন শগুণবোৰে আজুৰি মাংস খাবলৈ সক্ষম হয়। কিন্তু আজিকালি ৰজা শগুণ দুষ্প্ৰাপ্য হৈ পৰিছে। ফলস্বৰূপে বেছিভাগ ক্ষেত্ৰতেই ৰজা শগুণৰ ভূমিকা পালন কৰে বৰটোকোলাই। শগুণবোৰে মৰাশটো আগুৰি ধৰি বৰটোকোলা অহাৰ বাবে বাট চাই থাকে। বৰটোকোলাই আহি মৰাশৰ ছালখন ফুটাই দিয়ে। কিন্তু বৰটোকোলাৰো এটা সমস্যা আছে। বৰটোকোলাই শগুণৰ দৰে আজুৰি মাংস খাব নোৱাৰে। সেয়ে বৰটোকোলাই ছালটো ফুটাই দি কিছু দূৰত গৈ ৰৈ থাকে। শগুণবোৰে মাংস খাই পেট গেৰেলা হোৱাৰ পিছত ভালদৰে উৰিব নোৱাৰো নহয়। এই সময়তে বৰটোকোলাই গহীন ভাবে খোজ কাঢ়ি আহি তাৰ দীঘলীয়া ঠেং এখনেৰে শগুণ এটাৰ পিঠিত হেঁচি ধৰে। ফলস্বৰূপে শগুণটোৱে বমি কৰি দিয়ে। বমি কৰাৰ লগে লগে শগুণটোৰ মুখৰ মাংসৰ টুকুৰা ওলাই আহে। এই মাংস টুকুৰা খাই বৰটোকোলাটোৱে আনন্দ মনেৰে গুচি যায়। পশু-পক্ষীৰ এই আচৰণ আৰু সহযোগিতা সচাঁকৈয়ে বিস্ময়কৰ নহয়নে? ওৰাং অভয়াৰণ্য লৈ গৈ বন্যপ্ৰাণীৰ এই বিচিত্ৰ আচৰণ দেখি আৰু ইয়াৰ বিষয়ে শুনি অবাক হোৱাৰ লগতে আনন্দত মন ভৰি উঠে। এই অভয়াৰণ্যত মুক্তভাবে বিচৰণ কৰি ফুৰা পহুৰ জাক দেখিলে মন পুলকিত হয়, শৰীৰত শিহৰণ জাগে। বন্যপ্ৰাণীৰ মুক্ত বিচৰণ আৰু তাৰ বিচিত্ৰ আচৰণেৰে পৰিপূৰ্ণ ওৰাং অভয়াৰণ্য যেন সদায়ে অক্ষত অৱস্থাত থাকে। ❖





# মানৱ সভ্যতা আৰু সংস্কৃতি ঃ অতীত, বৰ্তমান আৰু ভৱিষ্যত

ডঃ পবিত্ৰ কুমাৰ শৰ্মা

## দুই

জুইৰ ব্যৱহাৰ কৰাৰ লগে লগে আদিম মানুহৰ দায়িত্ববোধ বাঢ়িল। তাৰ আগলৈকে প্ৰকৃতিৰ অন্য জীৱজন্তু আৰু মানুহৰ মাজত বিশেষ পাৰ্থক্য নাছিল। সকলো স্তন্যপায়ী জন্তুৰ আচৰণ আৰু মানুহৰ আচৰণত তেতিয়া ভিন্নতা কম আছিল। প্ৰকৃতিৰ পৰা আহৰণ কৰা ফল-মূল, চিকাৰ কৰি অনা জন্তু আদিম মানুহে খাইছিল। ঠিক তেনেকৈয়ে গৰু, গাহৰি, বাঘ, সিংহ আদি সকলো জন্তয়ে নিজৰ প্ৰয়োজনীয় খাদ্য সংগ্ৰহ কৰিছিল। খাদ্য সংৰক্ষণৰ প্ৰয়োজন স্তন্যপায়ী জন্তুৰ নাছিল। মানুহৰ আছে অসীম পৰ্যবেক্ষণ ক্ষমতা যাৰ আধাৰত মানৱ প্ৰগতিৰ ধাৰা অব্যাহত হৈ আছে। প্ৰকৃতিত স্বাভাৱিকতে ঘটি থকা শুকান পদাৰ্থৰ সংঘৰ্ষত ওলোৱা ফিৰিঙতিয়ে বনানিত জুই জ্বলোৱাৰ পৰাই মানুহে জুই জ্বলোৱা আয়ত্ত কৰে। জুইত খাদ্য সিজাই খোৱা মানুহৰ খাদ্যৰ ৰুচিও সলনি হ'ল। ভজা, সিজোৱা, পোৰা আদি বিভিন্ন ধৰণে খাদ্য তৈয়াৰীৰ সংস্কৃতি ঠায়ে ঠায়ে গঢ়ি উঠিল। এতিয়া প্ৰতিখন দেশ প্ৰতি গোষ্ঠীৰ খাদ্য প্ৰস্তুতিৰ ধাৰা অব্যাহত যদিও বিকাশৰ বিভিন্ন ধাৰাত বিশিষ্ট খাদ্য সম্ভাৰৰ সাৰ্বজনীনতাও দেখিবলৈ পোৱা যায়।

প্ৰকৃতিৰ ওপৰত আধিপত্যত জুইৰ বৰঙণি মন কৰিবলগীয়া। জুই জ্বলাই ৰাখিবৰ কাৰণে মানুহে জুইৰ কাৰণে খৰি সংগ্ৰহ কৰি গোটাব লগা হ'ল। সদা সতৰ্ক প্ৰহৰীৰ দৰে জুই একুৰা জ্বলাই ৰাখিবলৈ মানুহ ব্যস্ত হ'ল। সকলো সময়তে জুই কুৰা জ্বলাই ৰখাৰ প্ৰয়োজনে মানুহক শৃংখলাৱদ্ধ জীৱনৰ প্ৰতি পৰিৱৰ্তন কৰিলে। জুইৰ সহায়ত জীৱনৰ নিৰাপত্তা বাঢ়িল। অন্য জীৱ-জন্তুয়েও জুই দেখি আঁতৰি ফুৰাত মানুহৰ ৰক্ষক হিচাপেও জুয়ে ভূমিকা ল'লে। জুইৰ অসীম শক্তিয়ে জুইক দেৱতাত পৰিণত কৰিলে। বৈদিক ঋষি-মুনিয়ে জুইক বিশেষ অধিকাৰ দিলে। অগ্নি পূজা মানুহৰ ধৰ্ম-জীৱনৰ অন্তৰ্ভুক্ত হ'ল। জুইক সাক্ষী কৰিয়েই যুগল জীৱনৰ পাতনি মেলাও বিবাহ সংস্কৃতিত সোমাই পৰিল। কৃষি ভিত্তিক অসমীয়া সমাজৰ ভোগালী বিহুত মেজি পোৰাও এনে সাংস্কৃতিক বিবৰ্তনৰে ফল। অকল সাংস্কৃতিক বিবৰ্তনতে জুইৰ ভূমিকা সীমাৱদ্ধ নহয়। জুইত পোৰা খাদ্য খোৱাৰ ফলত খাদ্য হজম হোৱা পাকস্থলী আৰু অন্ত্ৰও লাখ লাখ বছৰৰ বিবৰ্তনত সৰু হ'বলৈ ধৰিলে। ইয়াৰ ফলত খাদ্য হজম কৰিবলৈ লগা তেজ সঞ্চালন অন্য কামত ব্যৱহাৰ কৰিব পৰা হ'ল। খাদ্য-সিজাই খোৱা অভ্যাসে মগজুৰ দ্ৰুত বিকাশ সম্ভৱ কৰিলে। সেই বাবেই মানৱ সভ্যতাৰ অগ্ৰগতিত জুইৰ ভূমিকা গুৰুত্বপূৰ্ণ।

হাজাৰ হাজাৰ বছৰ জুৰি মানুহে খৰিৰ সহায়তে জুই ব্যৱহাৰ কৰি আহিছে। মাথোন ১০০ বছৰ আগতেহে খনিজ তেল ব্যৱহাৰ কৰা সম্ভৱ হ'ল। খনিজ তেলৰ ব্যৱহাৰে ঔদ্যোগিক সভ্যতাৰ ভেটি গঢ়িবলৈ আৰু আৰ্থ-সামাজিক জীৱনত দ্ৰুত পৰিৱৰ্তন আনিবলৈ ইন্ধন যোগালে। যাতায়াত ব্যৱস্থা, সংযোগ ব্যৱস্থা, পৰিবহণ, যোগাযোগ, সংবাদ মাধ্যম সকলোতে খনিজ ইন্ধনৰ ব্যৱহাৰত অধিক সংখ্যক মানুহৰ জীৱনলৈ সুখ-স্বাচ্ছন্দ্য অনা সম্ভৱ হৈছে। সোতৰ ওঠৰ শতিকাত নিৰ্মাণ কৰা ভাপকলে যাতায়াত ব্যৱস্থাত যি গতি আনিলে তাৰ ফলতে ক্ৰমে ৰেল জাহাজ আদিয়ে জন্তু চালিত গাড়ী আৰু সাগৰত চলা পাল তৰা নাও জাহাজৰ ঠাই ললে। বৰ্তমান পৃথিৱীত অকল শ স্বতকৈ দ্ৰুত আকাশী যানেই নহয় প্ৰতি ছেকেণ্ডত ২৫০০০ মাইল অতিক্ৰম কৰা মহাকাশ যান প্ৰস্তুত হৈছে। পৃথিৱীৰ এখন দেশৰ পৰা আন এখন দেশলৈ আকাশী যানত যোৱাৰ দৰে মহাকাশৰ গ্ৰহ গ্ৰহান্তৰলৈ মানুহৰ ভ্ৰমণো সম্ভৱ হৈছে। কিন্তু বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাই সম্ভৱ কৰি তোলা এনে পৰিৱৰ্তন সত্বেও কৃষি ভিত্তিক জীৱনৰ বাহন গৰু-মহৰ গাড়ী, ঘোঁৰা, উট আৰু শ্লেজ (কুকুৰে টনা) আদিও মানুহে ব্যৱহাৰ কৰি আছে।

আদিম মানুহৰ হাজাৰ হাজাৰ বছৰৰ শ্ৰমৰ মাজেদিয়েই মানুহৰ চিন্তা শক্তি ক্ৰমে ক্ৰমে বিকাশ হৈছে। চিন্তা শক্তিৰ বিকাশৰ ফলতেই হৈছে নতুন উদ্ভাৱন আৰু প্ৰযুক্তি। প্ৰতিটো উন্নয়নৰ স্তৰতে মানুহৰ হাত আৰু মানৱ সৃষ্ট প্ৰযুক্তিয়েই মানৱ সভ্যতাত ভিন্নতা আনিছে। প্ৰায় ৪০ হাজাৰ বছৰ আগতেই মানুহে গুহাচিত্ৰৰ মাজেদি শিল্প-কলাত নিপুণ হৈছিল। ফ্ৰান্সত গুহাত এক লাখৰ পৰা আশী হাজাৰ বছৰ আগৰ ৰঙা আৰু হালধীয়া গিৰি মাটি ব্যৱহাৰ কৰাৰ নিদৰ্শন পোৱা গৈছে। মানুহে অকল চিকাৰ কৰা বা খাদ্য-সংগ্ৰহ কৰাতেই নিজৰ কাৰ্য মধ্য প্ৰস্তৰ যুগতো সীমাৱদ্ধ কৰি নৰখাৰ প্ৰমাণ গুহাচিত্ৰ সমূহ। শিল্পীৰ কল্পনা শক্তিয়েই ছবিৰ পৰা ক্ৰমে ৰূপান্তৰ হ'ল মূৰ্তিলৈ। খনিকৰে প্ৰতিমা সাজিলে। প্ৰতিমাত দেৱত্ব আৰোপ কৰা হ'ল। প্ৰত্ন প্ৰস্তৰ যুগৰ চিকাৰীৰ শিল্পকলাৰ বিকাশ ঘটি সমাজ ব্যৱস্থাত পৰিৱৰ্তনৰ লগে লগে বাদ্যযন্ত্ৰ, সংগীত, নৃত্য, নাটক বিভিন্ন পৰ্যায়ত মানুহে সৃষ্টি কৰিলে। এতিয়া প্ৰতিখন দেশ, প্ৰতিখন ৰাজ্য, প্ৰতিটো গোষ্ঠীৰ নিজস্ব শিল্প-সংস্কৃতি গঢ়ি উঠিছে। বিশ্ব-সংস্কৃতি আৰু দেশীয় সংস্কৃতিৰ সমন্বয় ঘটিছে। নিজস্ব সংস্কৃতিয়ে গোষ্ঠীৰ বৈশিষ্ট্য স্থায়ী কৰাত অৰিহণা যোগাইছে।

সময়ৰ গতিত সভ্যতাৰ প্ৰতিটো

খোজতে মানুহৰ শিল্প-সংস্কৃতিতো পৰিৱৰ্তন ঘটিছে। তথাপি দেশভেদে থকা অতীত বৈশিষ্ট্য সমূহ সমাজ জীৱনৰ পৰা আঁতৰা নাই। ইউৰোপ আৰু এছিয়াত মুখেৰে ফুৱাই বায়ুত চাপ দি বজোৱা বাদ্য-যন্ত্ৰৰ প্ৰাচুৰ্য দেখা যায়। আনহাতে আফ্ৰিকা, দক্ষিণ-পুব এছিয়া আদিত জন্তুৰ ছালৰ নিৰ্মিত ঢোল বজোৱা প্ৰচলন বেছি। ভাৰতীয় সংগীতত তাঁৰৰ গুঞ্জনত বজোৱা যন্ত্ৰৰ প্ৰাধান্য মন কৰিবলগীয়া। মানুহে চেতনা লাভ কৰাৰ লগে লগেই অতীতক ভেটি কৰি বৰ্তমানৰ মাজেদি ভৱিষ্যতলৈ সংস্কৃতিৰ ভিন্নতা গঢ়ি লৈছে। অসমীয়া ঢোল, পেঁপা, গগনা, বাঁহী, খোল, তাল আদি বাদ্যযন্ত্ৰইও অসমীয়া সংস্কৃতিৰ বৈশিষ্ট্য গঢ়িছে। ইয়াৰ মাজতেই বিকশিত হৈছে কথাছবি আৰু দূৰদৰ্শন সংস্কৃতি। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ আধাৰত যান্ত্ৰিক বাদ্য-যন্ত্ৰও সংযোজন হৈছে। নাটকৰ কলা-কৌশলতো অতীত বৰ্তমান আৰু ভৱিষ্যতৰ বিকশিত ধাৰাবাহিকতা দেখা যায়। আন দেশৰ সংস্কৃতিয়েও দেশীয় সংস্কৃতিক প্ৰভাৱিত কৰি আধুনিক সংস্কৃতিৰ ভেটি ৰচনা কৰিছে। আধুনিক গল্প, আধুনিক নাটক, উপন্যাস, কবিতা ভাৰতীয় আৰ্য-সভ্যতাৰ আধাৰত গঢ়া হোৱা নাই। পশ্চিমীয়া সংস্কৃতিৰ প্ৰভাবতহে আধুনিকতাই ভাৰতীয় সংস্কৃতিত পৰিৱৰ্তন আনিছে। সংস্কৃত সাহিত্যত আধুনিক গল্প, উপন্যাস আৰু নাটকৰ সৃষ্টি হোৱা নাই।

শিলৰ অস্ত্ৰ-শস্ত্ৰ তৈয়াৰ কৰা আদিম মানুহৰ পাথৰ, জীৱজন্তুৰ শিং, পশুৰ ছাল, হাড় আদি ব্যৱহাৰ কৰি বিভিন্ন আহিলা তৈয়াৰ কৰোতেই হাত দুখনৰ কৰ্মক্ষমতা আৰু নৈপুণ্য বাঢ়ি আহিল। গছৰ ডালত বগুৱা বাই ব্যৱহাৰ কৰা হাতৰ ক্ৰম-বিবৰ্তন হৈ বৰ্তমান আকৃতিৰ হাতলৈ বিবৰ্তন হ'ল। সেই দৰেই বিভিন্ন হাতিয়াৰ তৈয়াৰ কৰোতে মানুহে ভাবিচিন্তি কাম কৰিব লগা হৈছিল অস্ত্ৰপাত কেনে হ'ব। কি ধৰণৰ গঢ় দিব লাগিব, কি কামত ব্যৱহাৰ হ'ব সকলো পৰিকল্পনা কৰি ল'ব লগা হৈছিল। চিকাৰ কৰিবলৈ ওলোৱাৰ আগতে আৰু চিকাৰ কৰা প্ৰতিটো মুহূৰ্ততে মানুহৰ চিন্তাশক্তি কামত লগোৱা হৈছিল। পৰিশ্ৰমে মানুহৰ চিন্তাশক্তি বিকাশত প্ৰভূত বৰঙণি যোগাইছে। মানুহৰ মগজুৰ পৰিমাণ বাঢ়ি কপালৰ আগলৈ বাঢ়ি আহিল। ৩০ হাজাৰ বছৰ আগতে মানুহে শব্দক কথাত ৰূপান্তৰ কৰিলে। কথা ক'ব পৰা হোৱাত মানুহৰ সমাজ গাঁথনিত বিশেষ পৰিৱৰ্তন ঘটিল।

জীয়াই থকাৰ যুঁজ মানুহৰ আটাইতকৈ দুৰ্যোগপূৰ্ণ। জীয়াই থকাৰ বাধ্যবাধকতাই মানুহক গোষ্ঠী ভিত্তিক জীৱনলৈ টানি আনিছিল। একোটা গোত্ৰত কেই ডজন মানৰ পৰা কেবাশ মানুহ আছিল। সকলো মিলি দলপতিৰ অধীনত যৌথ সম্পত্তিৰ অধিকাৰ মানি মানুহ গোত্ৰত বিভক্ত হ'ল। একেলগে লগ লাগি ভগাই লোৱা পৰিশ্ৰমৰ ফল সকলোৱে সমানে পোৱা জীৱন ধাৰাই আছিল আদিম মানুহৰ অস্তিত্ব ৰক্ষাৰ প্ৰয়োজনীয় সমল। প্ৰাচীন মানুহে প্ৰাকৃতিক দুৰ্যোগত অসহায় হৈ পৰিছিল। বৰষুণ, বজ্ৰপাত, আগ্নেয়গিৰিৰ উদ্গীৰণ, ভুইকঁপ আদিত মানুহ ভয়ত আতুৰ হৈছিল। এতিয়াও অৱশ্যে মানুহে এই দুৰ্যোগ সমূহৰ পৰা ভীতিগ্ৰস্ত হয়। কিন্তু মানুহে প্ৰকৃতিৰ ক্ষমতা কিমান তাক জানিবলৈ সচেষ্ট হৈছিল। প্ৰাকৃতিক ৰহস্যৰ কাৰ্যকাৰণ বুজি নোপোৱাৰ বাবেই প্ৰাকৃতিক ঘটনাক নুবুজা অলৌকিক শক্তিৰ পৰাই ঘটা বুলি ভাবিছিল। অলৌকিক শক্তিৰ অস্তিত্ব মানি লোৱাৰ ফলতে মানুহ ধৰ্ম বিশ্বাসী হৈ পৰিল।

(আগলৈ)

সুন্দৰ, সুনিপুণ, প্ৰাণ চঞ্চল স্বাস্থ্য?

যৌন শক্তি আৰু যৌন নৈপুণ্যৰ ওপৰতেই শাৰীৰিক স্বাস্থ্য, সুখ আৰু সমৃদ্ধি সম্পূৰ্ণ নিৰ্ভৰশীল। সন্তানহীনতাকে ধৰি সকলো ধৰণৰ যৌন সমস্যা আৰু সোঁচৰা ৰোগৰ সৰ্বাধুনিক অতি সফল ব্যয়সাধ্য স্থায়ী আৰু দ্ৰুত নিৰাময়ৰ ১00% হাৰৰ গহীন অংগীকাৰ আমি আগবঢ়াওঁ।
ব্যক্তিগত বা ডাকযোগে যোগাযোগ কৰক।
সপ্তাহৰ আটাইবোৰ দিনতেই পৰামৰ্শ দান কৰা হয়।
সময় পুৱা ৮ বজাৰ পৰা নিশা ৮ বজালৈ।

উত্তৰ পূৰ্ব ভাৰতৰ সৰ্বশ্ৰেষ্ঠ যৌন বিশেষজ্ঞ

জেউতি ছেকস ক্লিনিক
এফ, এ, পথ; কুমাৰ পাৰা
গুৱাহাটী-৭৮১00৯
ৰেলগেট নং - ৬

ডাঃ এ, নেছাৰ
এম, বি, বি, এছ, এম ডি (গেট)
এম, আই, এছ, চি, এম, এন,
এছ, চি (যৌন) এম, জি, পি, এ (বম্বে)





# অসম ঃ বৰ্তমান আৰু ভৱিষ্যত (৬)

সুজিৎ চৌধুৰী

নীতিগত কাৰণত অসম আন্দোলনক যি সকলে সমৰ্থন কৰা নাছিল তেওঁলোকেও স্বীকাৰ কৰিছিল যে এই আন্দোলনে অসমীয়া সমাজৰ ব্যাপক গণ-সমৰ্থন পাইছিল, যিটো এই দেশৰ খুব কম গণ আন্দোলনৰ ক্ষেত্ৰতহে সম্ভৱ হৈছিল। যি সংগঠনৰ নামত আন্দোলনটো পৰিচালিত হৈছিল, সেই সংগঠনে এই ক্ষেত্ৰত কৃতিত্বৰ দাবী কৰাটো নিশ্চয় যুক্তিসংগত। কিন্তু এই সংগঠনটো যেতিয়া ৰাজনৈতিক দললৈ ৰূপান্তৰিত হ'ল, তেতিয়া দেখা গ'ল যে অসম আন্দোলনৰ ঘোষিত লক্ষ্য পুৰণৰ কোনো দায়বদ্ধতা তেওঁলোকে অনুভৱ নকৰিলে। প্ৰকৃততে অগপ-ৰ আমোলত অসম চুক্তিৰ বিভিন্ন ধাৰাৰ কোনো এটা ধাৰা কাৰ্যকৰী কৰিবৰ বাবেই অগপ চৰকাৰে প্ৰয়াস কৰা নাছিল। তথাপিও অসমীয়া সকলৰ আকাংক্ষা পুৰণৰ এটা স্তৰ হিচাপে অগপ পৰ্যায়টো সম্পূৰ্ণৰূপে ঋণাত্মক বুলি গণ্য কৰাটোও ভুল হব।

ফৰাচী বিপ্লৱৰ মূল্যায়ন কৰাৰ সময়ত এলবাৰ্ট চোবুলে Albert Sobul এই কথা লক্ষ্য কৰিছিল যে বিপ্লৱত সমাজৰ সদ্য উত্থিত শ্ৰেণী আৰু বঞ্চিত শ্ৰেণীয়ে যৌথভাবে জঁপিয়াই পৰিছিল। কিন্তু বিপ্লৱৰ নেতৃত্ব আছিল বুৰ্জোৱা শ্ৰেণীৰ হাতত; আৰু উদ্দেশ্য সাধনো হৈছিল সেই শ্ৰেণী আৰু তেওঁলোকৰ সহযোগী মধ্যবিত্ত শ্ৰেণীৰ। অসম আন্দোলনৰ লগত ফৰাচী বিপ্লৱৰ তুলনা নিৰৰ্থক যদিও নেতৃত্ব আৰু অংশগ্ৰহণকাৰীৰ পাৰস্পৰিক ভূমিকা আৰু প্ৰাপ্তিৰ ক্ষেত্ৰত এটা মিল দেখা যায়। অগপ চৰকাৰ অসমৰ জনসাধাৰণৰ বাবে নতুন দিগন্তৰ উন্মোচনৰ ক্ষেত্ৰত ব্যৰ্থ হৈছিল সঁচা, কিন্তু এই চৰকাৰে অসমীয়া মধ্যবিত্ত সমাজৰ যিটো শ্ৰেণী আন্দোলনৰ লগত সক্ৰিয় ভাবে জড়িত আছিল, তেওঁলোকৰ পৰ্যাপ্ত পৰিমাণে ব্যক্তিগত আৰু গোষ্ঠীগত লাভৰ সুবিধা কৰি দিছিল। এই শ্ৰেণীয়ে হঠাৎ লাভ কৰা আৰ্থিক সমৃদ্ধিয়ে সমাজৰ অন্যান্য অংশক অগপ সম্পৰ্কে কিছু বিক্ষুব্ধ কৰি তুলিছিল। এই অৰ্থ প্ৰাপ্তিকে সাধাৰণতে সমগ্ৰাসী দুৰ্নীতিৰ মাত্ৰ উনৈশ-বিশ বুলি ধৰি লোৱা হৈছিল; ইয়াতকৈ এই ঘটনাৰ অতিৰিক্ত কিবা তাৎপৰ্য অছিল বুলি কোনেও ভবা নাছিল। অথচ কিছু অতিৰিক্ত তাৎপৰ্য ইয়াৰ লগত সংশ্লিষ্ট হৈ আছে। অগপ চৰকাৰ শাসনাধিষ্ঠ

> "সাধাৰণ মানুহৰ মনত এই বিশ্বাস অতি দলৈকে শিপাইছে যে আল্ফাৰ উত্তৱৰ কাৰণে অগপ দলৰ ব্যৰ্থতাই ঘাইকৈ দায়ী। এই ধাৰণা সঁচাটো নহয়েই, আনকি ই অৰ্ধসত্যও নহয়। অগপ-ৰ ব্যৰ্থতাক সম্বল কৰি আল্ফাৰ উত্থান হোৱা নাই। বৰং যিবোৰ ক্ষেত্ৰত অগপ সফল হৈছিল তাৰ ওপৰত ভিত্তি কৰিয়েই আল্ফা থিয় হৈছে।"

হোৱাৰ আগলৈকে ৰাষ্ট্ৰীয় অৰ্থ ভাণ্ডাৰৰ পৰা অসমীয়া মানুহে পাব পৰা সুবিধাৰ এটাই মাত্ৰ ৰাস্তা খোলা আছিল। সেইটো হ'ল আমোলাতান্ত্ৰিক দুৰ্নীতি। ৰাষ্ট্ৰই যে কিমানভাবে অৰ্থব্যয় কৰে আৰু তাৰ পৰা কি বিচিত্ৰ উপায়েৰে ব্যক্তিগত অৰ্থাগম সম্ভৱ হয় সেই সম্পৰ্কে কিছুলোকৰ হয়তো ধাৰণা আছিল। কিন্তু সেই কামত চিধাচিধি অংশগ্ৰহণ আৰু তাৰ সিংহভাগ দখল কৰাৰ বাস্তৱ সম্ভাৱনা অগপ-ৰ আমোলতেই প্ৰথম দেখা গ'ল। তাৰ আগতে এই টকা-পইচা লেনদেনৰ সম্পূৰ্ণ চাবি কাঠি আছিল উত্তৰ আৰু পশ্চিম ভাৰতীয় ব্যৱসায়ীৰ হাতত। অৰ্থনৈতিক দিশত ইয়াৰ তাৎপৰ্য হ'ল এয়ে যে অসমীয়া উচ্চমধ্যবিত্ত শ্ৰেণীৰ হাতত প্ৰথমবাৰৰ বাবে সাফল্য পুঁজি জমা হ'ল। এই পুঁজি উদ্যোগ ক্ষেত্ৰত বিনিয়োগৰ বাবে যথেষ্ট নহয়। কিন্তু বিনিয়োগৰ এইদৰে বাসনা সৃষ্টিৰ কাৰণে ই যথেষ্ট। এই উপলব্ধিয়েই ৰাজনৈতিক ক্ষেত্ৰত ৰাষ্ট্ৰযন্ত্ৰৰ ওপৰত দখল বজাই ৰখাৰো কিমান জৰুৰী তাক আৰু শক্তিশালীভাবে প্ৰতিপন্ন কৰিলে।

এইটো মাত্ৰ এটা দিশ। অন্য দিশবোৰো একেবাৰে শূন্য বুলি ক'ব নোৱাৰি। অগপ চৰকাৰৰ প্ৰশাসনে উচ্চবিত্ত শ্ৰেণীৰ বা ক্ষমতাৰ ওচৰে-পাঁজৰে থকা লোকসকলৰ আৰ্থিক সঙ্গতি যিভাবে বঢ়াইছিল তাৰ ভাগ সাধাৰণ অসমীয়া মধ্যবিত্তই নাপালে।

বস্তুতঃ কোনো ধৰণৰ সুসংহত অৰ্থনৈতিক পৰিকল্পনাৰ অবিহনে তেওঁলোকে তাৰ ভাগ পোৱাটো সম্ভৱো নাছিল। কিন্তু সমাজৰ এই অংশটোৱে অন্য এক ধৰণৰ আস্থাৰ অংশীদাৰ হোৱাৰ সুযোগ পাইছিল। এই প্ৰথমবাৰৰ বাবে ৰাজ্যত এটা ৰাজনৈতিক দল শাসন ক্ষমতালৈ আহিল– যাৰ দায়বদ্ধতা আছিল কেৱল অসমীয়া সমাজৰ প্ৰতি; অন্য কাৰো প্ৰতি নহয়। অন্য কাৰো প্ৰতি এই চৰকাৰৰ কোনো দায়িত্ব নাছিল; আন কাৰো পৰা চৰকাৰৰ কোনো প্ৰত্যাশাও নাছিল। ইয়াৰ আগতে যিবোৰ দলে অসমত চৰকাৰ চলাইছিল ঘাইকৈ কংগ্ৰেছ, মাত্ৰ কেইদিনমানৰ কাৰণে জনতা পাৰ্টি– তেওঁলোকৰ মাজতো যে আঞ্চলিকতাবাদৰ প্ৰভাৱ কম আছিল এনে নহয়। কিন্তু তেওঁলোক



OKDISCD

অন্ততঃ নামত আছিল সৰ্বভাৰতীয় দল। তেওঁলোকৰ সৰ্বভাৰতীয় নেতৃত্বৰ ওচৰত কৈফিয়ৎ দিয়াৰ দায়িত্ব আছিল। বাস্তৱ ৰাজনীতিৰ স্বাৰ্থতেই ৰাজ্যৰ অনা-অসমীয়া লোকসকলৰ অস্তিত্ব একে আষাৰ কথাতে অস্বীকাৰ কৰাৰ সুযোগো তেওঁলোকৰ নাছিল– কাৰণ একমাত্ৰ অসমীয়া মানুহৰ ভোট একচেটীয়া ভাবে দাবী কৰি শ্ল'গান দিবলৈ অধিকাৰ তেওঁলোকৰ নাছিল। সি যি কি নহওক ঘাই কথাটো হ'ল এই যে অগপ দল আৰু চৰকাৰে তেওঁলোকৰ অবাধ আঞ্চলিক আনুগত্যৰ সুযোগ লৈ এনেকুৱা কিছুমান বক্তব্য প্ৰকাশ কৰাৰ সুযোগ ললে যিবোৰ বক্তব্য প্ৰকাশ কৰাটো অন্য কোনো দলৰ চৰকাৰৰ পক্ষে সম্ভৱ নাছিল। বৰাক উপত্যকাত বিশ্ববিদ্যালয় স্থাপনৰ চিধাচিধি বিৰোধিতা কৰাতো এই ধৰণৰ অবাধ অধিকাৰ প্ৰয়োগৰ চূড়ান্ত দৃষ্টান্ত বুলি অভিহিত কৰিব পাৰি। অগপ শাসনে অসমীয়া জনসাধাৰণক অন্ততঃ এইটো দেখুৱালে যে কেৱল মাত্ৰ অসমীয়া জাতি-সত্বাৰ স্বাৰ্থৰ কথাবোৰ কোনো লুকঢাক নকৰাকৈ পোনপটীয়াভাৱে ক'ব পাৰি আৰু সেইটো কৰিলে সৰ্বভাৰতীয় ক্ষেত্ৰত কোনো বিপৰীত প্ৰতিক্ৰিয়া নঘটে। অসমীয়া সকলৰ আকাঙ্খা বুলি যিটো কথা ইমান দিন ধৰি প্ৰচাৰিত হৈ আহিছে সেইটো পূৰণৰ লক্ষ্যত উপনীত হবৰ কাৰণে এই ধৰণৰ খোলাখুলি পৰিবেশে এটা নতুন তাগিদাৰ সৃষ্টি কৰিলে। সূক্ষ্ম বিচাৰত এই কথা ক'ব পাৰি যে অসমৰ ক্ষেত্ৰত অগপ দলে এই কথা প্ৰতিপন্ন কৰি দেখুৱালে যে আঞ্চলিক গোষ্ঠী চেতনাৰ নিৰংকুশ প্ৰতিষ্ঠান এটা ঘোষিত ৰাজনৈতিক আদৰ্শ হব পাৰে (অৱশ্যে দক্ষিণ ভাৰত বা পঞ্জাৱত সেই কামটো আগতেই কৰা হৈ গৈছে)। পাৰ্থিৱ সাধাৰণ ক্ষেত্ৰত চাকৰি, পাৰ্মিট, লাইচেঞ্চ আৰু ঠিকা-থুকলি পাবলৈ হ'লে অসমীয়া হ'লেইযে এটা অতিৰিক্ত সুযোগ পোৱা যায় তেনে এটা ধাৰণা সৰ্বসাধাৰণ ৰাইজৰ মাজত প্ৰচাৰিত হৈ গ'ল। তাৰ ফলত এটা নতুন ধৰণৰ ৰাজনৈতিক হেঁচাৰো সৃষ্টি হ'ল। তাৰ প্ৰতিফল দেখা গ'ল প্ৰতিটো চৰকাৰী বিভাগত। সকলো ক্ষেত্ৰতে কেৱল অসমীয়াইহে অগ্ৰাধিকাৰ পাব লাগে– এই চেতনাটো নিয়োগ, বদলি, ঋণদান, বন্টন আদি সকলো ক্ষেত্ৰতে সদাজাগ্ৰত হৈ ৰ'ল। ইয়াৰ প্ৰয়োগ হয়তো সকলো ক্ষেত্ৰতে সমানভাৱে হোৱা নাই। প্ৰতিটো সিদ্ধান্ত ভালকৈ বিচাৰ কৰি বা বিবেচনা কৰিও লোৱা হোৱা নাই। কিন্তু সেই বুলি তাৰ ফলত এই নতুন চেতনাটোৰ গুণগত তাৎপৰ্য নষ্ট হৈ যোৱা নাই। সঁচা কথা ক'বলৈ গ'লে ৰাজ্য প্ৰশাসনৰ চিন্তা-চেতনাৰ অসমীয়াকৰণ প্ৰকৃত অৰ্থত ঠিক এই সময়তেই– এটা সংহত বাস্তৱ প্ৰক্ৰিয়াত পৰিণত হয়। অসমীয়া সকলৰ আশা-আকাঙ্খা বাস্তৱত ৰূপ দিয়াত অগপ দলৰ যথেষ্ট ইতিবাচক অৱদান আছে। কিন্তু সেই অৱদান এতিয়ালৈকে স্বীকৃত হোৱা নাই। আনকি সেই বিষয়ে বিশেষ আলোচনাও হোৱা নাই। তাৰ কাৰণে সম্ভৱতঃ এইটোৱেই যে এই

সঁচা কথা ক'বলৈ গ'লে আছু, অগপ আৰু আল্‌ফা এই তিনিটা সংগঠন একেটামাত্ৰ আদৰ্শৰে পৰ্যায়ক্ৰমিক প্ৰকাশ মাত্ৰ। এটাৰ মাজতে আনটোৰ বীজো লুকাই আছিল আৰু সেই কাৰণে অনিবাৰ্য প্ৰক্ৰিয়াৰ ফলতেই এই সংগঠন কেইটাৰ ধাৰাবাহিক অৱিৰ্ভাৱ ঘটিছে। আচলতে ইয়াৰ অন্যথা হোৱাৰ কোনো উপায়েই নাছিল। তদুপৰি এই সংগঠন কেইটা এটা আনটোৰ পৰিপূৰকো আছিল।

অৱদানৰ চকুৱে ধৰিব পৰা কোনো স্পষ্ট ৰূপ এতিয়াও ফুটি উঠা নাই আৰু তাক সহজে জুখিবও নোৱাৰি। অলপ দ লৈকে চালে দেখা যাব যে আল্‌ফাৰ তুলনাত অগপ-ৰ অৱদানৰ অবয়ব বেছি চকুত পৰা বিধৰ; তাৰ সাৰ্থকতাও জুখিব পৰা বিধৰ। সাধাৰণ মানুহৰ মনত এই বিশ্বাস অতি দ লৈকে শিপাইছে যে আল্‌ফাৰ উত্তৱৰ কাৰণে অগপ দলৰ ব্যৰ্থতাই ঘাইকৈ দায়ী। এই ধাৰণা সঁচাটো নহয়েই, আনকি ই অৰ্ধসত্যও নহয়। অগপ-ৰ ব্যৰ্থতাক সম্বল কৰি আল্‌ফাৰ উত্থান হোৱা নাই। বৰং যিবোৰ ক্ষেত্ৰত অগপ সফল হৈছিল তাৰ ওপৰত ভিত্তি কৰিয়েই আল্‌ফা থিয় হৈছে আৰু ক্ৰমশঃ শক্তি সঞ্চয় কৰিছে। যি তিনিটা উপাদানে আল্‌ফাক জীৱনী শক্তি দান কৰিছে সেই কেইটা হ'ল– (১) পুঁজি সঞ্চয়ৰ আকাঙ্খা, (২) আঞ্চলিকতাবাদৰ আদৰ্শগত ভিত্তি প্ৰতিষ্ঠা আৰু (৩) প্ৰশাসনৰ ভাবগত অসমীয়াকৰণ। এই তিনিটাকেই অগপ দলৰ প্ৰশাসন নীতিৰ পোনপটীয়া খাল বুলি কলেও অকণো অপমান কৰা নহয়। সঁচা কথা কবলৈ গ'লে আছু, অগপ আৰু আল্‌ফা এই তিনিওটা সংগঠন একেটামাত্ৰ আদৰ্শৰে পৰ্যয়িক্ৰমিক প্ৰকাশ মাত্ৰ। এটাৰ মাজতে আনটোৰ বীজো লুকাই আছিল আৰু সেইকাৰণে অনিবাৰ্য্য প্ৰক্ৰিয়াৰ ফলতেই এই সংগঠন কেইটাৰ ধাৰাবাহিক আবিৰ্ভাব ঘটিছে। আচলতে ইয়াৰ অন্যথা হোৱাৰ কোনো উপায়েই নাছিল। তদুপৰি এই সংগঠন কেইটা এটা আনটোৰ পৰিপূৰকো আছিল। ভাৰতীয় সংবিধানৰ দৃষ্টিত কব পাৰি যে আছু হ'ল অসমীয়া অভীপ্সাৰ সংবিধান-নিৰপেক্ষ প্ৰকাশ (Extra constitutional); অগপ হ'ল তাৰেই সংবিধান সন্মত প্ৰকাশ, আৰু আল্‌ফা সংবিধান বিৰোধী প্ৰকাশ।

গোটেইবোৰ মিলি কথাটো হ'ল এই যে উনবিংশ শতাব্দীৰ প্ৰথমাৰ্দ্ধৰ পৰাই অসমীয়া সকলে নিজৰ জাতি-সত্বা আৰু সংস্কৃতিৰ সংৰক্ষণ আৰু সম্প্ৰসাৰণৰ প্ৰশ্নৰ যিবোৰে চিন্তাভাৱনা কৰি আহিছে সেই সকলোবোৰৰ লগত ইতিহাসৰ প্ৰবাহৰ সংযোগ, সংঘাত আৰু সমন্বয় আদি সকলো ঘটনাই ঘটিছে। তাৰেই সৰ্বশেষ পৰ্য্যায়কে আমি নাম দিছো অসম আন্দোলন। দেৰশ বছৰতকৈও বেছি বছৰৰ আকুতিয়ে অসমীয়া মানুহৰ শেষ পৰ্যন্ত আনি হাজিৰ কৰি দিছে ইতিহাসৰ ক্ৰান্তি কালত: ভাৰতীয়ত্ব বনাম অসমীয়াত্ব, অথবা ভাৰতীয়ত্ব আৰু অসমীয়াত্ব– এই দুটাৰ ভিতৰত কোনটো শ্ৰেয় সেই সিদ্ধান্ত অসমীয়া সকলে অতি সোনকালেই লব লাগিব। এই প্ৰশ্নৰ উত্তৰটো কেৱল আইন সন্মত হলেই নহব। সি বিচাৰ সন্মত হব লাগিব। অৱশ্যে এই প্ৰশ্নত যে অসমীয়া জনমানসত যথেষ্ট দ্বিধা আৰু সংশয় আছে সেই কথা অস্বীকাৰ কৰিব নোৱাৰি। স্বাধীন অসমৰ সম্ভাব্য ভৱিষ্যত সম্পৰ্কে খোলা খুলি আলোচনাৰ দ্বাৰাইহে এই সংশয়ৰ নিৰাকৰণ কৰা সম্ভৱ হব।

(আগলৈ)







# প্ৰস্তাৱিত আই, আই, টিত নাম ভৰ্তিকৰণ

অসমত প্ৰস্তাৱিত দেশৰ ৬ষ্ঠখন আই, আই, টি-ৰ বাবে বিশদ প্ৰকল্প প্ৰতিবেদন প্ৰস্তুত কৰাৰ দায়িত্ব পাইছিল "এডুকেশ্যনেল কনচাল্টটেন্স ইণ্ডিয়া লিমিটেড" নামৰ ভাৰত চৰকাৰৰ অধীনৰ এটি সংস্থাই। উক্ত সংস্থাটোৱে প্ৰকল্প প্ৰতিবেদন প্ৰস্তুত কৰাৰ আগতে, কেন্দ্ৰীয় মানৱ সম্পদ উন্নয়ন মন্ত্ৰী দপ্তৰে প্ৰৱৰ্তন কৰিবলৈ প্ৰস্তাৱ কৰা প্ৰাৰম্ভিক শৈক্ষিক কাৰ্যসূচীত নিম্নলিখিত বিস্তৃত নীতি-নিৰ্দেশনা (Guidelines) লোৱাৰ কথা জনা যায়।

(১) প্ৰতিটো পাঠ্যক্ৰমত প্ৰতিবছৰে কমেও ৫০ জনকৈ ছাত্ৰ-ছাত্ৰীক ভৰ্তি কৰি নতুন প্ৰতিষ্ঠানটোৱে প্ৰাৰম্ভণিতে নিৰ্দিষ্ট ক্ষেত্ৰত নিম্নস্নাতক কাৰ্যসূচীৰে আৰম্ভ কৰিব।

(২) বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যা বিভাগ, ডি, আৰ, ডি, অ' (D.R.D.O.) আদিৰ দৰে বিভিন্ন কৰ্তৃপক্ষৰ পৃষ্ঠপোষকতাত সুদূৰ প্ৰসাৰী উদ্দেশ্য ধৰ্মী গৱেষণা প্ৰকল্প (Goal-oriented research projects) চিনাক্ত কৰা হ'ব। এই আই, আই, টি-ত পেট্ৰোকেমিকেলছ, পলিমাৰছ, মাইক্ৰ'-ইলেকট্ৰনিকছ আদি অন্যান্য শৈক্ষিক কাৰ্যসূচী সমূহো সমান্তৰালভাৱে থাকিব। ইয়াৰ বাবে আৰম্ভণিৰে পৰাই বিশিষ্ট বিজ্ঞানী তথা প্ৰযুক্তিবিদক নিয়োগ কৰিব পৰাৰ ব্যৱস্থা হৈছে।

(৩) এই কাৰ্যসূচী সমূহত আৰম্ভণিৰে পৰা নিম্নস্নাতক, স্নাতকোত্তৰ আৰু গৱেষণা পাঠ্যক্ৰমৰ ওপৰতো সমানে গুৰুত্ব দিয়া হ'ব।

(৪) প্ৰতিষ্ঠানটোৰ পৰা নিলগত থাকিও শিক্ষা লাভ কৰিব পৰাকৈ হ্ৰস্বম্যাদী বিশেষ তথা অত্যাধুনিক (Specialised/Advance Courses of shorter duration) পাঠ্যক্ৰমবো প্ৰস্তাৱ কৰা হৈছে।

(৫) প্ৰতিষ্ঠিত পদ্ধতি অনুসৰি নিম্নস্নাতক কাৰ্যসূচীৰ বাবে 'জয়ন্ট এন্ট্ৰেন্স পৰীক্ষা' (JEE — Joint Entrance Examination) আৰু স্নাতকোত্তৰ কাৰ্যসূচীৰ বাবে 'গেট' (GATE - Graduate Aptitude Test in Engineering)ৰ যোগেদি ছাত্ৰ-ছাত্ৰী ভৰ্তি কৰোৱাৰ কথা চিন্তা কৰা হৈছে।

(৬) প্ৰতিষ্ঠানটোৰ প্ৰশাসনীয় আৰু সাংগঠনিক গাঁথনি পৰিচালনাৰ অত্যাধুনিক ধ্যান-ধাৰণাৰ ভিত্তিত গঢ় লৈ উঠিব লাগিব আৰু সেই মৰ্মেই কৰ্মচাৰী আৰু নিয়োগৰ পদ্ধতি ৰচনা হ'ব বুলি জনা গৈছে।

(৭) পাঠ্যক্ৰম আৰু কাৰ্যসূচীক সঘনে সময় উপযোগী কৰি তুলিব পৰা ব্যৱস্থা ৰাখি পাঠ্যক্ৰমৰ আৰ্হি আৰু অন্যান্য শৈক্ষিক কাম-কাজ সযতনে কৰিব লাগিব বুলি কোৱা হৈছে।

(৮) দেশ, বিদেশৰ নবীন চামৰ বিশিষ্ট অধ্যাপকসকলক (Young faculty) আকৰ্ষণ কৰিব পৰাকৈ সুসজ্জিত বাসগৃহ, খৰতকীয়া পদোন্নতি আঁচনি, এল, টি, চি, (L.T.C), তেওঁলোকৰ ল'ৰা-ছোৱালীৰ শৈক্ষিক ভাট্টা, ঘৰলৈ উভতি যোৱাৰ পৰিবহণ আৰু যোগাযোগৰ সুবিধা আদিৰ নিচিনা সুবিধা দিয়াৰ কথা বিবেচিত হৈছে।

(৯) তেওঁলোকৰ (Faculty and Guest faculty) থকা-মেলাৰ সুবন্দৱস্তৰে বাসগৃহৰ সুবিধা আৰম্ভণিৰে পৰাই দিয়াৰ প্ৰস্তাৱ কৰা হৈছে।

(১০) প্ৰতিষ্ঠানটোৰ সৰ্বভাৰতীয় মৰ্যাদা বজাই ৰখাৰ বাবে সৰ্বতো প্ৰকাৰে প্ৰচেষ্টা কৰা আৰু প্ৰতিষ্ঠানটোত ভৰ্তিকৰণ আৰু সংৰক্ষণ আদিৰ ব্যৱস্থা দেশৰ অন্যান্য আই, আই, টি-ৰ দৰেই প্ৰযোজ্য কৰাৰ কথা চিন্তা কৰা হৈছে।

## নাম ভৰ্ত্তিকৰণৰ ভিত্তি (Basis of Admission)

বিশদ প্ৰকল্প প্ৰতিবেদনত উল্লেখ কৰা মতে প্ৰস্তাৱিত আই, আই, টি-ত ছাত্ৰ-ছাত্ৰী ভৰ্তিকৰণৰ প্ৰক্ৰিয়া হ'লঃ- বৰ্তমানে আই, আই, টি-বোৰত থকা প্ৰতিষ্ঠিত পদ্ধতিৰ লগত সঙ্গতি ৰাখি সৰ্বভাৰতীয় ভিত্তিত বিভিন্ন শিক্ষা কাৰ্যসূচীত ছাত্ৰ-ছাত্ৰী ভৰ্তি কৰোৱা হয়।

আই, আই, টি-য়ে পৰিচালনা কৰা 'জয়ন্ট এন্ট্ৰেন্স পৰীক্ষা' (JEE) অৰ্হতাৰ ভিত্তিত প্ৰাৰ্থীসকলে নিজ ৰুচি অনুসৰি বিভিন্ন বি, টেক (B. Tech) ফাইভ ইয়েৰ ইন্টিগ্ৰেটেড এম, এছ, চি প্ৰগ্ৰেম (five years integrated M.Sc. programme) আৰু বি, ডেছ (B. Des) পাঠ্যক্ৰমৰ নিচিনা নিম্নস্নাতক কাৰ্যসূচীত ভৰ্তি হ'ব পাৰিব। বি, ডেছ কাৰ্যসূচীত ভৰ্তি হ'ব খোজা ছাত্ৰ-ছাত্ৰীৰ সৃজনী প্ৰতিভা পৰীক্ষা কৰিবলৈ 'জয়ন্ট এন্ট্ৰেন্স পৰীক্ষা'ৰ প্ৰয়োজনীয় সংশোধন কৰিব লাগিব বুলি প্ৰস্তাৱত কোৱা হৈছে।

জনামতে, প্ৰতিষ্ঠানে পৰিচালনা কৰা সাক্ষাৎকাৰ তথা ভৰ্তি পৰীক্ষাত প্ৰাৰ্থীয়ে দেখুওৱা পাৰদৰ্শিতাৰ ওপৰত ভিত্তি কৰিহে দু-বছৰীয়া (Post B.Sc.) এম, এছ, চি কাৰ্যসূচীত ভৰ্তি হ'ব পাৰিব।

'গেট' (GATE) অথবা চি, ই, ই-ত (CEE - Common Entrance Examination) পৰীক্ষাৰ্থীয়ে লাভ কৰা শতকৰা নম্বৰৰ ভিত্তিত আৰু প্ৰতিষ্ঠানত লোৱা সাক্ষাৎকাৰৰ ভিত্তিতহে এম, টেক

(M.Tech) এম, এছ (M.S.) আৰু এম, ডেছ (M. Des) পাঠ্যক্ৰমত ভৰ্তি হ'ব পাৰিব। ঔদ্যোগিক, শৈক্ষিক তথা গৱেষণাগাৰ আদিৰ পৰা জলপানি নিদিয়াকৈ পঠিওৱা প্ৰাৰ্থীয়েও প্ৰতিষ্ঠানটোৰ সাক্ষাৎকাৰ তথা ভৰ্তি পৰীক্ষাৰ ভিত্তিত নাম ভৰ্তি কৰিব পাৰিব।

প্ৰতিষ্ঠানে পৰিচালনা কৰা সাক্ষাৎকাৰ অথবা ভৰ্তি পৰীক্ষাত প্ৰাৰ্থীয়ে দেখুওৱা পাৰদৰ্শিতাৰ ভিত্তিতহে পি, এইচ, ডি (Ph. D) ডি, টেক (D. Tech) কাৰ্যসূচীত ভৰ্তি কৰোৱা হ'ব। এম, টেক (M. Tech), এম, এছ (M.S.) এম, ডেছ (M. Des) ডিগ্ৰী নথকা প্ৰাৰ্থীয়ে নাম ভৰ্তিৰ বাবে ইউ, জি, চি, (U.G.C) অথবা চি, এছ, আই, আৰ (CSIR)এ পৰিচালনা কৰা সৰ্বভাৰতীয় পৰীক্ষা বা চি, ই, ই (CEE) অথবা গেটে (GATE) লোৱা পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব।

## জলপানি ঃ

আই, আই, টি-বোৰত বৰ্তমানে চলি থকা ব্যৱস্থা হ'ল এয়ে যে স্নাতকোত্তৰ আৰু গৱেষণা কাৰ্যসূচী – এম, টেক/এম, এছ/এম, ডেছ/পি, এইছ, ডি/ডি টেক আদিত কোনোৱে পৃষ্ঠপোষকতা নকৰা প্ৰাৰ্থী হিচাপে ভৰ্তি কৰোৱা হয় আৰু ভাৰত চৰকাৰে নিৰ্দিষ্ট কৰি দিয়া সাধাৰণ নিয়ম অনুসৰি বৃত্তি দিয়া হয়। অনুমোদিত ব্যৱস্থা অনুসাৰে বৃত্তি প্ৰদানৰ পৰিবৰ্তে যোগ্য ছাত্ৰ-ছাত্ৰীক শিক্ষা/গৱেষণা/উন্নয়নৰ বেলিকা সহায়ক হ'ব পৰাকৈ পুৰস্কাৰ দিয়া হয়। ইয়াৰ বাবে তেওঁলোকে একোজন ফেকাল্টি মেম্বাৰৰ পৰ্যবেক্ষণ আৰু নিৰ্দেশনাত সপ্তাহত ১৫ ঘন্টাকৈ নিৰ্দেশমূলক/গৱেষণা/উন্নয়নমূলক কাম কৰিব লাগে। প্ৰদত্ত সাহায্য, বৰ্তমানে দি থকা বৃত্তিৰ অৰ্থৰ সমপৰিমাণৰ হ'ব আৰু আবাসগৃহৰ সুবিধাৰ বাবেও তেওঁলোক উপযুক্ত হ'ব।

প্ৰতিবেদনত ১৯৯০-২০০০ চনলৈকে এটা দশকৰ শৈক্ষিক কাৰ্যসূচীৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰস্তাৱিত স্থিতি আছিল এনেধৰণৰ ঃ-

Yearwise total student strength for various academic programmes: 1990-2000

| Phases | Year | B.Tech. (4 yrs) | B.Des. (4 yrs) | 5 year integrated M.Sc. | 2 year M.Sc. | M.Tech. 3 Semesters | M.S. M.Des. (2 yrs) | Ph.D. D.Tech. | Total* |
|---|---|---|---|---|---|---|---|---|---|
| I | 1990 | 150 | - | - | - | - | - | - | 150 |
| | 1991 | 300 | - | - | - | - | - | - | 300 |
| II | 1992 | 595 | 20 | 60 | 60 | - | - | - | 735 |
| | 1993 | 890 | 40 | 120 | 120 | - | - | - | 1170 |
| III | 1994 | 1035 | 60 | 180 | | 150 | 20 | 30 | 1595 |
| | 1995 | 1180 | 80 | 240 | | 300 | 40 | 75 | 2035 |
| IV | 1996 | | | 300 | | 375 | 50 | 150 | 2215 |
| | 1997 | | | | | 525 | 70 | 200 | 2475 |
| | 1998 | | | | | 625 | 90 | 250 | 2645 |
| | 1999 | | | | | 700 | 100 | 300 | 2780 |
| | 2000 | | | | | 800 | | | 2850 |
| | 2001 | | | | | | | | |

Note:

* Institute/Project Staff, QIP/FIP Scholars and Foreign Students are in addition to the numbers indicated.

BASIS OF ADMISSION

Admission to the various academic programmes will be on an All-India basis in conformity with the established pattern at the existing IITs. Regulations regarding reservations as applicable in the other IITs will also be followed at IIT Nagaon.

• Admission to the undergraduate programmes which consists of various B.Tech., and 5 year integrated M. Sc. programmes and B. Des. programme will be through the exercise of the free choice by the candidates based on their merit position in the Joint Entrance Examination (JEE) conducted jointly by the IITs. Suitable modifications would need to be incorporated in the JEE to test ability in creativity for candidates seeking admission to the B. Des. programme.

•Admission to the 2 year (post B. Sc.) M. Sc. programmes will be on the basis of the performance of candidates at an entrance test and/or interview to be conducted by the institute.

• Admission the the M. Tech./M. S. and M. Des. programmes shall be on the basis of the percentile score of applicants in the Graduate Aptitude Test in Engineering or the Common Entrance Examination in Design, respectively followed by an interview to be conducted at the Institute. Non-scholarship sponsored candidates from industry/academia/research laboratories may also be admitted to these programmes, however, their admission will be based on their performance in an entrance test and/or interview to be conducted by the institute.

•Admission to the Ph. D./D. Tech. programme will be made on the basis of performance of candidates in an entrance test and/or interview to be conducted by the institute. Candidates not possessing an M. Tech/M. S./M. Des. degree shall, in addition, be required to quality in the Graduate Aptitude Test in Engineering or the Common Entrance Examination in Design or the All India examination conducted by CSIR or UGC.

## SCHOLARSHIPS

The current practice in the existing IITs is that all students admitted as non-sponsored candidates to the postgraduate and research programmes - M. Tech./M.S./M.Des/Ph. D./D. Tech. - are awarded scholarships as per a common norm prescribed by the Government of India. It is recommended that instead of the award of scholarships, all eligible students be awarded teaching/research/development assistantships which make it obligatory for them to work to the extent of 15 hours per week on an assigned instructional/research/development activity under the guidance and supervision of a faculty member. Those awarded assistantships may be paid salary at a rate equivalent to the monetary value of the scholarship presently being awarded and be eligible for hostel accommodation as at present.

মন কৰিব লগীয়া কথা যে প্ৰকল্প প্ৰতিবেদনৰ প্ৰস্তাৱ মতে ১৯৯০ চনৰ পৰাই আই, আই, টি-খনৰ প্ৰথম পৰ্যায়ৰ শৈক্ষিক কাৰ্যসূচী আৰম্ভ হ'ব লাগিছিল। কিয় আৰম্ভ নহ'ল, সেই বিষয়ে দোহৰাৰ নিশ্চয় প্ৰয়োজন নাই। অসম গণ পৰিষদ চৰকাৰৰ সোপাটিলা প্ৰশাসনৰ বাবেই সমগ্ৰ প্ৰকল্পটোৰ প্ৰক্ৰিয়াকেই মন্থৰ কৰি পেলাইছিল।

স্বাভাৱিকতেই প্ৰতিষ্ঠানটো মুকলি হোৱাৰ পৰাহে এতিয়া এই কাৰ্যসূচী বাস্তৱায়িত হ'ব। এই বাস্তৱায়নৰ বাবে আৰু কিমান দিন অপেক্ষা কৰিব লাগে তাৰ উত্তৰ সময়েহে দিব। তেতিয়াৰ ব্যৱস্থা অনুসৰি, ১৯৮৮ চনতে প্ৰতিবেদন দাখিল কৰাৰ ২ বছৰৰ পিছত উপৰোক্ত শৈক্ষিক কাৰ্যসূচী আৰম্ভ হ'ব লাগিছিল, কিন্তু দুৰ্ভাগ্যবশতঃ এই প্ৰক্ৰিয়াৰ আৰম্ভণি চলিত বছৰটোত অৰ্থাৎ ১৯৯২ চনৰ পৰাহে হৈছে। অৰ্থাৎ প্ৰতিষ্ঠানটোৰ শৈক্ষিক কাৰ্যসূচী আৰম্ভ কৰাৰ সময় আৰু ২ বছৰ পিছুৱাই গ'ল। সকলো ঠিকেঠাকে থাকিলে ১৯৯৪ চনত অসমৰ শৈক্ষিক জগতৰ এক নতুন দিশৰ সূচনা হ'ব বুলি আশা কৰিব পাৰি। *(আগলৈ)*

হৰেন বুঢ়াগোহাঞি

হাস্যব্যঙ্গ ৰসেৰে ভৰপূৰ এখনি আটিক ধুনীয়া গল্প সংকলন

গল্পৰ গাছপেৰা

লেখক – দিনেশ শৰ্মা

প্ৰকাশক ঃ বাণী প্ৰকাশ

দাম খনে ৩০ টকা

পানবজাৰ, গুৱাহাটী – ৭৮১ ০০১

# মুখা

নীৰ্ৰেন বৰুৱা

কিম্ভূত কিমাকাৰ কিছুমান মুখাপিন্ধা
এজাক ল'ৰা
এইমাত্ৰ এখন ট্ৰাকত উঠি
নাচিবাগি পাৰহৈ গ'ল ৰাষ্ট্ৰীয় পথেদি ।

সিহঁতক চাবলৈ
কিৰিলি পাৰি দৌৰি দৌৰি
পদূলি মুখলৈ ওলাই আহিছিল
সৰু সৰু ল'ৰা-ছোৱালীবোৰ ।

বয়সস্থসকলে,
যি য'তেই আছিল
তাৰ পৰাই সিহঁতলৈ চাইছিল
আৰু স্মিতহাস্য কৰিছিল ।

ৰাস্তাৰ পৰা
দোকানৰ পৰা
অফিচৰ পৰা
ঘৰৰ বাৰান্দাৰ পৰা
ড্ৰয়িং ৰুমৰ পৰ্দাৰ ফাঁকেদি
পাক্‌ঘৰৰ খিৰিকিয়েদি
যি য'তেই আছিল
তাৰ পৰাই সিহঁতলৈ চাইছিল
আৰু স্মিতহাস্য কৰিছিল ।▫

পঢ়ি থকা কিতাপখন আধাতে জপাই
বহু সময় মই
শিলপৰা কপৌৰ দৰে থৰ লাগি বহি আছিলো
আৰু ডুব গৈছিলো
এক অদ্ভুত নিমগ্নতাত ।

অদ্ভুত, অচিনাকি এক অনুভূতিৰ শিহৰণে
কঁপাই তুলিছিল মোৰ সত্তা
গভীৰ কৰি তুলিছিল
মোৰ আত্মাৰ মৌনতা ।

মই দাপোণত প্ৰতিদিনে দেখা মুখখন
প্ৰকৃততে মোৰ মুখ নহয়
মানুহে দেখা মোৰ মুখখন
মোৰ নিজা মুখ নহয় ।

এইমাত্ৰ ট্ৰাকত উঠি যোৱা
ল'ৰাজাকে পিন্ধি যোৱা
প্ৰত্যেকখন মুখাই মোৰ মুখ
সিহঁতৰ মুখৰ প্ৰত্যেকখন মুখা
মোৰেই মুখৰ সহস্ৰ সংস্কৰণ । □

# জীৱনলিপি

বিপুল কুমাৰ মহন্ত

*(মোদাৰ টেৰেছাৰ আশু আৰোগ্য কামনাৰে)*

ঠিক এনেকৈয়ে, আমি পাৰ হৈ আহিছো
জীৱনৰ বঙিয়া

ফল্গু নদীৰ দৰে সামৰি থৈছো অভিজ্ঞানৰ
জ্ঞান, জীৱনদায়িনী প্ৰভা, প্ৰজ্ঞা আৰু মমতা
মৰুভূ'ৰ দৰে সামৰি থৈছো শস্যৰ বিপুল
সম্ভাৱনা, ম্লান নিস্তেজ ধূসৰ আকাশৰ দৰে
সামৰি থৈছো নীল নক্ষত্ৰৰ পোহৰ, সুনীলৰ তৰা আৰু
জ্যোতিষ্কৰ উজ্জ্বলতা, ঘূৰ্ণীবতাহৰ দৰে সামৰি থৈছো
ব্যাপ্তি, বিস্তৃতি আৰু বিশালতাৰ গান, নিৰাভৰণ
পত্ৰহীন বৃক্ষৰ দৰে সামৰি থৈছো
অন্তৰংগ হৃদয়ৰ ছাঁ

দুচকুৰ নিস্তৰংগ আলোক বৰ্তিকাত
দুৰন্ত এক স্বপ্ন অহমিকা ঃ সভ্যতাৰ বোধ
জীৱশ্ৰেষ্ঠ মানুহৰ সেয়া শ্ৰেষ্ঠত্বৰ অভিজ্ঞান
জীৱনক জীৱন কৰাৰ বোধ তাত নাই
অমৃতপুত্ৰ মানুহৰ 'জীৱশ্ৰেষ্ঠত্ব'ৰ অভিজ্ঞানো ইয়াত নাই

পোচাকী সাজত হেৰাইছে
আজন্ম বিস্মৃত হৈ মানুহ নামৰ 'মানুহ'
'অমৃতস্য পুত্ৰ' সহৃদয় মানুহ

এক অচিন অজান বোধেৰে আমাৰ সভ্যতাক
আমি ৰূপ দিছো
এক অচিন সময় আৱৰ্তত
আধুনিকত্বৰ অভিধাৰে আমি আৱৰ্তিত হৈছো
জীৱনক হ্ৰস্ব কৰি অনা
ঘড়ীৰ কাঁটাৰ পৰা খহি পৰা চেকেণ্ডবোৰে
এপলকলৈও আমাক স্মৰণ নকৰায়
ভাতৃত্ব বিশ্বাস, প্ৰেম আৰু সহৃদয়তাৰ
প্ৰশস্ত উজ্জ্বল জীৱনলিপি

আমি এনেকৈয়ে, পাৰ হৈ
আহি আছো

সময়
সভ্যতা
ইতিহাস আৰু মানুহৰ বাস্তৱ

অভিজ্ঞান মাথো,
লক্ষ্যহীন সুদীৰ্ঘ যাত্ৰাৰ পথশ্ৰান্তিৰ গ্লানি
যশস্যা, সন্মান, খ্যাতিৰ সীমাহীন আকাংক্ষা আৰু
ছিন্নমূল সত্তাৰ স্বকীয় আৱৰ্তৰ অলেখ দুৰাশা □





এয়া আমাৰ আৰম্ভণিহে, অহা তিনিমাহৰ ভিতৰত সকলোকে হত্যা কৰা হ'ব ।

# ৰৌতাত বড়ো উগ্ৰপন্থীৰ হুঙ্কাৰ আৰু নৃশংস হত্যাকাণ্ড

দেৱব্ৰত বৰগোহাঞি

মৰাধনশ্ৰী ঃ ২৩ ফেব্ৰুৱাৰীৰ দিনা ৰাতিপুৱা ৯–৩০ মান বজাত দৰং জিলাৰ ৰৌতা অভিমুখে যাত্ৰা কৰিলো । হৃদয়ৰ আমঠু ক'লাপৰি যোৱা ৰৌতাৰ ঘটনাতো ইতিমধ্যে সন্তৱ অসমৰ ৰাইজে ভালদৰে গম পাইছে । ৰৌতাৰ পৰা বড়ো বসতি অঞ্চল ওডালগুৰিৰ ফালে যোৱা গড়কাপ্তানি পথটোৰে প্ৰায় ২ কিলোমিটাৰমান যোৱাৰ পিছত সোঁফালে যোৱা কেঁচা ৰাস্তাটোৰে সোমাই অলপ দূৰ যোৱাৰ পিছত মৰাধনশ্ৰী নামৰ দুৰ্ভগীয়া গাওঁখন দেখিবলৈ পোৱা যায় ।

আমি দিনৰ ১১–৩০ বজাত মৰাধনশ্ৰী গাওঁখনত প্ৰৱেশ কৰিছিলো । তেতিয়া পৰুৱাৰদৰে লানি-নিচিগা শ শ মুনিহ-তিৰোতা, ডেকা-গাভৰুৱে মৰাধনশ্ৰী গাঁৱৰ অভিমুখে খোজকাঢ়ি গৈ থকা প্ৰত্যক্ষ কৰিছিলো । বহুত দূৰৰ পৰা কেইবাখনো বাছত মানুহ অনা-নিয়া কৰা দেখিছিলো । এইসকল ৰাইজ আহিছিল নৃশংস হত্যাকাণ্ড ঘটি যোৱা মৰাধনশ্ৰী গাঁৱৰ মানুহক সান্ত্বনা দিবলৈ আৰু লগতে দুখৰ সমভাগী হবলৈ । আমি গৈ থাকোতে লক্ষ্য কৰিছিলো যে সকলো মানুহৰ অন্তৰত যেন কিবা এটা শংকাৰ ভাব সুমাই আছে । প্ৰত্যেকৰে জীৱনলৈ ভয় । জানোছা তলৈ যোৱাৰ বাবে উগ্ৰপন্থীয়ে তেওঁলোকৰ প্ৰতি খড়্গহস্ত হৈ পুনৰ তেওঁলোককে হত্যা কৰে । তথাপিও গৈছে সত্যৰ সপক্ষে ৰায় দিবলৈ । শেহত গৈ আমি সেই হৃদয় বিদাৰি যোৱা কৰুণ দৃশ্যটো দেখিলোগৈ । এখন সৰু খেলপথাৰত একেলগে ছটা মৃতদেহ শুৱাই ৰখা হৈছে । সমুখত ভিৰ হৈছেহি গোটেই মৰাধনশ্ৰী গাঁৱৰ বাসিন্দা । সময় আগবঢ়াৰ লগে লগে হাজাৰ হাজাৰ ৰাইজ বিষাদ মনেৰে আহি তাত গোট খালেহি । চাৰিওফালে পুলিচ-মিলিটাৰীৰ দপদপনিৰ মাজতে মৃতকৰ পৰিয়ালবৰ্গৰ উচুপনি আৰু কান্দোনে আমাৰ মনবোৰ আৰু ভাড়াক্ৰান্ত কৰি তুলিলে । আৰু অলপ সময়ৰ পাছত মৌণ সমদল কৰি ৰাইজে শেষকৃত্য সম্পন্ন কৰাৰ সিদ্ধান্ত লৈছে । পুলিচৰ আৱেষ্টনি ফাঁলি লাহে লাহে মৃতকৰ পৰিয়ালবৰ্গৰ ওচৰলৈ আগবাঢ়ি গ'লো । এনে বেদনাগধুৰ অৱস্থাত মৃত ব্যক্তিৰ পৰিয়ালৰ কোনো লোককে প্ৰশ্ন সুধিবলৈ সাহস হোৱা নাছিল । এজন স্বেচ্ছাসেৱকে আমাক দেখি প্ৰেছৰ মানুহ বুলি গম পাই আগবঢ়াই নিলেহি । মন্ত্ৰমুগ্ধ মানুহৰ দৰে শোকাকুল ৰাইজৰ মাজলৈ আগবাঢ়ি গলো ।

প্ৰথমতে লগ পালো 'মূৰে-কপালে হাত দি বহি থকা শ্ৰীধউৰা হৰিজন নামৰ মানুহজনক । মানুহজনৰ বয়স ৪২ বছৰমান হব । যোৱা ২১ ফেব্ৰুৱাৰীৰ কালিকা লগা সন্ধ্যাটোতে বড়ো চিকিউৰিটি ফৰ্চৰ (B.S.F.) হাতত এওঁৰ পত্নী শ্ৰীমতী বেইলী হৰিজনে প্ৰাণ হেৰুৱাব লগা হয় । শ্ৰীমতী বেইলীয়ে দুগ্ধ পান কৰি থকা সৰু ল'ৰা এটিক এৰি থৈ গৈছে । শ্ৰীধউৰা হৰিজনক ঘটনাটোৰ বিষয়ে সুধাত ক'লে – "মই ওচৰৰ মানুহ এঘৰত শ্ৰাদ্ধ খাবলৈ গৈছিলো । পিছদিনা সন্ধ্যা ৪ বজাত ঘৰলৈ আহিহে গম পাওঁ । তেতিয়া মোৰ সৰু সৰু ল'ৰা তিনিটাই কান্দি আছিল ।' কেতিয়াবা কোনোবাই মাৰিম বুলি ভয় খুৱাইছিল নেকি বুলি সুধাত এইবুলি কৈছিল – 'মোৰ জন্ম ইয়াতেই । মোৰ মা-বাবাও ইয়াতে মৰিছিল । ২৫ বছৰৰ আগেয়ে চৰকাৰে মোক ৩ বিঘা মাটি দিছিল । তাতে খেতি-বাতি কৰি কোনোমতে খাই আছো । আমাৰ কোনো শত্ৰুও নাছিল । তথপিও মোৰ মানুহজনীক সিহঁতে মাৰি পেলালে ।' শ্ৰীমতী বেইলীক উগ্ৰপন্থীয়ে গুলি কৰি মৰাৰ সময়ত তেওঁৰ কণমানি শিশু তিনিটাই টোপনিত লালকাল দি আছিল ।

ইয়াৰ পিছত লগ পালো ৰেণুকা দেৱী (২০) আৰু নিত্যানন্দ শৰ্মা (কাফলে) নামৰ দুৰ্ভগীয়া ককায়েক-ভনীয়েক হালৰ ভায়েক ৰোহিত শৰ্মাক (১৮) । চকুপানী মচি মচি আমাক গোটেই ঘটনাটো ভায়েক ৰোহিত শৰ্মাই এনেদৰে বৰ্ণাইছিল । "ঘটনাৰ সময়ত মই ঘৰত নাছিলো । ঘৰৰ পৰা অলপ দূৰৈৰ মানুহ এঘৰত ফুৰিবলৈ গৈছিলো । সন্ধ্যা ৬–৩০ মান বজাত আমাৰ ঘৰৰ ফালে কোনোবাই ফট্‌কা ফুটুৱাৰ দৰে শব্দ শুনিছিলো । মই কিবা ভয় কৰি তেতিয়াই ঘৰৰ ফালে খৰখেদাকৈ উভতি আহিলো । আহি দেখিলো গাঁৱত আৰ্মিৰে ঠাহ খাই পৰিছে । ঘৰলৈ আহি দেখা

OFFICE OF THE BORO SECURITY FORCE HQ DWIMU

Date 18/2/92.

**DECLARATION**

On the 12th February '92 you have made arrest Boroland Commando and a national Worker Nerswn Swargiary and this is in the defensive and rataliatory measure against you. Thanks.

*(B. Bilifang Mwna)*
Operation Commander
B.S.F.

বড়ো চিকিওৰিটি ফৰ্চৰ উগ্ৰপন্থীয়ে হত্যাকাণ্ড সংঘটিত কৰি কিছুমান স্বীকাৰোক্তি পত্ৰ বিভিন্ন ঠাইত পেলাই যায় । য'ত উগ্ৰপন্থীয়ে সকলোবোৰ নিজমুখে স্বীকাৰ কৰিছে ।



OKDISCD

পাওঁ মোৰ বাইদেউ (ৰেণুকা দেবী)ৰ গাত গুলি লাগিছে। দাদা (নিত্যানন্দ শৰ্মা) তেতিয়া মৰি গৈছিল। বাইদেউক চিকিৎসালয়লৈ নিছিলো। কিন্তু নাবাছিল। দাদাক গুলি কৰাৰ সময়ত বিছনাত শুই নতুন দৈনিক কাকতখন পঢ়ি আছিল। মৰাধনশ্ৰী যুৱক সংঘ পুথিভঁৰালৰ দাদা লাইব্ৰেৰিয়ান আছিল। দাদাক শুই থকা অৱস্থাত বুকুত দুটা গুলি কৰে আৰু B.S.F.-ৰ মানুহে কাগজ এখন পেলাই থৈ যায়।'

মৃত নিত্যানন্দ আৰু ৰেণুকাৰ ভনীয়েক দীপালী শৰ্মা (১৮) তেতিয়া ঘৰৰ ভিতৰৰ ৰুম এটাত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ বাবে নিজৰ কিতাপ পঢ়ি আছিল। গোটেই ঘটনাটোৰ বিষয়ে কবলৈ কোৱাত তেওঁ এনেদৰে কৈছিল – 'মোৰ দাদা (নিত্যানন্দ)ই বিয়া কৰোৱা এবছৰহে হৈছিল। মই পঢ়ি থকা অৱস্থাত বাহিৰত চাইকেলৰ চকা ফুটাৰ দৰে শব্দ শুনিলো। তেনে শব্দ কেইবাবাৰো শুনাৰ পিছত বাহিৰলৈ চাবৰ বাবে ওলাই আহিলো। কিন্তু হঠাতে লাইন যোৱাত মোৰ ভয় লাগিল। সেয়েহে পুনৰ ভিতৰলৈ সোমাই আহিলো। মোৰ বাইদেউ (ৰেণুকা) বাহিৰলৈ যোৱাত সিহঁতে গুলি কৰি মাৰি পেলালে। মই বাহিৰলৈ যোৱাহ'লে মোকো মাৰি পেলালেহেঁতেন। আমাক কিয় মাৰিলে আমি একো গম নাপাওঁ। সিহঁতৰ শত্ৰুওটো আমি নহয়।' ইয়াৰ পিছত মৃত ভৱানীপ্ৰসাদ পুখৰাল (৪০)ৰ ৰৰপুত্ৰ শ্ৰীভুৱন ৰাজ পুখৰালক (১৪) লগ ধৰিছিলো। বকু উখহি পৰা এখন অত্যন্ত বেদনাগধুৰ মুখেৰে চৈধ্যবছৰীয়া শ্ৰীভুৱন ৰাজ পুখৰালক দেখি শোকে খুন্দা মাৰি ধৰিছিল। বাপেকে সৰু গেলা-মালৰ দোকান এখন দি ঘৰৰ সাতোটি প্ৰাণীক পোহপাল দিছিল। ঘটনাৰ দিনা সন্ধ্যা সাতমান বজাত দোকান বন্ধ কৰি ঘৰলৈ আহোঁতে বৰ্বৰ উগ্ৰপন্থীহঁতৰ হাতত প্ৰাণ দিব লগা হ'ল ভৱানীপ্ৰসাদ পুখৰালে। আজি ক্লাছ টেনত পঢ়ি থকা ল'ৰাটোৱে কেনেদৰে বাৰু ঘৰৰ বোজা মূৰতপাতি ল'ব! তাৰ সহজ-সৰল মুখখন দেখি আৰু বহু কথাই মনলৈ আহিছিল।

এজন পিতৃৰ অন্তৰত পুত্ৰৰ মৃত্যুৰ খবৰে বাৰু কেনে ধৰণৰ ক্ৰিয়া কৰিব পাৰে!' তাকো যেতিয়া পুত্ৰৰ মৃত্যু নিজৰ আগতে দেখা পায়, তেতিয়া বাৰু এজন বাপেকে ঠিৰেৰে থাকিব পাৰিবনে? শ্ৰীধুপৰাজ পাঠক (২৪) নামৰ মেধাৱী ল'ৰাটোক কেইবাগৰাকীও বড়ো উগ্ৰপন্থীৰ লোকে ৫ বেটেৰীয়া টৰ্চৰ পোহৰ পেলাই খেদি আনিছিল বনৰীয়া পশুৰ দৰে। ল'ৰাটোৱে প্ৰাণপণে দৌৰিছিল নিজৰ জীৱন ৰক্ষাৰ বাবে। ঘৰৰ বাপেক-মাক, ভনীয়েকহঁত গুলিৰ শব্দ শুনি বাৰীৰ এচুকত লুকাই পৰিছিল। দৌৰি দৌৰি নিজৰ ঘৰৰ মুখ পাইছিলহি ধুপৰাজে। কিন্তু ধুপৰাজে নিজৰ জীৱন বচাব নোৱাৰিলে। ঘৰৰ মুখতেই গুলিবিদ্ধ ধুপৰাজৰ দেহ বাগৰি পৰিল। ধুপৰাজ পাঠক *ঢেকীয়াজুলি কলেজৰ স্নাতক শাখাৰ ছাত্ৰ। ইংৰাজীত অনাৰ্চ সহ বি এ পঢ়া* এই মেধাৱী ল'ৰাজনৰ দেউতাক দেবীপ্ৰসাদ পাঠকে শোকত ভগি পৰি বহু কথাই কৈছিল –

"আমাৰ *মৰাধনশ্ৰী* গাওঁখনৰ সৰহভাগ মানুহ নেপালী সম্প্ৰদায়ৰ। আপোনা-লোকৰ অসমীয়া মানুহ বৰ বেছি নাই। আমি আজিলৈকে কোনো মানুহ বা সংগঠনৰ পৰা একো হুমকি পোৱা নাছিলো। ২১ তাৰিখে আমাৰ গাঁৱৰ দক্ষিণফালে থকা গোটেই মানুহবোৰৰ ঘৰবোৰ প্ৰায় ১৫০/২০০ জনমান বি এছ এফৰ লোকে ঘেৰাও কৰি লয়। হয়তো গোটেই গাঁৱৰ মানুহকে মাৰিম বুলি আহিছিল। উগ্ৰপন্থীবোৰ যাওঁতে চিঞৰি চিঞৰি কৈছিল – এয়া আৰম্ভণিহে। অহা ৩ মাহৰ ভিতৰত পলাই বাচি থকাসকলক শেষ কৰিম। মোৰ ঘৰৰ ওচৰতে থকা মানুহঘৰত মানুহক নেদেখি কুকুৰটোকে গুলিয়াই মাৰিলে।

আমি সমূহ ৰাইজে দাবী কৰিছো, চৰকাৰে ইয়াৰ উচিত বিচাৰ কৰিব লাগে। দোষীক শাস্তি দিব লাগে। আমি কোনো ৰাজনীতিত নাই আৰু ৰাজনীতি কৰিবও নাজানো। আমাৰ গাঁৱৰ ওচৰত চৰকাৰে আৰ্মিৰ কেম্প এটা দিব লাগিব। নহলে আমি থাকিব নোৱাৰো। আমি আধি- খেতি কৰি কোনোমতে খাই থকা মানুহ। মুঠতে আমাক আৰ্মি লাগে।"

শেহত লগ ধৰিলো নিহত কমল চেৰাই (২৪)-ৰ ভনীয়েক বিমলা দেবী (১৬)ক। শ্ৰীমতী দেবীক প্ৰশ্ন সুধাৰ লগে লগে দুই চকুৰেদি চকুপানী সৰসৰকৈ ওলাবলৈ ধৰিলে। শান্ত হবৰ বাবে আমি বহুতো বুজনি দিলো। বিমলা দেবীৰ মুখেৰেই শুনক মৰমৰ ককায়েকক কেনেদৰে হত্যা কৰিছিল বড়ো চিকিওৰিটি ফৰ্চৰ উগ্ৰপন্থীসকলে।

" – সন্ধ্যা ৬–৪৫-ত আমাৰ ঘৰলৈ সিহঁত (BSF) সোমাই আহিছিল। দাদাই প্ৰথম বিভাগত যোৱা বছৰ মেট্ৰিক পাছ কৰিছিল। কিন্তু আমি বৰ দুখীয়া মানুহ। দাদাক কলেজত পঢ়াবৰ বাবে আমাৰ পইচা নাছিল। আমাৰ খেতি-মাটি নাই। দেউতাই য'ত-ত'ত হাজিৰা কৰি ফুৰে। দাদাই পঢ়াশুনা এৰি সৰু সুৰা বিজনেছ কিছুমান কৰিছিল। সেইদিনা দাদাক শুই থকা অৱস্থাতে B.S.F.-ৰ মানুহে গুলি কৰি হত্যা কৰিলে। দেউতাকো সিহঁতে মাৰিলে বুলিহে ভাবিছিলো। দেউতাৰ ভৰিত গুলি লাগিল। এতিয়া হাস্পাতালত আছে। ৰাইজৰ ভিৰৰ মাজত থাকি বিভিন্নজনৰ লগত কথা-বতৰা পাতি থাকোতে কেতিয়া অসমৰ মুখ্যমন্ত্ৰী মহোদয় সভাত উপস্থিত হলহি তাক গমেই নাপালো। ৰাইজৰ দুখৰ সমভাগী হোৱা বাবে মুখ্যমন্ত্ৰীক মৰাধনশ্ৰী গাঁৱৰ ৰাইজে আন্তৰিক কৃতজ্ঞতা জনোৱা দেখা গৈছিল। মুখ্যমন্ত্ৰীয়ে অতি সোনকালে বড়ো চিকিওৰিটি ফৰ্চৰ বিৰুদ্ধে সেনাবাহিনীক কামত লগোৱা হব বুলি ঘোষণা কৰে। কোনো এজন অপৰাধীয়েই সাৰি যাব নোৱাৰিব বুলি দৃঢ়তাৰে মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাইজৰ আগত ব্যক্ত কৰে। প্ৰতিটো পৰিয়াললৈ একলাখ টকা আৰু এজনক চাকৰি দিয়াৰ কথাও মুখ্যমন্ত্ৰীয়ে উক্ত সভাতে ঘোষণা কৰে।

হত্যাকাণ্ডৰ কাৰণঃ বহুতে এই নৃশংস হত্যাকাণ্ডৰ কাৰণ ৰাজনীতি বুলি কৈছে আৰু আন কিছুমানে কৈছে মাটিৰ বিবাদ বুলি। কিন্তু আমি মৰাধনশ্ৰী গাঁৱৰ বিভিন্নজনক এই বিষয়ে সুধাত একেমুখে অস্বীকাৰ কৰে। বড়োসকলে 'জাতীয়তাবাদী মনোভাবেৰে এই হত্যাকাণ্ড সংঘটিত কৰিছে' বুলি মৃত নিত্যানন্দ শৰ্মা আৰু ৰেণুকাদেবীৰ ভায়েক ৰোহিত শৰ্মাই স্বীকাৰ কৰিছে। সভাস্থলীত গোটখোৱা বিভিন্ন ব্যক্তিক ইয়াৰ কাৰণ সম্বন্ধে সুধাত কৈছিল যে, 'আজি অলপ দিনৰ আগেয়ে বি এচ এফৰ সেনানায়ক এজন ধৰা পৰিছিল। সম্ভৱ সেই সন্দেহতে তেওঁলোকে এনে হতাকাণ্ড সংঘটিত কৰিলে। যিটোত আমাৰ মৰাধনশ্ৰী গাঁৱৰ কোনো হাত নাই।'

উল্লেখযোগ্য যে বড়ো উগ্ৰপন্থীসকলে প্ৰায়েই এনেধৰণৰ হত্যাকাণ্ড কৰি ভূটানবৰ্ডাৰ পাৰ হৈ পলাই সাৰে। ফলত আমাৰ ৰাজ্যৰ আৰক্ষীয়ে এইক্ষেত্ৰত একো কৰিব নোৱাৰেগৈ। অসম চৰকাৰৰ লগতে ভাৰত চৰকাৰে এইক্ষেত্ৰত ভূটান চৰকাৰৰ লগত বুজাপৰা কৰি উগ্ৰপন্থীৰ বিৰুদ্ধে অতি শীঘ্ৰেই ব্যৱস্থা ল'ব লাগে। নহলে হয়তো এই হত্যাকাৰীসকলে পুনৰ নিৰপৰাধী সহজ-সৰল গাওঁবাসীৰ তেজেৰে হাত ৰঙা কৰিব পাৰে। ■



# আল্‌ফা সম্পৰ্কে কিছু কথা

আল্‌ফা আৰু চৰকাৰৰ মাজৰ আলোচনা হবনে নহয়, হলে কেতিয়া হব আদি প্ৰশ্নত অসমৰ সংবাদপত্ৰ, বুদ্ধিজীৱীমহল আৰু চৰকাৰী পক্ষ ব্যস্ত হৈ থাকোতেই আল্‌ফাৰ সদস্যসকলে ইতিমধ্যে গোপনে গাঁৱে গাঁৱে ঘূৰি ৰাইজৰ মতামত সংগ্ৰহ কৰি ফুৰিছে বুলি জানিব পৰা গৈছে। আলোচনা সম্পৰ্কে ৰাইজৰ মতামত কেনেধৰণৰ তাকে জানিবলৈকে বোলে এই ধৰণৰ অভিযান চলোৱা হৈছে। জানিব পৰামতে আল্‌ফাৰ সাধাৰণ সদস্যসকলে নেতৃবৃন্দৰ কিছু কাৰ্যত অসন্তুষ্টি প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰী আৰু গৃহমন্ত্ৰীক এড়ি কাপোৰ উপহাৰ দিয়াৰ প্ৰয়োজন ক'ত আছিল বুলি একাংশ সদস্যই প্ৰশ্ন তুলিছে। তদুপৰি সিদ্ধাৰ্থ ফুকনকে আদি কৰি নেতৃবৃন্দই চৰকাৰী উপহাৰ হিচাপে গ্ৰহণ কৰা সোণৰ (?) নিব্ আৰু মূৰযুক্ত কলমৰ বাবেও সদস্যসকলে প্ৰচণ্ড অসন্তুষ্টি প্ৰকাশ কৰা বুলি জানিব পৰা গৈছে। এই বিৰোধিতাৰ মুখামুখি হৈ নেতৃবৃন্দই হেনো কলমকেইটা বাহিনীৰ কামৰূপ জিলা সমিতিক শোধাই দিবলৈ বাধ্য হয়। আন এক সূত্ৰত জানিব পৰা মতে প্ৰায়বোৰ সদস্যই স্বাধীনতাৰ প্ৰশ্নত আলোচনা নোহোৱাত অসন্তুষ্টি প্ৰকাশ কৰাত সিদ্ধাৰ্থ ফুকনে আশ্বাস দিয়ে যে আলোচনাৰ প্ৰশ্নটো এটা কৌশল হিচাপেহে লোৱা হৈছে। আলোচনা মানে আত্মসমৰ্পণ নহয়; তেওঁলোকে মূল লক্ষ্যৰ পৰা কেতিয়াও আঁতৰি নাহে। যদি প্ৰকৃততে আলোচনাক এক কৌশল বুলিহে ভবা হৈছে তেতিয়া হয়তো সুদুৰ ভৱিষ্যততো অসমলৈ সুস্থিৰতা ঘূৰি নাহিব। একেটা সূত্ৰৰ পৰা জানিব পৰা গৈছে যে, সিদ্ধাৰ্থ ফুকনে সভাপতি অথবা সৰ্বাধিনায়কৰ অনুমতি অবিহনেই দিল্লীৰ

> হীৰকজ্যোতিৰ হত্যা সামৰিক বাহিনীৰ লোকৰ হাতত হোৱা নাই। বৰং সংগঠনৰে গুপ্ত নিৰ্দেশতে হীৰকজ্যোতিৰ হত্যা সংঘটিত হোৱাৰ সম্ভাৱনাহে সৰহ।

প্ৰাথমিক আলোচনাত ভাগ লোৱাৰ বাবেও সংগঠনটোৰ সাধাৰণ সদস্যসকল বিক্ষুব্ধ। কাৰণ সংগঠনৰ সংবিধান অনুসৰি সৰ্বোচ্চ পৰিষদৰ অনুমতি অবিহনে কোনো নেতাই নিজাববীয়াকৈ একো সিদ্ধান্ত গ্ৰহণ কৰিব নোৱাৰে। আনকি সভাপতিৰো সেই ক্ষমতা নাই। তেনেস্থলত সিদ্ধাৰ্থ ফুকন বা অনুপ চেতিয়াই আলোচনা হ'ব বুলি বিবৃতি দিয়াৰ অধিকাৰ ক'ত পাইছে বুলি সদস্যসকলে প্ৰশ্ন তুলিছে।

একেটা সূত্ৰৰ পৰাই আন কিছু কথাও জানিব পৰা গৈছে। হীৰকজ্যোতি মহন্তৰ হত্যা সম্পৰ্কে ৰাজহুৱাভাবে অন্যমত প্ৰকাশ কৰিলেও তেওঁলোকে জানে যে হীৰকজ্যোতিৰ হত্যা সামৰিক বাহিনীৰ লোকৰ হাতত হোৱা নাই। বৰং সংগঠনৰে গুপ্ত নিৰ্দেশতে হীৰকজ্যোতিৰ হত্যা সংঘটিত হোৱাৰ সম্ভাৱনাহে সৰহ। কাৰণ আজি এবছৰমানৰ আগৰ পৰাই হীৰকজ্যোতিয়ে বোলে টকা-পইচাৰ লেনদেনৰ ক্ষেত্ৰত সংগঠনক ফাকি দিবলৈ ধৰিছিল। সংগঠনৰ উচ্চ নেতৃত্বৰ নিৰ্দেশ নোহোৱাকৈয়ে হীৰকজ্যোতিয়ে এনে কিছু কাম কৰিবলৈ ধৰিছিল যে তাৰফলত নেতৃত্ব আৰু সাধাৰণ সদস্যৰ মাজতো অসন্তুষ্টি আহিছিল।

আলোচনা যদি সফল নহয়, বা আলোচনাত যদি আপোচৰ পথ গ্ৰহণ কৰা হয়, তেতিয়াহলে হেনো সাধাৰণ সদস্যসকলে নিজেই সংগঠনৰ নেতৃত্ব গ্ৰহণ কৰিব আৰু কোনোমতে আল্‌ফাৰ বিপ্লৱী চৰিত্ৰক ক্ষুণ্ণ হবলৈ নিদিয়ে। আল্‌ফাৰ সাধাৰণ সদস্যসকলৰ এই অনমনীয় মনোভাবৰ কথা যদি সত্য হয়, তেনেহ'লে অসম আকৌ যে বধ্যভূমি হৈ উঠিব সি ধুৰুপ। ▫

আত্ৰেয়ী


পূৰবী প্ৰকাশনৰ পৰা

*নতুন আৰু বৰ্ণাঢ্য সাজেৰে প্ৰকাশ পালে–*

## জনক্ৰান্তি

প্ৰতি দেওবাৰে

সকলো ধৰণৰ প্ৰবন্ধ-পাতি পঠোৱাৰ ঠিকনা–
সম্পাদক,
জনক্ৰান্তি
মনজেৰা হাউচ, মতিলাল নেহৰু পথ
পানবজাৰ, গুৱাহাটী- ১

(এজেন্সিৰ বাবে চাৰ্কুলেচন মেনেজাৰৰ লগত যোগাযোগ কৰক)

# নাৰিকৰ নতুন অভিযান- বুৰঞ্জী পাঠ

অনিল ভূঞা

ক্ষমতা মানৱ ইতিহাসৰ এটা অতি চৰ্চিত শব্দ। ইয়াৰ বাবেই সদায় দুচাম মানুহৰ মাজত প্ৰতিদ্বন্দ্বিতা সংঘাত সৃষ্টি হ'ব লাগিছে। অবাধ ক্ষমতা আৰু স্বেচ্ছাচাৰৰ বশৱৰ্তী হৈ এচাম মানুহে আন এচাম মানুহক প্ৰাপ্য অধিকাৰৰ পৰা বঞ্চিত কৰি দানৱীয় মনোবৃত্তিৰে শোষণ-উৎপীড়ন চলাই যায়, তাৰ উদাহৰণে যি দৰে মানৱ বুৰঞ্জীৰ পাত ভৰপুৰ, ঠিক সেই দৰে সৰ্বস্ব হেৰোৱা পীড়িত জনগণে এদিন এই অন্যায় স্বেচ্ছাচাৰিতাক মানৱীয় শক্তিৰে নিৰ্মূল কৰিছে, তাৰ উদাহৰণো তেনেই কম নহয়। কেৱল অতীততেই নহয়, বৰ্তমানেও বিশ্বৰ বহু ঠাইত এই এচাম মানুহৰ শোষণ, নিষ্পেষণৰ বলি হ'ব লাগিছে নিঃসম্বল, যোত্ৰহীন এচাম মানুহ; এদিন তেওঁলোকে তাৰ পৰা মুক্তি বিচাৰি মানৱ বুৰঞ্জীৰ ওচৰ চাপিছে। এনে এক উপজীব্য বিষয়কে লৈ অসমৰ এজন প্ৰসিদ্ধ নাট্যকাৰ অৰুণ শৰ্মাই ৰচনা কৰি উলিয়াইছে, 'বুৰঞ্জী পাঠ' আৰু সেই নাটকেই যোৱা ২৭, ২৮ জানুৱাৰীত মঞ্চস্থ হ'ল জিলা পুথি-ভঁৰালত, লক্ষীমপুৰৰ নাট্য বিকাশ কেন্দ্ৰ (নাৰিকৰ)ৰ দ্বাৰা।

সুদীৰ্ঘ দিন বিৰতিৰ পাছত নাৰিকৰ এয়া চতুৰ্দশ নিবেদন। এক প্ৰকাৰৰ প্ৰৰ্তাহবন হিচাপে লৈয়ে নাৰিকে এই নাটক মঞ্চস্থ কৰিছে। বৰ্তমানেও আলোচনীৰ পাততেই থকা এই নাটখনি ইতিমধ্যে অসমৰ কেইবাটাও বিখ্যাত নাট্য গোষ্ঠীয়ে হাতত লৈও শেষত মঞ্চৰূপ দিয়াত বিফল হয়।

মঞ্চৰ আঁৰ কাপোৰ উন্মোচনৰ আগতেই নাট্যকাৰ শৰ্মাই নাটকৰ বিষয়বস্তু তথা কি পৰিস্থিতিত কেনেধৰণে নাটকখন লিখিব লগা হ'ল, এই বিষয়ে দৰ্শকক বুজাই দিয়ে চমুকৈয়ে।

নিবাৰণ ভট্টাচাৰ্য, চিঞৰ, আহাৰ আদি নাটৰ দৰে শৰ্মাৰ এই নাটকৰ বিশেষ অভিনৱত্ব নাই। কিন্তু গাঁৱৰ সমাজ এখনক লক্ষ্য কৰি বৈৰাগীৰ যি কথা কোৱাৰ ঢঙ, অসমীয়া মানুহৰ আশীৰ্বাদ দিয়াৰ যি ৰীতি, মৌজাদাৰণী প্ৰিয়ৰাণী, ভূঞা, গাঁওবুঢ়া, মণ্ডল আদি সমাজৰ কল্যাণকামী সকলৰ মুখাৰ তলত থকা শোষণৰ বাস্তৱ ছবি, ভৃগু, চিদ্দিক, বলো, ভেলাইঁতৰ কথা-বতৰাত ফুটি উঠা জনজাতিৰ প্ৰতি চৰম অৱহেলা, বানৰ ভয়াবহতা, ভূমিৰ অসম বন্টন, চৰ অঞ্চলৰ পমুৱা ৰাইজৰ দুখ-দুৰ্গতি, পৰিসমাপ্তিত ঐতিহাসিক চেতনাৰে প্ৰবুদ্ধ হৈ শোষিতৰ, শোষকৰ বিৰুদ্ধে ঐক্যবদ্ধ সংগ্ৰাম আৰু উত্তৰণৰ ইংগিত, এই সকলোবোৰতেই নাট্যকাৰৰ দক্ষ হাতৰ পৰশ পৰি নাটখনে এক সুকীয়া মৰ্যাদা লাভ কৰিবলৈ সক্ষম হৈছে।

কোনো ধৰণৰ মঞ্চ কৌশল, মঞ্চ-সজ্জা, কোনো নতুন আঙ্গিকৰ প্ৰয়োগ নকৰাকৈয়ে অতি সহজ আৰু সাধাৰণ ভাবে পৰিচালক প্ৰশান্ত বৰাই নাটখন উপস্থাপন কৰিছে। নাটখনিৰ সময় আৰু পটভূমি স্বাধীনতা লাভৰ ঠিক পাছৰ সময়খিনি। তাকে আৰু অধিক স্পষ্ট কৰি বুজাবলৈ পৰিচালকে আৰম্ভণিতে ছায়া-মায়া পোহৰত, বিদেশীয়ে স্বদেশীৰ হাতত শাসনভাৰ তুলি দিয়াৰ যি নতুন দৃশ্য সংযোজন কৰিছে তাৰ ফলত নাটক খনিত অন্য এটা মাত্ৰা যোগ হয়। ইয়াৰ পাছৰ দৃশ্যতে নাটক খনিৰ এটি আকৰ্ষণীয় চৰিত্ৰ বৈৰাগী (অভিনয় হেমকান্ত গগৈ)ৰ ওজাপালিৰ ওজাৰ ঢঙত কৰা অভিনয়ে নাটখনিৰ ওপৰত যি আগ্ৰহ জন্মাইছিল



*নাৰিকৰ দ্বাৰা মঞ্চস্থ হোৱা বুৰঞ্জী পাঠ নাটৰ এটি দৃশ্যত ঘন শৰ্মা, হেমকান্ত গগৈ আৰু কিৰণ গগৈ*

তাক বহু পৰিমাণে ম্লান কৰি পেলায় পাছৰ দৃশ্যৰ মৌজাদাৰ চৰিত্ৰত অভিনয় কৰা - চন্দ্ৰ বৰাই। সংলাপ প্ৰধান নাটকখনৰ প্ৰথমছোৱাৰ এক গুৰু ভাৰ আছিল তেওঁৰ কান্ধতেই। বৰাৰ অভিনয় স্বচ্ছন্দ হ'লেও সংলাপ ইমানেই শ্ৰুতিকটু আছিল যে প্ৰথম শাৰীত বহি গভীৰ মনোযোগেৰেও অস্পষ্ট সংলাপসমূহ বুজিব পৰা নগ'ল। নাটখনিত শোষিত জনগণক বুৰঞ্জীৰ শিক্ষাৰে সচেতন কৰি তোলা 'কুলহৰি' চৰিত্ৰটিত অভিনয় কৰা প্ৰবীন মঞ্চ শিল্পী নন্দকিশোৰ মহেশ্বৰীৰ অভিনয়ো নিখুঁত নহয়। তেওঁৰ প্ৰথম দৃশ্যত সংলাপৰ লগতে নাচি উঠা দেহৰ ভংগীয়ে নিশ্চয় সেইজন ককাকক প্ৰতিনিধিত্ব নকৰে যাৰ নাতিয়েকৰ চুলিত ৰূপালী বোল ধৰিছে। অভিনেতা জনৰ মাজে মাজে তেওঁৰ অজ্ঞাতেই ওলোৱা কন্ঠস্বৰে বয়সৰ সীমাৰ পৰিধি ভাঙি দিয়ে। একমাত্ৰ নাৰী চৰিত্ৰ - মৌজাদাৰনী প্ৰিয়ৰাণীৰ ভাওত মৰমী দত্তই তেওঁৰ অভিনয় ক্ষমতাৰ পৰিচয় দিয়ে। নাৰিকৰ আগৰ কেইখন মান নাটকত পৰিচালক ৰূপে প্ৰশান্ত বৰা যিমান সফল হৈছিল, অভিনেতা স্বৰূপে সিমান সফল হ'ব পৰা নাছিল। বুৰঞ্জী পাঠৰ এটি গুৰুত্বপূৰ্ণ চৰিত্ৰ 'ভূঞাৰ' ভাওত এইবাৰ তেওঁ বিশ্বাসযোগ্য অভিনয় কৰি দেখুৱালে। নাটকৰ আন বাকীবোৰ চৰিত্ৰই স্বাভাৱিক অভিনয় কৰি গৈছে। অৱশ্যে সকলো দৰ্শকে নিশ্চয় স্বীকাৰ কৰিব, বৈৰাগীৰ চৰিত্ৰত হেমকান্ত গগৈৰ আকৰ্ষণীয় অভিনয়। সংলাপবোৰত ফুটি উঠা থলুৱা বৈশিষ্ট্য, থিয় হোৱা, পদচালন আৰু মুখৰ অভিব্যক্তিৰে গগৈয়ে ভৱিষ্যতে সাৰ্থক অভিনয়ৰ প্ৰতিশ্ৰুতি দিয়ে।

আগতেই কোৱা হৈছে - বিশেষ কোনো কলা কৌশলৰ প্ৰয়োগ নকৰাকৈয়ে সহজ-সৰল ভাবে নাটখনি পৰিচালকে উপস্থাপন কৰিছে। মঞ্চ সজ্জাৰ নামত যি সামান্য বেদী মঞ্চলৈ অনা হৈছে সি সুন্দৰভাবে ব্যৱহৃত হৈছে। পোছাকৰ ৰং আৰু ডিজাইনে নাটকৰ সময় আৰু পটভূমিৰ লগত সামঞ্জস্য ৰক্ষা কৰিব পাৰিছে। মেক-আপৰ বিষয়ে বিশেষ ক'ব লগীয়া নাই। অৱশ্যে বৈৰাগী চৰিত্ৰটি আৰু বিশ্বাসযোগ্য কৰি তুলিব পাৰিলেহেঁতেন, যদিহে এমুৰ কিচকীচিয়া ক'লা চুলিৰ সলনি, দুই এডাল পক ধৰা চুলিৰে পৈণত বয়সীয়া এজন মানুহ সজালেহেঁতেন।

ঘটনাৰ লগত সংগতি ৰাখি নাটকৰ মূল বক্তব্য প্ৰকাশ কৰাত আৱাহ সংগীতৰ যথেষ্ট সুবিধা আছিল। ৰাতিৰ পৰিবেশ ফুটাই তোলাত কীট-পতঙ্গৰ মাতৰ সংযোজন আৰু পুৱাৰ পৰিবেশটো দৰ্শকক উপলব্ধি কৰোৱাত - মৃদুল বৰুৱাই কৃতিত্ব দাবী কৰিব পাৰে। কিন্তু নাটকৰ প্ৰথম গীতটোৰ তীব্ৰ উঠা-নমা শব্দ বিৰক্তিকৰ।

মানিক আহমেদ আৰু দিলীপ গগৈৰ পোহৰে নাটকৰ শেষৰ ছোৱাক এটা গতি আনি দিব পাৰিলেও, ৩য় দৃশ্যত পোহৰে পৰিবেশ সৃষ্টি কৰাত ব্যৰ্থ হৈছে। কোনো আগতীয়া প্ৰস্তুতি নোহোৱাৰ দৰে এই দৃশ্যত পোহৰ ইচ্ছা মতে বাঢ়ে, কমে, কেতিয়াবা স্পটে শিল্পীক বিচাৰি ব্যস্ত হয়।

ইংৰাজ সকলে নিজৰ স্বাৰ্থত সৃষ্টি কৰা মৌজাদাৰী প্ৰথা স্বাধীনতাৰ পাছতো অসমৰ গাৱেঁ-ভূৱেঁ থাকি যায়। শাসক গোষ্ঠীৰ লগত জড়িত এই মৌজাদাৰী প্ৰথাটোক ইয়াত শোষণৰ প্ৰতীক হিচাপে দেখুওৱা হৈছে। কুলহৰি, তেওঁৰ নাতিয়েক কেইজন, বৈৰাগী, ভৃগু, চিদ্দিক, বলো, ভেলা আদিয়ে ঐক্যবদ্ধ শোষিত জনগণৰ প্ৰতিনিধিত্ব কৰিছে। ঐতিহাসিক চেতনাৰে কুলহৰিয়ে শোষিত জনগণক নিৰ্যাতনকাৰীৰ বিৰুদ্ধে সচেতন কৰি তুলিছে। নাটকৰ পৰি সমাপ্তিত শাসক শোষিতৰ শেষ সংঘাত সংঘটিত হৈছে। নাটকখনত উত্তেজনা, কৌতূহলে চৰম সীমা পাইছেগৈ এই অন্তিম দৃশ্যটোতেই। এই গুৰুত্বপূৰ্ণ দৃশ্যটো পৰিচালকে দক্ষতাৰে দৰ্শকৰ আগত উপস্থাপন কৰিছে। আঁৰ কাপোৰ পৰাৰ আগতে ছায়া-মায়া পোহৰত জনতাৰ বিক্ষোভৰ প্ৰতীক স্বৰূপ বন্দুকটোৰ ট্ৰিগাৰত হাত থৈ কুলহৰিয়ে শোষণকাৰীৰ পুনৰজীৱনৰ বিৰুদ্ধে সতৰ্কতাৰে পহৰা দিছে আৰু শোষিত জনগণে ঐক্যবদ্ধ ভাবে মানৱ শক্তিৰে দীক্ষিত হৈ দানৱীয় শক্তিক মষিমূৰ কৰি, অগ্ৰসৰ হবলৈ সংকল্প গ্ৰহণ কৰিছে। এই দৃশ্যতেই পৰিচালক বৰাৰ সু-ৰুচি সম্পন্ন পৰিকল্পনা ধৰা পৰে।

আজি প্ৰায় ১২ বছৰৰো অধিককাল ধৰি নাৰিকে নাট সম্পৰ্কীয় বিভিন্ন পৰীক্ষা-নিৰীক্ষাৰে, এক সবল-সুস্থ গতিশীল অৱস্থাত অৱতীৰ্ণ হবলৈ প্ৰয়াস কৰি থকা দেখা গৈছে। একোটি দলৰ বাবে ই নিতান্তই কম সময় নহয়। আমি আশা কৰো যিমান সহজ-সাধাৰণ ভাবেই নহওক নাইবা বিজ্ঞানসম্মত ভাবে উন্নত বিদেশী টেকনিকৰ সাহায্যৰেই নাটক মঞ্চস্থ নকৰক, এই ক্ষুদ্ৰ সূক্ষ্ম (?) ভুলবোৰ যেন অমনোযোগিতাৰে এৰাই নাযায়। নাটকৰ সৈতে জড়িত প্ৰতিজন কৰ্মীয়েই মনত ৰাখিব লাগিব - মঞ্চৰ দায়িত্ব নাট্যকাৰ বা পৰিচালকৰেই নহয়। প্ৰযোজনা পৰিষ্কাৰ হলেহে নাটকৰ বক্তব্য দৰ্শকৰ আগত পৰিষ্কাৰ হয়।

শেষত কওঁ – বৰ্তমান অসমৰ এই অশান্ত পৰিবেশকো আওকাণ কৰি, অতি প্ৰয়োজনীয় বক্তব্যৰে সময়োপযোগীকৈ নাৰিকে যিখন নাট দৰ্শকক উপহাৰ দিলে তাক নশলাগি নোৱাৰি। নাৰিকৰ এই দুঃসাহসী প্ৰচেষ্টাক আমি অভিনন্দন জনাওঁ। ■

## মহামূল্যবান পুৰণি মদ

মদ যিমানেই পুৰণি হয় সিমানেই সি বেচি উৎকৃষ্ট হয়। এসময়ত এজন ধনী মানুহ আছিল আৰু তেওঁৰ ঘৰত মহামূল্যবান পুৰণি মদৰ এটা বৃহৎ ভাণ্ডাৰ আছিল। সেইবোৰৰ ভিতৰতো একলহ অতি পুৰণি মদ এটা বিশেষ উপলক্ষ্যত খাবৰ কাৰণে তেওঁ আছুতীয়াকৈ সাঁচি ৰাখিছিল। উপলক্ষ্যটো কি সেই কথা তেওঁৰ বাহিৰে আন কোনেও নাজানিছিল।

এদিন প্ৰদেশৰ শাসনকৰ্তা তেওঁৰ ঘৰলৈ ফুৰিবলৈ আহিল। ধনীমানুহজনে অলপ চিন্তা কৰি নিজকে নিজে কলে – 'এজন সামান্য শাসনকৰ্তাৰ কাৰণে মদৰ পাত্ৰটো খোলা উচিত নহ'ব।'

আন এদিনাখন আহিল স্থানীয় গীৰ্জাৰ যাজকজন। ধনী মানুহজনে আকৌ নিজকে কলে – 'ওহোঁ, মই মদৰ পাত্ৰটো নোখোলো। ধৰ্মযাজকে তাৰ মূল্য বুজি নাপাব। এনেহেন আপুৰুগীয়া মদৰ সুগন্ধ অনুভৱ কৰিবলৈ তেওঁৰ নাকৰ শক্তি নাই।'

এদিন নৈশ আহাৰৰ সময়ত তেওঁৰ আলহী আছিল দেশৰ যুৱৰাজ। কিন্তু মানুহজনে মনে মনে ভাবিলে – 'মোৰ এই মদ সম্ৰাটৰহে উপযোগী। এজন সামান্য যুৱৰাজ এই মদ খোৱাৰ যোগ্য নহয়।'

আনকি যিদিনা তেওঁৰ ভতিজাকৰ বিয়া হ'ল, সেইদিনাও মানুহজনে নিজকে নিজে কলে – 'বিয়াৰ আলহী সুধিবৰ কাৰণে মই এই মদ সাঁচি ৰখা নাই।'

বছৰবোৰ পাৰ হৈ গ'ল। মানুহজন বুঢ়া হ'ল আৰু এদিন তেওঁ মৰি থাকিল।

তেওঁক সমাধিস্থ কৰিবৰ দিনা আলহী সুধিবৰ কাৰণে আটাইবোৰ মদৰ কলহ উলিয়াই অনা হ'ল। সেইবোৰৰ ভিতৰত আছিল ধনী মানুহজনে কোনো এক বিশেষ উপলক্ষ্যৰ কাৰণে সাঁচি ৰখা সেই বিশেষ মদৰ কলহটোও। গাঁৱৰ চহা-হজুৱা আটাইবোৰ মানুহে মদবোৰ সমানে ভগাই খালে। কিন্তু সেই বিশেষ মদৰ কলহটো কিবা বিশেষ মদ বুলি বা মহামূল্যবান মদ বুলি কোনেও চিনিকে নাপালে।

*খলিল জিব্ৰান*

গল্প

# অনৰ্থক

সুৰজিত বৰুৱা




বম্বেৰ চান্টা ক্ৰুজ বিমান বন্দৰত লণ্ডনৰ পৰা অহা এয়াৰ ইণ্ডিয়াৰ বিমানখন অৱতীৰ্ণ হওঁতে নিশা ঠিক এঘাৰ বাজি পোন্ধৰ মিনিট সময় হৈছিল। ইয়াৰ পৰা কলিকতা অভিমুখে উৰণ পুৱা পাঁচটা চলিছত। তাৰ পৰা গুৱাহাটীলৈ দুপৰীয়া এটা চলিছত। গুৱাহাটীত বোধহয় মাহীদেউৰ ঘৰত এৰাতি কটাবই লাগিব। এইকেইদিন হেনো সময়মতে বিমান যোৱাই নাই। গুৱাহাটী পাওঁতে নিশ্চয় গধূলিয়েই হ'ব। তেতিয়া আৰু মোৰ নগাঁৱলৈ যোৱা শক্তি ক'ত থাকিব। দেউতাৰ অন্ত্যেষ্টিক্ৰিয়া হৈ গলেই যেতিয়া ঘৰ গৈ পিছদিনা পুৱা পালেও হ'ব। মনৰ দুঃখ আৰু শাৰীৰিক ক্লান্তিৰ সংমিশ্ৰণটো অতি অদ্ভুত – যেনে কোনোটোৱেই সঠিককৈ অনুভৱ কৰিব নোৱাৰি। নিশাৰ সাত ঘণ্টামান সময় ক'ত কটাও ঠিক কৰিব পৰা নাই – আন্তৰ্জাতিক টাৰ্মিনেল বিল্ডিঙত নে ডমেষ্টিকটোত। বোধহয় ডমেষ্টিকলৈ যোৱাই ভাল হ'ব।

কাষ্টমৃৰে ডেওনা পাৰ হৈ ডমেষ্টিক লাউঞ্জ পাওঁতে পাওঁতে প্ৰায় ডেৰটাই বাজিল। মালপত্ৰখিনি কাষতে লৈ চুকৰ ঠাই এটুকুৰাত বহি লৈ চিগাৰেট এটা জ্বলাই লোৱাৰ লগে লগে মন সুদূৰ কালিফৰ্ণিয়াত এৰি অহা মোৰ নিজৰ ঘৰখনলৈ উৰা মাৰিল। ৰঞ্জনাই এতিয়ামানে নিশ্চয় স্কুলৰ পৰা আনিলে। তাৰ ছবছৰ হ'লেহে অকলে অহা যোৱা কৰিবলৈ দিয়া হ'ব। ৰিয়া স্কুলৰ পৰা ঘৰ পাবলৈ এতিয়াও দুঘন্টাৰো ওপৰ সময় আছে। 'ক'ত চান ডিয়েগ' – ক'ত বম্বে!

নগাঁৱৰ ঘৰখনৰ কথাতো মনলৈ আহিয়েই আছে। মা ঢুকুৱা দুবছৰ নৌহওঁতেই দেউতাও গ'ল। মা ঢুকুৱাৰ পৰা ঘৰখনৰ যেন কিবা এটা প্ৰাণ নোহোৱা হৈ গ'ল। দাদাই লিখা মতে ভনী দুজনীও আজিকালি আগৰ দৰে আহি নথকা হ'ল। আৰু ভাইটীৰতো কথাই নাই। অনবৰত বন্ধু-বান্ধৱ লৈয়ে ব্যস্ত। দাদা-নবৌৱে তাৰ বাবে চিৰিয়াচ্‌লি ছোৱালী বিচাৰিছে নে নাই বা?

আজি দেউতা ঢুকুৱা পাঁচ দিন হ'ব। অৱশ্যে ভাল কথা এটাই – বৰ বিশেষ কষ্ট নোপোৱাকৈ গ'ল। খুড়া-দেউহঁত ওচৰতে আছিলেই। মোৰ বাহিৰে বাকী চাৰিওটা ল'ৰা-ছোৱালীকে ওচৰতে পালে। অৰ্থনৈতিক দিশতো দেউতাৰ একো অসুবিধা হোৱা নাছিল। মাত্ৰ মা ঢুকুৱাৰ পিছৰ পৰা ল'ৰা-ছোৱালী নাতি-পুতি সকলো পায়ো দেউতাই যি নিঃসঙ্গতা অনুভৱ কৰিছিল তাক বুজিব পাৰি। ৰঞ্জনাই মোক এনেয়ে নকয় – 'মই তোমাতকৈ আগেয়ে নমৰিলেই হয়। ঘৈণীয়েকবোৰ আগেয়ে গ'লে বুঢ়াবোৰ একেবাৰে নিশকতীয়া হৈ যায়।'

এইবোৰ কথা ভাবি ভাবি হঠাৎ বৰ্তমানৰ পৰিবেশটোৰ প্ৰতি সচেতন হৈ উঠিলো। এই সময়ত এয়াৰপোৰ্টৰ এই ঠাইখিনিত বৰ বেছি আঠজনমান মানুহহে আছে। মোৰ সন্মুখত প্ৰায় দহ ফুটমান ব্যৱধানত মুখামুখিকৈ এশাৰী চকিত এটা শিখ্ পৰিয়াল বহি আছে। মাক আৰু সৰু ল'ৰাটো টোপনিত আৰু দেউতাকে এখন 'ইণ্ডিয়া টুডে'ৰ পাত লুটিয়াই আছে। মোৰ দৃষ্টি আকৰ্ষণ কৰিলে সেই শাৰী চকিৰেই প্ৰায় এটা মূৰত বহি থকা এগৰাকী মহিলাই। মজলীয়া গঠনৰ শাৰী পৰিহিতা আৰু পাতল ফ্ৰেমৰ চছমা ব্যৱহাৰ কৰা মহিলা গৰাকীয়ে মোক যেন একান্ত মনে নিৰীক্ষণ কৰি আছে – এনে ভাব হ'ল। ময়ো তেখেতক অলপ সময় মন দি চাই অসমীয়া যেন লাগিল; কিন্তু কেতিয়াও আগতে দেখা মনত নপৰে। এটা জিজ্ঞাসাসূচক ভাবেৰে তেওঁক চাই থাকোতে হঠাৎ এবাৰ চকুৱে চকুৱে পৰিছিল। কিন্তু তেওঁ দৃষ্টি আঁতৰাই নিলে। বোধহয় মোৰেই ভুল হৈছে। এনে নৈৰ্ব্যক্তিক আৰু অলস পৰিবেশত ইন্দ্ৰিয়ানুভূতি আৰু সচেতন ভাবৰ সঙ্গতিবিহীনতা একো অস্বাভাৱিক নহয়।

টয়লেটলৈ বুলি উঠি গ'লো। তিনি মিনিটমান পিছত মোৰ বহি থকা ঠাইখিনিলৈ বুলি আহোতে দূৰৰ পৰা দেখিলো যে সেই মহিলা গৰাকীয়ে মোৰ মাল-পত্ৰখিনিৰ ওচৰলৈ আহি চুটকেচত লগাই থোৱা টেগ্‌বোৰ একান্তমনে চাই আছে। যেন বুজিবলৈ চেষ্টা কৰিছে, মই ক'ৰ পৰা আহিছো, কলৈ যাম। হঠাৎ মূৰ তুলি চাই মোক দেখি পুনৰ ততাতয়াকৈ নিজৰ স্থানলৈ ঘূৰি যাবলৈ ধৰাত মই আহি ওচৰ পালোহিয়েই। তেৱোঁ ঘপ্‌কৈ ৰৈ গ'ল। বোধহয় বুজিলে যে এতিয়া আৰু কথোপকথন অনিবাৰ্য। মোৰ ওচৰলৈ আহিলত তেওঁক ভালকৈ লক্ষ্য কৰিলো। বেছ ওখই মানুহ গৰাকী – পাঁচ ফুট ছয় মানেই হ'ব চাগে। দৰকাৰতকৈ বেছি প্ৰসাধন কৰিও কিবা এটা হুঁটা আৰু গ্ৰাম্য ভাব লুকুৱাব পৰা নাই – অন্ততঃ মোৰ চকুত।

"Excuse me, but may I know if you are going to Guwahati" - তেওঁ সুধিলে।

"Yes, I am"

"Are you from that place?"

"Not exactly, I am from Nagaon."

'আপুনি অৰ্ণব বৰদলৈ নহয়নে?'

'হয়। পিছে.......... আপুনি.........?'

'মোক চিনি পোৱা নাই?' মোহনীয়তা প্ৰয়াসৰ হাঁহি এটাৰে মোক একেথৰে চাই থাকি সুধিলে। ময়ো তথা লাগি চাই থাকিলো। পান্না হাজৰীকাৰ ঘৰলৈ অহা কোনোবা আলহী আছিল চাগে। এনেয়ে এটা 'ব্লাইণ্ড' মাৰি চালো।

'ঠিক ধৰিব পৰা নাই। আপোনাক বোধহয় চান ডিয়েগ'ত পান্না হাজৰীকাৰ ঘৰত লগ পাইছিলো নেকি?

কিছু সময় এক অস্বস্তিপূৰ্ণ নিস্তব্ধতাৰে অতিবাহিত হোৱাৰ পিছত তেওঁ কলে–

'মই বেবী'

'বেবী? বেবী মানে.........?'

'অ! শিলঙৰ অজন্তা শইকীয়া। এতিয়া বুজিছা?'

'বহা।'

* * * *

বেবী! এয়া বেবী!! অজন্তা শইকীয়া! মোৰ সতে এয়া আঠাইশ বছৰ পিছত দেখা-দেখি। মন ঘূৰি গ'ল প্ৰায় ত্ৰিশ বছৰ আগৰ শ্বিলঙৰ এড্‌মণ্ডচ্ কলেজৰ দিনবোৰলৈ। মই তেতিয়া দ্বিতীয় বাৰ্ষিক স্নাতক ছাত্ৰ আৰু বেবীয়ে ল'ৰেট স্কুলৰ পৰা পাছ কৰি এবছৰীয়া প্ৰাক্-বিশ্ববিদ্যালয় শ্ৰেণীত। আমাৰ প্ৰথম লগপোৱা পুলিচ বজাৰৰ 'নিউ ইণ্ডিয়া' ৰেষ্টুৰাঁত। একেবাৰে লাভ এট্ ফাৰ্ষ্ট চাইট্। আমি চাৰিটা ল'ৰাই নংশ্বিলিয়াঙত মেচ কৰি থাকো আৰু বেবী থাকে মতিনগৰত তেওঁৰ মোমায়েক-মামীয়েকৰ লগত। তেওঁলোক দুয়ো জনেই একেবাৰে উদাৰ মানুহ আৰু মোৰ আৰু বেবীৰ অবাধ মিলা-মিচাত অলপো হকাবধা কৰা নাছিল। লাহে লাহে গঢ় লৈ উঠিল এবছৰ জোৰা এক প্ৰবল প্ৰেমৰ অধ্যায়। মোৰ ঘনিষ্ঠ বন্ধু আৰিফৰ গাড়ীখন লৈ আমি দুয়ো যে ক'লৈ যোৱা নাই। স্প্ৰেড্ ঈগলছ্ ফলছৰ শিলত বহি আলিঙ্গন কৰি দুয়ো শপত খাইছিলো – মৃত্যুৱেই আমাক বিছিন্ন কৰিব নোৱাৰে। গলফ্ লিঙ্ক্‌চৰ পাইনৰ তলৰ ঘাঁহনিত ওপৰ মূৰকৈ দুয়ো শুই শুই গছৰ ফাঁকে ফাঁকে আকাশ চাই মই যেতিয়া গাইছিলো – 'আকাশ আমাক অকণি আকাশ দিয়া' বেবীয়ে তেতিয়া মোৰ বুকুত মূৰটো থৈ এখন হাতেৰে সাবট মাৰি কৈছিল – 'অকণি আকাশ কিয়, মই তোমাক ব-হু-ত আকাশ দিম।' সেইবোৰ দিনত এনে ভাব হৈছিল যেন শ্বিলং আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলৰ প্ৰতিটো মনোমোহা দৃশ্যত আমাৰ অস্তিত্বৰ কিবা এটা চিৰদিনৰ বাবে ৰৈ যাব।

তাৰ পিছত? তাৰ পিছত বাঙ্গালোৰত কম্পিউটাৰ ইঞ্জিনিয়াৰিং শিক্ষা – চিঠি-পত্ৰৰ আদান-প্ৰদান। হষ্টেলত সকলোৱে মোক 'লাভাৰ বই' বুলি মাতিছিল। কিন্তু চিঠিবোৰৰ পৰা লাহে লাহে গম পাবলৈ ললো – বেবী ঠিক মই ভবাৰ দৰে ছোৱালী নহয়। টকা-পইছা, সম্পত্তি আদিক জীৱনত তেওঁ অগ্ৰাধিকাৰ দিয়া যেন লাগিল। 'আমাৰ বিয়াৰ পিছত গাড়ী কিন্তু দুখন লাগিব দেই। মোক এখন independently লাগিব। মঞ্জুলাহঁতৰ যে কি মজা। কম্পেনীৰ গাড়ীখন ধৰিলে তিনিখন হয়গৈ!' বেবীৰ চিঠিবোৰ লাহে লাহে অলপ আমনি লগা হ'লগৈ। কি কাৰণত ঠিক ক'ব নোৱাৰো – আমাৰ ব্যৱধান লাহে লাহে বাঢ়ি আহিবলৈ ধৰিলে। এটা সময়ত হঠাৎ বেবীৰ পৰা চিঠি অহা বন্ধ হৈ গ'ল। তথাপি মই এখন চিঠি দিছিলো – আমাৰ ভৱিষ্যত সম্পৰ্কে পোনপটীয়া প্ৰশ্ন কৰি – উত্তৰ কিন্তু নেপালো। সেয়ে শেষ। কিছুদিনলৈ মোক এক হতাশাই আগুৰি নধৰা নহয়; কিন্তু কৰ্মৰ ব্যস্ততাই ইয়াৰ পৰা ওলাই আহিবলৈ বাধ্য কৰালে।

ইঞ্জিনিয়াৰিং শিক্ষা আৰু তাৰ পিছত বিদেশত পি এইচ্ ডি, তাৰ পিছত বিদেশত চাকৰি কৰি থিতাপী লোৱাৰ ব্যস্ততাৰ মাজত বেবী মনৰ পৰা একেবাৰেই ম্লান হৈ গ'ল। চৈধ্য বছৰ আগেয়ে ৰঞ্জনাৰ সতে বিয়া আৰু তাৰ আঢ়ৈ আৰু ছবছৰ পিছত ক্ৰমে ৰিয়া আৰু বিক্ৰমৰ আগমন। এই পৰিপূৰ্ণতাৰ মাজত প্ৰায় তিনিটা দশকৰ আগৰ কৈশোৰৰ উত্তাল 'প্ৰেম'ৰ ৰোমন্থনৰ কিবা অৰ্থ আছে জানো?

* * * *

"কি ভাবিছা?"

"তুমি এতিয়া ক'ত কি কৰিছা?"

"আমি মৰাণৰ ওচৰৰ বাগিছা এখনত থাকো। এখেত মেনেজাৰ।"

"তেওঁৰ কি নাম বাৰু?"

"অনিৰুদ্ধ কাকতী। তুমি জানা নেকি?"

"যোৰহাটৰ?"

"অ! পিছে এতিয়া দেউতাকহঁত গুৱাহাটীতে চেটেলড্।"

"বেছ ধুনীয়া ল'ৰা।"

অনিৰুদ্ধ কাকতী! বিৰাট ফুলবাবুটো! বাঃ! এসময়ত তাৰ জোতাই দহজোৰমান আছিল।

"মোৰ ডাঙৰ ল'ৰাটো পুনেত পঢ়ে। তাকে লগ ধৰিবলৈ আহিছিলো।"

"পিছে ৰাতিখন ইয়াৰপোৰ্টত।"

"না-ই, মানে কথাটো হ'ল, মই বম্বেত মোৰ বন্ধু এগৰাকীৰ লগত দুদিন আছিলো। গিৰিয়েক ডাক্তৰ, ফিল্ম চিটি ৰ'ডত থাকে। গতিকে ইমান দূৰৰ পৰা ইয়াত ৰিপৰ্ট কৰিবলৈ চাৰে তিনি বজাতে আহিব লাগিব। এনেয়ো ৰাতি শোৱা নহ'লহেঁতেন। তাতে তেওঁৰ স্বামীৰ আজি আকৌ নাইট্ ডিউটি। সেয়েহে দহ বজাতে মোক ইয়াত থৈ গ'লহি।"

"অ............।"

তাৰ পিছতহে মোৰ কথা সুধিলে – ক'ত থাকো কি কৰো, বিয়া কৰালোনে নাই ইত্যাদি। মোৰ কথাবোৰ শেষ হোৱাৰ পিছত নিজৰ চাহ বাগিচাৰ জীৱনৰ কথা অনৰ্গল কৈ যাবলৈ ধৰিলে। মানুহে একেলেথাৰীয়ে কথা কৈ থাকিলে মোৰ চকু আপোনা আপুনি মুদ খাই আহে। চকু মুদি মুদিয়েই কিছু সময় 'ওঁ' 'ওঁ' বুলি কৈ থকাত, বেবীয়ে বোধহয় বুজি পালে। অলপ পিছত চকু মেলি চাই দেখো যে বেবী মোৰ কাষত নাই – নিজৰ ঠাইখিনিত গৈ অলসভাবে বহি আছেগৈ।

ইমান বছৰৰ মূৰত বেবীক এনে অৱস্থাত দেখি মনলৈ এটা ভাবেই আহিছে। অতীতৰ বৰ্তমানত্বই মোক বাৰুকৈয়ে ইঁহুৱাইছে – কাৰণ তাক উপলব্ধি কৰিবলৈ মই একেবাৰেই অক্ষম। জীৱনৰ প্ৰতিটো মুহূৰ্তইতো এটা সময়ত বৰ্তমান হৈ থাকে। কিন্তু কোনো এক বিশেষ সময়ৰ বৰ্তমানত্ব ভৱিষ্যতৰ বৰ্তমানত্বত ইমান যে অবাস্তৱ আৰু অনৰ্থক হ'ব পাৰে!

চকামকাকৈ মনটো চান ডিয়েগ'ৰ আমাৰ ফ্লেটটোলৈ উৰা মাৰিল। এয়াৰপোৰ্টত মোৰ এঘাৰ বছৰীয়া ছোৱালী ৰিয়াই কান্দি কান্দি কৈছিল–

"সোনকালে ঘূৰি আহিবা, পাপা, আমি সকলোৱে তোমাক বৰকৈ মিচ্ কৰিম।"

ময়ো তেতিয়া তাইৰ মূৰত হাত বোলাই থোকাথুকিকৈ কৈছিলো–

"সেয়া, সোণজনী, মই তোমালোকৰ পৰা আঁতৰি থাকিলেও, সদায়েই তোমালোকৰ লগতেই থাকিম।"

প্লেনখন টেক্সি কৰিবলৈ ধৰাত খিৰিকিৰ আইনাৰ মাজেৰে হাতত ৰুমাল জোঁকাৰি থকা তিনিটা নিঃসঙ্গ প্ৰতিমূৰ্তিৰ দৃশ্যই মনৰ নিভৃত কোণত কি যে এক অপূৰ্ব পৰিতৃপ্ত কাৰুণ্য আনি দিছিল, তাক বুজোৱা টান।

বম্বেত তেতিয়া ৰাতি পুৱাবলৈ বেছি সময় নাছিল। চান ডিয়েগ'ত এতিয়াও কালি হৈয়ে আছে। ■

# অগল্প

পদ্মপাণি




মই যাত্ৰীৰ ভিৰৰ মাজতো মানুহজনক লক্ষ্য কৰি আছিলো। মানুহজনৰ দুৰৱস্থাৰ সীমা নাই। এজনে যদি তেওঁক 'টালি-টোপোলা লৈ কি দুৱাৰ মুখত থিয় হৈ থাকেহে" বুলি ভিতৰলৈ ঠেলিছে, অন্য এজনে আকৌ গৰ্‌গৰাইছে – "উস্, ভিৰৰ মাজত এইডাল কি লৈ সোমাইছেহে, গাত লাগিলে দুখ নাপায় নে কি?" মানুহজনৰ ওপৰত মোৰো খং উঠিল। এই ভিৰৰ সময়ত অকল মানুহজনেই চিটি-বাছত উঠা টান, তেনে অৱস্থাত এইদৰে ডাঙৰ টোপোলা এটা লৈ .......... । কিন্তু তেওঁ এজন শ্ৰদ্ধাভাজন লোক। সেয়েহে তেওঁৰ অৱস্থাটো দেখি দুখ পালো। মই নিজে বহিবলৈ চিট এটা পোৱা হলেও তেওঁক অন্ততঃ বহুৱাব পাৰিলোহেঁতেন। পিছে প্ৰতিটো ষ্টপেজতেই মানুহ উঠিছেহে, নমা হ'লে নাই। শেষত মই অতিষ্ঠ হৈ পৰিলো। ভিৰ ঠেলি তেওঁৰ ওচৰ পালোগৈ!

–"টোপোলাটো চাৰ, মোকে দিয়ক। ময়ে ধৰো।"

তেওঁ টোপোলাটো মোক ধৰিবলৈ দিবলৈ অলপ দ্বিধাবোধ কৰিলে। মই পিছে তেখেতৰ হাতৰ পৰা টোপোলাটো প্ৰায় আজুৰি লোৱা দিয়েই লৈ ক'লো – "ঘৰলৈকে যাব নে, চাৰ?"

–"এৰা, বুজিছেনে।"

–"ময়ো আপোনাৰ সেইফাললৈকে যাম। হেৰি কৰক নহলে। ইমান ভিৰত বাছত যাব নোৱাৰি। অটোৰিক্সা এখনকে লওঁ।"

তেওঁ যেন সকাহহে পালে। ক'লে – "এৰা, বেয়া নহয়।"

দুয়ো চিটি-বাছৰ পৰা নামি অটো এখনত উঠিলো।

বাটত অলপ ইতস্ততঃ কৰি তেওঁক সুধিলো – "লগতনো এইটো কিহৰ টোপোলা, চাৰ?"

–"এ, নক'ব আৰু বুজিছে নে। এইবাৰ সেই একাদেমীৰ বঁটা পাইছিলো নহয়, সেইবাবেই বেলতলাৰ অনুষ্ঠান এটাই সম্বৰ্দ্ধনা-সভা এখন পাতিছিল। তাতে মোক এই প্ৰকাণ্ড শৰাইখন দিলে। বস্তুটো পাই অৱশ্যে বেয়া লগা নাছিল। পিছে আহিবৰ সময়তহে বিপদটো হ'ল। ৰিক্সা-চিক্সা এখন লবলৈও তেনেকৈ জেপত পইছা দুটামান লৈ যাবলৈ নহল। মানে............।"

"কিয়, তেওলোকে আপোনাৰ নিয়া-মেলাৰ ব্যৱস্থা কৰা নাছিল নেকি?"

"এ, কৰিছিল, কৰিছিল। নিওঁতে টেক্সীতেই নিছিল। পিছে আহিবৰ সময়তহে........। মানে সভাৰ শেষত চাহ-মেলৰো আয়োজন কৰিছিল। সভাৰ কৰ্মকৰ্ত্তাসকল তাতে ব্যস্ত হৈ থাকিবলগীয়াহোৱাত..........।"

পৰিস্থিতিটো অলপ সহজ কৰিবলৈকে তেখেতক ক'লো – "হাতত সেইখন অভিনন্দন-পত্ৰ নে কি। অলপ চাওঁচোন।"

"এ, এইখন চাইনো কি কৰিব? লাজহে পাব লাগিব। এপাচিমান ভুল। মোৰ নামৰো মোহনটো ক'ৰবাতেই হেৰাল। ৰাধিকাটোহে থাকিলগৈ। এয়াই আমাৰ অসমীয়াৰ সম্বৰ্দ্ধনা, বুজিছে।"

বহুত পৰলৈকে মই একো মাতিব নোৱাৰিলো।

ইতিমধ্যে তেখেতৰ ঘৰৰ ওচৰ পাইছিলোহি। তেখেতৰ ঘৰতে অলপ বহি কথা-বতৰা হম বুলি আশা কৰি আহিছিলো। পিছে সেই উচ্ছ্বাসো এতিয়া নোহোৱা হ'ল। তেখেতক নমাই থৈ সেইখন অটোৰিক্সাতে 'বিশেষ কাম আছে' বুলি কৈ তেখেতৰ পৰা বিদায় ল'লো। আনহে নালাগে সাহিত্য একাদেমীৰ বঁটা বিজয়ীজনৰ মুখলৈ এবাৰ চাবলৈও মই সাহস গোটাব নোৱাৰিলো। ■





# 'হিতেশ্বৰ শইকীয়াই মহাত্মা গান্ধীৰ বাওঁহাতখন পাইছে নেকি?'

মাঘ বিহুৰ উৰুকাৰ দিনা বিহুৰ সামগ্ৰী দুপদমান কিনো বুলি বজাৰলৈ গৈছো। আঁতৰৰ পৰাই সেইদিনা বজাৰৰ অৱস্থা দেখি তবধ মানিলো। লোকে লোকাৰণ্য। বয়-বস্তুৰ এই জুই-ছাই দামৰ দিনতো বজাৰত ক্ৰেতাৰ সেইদিনা ভিৰ দেখি আচৰিত নহৈ নোৱাৰিলো। অসমীয়াৰ বাপতি সাহোন ভোগালী বিহুটো পালিবৰ বাবে ছাল-ছিগা ভিকহুটোৱেও দুপদ বস্তু বজাৰৰ পৰা লয়। কিন্তু এইবাৰৰ দৰে বজাৰত ভিৰ দীৰ্ঘদিন ধৰি হোৱা মনত নপৰে। যোৱা প্ৰায় এক দশক ধৰি বিহুক অসমীয়া ৰাইজে আনন্দ উৎসৱৰ জাতীয় অনুষ্ঠান হিচাপে পালন কৰাতকৈ বছৰেকৰ মূৰত অহা তিথি-বাৰ একোটাৰ দৰে নিয়মটো ৰাখি পালন কৰি আহিছে। তাৰ কাৰণ হ'ল যোৱা প্ৰায় এক দশক জুৰি ৰাজ্যখনত চলি থকা হিংসা-দ্বেষে জনসাধাৰণৰ স্বাভাৱিক জীৱন বিপৰ্যস্ত কৰি তুলিছিল। নাছিল মানুহৰ সা-সম্পত্তিৰ নিৰাপত্তা নাছিল- জীৱনৰ নিৰাপত্তা। এইবোৰ কথা এতিয়া সকলোৰে ভাত-পানী খোৱাৰ নিচিনা অভিজ্ঞতাত পৰিণত হৈছে। গতিকে এই সম্পৰ্কে বাহুল্য কৰা এই লেখাৰ উদ্দেশ্য নহয়। কিন্তু, এইবাৰ মাঘ বিহুৰ উৰুকাৰ আগদিনা নতুন দিল্লীত চৰকাৰ আৰু আল্‌ফাৰ মাজত প্ৰাথমিক আলোচনা আৰম্ভ হ'ব বুলি যি খবৰ আহিল, সি স্বাভাৱিকতে দীৰ্ঘদিন ধৰি হিংসাত জৰ্জৰিত জনসাধাৰণক উৎফুল্লিত কৰি তুলিলে। বজাৰত মোৰ গাওঁ সম্বন্ধীয় এজন আদ্‌বয়সীয়া ব্যক্তিক লগ পালো। তেওঁ মোক মানুহৰ হেম্‌গেম নথকা এঠাইলৈ মাতি নি ক'লে, 'হেৰা তোমালোকতো বাতৰি কাকতৰ লগত জড়িত মানুহ। গতিকে হিতেশ্বৰ শইকীয়াকতো সদায় লগ পাই থাকা। কোৱাচোন, হিতেশ্বৰ শইকীয়াই মহাত্মা গান্ধীৰ বাওঁ হাতখন পাইছে নেকি?' শিক্ষিত মানুহ বুলিলে সাধাৰণতে আমাৰ যিটো তথাকথিত সংজ্ঞা মনলৈ সাধাৰণতে আহে, তেনে সংজ্ঞাৰ ভিতৰত মানুহজন নপৰে। অৰ্থাৎ তেনে শিক্ষিত মানুহ নহয়। সাধাৰণ শিক্ষা পোৱা লোক। সৰু সুৰা ব্যৱসায় এটা কৰি পেট প্ৰৱতহিছে। প্ৰথম অৱস্থাত তেখেতৰ কথাখিনি বুজি পোৱা নাছিলো। পাছত, অকণমান গমি চাই তেখেতৰ কথাৰ গূঢ়াৰ্থটো বুজি পালো। মহাত্মা গান্ধীক জীৱিত কালত দেখাৰ সৌভাগ্য মোৰ নহ'ল। ফটোতহে দেখিছো। কিন্তু, মহাত্মা গান্ধীক দেখা লোকে কয় বোলে তেওঁৰ হাত দুখন আঠুলৈকে বৈ পৰা বা ওলমি পৰা আছিল। আমাৰ এটা লোক বিশ্বাস আছে যে আঠুলৈকে হাত বৈ পৰা মানুহ হেনো (যোক সংস্কৃতত 'আজানুলম্বিত' বুলি কোৱা হয়) খুব প্ৰভাৱশালী হয়। তেওঁলোকে শত্ৰু পক্ষৰ লগত যুঁজিবলৈও ভয় নকৰে আৰু যুঁজত হাৰো নামানে। ভগৱান শ্ৰীকৃষ্ণও হেনো আজানুলম্বিত আছিল। মহাপুৰুষ শঙ্কৰদেৱে 'কীৰ্তন ঘোষা'ৰ 'শিশুলীলা'ত সেই কৃষ্ণৰ বৰ্ণনা দিছে এইদৰে– 'চাৰু চাৰি ভুজ জ্বলে আজানুলম্বিত। কৰি-কৰ-যম উৰু বৰ্তুল বলিত।।' আমাৰ সমাজত যুগ যুগ ধৰি প্ৰচলিত হৈ অহা এনে বিশ্বাসবোৰৰ (যোক আমি লোক বিশ্বাস বুলিও মাজে মাজে কওঁ) বেছিভাগেই যে অবৈজ্ঞানিক, অসত্য সেই সম্পৰ্কে কোনো সন্দেহ নাই। কিন্তু হাজাৰ জনৰ বিস্তৃত অভিজ্ঞতা, পৰ্যবেক্ষণৰ পাছত যে কিছুমান বিশ্বাসৰ বা ধাৰণাৰ জন্ম হয়, সি তেনেই উলাই কৰিব লগা বিধৰ নহয়। এই ক্ষেত্ৰত মই বজাৰত লগ পোৱা মোৰ সম্বন্ধীয় মানুহজনৰ কথাটোও তাৰ এক প্ৰকৃষ্ট উদাহৰণ হ'ব পাৰে। 'কৃষ্ণ ৰূপে দৈৱকীত অৱতাৰ লাভ কৰা' ভগৱান শ্ৰীকৃষ্ণৰ কথা বাৰু বাদেই দিলো; মহাত্মা গান্ধীৰ জীৱনলৈকে এবাৰ চাওকচোন। 'কাহানিও বেলি মাৰ নাযায় বুলি' খ্যাতি থকা এখন দেশৰ এটা প্ৰবল পৰাক্ৰমী জাতিৰ লগত তেওঁ আঠুৰ মূৰত চুৰিয়া পিন্ধি সুদা হাতেৰে যুঁজিছিল। ভাৰতৰ স্বাধীনতা ঘোষণা কৰা মুহূৰ্তলৈকে বহুতেই হয়তো ভাবিব পৰা নাছিল যে বৃটিছৰ দৰে প্ৰবল শক্তিমান এটা জাতিক কেৱে পৰাজয় কৰা সম্ভৱ হ'ব। কিন্তু, সেয়া অৱশেষত সম্ভৱ হ'ল মানুহৰ বিশ্বাস (মই বহুত খ্যাত-অখ্যাত মানুহে কোৱা শুনিছো) যে মহাত্মা গান্ধী আজানুলম্বিত হোৱাৰ বাবেহে এনে অসাধ্য সাধন সম্ভৱ হ'ল। তদুপৰি, তেওঁ য'লৈকে গৈছিল, তাতেই জনসাধাৰণৰ বিপুল আদৰণি আৰু সমৰ্থন পাইছিল। সেয়াও তেওঁ আজানুলিম্বত হোৱাৰ বাবেই সম্ভৱ হৈছিল। কেৱে তেওঁৰ সম্মুখত থিয় হৈ কথা ক'বলৈ সাহস কৰা নাছিল আৰু সেয়ে নাথুৰামে বন্দুকৰ সহায়েৰে তেওঁৰ পাছফালৰ পৰা হত্যা কৰিব লগা হৈছিল। দৰাচলতে গান্ধীজী আছিল ভাৰতীয় জাতিৰ ত্যাগ, সহিষ্ণুতা আৰু সাহসৰ মূৰ্ত প্ৰতীক। আধুনিক ভাৰতীয় জনমানসে বোধহয় একমাত্ৰ মহাত্মা গান্ধীকেই ঈশ্বৰৰ অৱতাৰ বুলি বিশ্বাস কৰে। ('আমাৰ বাপুজী মানুহ নাছিল, নৰৰূপী ভগৱান'– অতুল চন্দ্ৰ হাজৰিকা)।

সি যি কি নহওক, মোৰ আত্মীয় মানুহজনক মই লাহেকৈ সুধিলো– তেখেতেনো কিয় তেনেকৈ ভাবিছে বুলি। তেখেতে ক'লে– 'হেৰা আল্‌ফাৰ জন্মৰ লগ্নৰে পৰাই বোধহয় একমাত্ৰ কংগ্ৰেছ (আই) বিশেষকৈ হিতেশ্বৰ শইকীয়াকে তেওঁলোকৰ এক নম্বৰ শত্ৰু বুলি গণ্য কৰি আহিছে। দেখা নাইনে, মানুহজনে শপত গ্ৰহণ কৰাৰ পাছদিনাই আল্‌ফাই মানুহ সোপা অপহৰণ কৰি তেওঁক কম বিপদত পেলাবলৈ চেষ্টা কৰিছিলনে? পিছে, সেই আল্‌ফাই পণবন্দীও বিনাচৰ্তে এৰি দিলে, অস্ত্ৰও সম্বৰণ কৰিবলৈ ঠিক কৰিলে আৰু সংবিধানৰ নিয়ম অনুসৰি আলোচনা কৰিবলৈও আগবাঢ়ি আহিল। মহাত্মা গান্ধীৰ বাওঁ হাতখন নেপালে তেওঁ ইমান কৰিব পাৰিলেহেঁতেননে? এতিয়াহে মানুহজনৰ কথাৰ গূঢ়াৰ্থ মই বুজি পালো।

অসমৰ যোৱা দুই দশকৰ ৰাজনীতিত হিতেশ্বৰ শইকীয়া এটা বহুজন প্ৰশংসিত আৰু বহুজন ধিক্কৃত নাম। বিশেষকৈ যোৱা এক দশকত তেওঁ আৰু কংগ্ৰেছ (আই) দলে অসমত কি ভয়ংকৰ অৱস্থাৰ সম্মুখীন হৈছিল তাক আৰু এতিয়া কাকো বুজাই কোৱাৰ প্ৰয়োজন নাই। এই ক্ষেত্ৰত মোৰ নিজৰ দুটা অভিজ্ঞতাৰ কথা মই ক'ব খুজিছো। ৰাজীৱ গান্ধীৰ হত্যাৰ দুদিনৰ পাছত মই মোৰ চুবৰিৰে এজন জ্যেষ্ঠ সাংবাদিকৰ ঘৰলৈ গৈছিলো। ৰাজীৱ গান্ধীৰ হত্যাত মোৰ মনটো বৰ বিষণ্ণ হৈ আছিল এই বাবেই যে এজন সম্ভাৱনাপূৰ্ণ ডেকা মানুহক অকালতে হত্যা কৰা হ'ল। আমাৰ আলোচনাত স্বাভাৱিকতে এই কথাটোৱে ঠাই পালে। জ্যেষ্ঠ সাংবাদিকজনে হঠাতে কৈ উঠিল- " হেৰা নেহৰুফেমিলীটোৱে দেশখন শেষ কৰিলে

বুজিছা-। এই পৰিয়ালটো শেষ কৰিলেই ভাল হয়।" তেওঁৰ ওচৰতে বহি থকা তেওঁৰ পৰিবাৰে তপৰাই মাত লগালে, 'আমাৰ ইয়াত হিতেশ্বৰৰ পৰিয়ালটোক বা কেতিয়া শেষ কৰে।' মানুহ হালৰ কথা শুনি মই হতবাক। এয়াই আমাৰ 'শিক্ষিত' মানুহৰ ৰুচি। এওঁলোকেই বাতৰি কাকতৰ লেখাৰ মাজেৰে আমাৰ সাধাৰণ মানুহখিনিৰ ৰুচিৰ গঢ় দিছে। ময়ো বৈ থাকিব নোৱাৰিলো, 'শেষ কৰাৰ ৰাজনীতি বহুত হ'ল বুজিছে। এতিয়া অলপ জীয়াই থকাৰ ৰাজনীতিৰ কথা কওক।'

অসমত নিৰ্বাচন ঘোষণা কৰাৰ দুদিনমান আগেয়ে এই সাংবাদিকজন এদিন মোৰ ঘৰলৈ আহিল। তেওঁ সুধিলে, 'হেৰা, তুমিতো গোটেই অসমখন ঘূৰি আছা। কোৱাচোন কোন দলৰ সম্ভাৱনা।' মই অলপ ভয়ে ভয়ে (ভাবি চাওক, ভয়ৰ কাৰণ কি হব পাৰে) ক'লো, '৫০খনমান আসন পাই কংগ্ৰেছ (আই) বৃহত্তম দল হব পাৰে।' তেওঁ প্ৰায় জাঁপ মাৰি উঠিল আৰু ক'লে, 'কংগ্ৰেছ (আই) দলে দহখন আসনো নাপায় বুজিছা। এইবাৰ নিৰ্বাচনৰ ফলাফল আল্‌ফাই নিৰ্দ্ধাৰণ কৰিব। ভোট গ্ৰহণৰ আগে আগে আল্‌ফাই অসমৰ ৰাইজক কংগ্ৰেছ (আই) আৰু হিতেশ্বৰক ভোট নিদিবলৈ ক'ব। আৰু আল্‌ফাই এবাৰ নিৰ্দেশ দিয়াৰ পাছত তাক অমান্য কৰাৰ সাহস কাৰ আছে।' নেছনেল ডেইলী এখনৰ আন এজন সাংবাদিকেও মোক এদিন প্ৰায় এনেকুৱা এটা যুক্তিকেই দিছিল। (অৱশ্যে শেষ পৰ্যন্ত আল্‌ফাই সেইটো কৰিব বুলি বহুতেই আশা কৰিছিল বা ভাবিছিল।।

কিন্তু, সকলোৰে জল্পনা-কল্পনা, হিচাপ-কিতাপ মিছা বুলি প্ৰমাণিত কৰি অসমত নিৰ্বাচন শান্তিপূৰ্ণভাৱে সমাধা হৈ গ'ল। কংগ্ৰেছ (আই) দলে একক সংখ্যা গৰিষ্ঠতা পালে। হিতেশ্বৰ শইকীয়া মুখ্য মন্ত্ৰী নিৰ্বাচিত হ'ল। আল্‌ফাই পণবন্দীক মুকলি কৰি দিলে। অস্ত্ৰ সম্বৰণৰ কথা ঘোষণা কৰিলে। আৰু সংবিধানৰ গণ্ডীৰ ভিতৰতে আলোচনা কৰিবলৈ আগবাঢ়ি আহিল। ইমানবোৰ অসম্ভৱ কেনেকৈ সম্ভৱ হৈছে মই নাজানো। হিতেশ্বৰ শইকীয়াৰ হাত দুখন আঠুলৈকে বৈ পৰা হয়নে নহয় তাকো মই লক্ষ্য কৰা নাই। কিন্তু বজাৰত লগ পোৱা সেই 'অশিক্ষিত' সাধাৰণ মানুহজনৰ বুদ্ধিমত্তাৰ আৰু তুলনাত্মক ক্ষমতাক মই তাৰিফ নকৰি নোৱাৰিলো।

ছদ্মবেশী

# গ্ৰন্থজগত

ৰাম গোস্বামী

প্ৰেমত কৈয়ো তীব্ৰ
গৌৰীশংকৰ ভট্টাচাৰ্য
'নৱ-দিগন্ত' উলুবাৰী,
গুৱাহাটী-৭, ১৯৯১, মূল্য-২০ টকা।

প্ৰবীণ ৰাজনীতিজ্ঞ শ্ৰীগৌৰীশংকৰ ভট্টাচাৰ্যক অসমৰ পাঠকে এজন চিন্তাশীল প্ৰবন্ধকাৰ বুলি জানে। তেওঁৰ অভিজ্ঞ কলমৰ মাজেদি ৰাজনৈতিক আৰু সামাজিক প্ৰেক্ষাপটক কেন্দ্ৰ কৰি ভালেমান গধুৰ ৰচনা আমি পঢ়িবলৈ পাইছো। তেওঁৰ ভূমিপুত্ৰ নামৰ গ্ৰন্থখনে ইতিমধ্যে উপযুক্ত সমাদৰ লাভ কৰিছে। শ্ৰীভট্টাচাৰ্যৰ ৰচনাত আৰু সাময়িক প্ৰসংগৰ সমীক্ষাত্মক ব্যাখ্যাত মৌল স্বাতন্ত্ৰ্য লক্ষ্যনীয়। আলোচ্য গ্ৰন্থখন তেওঁৰ ভিন্ন স্বাদৰ ৰচনা, লঘু ৰচনা বুলিব পাৰি। সাধাৰণতে তেওঁ গল্প নিলিখে। মনৰ ভাব যথাযথ ভাৱে প্ৰকাশ কৰিবলৈ তেওঁৰ মাধ্যম গল্প নহয়। তেওঁ এগৰাকী চিৰিয়াচ প্ৰাবন্ধিক আৰু প্ৰতিবেদক। 'প্ৰেমতকৈয়ো তীব্ৰ' নামৰ এই গ্ৰন্থখন হঠাতে চকুত পৰাত কৌতূহলবশতঃ আমি পঢ়ি পেলালো। কাৰণ, শ্ৰীভট্টাচাৰ্যৰ পৰা গল্প ৰচনা আশা কৰা নাছিলো।

কবিতা বা গল্প ৰচনা কৰাৰ এটা বয়স থাকে বুলি আমাৰ বহুতৰে ধাৰণা। জীৱনৰ আগ বয়সত যেতিয়া ৰোমাণ্টিক মেজাজে মন তল-ওপৰ কৰে, তেতিয়া বোলে কবিতা আৰু গল্পৰ প্ৰতি তৰুণৰ প্ৰৱণতা বেছি হয়। তেতিয়াই ওলাই প্ৰেমৰ কবিতা, আনন্দ-দুখ মিহলি ৰসাল গল্প। অৱশ্যে এই ধাৰণা কিমান বিশ্বাসযোগ্য, কোৱা মস্কিল। কেছেন'ভাই জীৱনৰ শেষ দুৱাৰদলিত ভৰি দি বৃদ্ধ বয়সত অদ্ভূত স্মৰণ শক্তিৰে তেওঁৰ বিগত যৌৱনকালৰ ৰঙীন ইতিবৃত্ত কেছেন'ভা মেময়ৰচ (casanova's memoirs) ৰচনা কৰি জগতজোৰা খ্যাতি লাভ কৰিছিল। আইৰিচ কবি য়েটছ যিমানে বুঢ়া হৈ আহিছিল সিমানেই তেওঁৰ কলমৰ পৰা ভাল ভাল কবিতা ওলাইছিল। তেওঁ যেতিয়া তৰুণ কবি আছিল তেতিয়া তেওঁ এগৰাকী বেছি বয়সৰ ৰমণীক কবিতা ৰাণীৰূপে পাইছিল আৰু তেওঁ যেতিয়া সত্তৰ বছৰৰ ডেওনা অতিক্ৰম কৰিলে তেতিয়া তেওঁ লগ পালে এগৰাকী প্ৰাণচঞ্চল ৰূপবতী তৰুণ যুৱতীক কবিতাৰ উৎস হিচাপে। কোৱা হয়, য়েটছৰ শেষ বয়সৰ ৰচনাই হৈছে, তেওঁৰ শ্ৰেষ্ঠ ৰচনা।

গৌৰীশংকৰ ভট্টাচাৰ্যই নিশ্চয় ৭০ বছৰ অতিক্ৰম কৰি অতীতৰ স্মৃতি স্মৰণ কৰিবলৈ হেঁপাহ কৰিছে। বিভিন্ন সময়ত তেওঁৰ মনত ক্ৰিয়া কৰা ঘটনাই গল্পৰ আকাৰ লৈছেহি। এই গল্প সংকলনখনৰ তিনিটা ভাগ – প্ৰথম ভাগৰ ৰচনাকাল ১৯৪০ চন ইয়াত গল্প আছে তিনিটা আৰু পূৰ্বতে আৱাহনত প্ৰকাশিত। দ্বিতীয় ভাগৰ ৰচনা ১৯৮০ চনৰ ভিতৰত, ইয়াত আছে পাঁচোটা গল্প আৰু তৃতীয় ভাগ ৰচিত হৈছে ১৯৯০ চনত। ইয়াত সোমাইছে এটা মাত্ৰ গল্প, দীঘল। ১৯৪০ চনৰ ভিতৰত ভট্টাচাৰ্যই যি তিনিটা গল্প লিখিছিল তাৰ ভিতৰত প্ৰেমত কৈয়ো তীব্ৰ নামৰ গল্পটো পঢ়ি সাহিত্যিক-সমালোচক শ্ৰীহোমেন বৰগোহাঞিয়ে তেওঁৰ সম্পাদিত নীলাচল'ত এটা সমীক্ষা লিখিছিল আৰু গল্পটো ভূয়সী প্ৰশংসা কৰিছিল। আমি পঢ়িও গল্পটো ভাল পাইছো। কাৰণ, এই গল্পটোৰ বিষয়বস্তু সাধাৰণ হলেও ইয়াৰ মাজেদি লেখকৰ মানৱিকবোধ প্ৰকাশ পাইছে। গল্পৰ নায়ক এজন অসুখী মানুহ, যিজনে বিদ্যা-বুদ্ধি থকা সত্ত্বেও সমাজত স্বীকৃতি নাপালে। বৈষম্য আৰু অবিচাৰে মানুহজনৰ আত্মবিকাশত সহায় নকৰি তেওঁৰ মনলৈ নিষ্ঠুৰতা আৰু নিৰ্মমতা কঢ়িয়াই আনিলে। গল্পটোত তিনিটা চৰিত্ৰ, বিমল, তেওঁৰ স্ত্ৰী অম্বিকা আৰু জীয়েক চম্পা। কুৰি টকীয়া ডাকঘৰৰ কেৰাণী বিমলৰ মানসিক দ্বন্দ্ব ইমান প্ৰকট যে তাৰ ৰূঢ় বাস্তৱ আৰু প্ৰত্যক্ষ জীৱনৰ মুখামুখি হোৱাৰ সাহস নোহোৱা হৈছিল, ফলত তাৰ দৈনন্দিন জীৱন অশান্তিৰে ভৰি গৈছিল। সি সদায় ভাবিছিল যে তাক অন্যায় আৰু অবিচাৰে পীড়িত কৰি তাৰ সুখ শান্তি নোহোৱা কৰিছে। প্ৰেম, প্ৰীতি, শ্ৰদ্ধা ভালপোৱা তাৰ বাবে নিৰৰ্থক। বিমলৰ তীব্ৰ অন্তৰ্দ্বন্দ্বই স্ত্ৰী অম্বিকাৰ মনত ভীতিৰ সঞ্চাৰ কৰি স্বামী-স্ত্ৰীৰ মাজত আশা কৰা প্ৰেম নিৰৰ্থক কৰি পেলাইছিল। সিহঁতৰ মাজত প্ৰেমতকৈয়ো তীব্ৰ আৰু প্ৰবল, গভীৰ বিদ্বেষ আৰু ঘৃণাৰ উন্মাদনাই ঠাই পাইছিল। অম্বিকাই সিহঁতৰ একমাত্ৰ সন্তান চম্পাক সাঁচতীয়া ধনেৰে এটা পুতলা কিনি দিয়াৰ বাবে তাই গিৰীয়েকৰ পৰা যি নিৰ্দয় ব্যৱহাৰ পালে, তাৰ পৰিণাম হৈ পৰিল আশা ভংগৰ নিদাৰুণ বেদনা। এই গল্পটোৰ মাজেদি আমি ভট্টাচাৰ্যৰ প্ৰগতিশীল ভাবধাৰাৰ পৰিচয় পাওঁ। এসময়ৰ বাওঁপন্থী আদৰ্শৰে পৰিপুষ্ট শ্ৰীভট্টাচাৰ্যই এই গল্পটোত দেখুৱাইছে, সমাজৰ নানা অসংগতিয়ে কেনেকৈ আনে জীৱনত জটিলতা। ইয়াৰ ঘাত-প্ৰতিঘাতৰ যন্ত্ৰণাত আমি বিভ্ৰান্ত হওঁ, বিমূঢ় আৰু হতাশগ্ৰস্ত নানা সমস্যাৰ মাজত সোমাই পৰো। লেখকৰ ভাবনাত ধনতান্ত্ৰিক সমাজ ব্যৱস্থাৰ বৈষম্যৰ সুৰ সাৰ্থক ভাবে ৰূপায়িত হৈছে এই গল্পটোৰ মাজেদি।

দ্বিতীয় গল্প 'পূৰ্ণতাৰ সন্ধান'ত এটা অসমীয়া গোৰ্খা পৰিয়ালৰ কাহিনী লিপিবদ্ধ হৈছে। সন্তোষ আৰু আনন্দৰ মাজেদি দিন অতিবাহিত কৰা এই সৰু পৰিয়ালটোৰ সুখ-দুখৰ ছবি অংকন কৰোতে গল্পকাৰে 'বেলি মাৰ যায়' কথা যাৰৰ তাৎপৰ্যপূৰ্ণ জীৱন-উৎস ব্যাখ্যা কৰিছে আৰু কেনেকৈ দুটি অপূৰ্ণ হৃদয় পূৰ্ণতাৰ সন্ধানত অগ্ৰসৰ হৈছে তাক দেখুৱাইছে। 'মিলন-সপোন' গল্পটোৰে নিকৃষ্ট সমাজ-ব্যৱস্থাত থকা কু-সংস্কাৰ আৰু ব্যভিচাৰক প্ৰত্যক্ষ কৰিছে। কমল সৰ্বহাৰা দলৰ এজন সাম্যবাদী যুৱক, অৰুণাই তেওঁক ভাল পাইছিল যদিও বিয়াৰ পাঁশত আবদ্ধ হ'ব নোৱাৰিলে। ৰাষ্ট্ৰবিৰোধী কামত যোগ দিয়া বাবে কমল গ্ৰেপ্তাৰ হ'ল। অৰুণাৰ মাকে এই বাতৰিত স্বস্তিৰ নিঃশ্বাস পেলালে। কাৰণ, মাকে কমলৰ কথা-বাৰ্তা, চলন-ফুৰণ, কাৰ্য-কলাপ মুঠেই ভাল পোৱা নাছিল। অৰুণাই কিন্তু কমলৰ আদৰ্শক সন্মান জনায়, কমলে যি আদৰ্শৰে জনগণৰ সেৱাত আত্মনিয়োগ কৰিছে তাৰ প্ৰতি অৰুণাৰ গভীৰ আস্থা আছে। জীৱনত লগৰীয়া হিচাপে নাপালেও তেওঁৰ মন-মন্দিৰত কমলৰ স্থান চিৰকাল অক্ষয় হৈ থাকিব। গল্পটোত ন্যায়, সততা আৰু সমতাৰ ভেটিত প্ৰতিষ্ঠাপিত এখন নতুন বিশ্ব-সমাজৰ ইংগিত আছে।

প্ৰথম ভাগৰ তিনিটা গল্পত আমি যেনেকৈ গল্পকাৰৰ প্ৰগতিবাদী দৃষ্টিভংগীত বঞ্চিত, শ্ৰেণী বিপৰ্যস্ত সমাজ এখনৰ বেদনাদিগ্ধ ট্ৰাজিক চিত্ৰ দেখিবলৈ পাওঁ, ঠিক তেনেকৈ দ্বিতীয় ভাগত দেখিবলৈ পাওঁ কৌতূহলৰ মাজেদি আশা ভংগৰ ব্যংগ ৰূপায়ণ। কেনেকৈ নৈতিক বিপৰ্যয়ৰ প্ৰেক্ষাপটত আন্দোলনৰ পৰবৰ্তীকালত জীৱনবোধৰ পতন ঘটিল কেনেকৈ পৰ্বত-ভৈয়ামৰ মাজত থকা সহনশীলতা আৰু সমন্বয়ৰ এনাজৰি ডাল চিঙিল, সেই কথাৰ উমান পাওঁ 'বাকলি গুচোৱা পিয়াজ'নামৰ গল্পটোৰ ভিতৰত। 'অভিমন্যুৰ অহংকাৰ' গল্পটোত এটা মহাভাৰতীয় আখ্যানৰ আলমত ক্ষমতা লাভৰ অন্তৰালত থকা ডেকা শক্তিৰ অহংকাৰ আৰু দাম্ভিকতা দাঙি ধৰা হৈছে। 'মোহন ঘাটৰ মলুৱা' নামৰ গল্পটো প্ৰায় একে ব্যংগৰসৰ। ইয়াত হাস্যৰসৰ উষ্ণ প্ৰবাহ উপভোগ কৰিব পাৰি। গল্পকাৰে স্বীকাৰ কৰিছে যে দ্বিতীয় ভাগৰ গল্পকেইটা ছ-বছৰীয়া অসম আন্দোলনৰ পৰবৰ্তী প্ৰতিক্ৰিয়া। এই প্ৰতিক্ৰিয়াকে ব্যংগৰ মাধ্যমেদি প্ৰকাশ কৰা হৈছে। অসংগতি, অংগবিকাৰ, চৰিত্ৰ-বিকাৰ, পৰিস্থিতিবিকাৰ, আচাৰবিকাৰ, বাক্‌বিকৃতি প্ৰভৃতি এইবোৰ হিউমাৰ উইট আৰু চাটায়াৰৰ ভিত্তি।

তৃতীয় ভাগৰ 'কু-ৰংগ-নগৰী' প্ৰকৃতাৰ্থত উপন্যাস জাতীয় ৰচনা। আহোম বুৰঞ্জীৰ ঘটনা এটাই ইয়াৰ পটভূমি নিৰ্মাণ কৰিছে। বুৰঞ্জীমূলক কাহিনীয়ে গল্পৰ স্বৰূপ বেলেগ কৰি বৰ্ণনা প্ৰধান কৰাত ইয়াৰ আমেজ বেলেগ হৈ পৰিছে। আহোম ৰাজ শক্তিৰ প্ৰবল পৰাক্ৰম পাছলৈ কেনেকৈ ঘৰুৱা কন্দল, সীমামূৰীয়া বিদ্ৰোহ আৰু ৰাজকীয় দুৰ্বলতাত পৰি ক্ষয় গৈছিল তাক নানা সমস্যাৰ ভিতৰেদি দাঙি ধৰা হৈছে। কুৰংগনয়নী আছিল মণিপুৰী ৰাজকুঁৱৰী। কীৰ্তিচন্দ্ৰ বৰবৰুৱা আছিল তেওঁৰ পিতৃস্বৰূপ। বৰবৰুৱাৰ যত্নতে কুৰংগনয়নীক আহোম স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহলৈ (চুৰেম্‌ফা) চকলং প্ৰথা মতে বিয়া দিয়া হয়। এই আখ্যানৰ মাজেদি ভট্টাচাৰ্যই মায়ামৰীয়া বিদ্ৰোহৰো দৃশ্যপট বিতংভাৱে দেখুৱাইছে। ইংৰাজী বিষয়ৰ ছাত্ৰ ভট্টাচাৰ্যৰ ইতিহাস প্ৰৱণতা লক্ষ্য কৰিব লগা বিষয়। তেওঁৰ সাহিত্যৰ প্ৰতি থকা প্ৰবল আগ্ৰহ সৰ্বদা গ্ৰহণীয়। এই আলোচ্য গল্প সংকলনখনত তেওঁৰ বিভিন্ন ভাব আৰু বিষয়বস্তু মানৱিক শিল্প বোধেৰে ৰূপায়িত হৈছে। ইয়াত আমি চিন্তাৰ খোৰাক বিচাৰি পাইছো।

ফিজি
গিয়াছউদ্দিন আহমেদ
ইন্টাৰনেচনেল বুকচেন্টাৰ
ধুবুৰী, ১৯৯১ মূল্য ৩০ টকা।

ফিজিত ১৯৮১ চনত অনুষ্ঠিত ২৭তম কমনৱেলথ সংসদীয় সন্মিলনত যোগদান কৰিবলৈ যাওঁতে যি অভিজ্ঞতা হৈছিল তাকেই শ্ৰীগিয়াছউদ্দিন আহমেদে কিতাপৰ আকাৰে লিখি পেলাইছে। এইখন এখন ভ্ৰমণ কাহিনী যদিও ইয়াত অনেক ৰাজনৈতিক আৰু সামাজিক বৰ্ণনা সংযোগ কৰি আহমেদ চাহাবে ইয়াক ৰসাল আৰু কৌতূহলী কৰি তুলিছে। ৰাজনীতিবিদ সকলৰ দৃষ্টিভংগী আনতকৈ পৃথক। তেওঁলোকে দেশ এখনলৈ যাওঁতে দেশখনৰ আভ্যন্তৰীণ খা-খবৰো লবলৈ আগ্ৰহ কৰে। হেম বৰুৱা, দেৱকান্ত বৰুৱা, দীনেশ গোস্বামী আদি সংসদী সদস্য সকলৰ ভ্ৰমণ বৃত্তান্তৰ দৰে এই গ্ৰন্থ লেখকৰো দৃষ্টিপাত ৰাজনৈতিক পৰ্যবেক্ষণৰ এক মনোজ্ঞ প্ৰতিবেদন।

দক্ষিণ-প্ৰশান্ত মহাসাগৰৰ মাজ ভাগত অৱস্থিত ক্ষুদ্ৰ এটি দ্বীপ ফিজি। ১৮৩৩৩ বৰ্গ কিলোমিটাৰ আগুৰি এই দ্বীপতে ফিজি ৰাষ্ট্ৰ। ৩৩২টা দ্বীপৰ ভিতৰত বৃহত্তম দ্বীপ ভিটিলেবুৰ দক্ষিণ-পূবত অৱস্থিত 'ছুৱা' ইয়াৰ ৰাজধানী। এই দ্বীপত আদিম অধিবাসী ফিজিয়ান জাতিৰ লগতে ভাৰতীয়, ককেচিয়ান, চীনা আদি জনগোষ্ঠীয়ে বসবাস কৰে। আদিম অধিবাসী সকলৰ জনসংখ্যা লেখত তাকৰ কিন্তু অনুপ্ৰবেশ কৰা লোকৰ সংখ্যা সেই অনুপাতে অত্যধিক। বহু যুগৰ আগৰ পৰাই ফিজি দ্বীপপুঞ্জলৈ বহিৰাগতৰ সোঁত বৈছে। ভাৰতীয় লোকৰ প্ৰব্ৰজন হৈছিল গিৰমিট বনুৱা হিচাপে, ইংৰাজীত যাক কোৱা হয় Indentured labour. ফিজিত কুঁহিয়াৰ খেতি কৰিবলৈ ইংৰাজ মালিক সকলে দুখীয়া দেশ ভাৰতবৰ্ষৰ পৰা এই বনুৱাবোৰক চুক্তি পত্ৰ কৰি লৈ গৈছিল। ঔপনিবেশক শাসক আৰু শোষক শ্ৰেণীৰ বাবে ভাৰতীয় বনুৱা আছিল অপৰিহাৰ্য। ১৮৭৯ খ্ৰীষ্টাব্দৰ পৰা ১৯১৬ খ্ৰীষ্টাব্দলৈ প্ৰায় ৬০,০০০ হাজাৰ এনে বনুৱা ভাৰতৰ পৰা ফিজিলৈ চালান দিয়া হৈছিল। এইবোৰ দুখীয়া আৰু নিৰক্ষৰ লোক সংগৃহীত হৈছিল ঘাইকৈ উত্তৰ প্ৰদেশ, বিহাৰ, মধ্যপ্ৰদেশ আৰু নেপালৰ পৰা। দালালৰ যোগেদি সুন্দৰ ভৱিষ্যতৰ প্ৰলোভন দেখুৱাই সিহঁতক ভাৰতৰ পৰা জাহাজেদি ওপৰোক্ত কালছোৱাত ফিজি দ্বীপলৈ কঢ়িয়াই লৈ যোৱা হৈছিল। বিপদ সংকুল সমুদ্ৰ যাত্ৰাত, ৰোগ, অৰ্দ্ধাহাৰ আৰু শাৰীৰিক যন্ত্ৰণাত বহুতে প্ৰাণ হেৰুৱাইছিল। বৃটিছ মালিক সকলে এই বনুৱাবোৰৰ ওপৰত অত্যন্ত অমানৱিক ভাৱে অত্যাচাৰ চলাইছিল। তেওঁলোকে ফিজিত লাভজনক চেনি ব্যৱসায় অব্যাহত ৰাখিবলৈ এনে কঠোৰ উৎপীড়ন চলাইছিল। মাৰি মাৰি বনুৱাবোৰক শিকলিৰে বান্ধি অত্যাচাৰ চলোৱা হৈছিল আৰু অমানুষিক শ্ৰম কৰিবলৈ বাধ্য কৰোৱা হৈছিল। বৃটিছ শোষক শ্ৰেণীৰ ক'লা চামৰাৰ লোকৰ

ওপৰত চলোৱা বেদনা বিদ্ধ কাহিনী, দাসপ্ৰথাৰ আলেখ্য আমি পঢ়িছো। 'আংকোল টমছ্ কেবিন' পঢ়া মনত আছে। টমৰ জীৱন কাহিনীক কেন্দ্ৰ কৰি আমেৰিকাৰ ক্ৰীতদাসৰ যি মৰ্মান্তিক কাহিনী সেই কথা পঢ়ি গা-মন শিয়ৰি উঠে। আহমেদ চাহাবে তেওঁৰ এই ভ্ৰমণ কাহিনীৰ মাজেদি আমাক ইণ্ডোফিজিয়ান সকলৰ অতীত ইতিহাস দাঙি ধৰিছে আৰু কলংকিত দিনবোৰৰ কথা নানা তথ্যভিত্তিৰ উদ্ধৃতিৰে স্মৰণ কৰাইছে। তেওঁ লিখিছে যে ফিজিত কুঁহিয়াৰ খেতি আৰু চেনিৰ কল আজিও চলি আছে। কিন্তু অতীতৰ ভাৰতীয় গিৰমিট বনুৱাৰ মৰ্মবেদনা ইণ্ডোফিজিয়ান কবিৰ কবিতাত আজিও প্ৰতিধ্বনিত হয়–

"Youth I lost here, and grace
I gave to this island Place.
What more than a man's age
Can one give to history's outrage?"

লেখকে কৈছে, 'সঁচা, ফিজিলৈ ভাৰতীয় সকলৰ আগমন আৰু গিৰমিটীয়া জীৱনৰ কাহিনী এতিয়া ইতিহাসৰ বিষয়বস্তু। তথাপি ইণ্ডোফিজিয়ান সকলৰ অন্তৰৰ অবচেতন স্তৰত অতীতৰ বিভীষিকাময় স্মৃতি আজিও যেন জীয়াই আছে। তাৰে প্ৰতিফলন আমি দেখিবলৈ পাওঁ ইণ্ডোফিজিয়ান কবি-সাহিত্যিক সকলৰ ৰচনাৰ মাজেদি। (পৃ-২৪)

প্ৰায় এশ বছৰ কাল ব্ৰিটিছ গোলামিৰ পাছত ইংৰাজ সাংবিধানিক বশ্যতা স্বীকাৰ কৰি ডমিনিয়ন হিচাপে ফিজি আজি এখন স্বাধীন ৰাষ্ট্ৰ বুলি পৰিগণিত হৈছে। ফিজিৰ অৰ্থনৈতিক উন্নতিত তাত থকা ভাৰতীয় সকলৰ অবদান অধিক। ভাৰতীয় শ্ৰমিকৰ কঠোৰ পৰিশ্ৰমৰ ফলতে ফিজি পৃথিৱীৰ অন্যতম চেনি ৰপ্তানীকাৰী ৰাষ্ট্ৰ। কিন্তু ব্ৰিটিছ [illegible] গোষ্ঠীয়ে তাত যি বিভেদৰ বৰবিহ সিঁচি গৈছে তাৰ বীজানুৱে ফিজি আদিবাসীৰ মনত ভাৰত বিদ্বেষ ভাব ক্ৰমাৎ বেছি কৰি আনিছে। তাত স্থায়ীভাবে থকা ভাৰতীয় বংশধৰ সকলে সমান ৰাজনৈতিক অধিকাৰ বিচাৰি সংগ্ৰাম কৰিছে। এই ক্ষেত্ৰত তেওঁলোকে ভাৰতৰ জাতীয় নেতৃবৃন্দৰ হস্তক্ষেপ কামনা কৰিছে যাতে ভাৰতীয় বংশধৰ সকলে সন্মান আৰু মৰ্যাদা ৰক্ষা কৰি বসবাস কৰিব পাৰে। ফিজিত নেচনেলিষ্ট পাৰ্টিয়ে ভাৰত বিৰোধী আক্ৰমণ অব্যাহত ৰাখিছে। তেওঁলোকৰ মূল শ্লোগান হৈছে, 'Fiji for Fijians only.' তেওঁলোকে ভাৰতীয় বংশধৰ সকলৰ দাবী মানি লব নোখোজে। এই বিৰোধৰ কোনো সু-আৰু স্থায়ী মীমাংসা আজিও হোৱা নাই। দৰাচলতে ফিজিয়ান সকলৰ মনত ভাৰতীয় সকলৰ প্ৰতি কোনো আন্তৰিকতা নাই। উগ্ৰজাতীয়তাবাদী ভাবধাৰাই এটা সুস্থ বাতাবৰণ সৃষ্টিত বাধা দিছে। আহমেদ চাহাবে লিখিছে যে বহু বছৰ সংগ্ৰাম কৰি ভাৰতীয় সকলে ফিজিৰ নাগৰিকত্ব আৰু ভোটাধিকাৰ পাইছে। কিন্তু জাতি ভিত্তিক নিৰ্বাচন পদ্ধতি প্ৰচলিত হোৱাৰ ফলত ফিজিয়ান আৰু ইণ্ডোফিজিয়ান সকলৰ পৰস্পৰৰ প্ৰতি থকা সন্দেহ আৰু বিদ্বেষ ভাব আজিও অটুট আছে। আচলতে ইণ্ডোফিজিয়ান সকলৰ ৰাজনৈতিক নিৰাপত্তাৰ আৰু নিশ্চয়তাৰ কোনো প্ৰতিশ্ৰুতি সংবিধানত নাই। সেয়েহে ভাৰতীয় বংশধৰ সকল ফিজিৰ অৰ্থনীতি সু-প্ৰতিষ্ঠিত হোৱা সত্ত্বেও অতীতৰ বনুৱাৰ মৰ্মান্তিক ইতিহাস পুনৰাবৃত্তিৰ আশংকাত আজিও আতংকত ভীতিগ্ৰস্ত। এই সন্দৰ্ভত আহমেদে ড০ আহমেদ আলি নামৰ ইণ্ডোফিজিয়ান লেখক এজনৰ Indians in Fiji শীৰ্ষক প্ৰবন্ধ এটালৈ আঙুলিয়াইছে। (পৃ-৪৭-৪৮)

আলোচ্য গ্ৰন্থখনত আমি লেখকৰ বৰ্ণনাত সিংগাপুৰৰ সম্পৰ্কেও কিছু কথাৰ আভাস পাওঁ। বস্তুত পূৰ্ব এচিয়া আৰু দক্ষিণ পূৰ্ব এচিয়াৰ সমস্ত প্ৰাচীন নাম সংস্কৃতজ। যেনে – যবদ্বীপ (জাভা), বৰুণদ্বীপ (বোৰ্ণিও), চম্পা (ভিয়েৎনাম), সুবৰ্ণদ্বীপ (সুমাত্ৰা), মলয়দ্বীপ (মালয়), সিংহপুৰ (চিংগাপুৰ) আৰু অনেক নাম। বৰ্তমান প্ৰায়বোৰ দেশতে নবজাগৰণ আৰম্ভ হৈছে। কিন্তু এচিয়া ভুক্ত দেশবোৰৰ মাজত ঐক্য আৰু সম্প্ৰীতি দৃঢ় হোৱা নাই। প্ৰায়বোৰত মাৰ্কিন প্ৰভাৱে কলা-কৃষ্টি, ভাবনা-আচৰণ কলুষিত কৰি পেলাইছে। সকলোতে ভাৰতীয় বাসিন্দা সকল সন্দেহৰ পাত্ৰ। ফিজিত ইংৰাজ আধিপত্য আঁতৰিল। কিন্তু ফিৰিংগীয়ানা মনোভাব নাতৰিল। ফিজিয়ান সকলৰ সামাজিক আৰু সংস্কৃতিক বিবৰ্তনত খ্ৰীষ্টান মিচনেৰিৰ ধৰ্মীয় প্ৰভাৱ বেছি। আহমেদে সামাজিক ভোজমেলবোৰত পশ্চিমীয়া ঢঙৰ উত্তাল নৃত্য আৰু জীৱন উপভোগৰ মছগুল ক্ৰিয়া কাণ্ড লক্ষ্য কৰিছিল। সকলোৱেই যেন পাৰ্থিৱ সুখ ভোগ আৰু সম্পদ আহৰণত বলিয়া। Money cultureয়ে ভাৰতীয় বংশধৰ সকলকো অধিক স্বাৰ্থপৰ কৰি তুলিছে। ফিজিত তেওঁ ওমৰ খৈয়ামৰ কথা মনত পেলাইছিল এই বুলি–

"Unborn tomorrow and dead yesterday,
why fret about them, if today be sweet!"

আহমেদে ৰগৰ কৰি কৈছে বোলে তেওঁলোকৰ গোটেই ভ্ৰমণসূচী এটা বিৰাট ৰাজকীয় আন্তৰ্জাতিক পিকনিকৰ আয়োজনৰ দৰে। খানা-পিনা, নাচ-গান, আমোদ-প্ৰমোদৰ সকলো ব্যৱস্থা আছে। কমনওয়েলথ পাৰ্লিয়ামেণ্টৰি এছোচিয়েচনৰ ২৭তম সন্মিলনত যোগদান কৰি অন্য নহলেও তেওঁৰ এখন বিচিত্ৰ দেশ চোৱা সুবিধা ঘটিল। সুবিধা ঘটিল নতুন উত্তেজনা, নতুন উন্মাদনা আৰু নতুন সৃষ্টিৰ আকুল বাসনাৰ বুজ লবলৈ। আনফালে, তেওঁৰ অন্তৰত সাম্প্ৰতিককালতো বৰ্তি থকা ইণ্ডোফিজিয়ান সকলৰ অতীত জীৱনৰ সুগভীৰ বেদনা উপলব্ধি ঘনীভূত হ'ল। তেওঁৰ আশা আদিম ফিজিয়ান সকলে ইণ্ডোফিজিয়ান সকলৰ সৈতে ঐক্য আৰু সংহতি প্ৰতিষ্ঠা কৰি গোটেই ৰাষ্ট্ৰখনৰ সামগ্ৰিক প্ৰগতিত উল্লেখযোগ্য বৰঙণি যোগাব। আত্মঘাতী ভ্ৰাতৃ কলহৰ অৱসান ঘটিলেহে মানৱ সমন্বয়ৰ প্ৰক্ৰিয়াই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিবলৈ সমৰ্থ হ'ব।

লেখক গিয়াছ উদ্দিন আহমেদ এগৰাকী প্ৰবীণ ৰাজনীতিজ্ঞ নহয়, তেওঁ এগৰাকী সফল সাহিত্যিক। এই প্ৰতিবেদনত এই কথাই প্ৰতীয়মান হৈছে। এইখন সাধাৰণ ভ্ৰমণ বৃত্তান্ত নহয়। এইখন এখন বহু ভাবময় চিন্তা ভাবনাৰ সুখপাঠ্য। ■

## গোহাৰি

গ্ৰন্থ প্ৰকাশক আৰু লেখক-লেখিকাসকলে সূত্ৰধাৰৰ 'গ্ৰন্থ-জগত' শিতানলৈ আলোচনাৰ বাবে কোনো নতুন প্ৰকাশিত গ্ৰন্থ পঠালে প্ৰতিখনৰে দুটাকৈ কপি পঠাবলৈ অনুৰোধ জনোৱা হ'ল

*ঠিকনা*

গ্ৰন্থ-জগত
সূত্ৰধাৰ
পূৰবী প্ৰকাশন প্ৰাঃ লিঃ
মনজেৰা হাউচ
গুৱাহাটী – ৭৮১ ০০১





# মানৱতা

ৰাজীৱ বৰমূদৈ

এটা একান্ত ব্যক্তিগত কথা। মোৰ মনৰ পৰিৱৰ্তনৰ কথা এটা। তেতিয়া অসম অন্দোলনৰ ভৰপক। আমি স্কুলৰ ছাত্ৰ। চৌপাশে কেৱল ধোঁৱা আৰু ছাই। মানুহ মৰিছে বহুত। সৰহভাগ ছাত্ৰৰ দৰে আমিও ছাত্ৰ সংস্থাৰ অন্ধ সমৰ্থক। নেলীত বহুত মিঞা মৰিছে। আমাৰ মনত আনন্দ। চাউলখোৱা চাপৰিত বহুত মিঞা মৰিছে। আমাৰ মনত আনন্দ। পুলিচৰ গুলিত বা বাংলাদেশীৰ (?) হাতত অসমীয়া মৰিছে। আমাৰ মনত দুখ।

ছাত্ৰ সংস্থাৰ মতে ১৯৫১ চনক ভিত্তি বছৰ হিচাপে লৈ বিদেশী চিনাক্তকৰণ কৰি বহিষ্কাৰ কৰিব লাগে। ছাত্ৰ সংস্থা নিজ মতত অলৰ-অচৰ। তাতে আছে বহুত উগ্ৰজাতীয়তাবাদী বুদ্ধিজীৱীৰ উগ্ৰমাৰ্কা দেশপ্ৰেম। সেই সময়তো কিছুমান বুদ্ধিজীৱী সোঁতৰ বিপৰীতে গৈছিল। তেওঁলোকে আন্দোলনটোক সমালোচনা কৰিছিল আৰু মানৱতাৰ কথা কৈছিল। সেইসময়ত আমি তেওঁলোকৰ প্ৰতি বীতশ্ৰদ্ধ হৈ পৰিছিলো।

লাহে লাহে ডাঙৰ হ'লো। আৰু পঢ়াশুনা কৰি যেতিয়া অলপ বুজা হ'লো তেতিয়া ময়ো মানৱতাবাদী হৈ পৰিলো। আগতে আছিলো উগ্ৰজাতীয়তাবাদী আৰু এতিয়া হ'লো মানৱতাবাদী। এতিয়া যিকোনো মূল্যৰ বিনিময়ত মই মানুহ ভাল পাব পাৰো। অৱশ্যে কেতিয়াবা ধুৰন্ধৰ মানুহলৈ খঙো উঠে ভীষণ।

মোৰ মনৰ যে ইমান পৰিৱৰ্তন হ'ল কেতিয়াবা এই কথাটো ভাবি মই নিজেই আচৰিত হওঁ। মোৰ মনত এতিয়া সকলো মানুহেই সমান। কাৰণ পৃথিৱীৰ সমস্ত মানুহে দুখত চকুপানী মচে। আনন্দত হাঁহে। সকলো মানুহৰে অনুভূতি একে। সেয়ে আজি মোৰ মানুহৰ কথা ভবা, মানুহৰ দুখত দুখী হোৱা মানুহক ভাল লাগে।

অসমলৈ বাংলাদেশৰ পৰা বহুতো মানুহ অবৈধ ভাবে আহিছে। এই কথাত নিশ্চয় কাৰো দ্বিমত থাকিব নোৱাৰে। সেই মানুহবোৰে কিন্তু ৰাজনীতি কৰিবলৈ ইয়ালৈ অহা নাই। তেওঁলোক এমুঠি ভাত, এখন কাপোৰৰ বাবেহে ইয়ালৈ আহিছে। আজি যদি বাংলাদেশে তেওঁলোকৰ জীৱন ধাৰণৰ ব্যৱস্থা কৰি তেওঁলোকক ঘূৰাই নিব খোজে, তেওঁলোক নিশ্চয় উভতি যাব কাৰণ, অসমতো এই মানুহবোৰে সুখকৰ জীৱন যাপন কৰিব পৰা নাই। চৰ অঞ্চলত তেওঁলোক সৰহভাগৰে বাসস্থান। য'ত বহাগ পৰিলেই আহে বানপানী। নাই ৰাস্তা-ঘাট। নাই স্কুল-কলেজ হস্পিতাল। এই মানুহবোৰে তেজেমুতা শ্ৰম কৰি কোনোমতে দুবেলা দুমুঠি খাইছে। আৰাম বুলিবলৈ জীৱনত একো নাই। বৰ কষ্টকৰ তেওঁলোকৰ জীৱন।

কিন্তু বাংলাদেশৰ পৰা আৰু অবাধে মানুহো আহি থাকিবলৈ দিব নোৱাৰি। আৰু যিবোৰ আছে সেইবোৰৰ বোজাও অসমক অকলে বহণ কৰিবলৈ দিয়া উচিত নহয়। সেইটো হ'লে থলুৱা মানুহখিনি সংখ্যালঘুত পৰিণত হ'ব। তেতিয়া তেওঁলোকে হেৰুৱাব সকলো অধিকাৰ। কিন্তু যিখিনি আহিল সেইখিনিকতো বাংলাদেশে পুনৰ গ্ৰহণ নকৰে। আৰু সেইবোৰক মাৰিও শেষ কৰিব নোৱাৰি। কাৰণ তেওঁলোক যে মানুহ! মানুহে মানুহৰ কথা ভাবিবই লাগিব।

সেয়ে দেশে দেশে যেতিয়া নৰমেধ যজ্ঞ চলে, তেতিয়া দুখ লাগে। গণ কবৰত যেতিয়া আৱিষ্কৃত হয় চকু-হাত বন্ধা মৃতদেহ, তেতিয়া অন্তৰাত্মা শিয়ৰি উঠে। যেতিয়াই মানুহৰ চকুত চকুপানী দেখো তেতিয়াই সিদ্ধান্ত কৰো মানুহৰ দুখত দুখী হম। মানুহৰ দুখ মোচন কৰিবলৈ চেষ্টা কৰিম।

সমাজ বা দেশ এখনৰ আমূল পৰিৱৰ্তন কৰিবলৈ হ'লে বিপ্লৱ সংঘটিত হবই লাগিব। বিপ্লৱত মানুহো মৰিব। কিন্তু কাক কাক হত্যা কৰা হ'ব তাৰ তালিকা তৈয়াৰ কৰি তেওঁলোকৰ ফালে বন্দুক টোঁৱাই থাকিব নেলাগে। দোষ গুণৰে সমষ্টি মানুহ। আজি ভাল বুলি স্বীকৃত মানুহ এজন এটা ভুলৰ বাবেই কালিলৈ বেয়া বুলি পৰিগণিত হ'ব পাৰে। সেইদৰে আজি বেয়া বুলি স্বীকৃত মানুহ এজনো এটা ভাল কাম কৰাৰ বাবে কালিলৈ ভাল মানুহ বুলি পৰিগণিত হব পাৰে। ভি. পি. সিং যেতিয়া কংগ্ৰেছী আছিল তেতিয়া তেওঁ কংগ্ৰেছ বিৰোধী মানুহৰ বাবে বেয়া মানুহ আছিল। কিন্তু তেওঁ যেতিয়া ৰাজীৱ গান্ধীৰ লগত কাজিয়া কৰি কংগ্ৰেছৰ পৰা ওলাই আহিল তেতিয়াই তেওঁ কংগ্ৰেছ(ই) বিৰোধীৰ কাৰণে হৈ পৰিল ভাল মানুহ। তেওঁ কিন্তু ইন্দিৰা গান্ধীৰ দিনত মনে মনে থাকি সকলো সা-সুবিধা গ্ৰহণ কৰি আছিল। আৰু জৰুৰীকালীন অৱস্থাৰো তেওঁ অংশ আছিল। সেয়ে শ্বেকছপীয়েৰে কৈছে ঃ

"There is nothing good or bad in this world,
Only thinking makes it so."

বৰ্তমান দেশৰ কিছুমান অঞ্চলত ৰাজনৈতিক হত্যা চলি আছে। যিবোৰ দলৰ মানুহ হত্যা কৰা হৈছে তাৰে কিছুমানে দলত্যাগ কৰি ভাল মানুহ হৈ বাচি থাকিব পাৰিছে। আৰু যিবোৰে দলত্যাগ কৰা নাই তেওঁলোকৰ কিছুমান বেয়া মানুহ বুলি পৰিগণিত হৈ মৃত্যুক সাবটি লব লগা হৈছে। অসম আন্দোলনতো এনেকুৱা কিছুমান ঘটনা ঘটিছিল আৰু এতিয়াও ঘটি আছে।

ৰাজনৈতিক হত্যা বন্ধ হোৱা উচিত। কাৰণ ৰাজনীতি কৰা মানুহবোৰে দলীয় স্বাৰ্থত কাম কৰিবই। তেওঁলোকৰ সেইটো কৰাৰ অধিকাৰো আছে। বন্দুকৰ গুলিৰে সেই অধিকাৰ সদায় খৰ্ব কৰিব পৰা নাযাব।

সুখৰ কথা, পৃথিৱীত মানুহৰ বাবে চিন্তা কৰা, মানুহৰ দুখৰ সমভাগী হোৱা মানুহ এতিয়াও বহুত আছে। কিছুমানে বা আদৰ্শৰ বাবেই জীৱনৰ সকলো সুখ বিসৰ্জন দিছে। কিছুমানে বা মানুহৰ মুক্তিৰ কথাকেই চিন্তা কৰিছে। সেয়ে বাংলাদেশত যেতিয়া বা-মাৰলী হৈ লাখ লাখ মানুহ মৰে, আৰ্মেনিয়াত ভূমিকম্প হয়, ইৰাকত যুদ্ধ লাগে, আৰু য'তে মানুহৰ অসীম দুখ হয় তলৈকে মাদাৰ টেৰেছা যায়। ■

# পানীদিহিঙী য়াৰ "জয়মতী"

মনোৰমা বৰুৱা

আইতা, এইদৰে উস্ আস্ কৰি থাকিলেই কঁকালৰ বিষ, ভৰিৰ বিষ ভাল হবনে ? দৰব জাতি খালেহে বিষ বেমাৰ ভাল হয়। ডাক্তৰৰ কথাও শুনিব লাগে।

বিষাদেৰে ভৰা হাঁহি আৰু অনুচ্চ কণ্ঠেৰে দিয়া উত্তৰটো হ'ল-"এইটো বিষনো ক'ত ভাল হব আই ? অইন হে নেলাগে বিলাতৰ পৰা পাছ কৰি অহা ডাক্তৰেও ভাল কৰিব নোৱাৰে। এই বিষ দৰব খালেও ভাল নহয়। সেই তাহানিতে বাৰ চৌধ্য মান বয়সতে চাউডাঙে চমতাৰে কোবোৱা বিষ। পিছে বিষ জানো অকল শৰীৰতহে ? মনতো জানো বিষ নাই ? কোন ডাক্তৰৰ ক্ষমতা আছে এই বিষ ভাল কৰে ? চকু দুটা মুদিলে এইবোৰ শৰীৰৰ বিষ মনৰ বিষ লগতে যাব আৰু।"

কথা নহয় যেন, হৃদয় ভাঙি মোহাৰি নিয়া এটা কৰুণ হুমুনিয়াহ। বুকুভঙা দীৰ্ঘশ্বাস।

—আপোনাৰ অপৰাধ নো কি আছিল ?

"টকীত ভাও লওঁতে আনৰ মানুহক "বঙহৰদেউ" বুলিছিলো নহয়, সেইটোৱেই দোষে চুলে হবলা। লগৰ লগৰীয়া ফুলেশ্বৰী, মইনা হঁতৰ সৈতে ওমলি থকা সময়ত কোনোবাই কলেহি বোলে–, মোক হেনো জাহাজ দেখুৱাবলৈ নিব, ডিম্বকাইদেউ (ডিম্ব বৰ গোহাঁই) আৰু আমাৰ কেশৱ, মানে ভাইটোৱে। তাৰ আগলৈকে আৰু মই জাহাজ দেখাই নাই নহয়, ভাল লাগিল আৰু জাহাজ চাবলৈ ধনশিৰিমুখলৈ যাবলৈ পাম বুলি জানি।

ককাইদেউহঁতৰ লগতে গ'লো আৰু। গৈ দেখো গৈ, উৱা! চাবলৈ যাওঁতেই ভোঁ কৈ বজাই জাহাজ গলগৈয়ে। অ' পাছতহে জানিলো মোক জাহাজ দেখুৱাবলৈ নহয়, যোৰহাটৰ ৰাজেন বৰুৱা বোলাজনে নিয়াইছিল টকীত ভাও দিবলৈহে।"



আইদেউ সন্দিকৈ

এইখিনি জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰথম অসমীয়া কথাছবি 'জয়মতী'ৰ নায়িকা আইদেউ সন্দিকৈৰ মুখৰ কথা। সন্দিকৈৰ পৰিয়ালৰ তিনিটা ককাই ভাইৰ মাজৰ একেজনী ছোৱালী 'আইদেউ'। "হওঁতে নাম এটা আছিল হবলা। পিছে আই, দেউতা ভাই ককাইয়ে নামটোৰে নেমাতি আমাৰ আইদেউ বোলোতে বোলোতে, সেইটোৱেই নাম হ'লগৈ আৰু। ককাদেউতাক পৰশু সন্দিকৈ আছিল, লেতেকু বাগিচাৰ বৰমহৰী। দেউতাক নীলাম্বৰ সন্দিকৈয়েও লেতেকু বাগিচাতে কাম কৰিছিল। সন্দিকৈৰ পৰিয়ালটো বোকাখাটৰ পৰা ২০ কিঃ মিঃ দূৰৈৰ কমাৰগাঁৱৰ পানীদিহিঙীয়া গাঁৱৰ এটি অভিজাত পৰিয়াল আছিল।

জ্যোতিপ্ৰসাদে ছবিত অভিনয় কৰোৱাবলৈ এগৰাকী গঢ়নে বাঢ়নে উপযুক্ত ছোৱালী বিচাৰি ফুৰিছিল। দেখাই শুনাই ভাল, ভালঘৰৰ ছোৱালী আইদেউক লৈ গ'ল ৰাজেন বৰুৱাই। জ্যোতিপ্ৰসাদৰ খুৰীয়েক এগৰাকী আইদেউহঁতৰ ঘৰৰ ওচৰৰে খুমটাইৰ। তেওঁ আইদেউৰ দেউতাকৰ সমবয়সীয়াও আছিল। তেওঁৰে তত্বাৱধানত আইদেউক দেউতাকে ছবি কৰিবলৈ দিলে। দুমাহমান তেজপুৰত থাকি ছবি কৰি আইদেউ ঘূৰি আহিল ঘৰলৈ। ইয়ে সোধে, সিয়ে সোধে–, আইদেউনো কেনি গৈছিল ? সহজ সৰল উত্তৰ আইদেউৰ– "ছবিত ভাও লবলৈ আৰু।" আৰু লাগে নে ? সন্দিকৈৰ ঘৰৰ জীয়ৰীয়ে ছবিত ভাও লোৱাৰ দৰে গৰ্হিত কাম কৰাৰ অপৰাধত সমাজে সন্দিকৈৰ ঘৰখনকে হেনো এঘৰীয়া কৰিলে। জুই পানী নিষেধ। তেওঁলোক কাৰো ঘৰলৈ যাব নোৱাৰে। সকাম-নিকাম, বিয়া সবাহলৈ কোনেও নেমাতে। আনকি পৰিয়ালৰ মানুহবোৰেও সন্দিকৈৰ ঘৰৰ লগত সম্বন্ধ ত্যাগ কৰিলে।

আইদেউ আৰু ঘৰখনে মানি ললে সমাজৰ বিচাৰ। নেমানিনো কি কৰিব ? কাৰো ওচৰত কোনো অভিযোগ কৰা নাছিল। কাৰো ওপৰত কোনো অভিমানো নাছিল। যিটো আছিল, সেয়া হ'ল গভীৰ অপৰাধবোধৰ গ্লানি। সমাজৰ বিচাৰত এঘৰীয়া হোৱা সেই সৰু ছোৱালীজনীয়ে নিজকে লুকুৱাই পেলালে এটা কোঠাৰ চাৰিখন বেৰৰ মাজত। কোঠালিৰ খিৰিকিৰ জলঙাৰে আকাশ চাই, বতাহ লৈ নিসঙ্গভাবে দিন কটাব ধৰিলে অকলশৰে। লগৰীয়াৰ সতে ওমলা নিষেধ, বিয়া সবাহলৈ যোৱা নিষেধ। ঘাটলৈ পানী আনিবলৈ যোৱা নিষেধ। চতুৰ্দিশে নিষেধৰ বেৰাজাল। বাহিৰত সমাজৰ ৰঙাচকু। যেন আইদেউ তেজমণ্ডহৰ গাভৰু নহয়। সাধুকথাত পোৱা কোনোবা অভিশপ্তা বন্দিনী কন্যা। এজনী মাত্ৰ ছোৱালী বুলি মাকে আদৰতে বিশেষ কামকাজ কৰিবলৈ নিদিয়া ছোৱালীজনীয়ে অকলে বহি পাচি, খৰাহি বনাবলৈ শিকিলে। জেওৰা জপনা বনাবলৈ শিকিলে। তাঁত সূত ববলৈ শিকিলে। টিপ চহীটো দিবলৈ শিকিলে। অকলে অকলে এইবোৰ কৰি থাকে। (কি যে দুঃসহ নিসঙ্গ জীৱন !)

—তাৰমানে অসমীয়া মানুহে আপোনাক বৰ দুখ দিলে নহয়নে ?

"অকল দুখহে নে, মই ভাও লোৱা জয়মতীৰ গোটেইখিনি যাতনাচোন মই হে ভুগিলো, শৰীৰে, মনে। জয়মতীয়ে জেৰেঙা পথাৰত পোৱা শাস্তিতকৈ মোৰ শাস্তিনো এয়া কম হ'ল নে ? মানুহে মোক ইমান দুখ বেজাৰ দিলে যে, মানুহ দেখিলেই ভয় লগা হ'ল।"

— চাউদাঙৰ চমতাৰ কোবত যে আজিলৈকে কঁকাল বিষাই থকা বুলিলে সঁচা কৈ নে ?

"মিছা মাতিবলৈ নো আৰু কিটো আছে ? ফণী শৰ্মাই ভাও লৈছিল চাউদাঙৰ।"

— আইতা ফণী শৰ্মাই চাউদাঙৰ ভাও লোৱা নাছিল নহয়। ফণী শৰ্মাই লৈছিল গাঁঠি হাজৰিকাৰ ভাও।

'অ' হব পায়। কথাবোৰ আজিকালি মনতে নাথাকে নহয়।" মুঠতে ফণী শৰ্মাই "গদাপানী ক'ত আছে কবি নে নকৱ বুলি চমতাৰে কোবালে। একেটা কোবতে পৰি অচেতন হ'লো। পিঠি ফুলি গ'ল। সাতদিন মান বিছনাতে পৰি থাকিলো। সেইটো বিষ আৰু ভালেই নহ'ল। বয়সত বাঢ়িহে গ'ল। বাওঁফালে ভৰিলৈও শিপালে। এতিয়া সেইটো বিষতে কোঙা হ'লো আৰু। জ্যোতিকাইদেউৱে পিছে ফণী শৰ্মাকি কৈছিল, – 'এইদৰে মানুহ মাৰি মোক ভাও কৰি দিব নেলাগে নহয়।' পিছে ছবিত ভাও দি আহি ঘৰ পোৱাৰ পিছত মোৰ খবৰ কোনেও আৰু লোৱা নাছিল। জ্যোতি প্ৰসাদেও লোৱা নাছিল। বিষ্ণুপ্ৰসাদ ৰাভা, ফণী শৰ্মাই লোৱা নাছিল। মুঠতে কোনেও লোৱা নাছিল। থাকিলো আৰু সেইদৰেই। পিছে সেই সকলক নো দুষিবা কিটো ? তেজপুৰৰ পৰা আহি কমাৰগাঁৱ পালোহি। তাৰ পিছৰে পৰাইটো সকলো লাঞ্ছনা অপমান সহিছো। আপোন মানুহেও এৰিলে। কোনেনো কেতিয়া খবৰ ললেহি ? এতিয়াহে ইয়ে সিয়ে ভাও লোৱা, টকী কৰা কথাবোৰ সোধেহি। এটাইবোৰ কথা মনতো নাই। কবলৈও মন নেযায়। এতিয়া কোনোবাই কিবাকিবি লিখিও নিয়েহি। দুই, একে ছবিও তুলি নিয়েহি। কিটো নো হ'ব ? কিয়নো নিয়ে, কিয়নো সোধে একো বুজিও নেপাওঁ। জীৱনটো গলেই আৰু এইদৰে। মই এতিয়াও বুজি নেপাওঁ, জয়মতীৰ শাস্তিটোনো ৰাইজখনে মোক কেলেই দিলে।? ভাও লওঁতে শৰীৰত পৰা চমতাৰ কোবৰ চিনটো দেহাত দেখাত নাই। পিছে মনটো সেইবোৰ দুখতে চিৰাচিৰ। যিখন ছবিত ভাও ললো, সেইখননো কেনে হ'ল, কি হ'ল, কি কৰিলো, ভালেই কৰিলো নে ভুলেই কৰিলো কোনেও মোক নকলে। ইমানটো দোষ কৰাৰ পিছত মোৰো কাকো সুধিবলৈ সাহেই নুকুলালে। ঘৰৰ মানুহেও ছবিখন নেচালেই হবলা। এই, এতিয়াহে সৌ-সিদিনা ঘৰতে চৰকাৰে আনি ছবিখন দেখুৱালে। ভতিজাহঁতে কলে, দুকুৰি তেৰ বছৰ হ'ল হেনো ছবিখন কৰা। দুকুৰি তেৰ বছৰৰ মূৰকতহে দেখিলো তেও

—আৰু এটা কথা কওকচোন, লগৰ ছোৱালীহঁতৰ বিয়া বাৰুৰ খবৰ শুনিলে বেজাৰ নেলাগিছিল নে ? টকীত ভাও লোৱা দোষটো নকৰাহেঁতেন এনেকৈ অকলে থাকিব লগাহলহেঁতেন জানো ?

"মানুহে ইমান ঘৃণা কৰা, অপবাদ দিয়াৰ পিছত নো মোৰ মানুহৰ সৈতে বিয়া হবলৈ মন যাবনে ? মোক বিয়া কৰাবলৈ কাৰোবাৰ সত যাবনে ? নিজৰ বিয়া হোৱা দূৰৈৰ কথা, সেইটো দোষতে কাৰো বিয়া খাইও নেপালো, আই।"

এইবোৰ মনভঙা, হিয়া দহা কথা, ভাৰতৰ সবাক চলচ্চিত্ৰৰ দ্বিতীয় গৰাকী মহিলা অভিনেত্ৰী আইদেউ সন্দিকৈৰ। যি গৰাকী এতিয়া আশী বছৰ বয়সত ৰোগশয্যাত, চৰকাৰৰ ছশ টকীয়া পেঞ্চন আৰু কিছু অৰ্থ সাহায্যকে সম্বল কৰি পৰি আছে। যি গৰাকী শিল্পীৰ কথাৰে ইনাই-বিনাই আমি আলোচনী, বাতৰি কাকতৰ পৃষ্ঠা ভৰাইছো। যাক লৈ গৌৰৱ কৰিছো। যি গৰাকীয়ে এতিয়া আঙুলি মূৰত দিন গণি পাৰ হৈ যোৱা জীৱনৰ তিঁতা কেঁহা কিছু সুৱঁৰিছে কিছু পাহৰিছে, আমি নতুন পুৰুষে, পূৰ্বে কৰি অহা অসমীয়া সমাজৰ সংস্কাৰ অবিচাৰৰ প্ৰায়চিত্ত হিচাপে আইদেউ সন্দিকৈৰ বাবে একোৱেই কৰিব নোৱাৰো নে ? ৰজাঘৰ, প্ৰজাঘৰ, সংস্কৃতি প্ৰেমী ৰাইজ কাৰো একো কৰিবলগা নাইনে ? অন্ততঃ কিবা এটা ? সু

OKDISCD

বসন্ত সংখ্যা

সূত্ৰধাৰ

পহিলা এপ্ৰিলত প্ৰকাশ পাব

বিশেষ আকৰ্ষণ

চাৰিখন উপন্যাসিকা

ইংলেণ্ড প্ৰবাসী ভাৰতীয়সকলৰ জীৱনৰ পটভূমিত ৰচিত জটিল মনস্তাত্বিক উপন্যাসিকা

ডাঃ মুক্তিপ্ৰসাদ গগৈৰ 'ধীৰুভাই'

গভীৰ আত্মনুসন্ধানৰ মৰ্মস্পৰ্শী কাহিনী

ফণীন্দ্ৰ কুমাৰ দেবচৌধুৰীৰ 'সত্য সন্ধানী'

'কয়লা-খনিৰ পটভূমিত লেখা প্ৰথম অসমীয়া উপন্যাসিকা

কানাই গগৈৰ 'দধিচী'

নাৰী-পুৰুষৰ সম্পৰ্কৰ ৰহস্য-সন্ধানী মনস্তাত্বিক উপন্যাসিকা


হিৰণ্য কুমাৰ ভট্টাচাৰ্যৰ 'বিকৰ্ষণ'

প্ৰবন্ধ

এন্ধাৰৰ পৰা পোহৰলৈ ▫ নলিনীধৰ ভট্টাচাৰ্য
হাৰমেন মেলভিলৰ মবিডিক ▫ কাব্যশ্ৰী মহন্ত
জীৱনটোযে কি. ▫ দেবকান্ত সন্দিকৈ
দিল্লীৰ অসমীয়া সমাজ ▫ অৰবিন্দ শৰ্মা
বীথোফেন ▫ অনুদিত প্ৰবন্ধ
ব্যক্তিৰ মনৰ স্বাধীনতা,
মাৰ্ক্সবাদ আৰু লৰেন্স ▫ কুমুদ বৰুৱা
আদৰ্শ ▫ ৰঘুনাথ চৌধুৰী
আত্মতত্ব আৰু ভগবৎ চিন্তা ▫ যতীন্দ্ৰনাথ শইকীয়া


কবিতা

কবীন ফুকন
এম কামালুদ্দিন আহমেদ
সৌৰভ শইকীয়া
কৌশিক দাস
গৌতম বৰদলৈ
বীৰেন গগৈ
প্ৰদীপ শৰ্মা



ভ্ৰমণ

পেৰিচত ফৰাচী মহিলাৰ আতিথ্য ▫ নীলিমা দত্ত
গ্ৰেণাইট বিডটি ▫ প্ৰীতি বৰুৱা
দিৱান ▫ অনুৰাধা দাস




নাটক

আলি দোমোজাত ▫ মহেন্দ্ৰ বৰঠাকুৰ

গল্প

কৃষ্ণ ভুঞা
কমলা বৰগোঁহাই
প্ৰফুল্ল চন্দ্ৰ বৰা
মদন শৰ্মা
নবনীতা গগৈ
পদ্মপাণি



দীঘল গল্প

ড° ভূপেন্দ্ৰ নাৰায়ণ ভট্টাচাৰ্য

চিনেমা

উৎপল দত্ত

পূৰবী প্ৰকাশন প্ৰাইভেট লিঃ, মনজেৰা হাউচ, পানবজাৰ, গুৱাহাটী – ৭৮১ ০০১



# বাতৰিৰ আঁৰৰ বাতৰি

বদন বৰুৱা

উক্ত শিৰোনামাৰে ১-১৫ ফেব্ৰুৱাৰী সংখ্যা সূত্ৰধাৰত প্ৰকাশিত শ্ৰীগীতাৰ্থ পাঠকৰ প্ৰতিবেদন পঢ়ি আৰু কেইটামান কথা যোগ দিয়াৰ লোভ সামৰিব নোৱাৰিলো।

ইতিমধ্যে অসমৰ সাংবাদিকতা আৰু সাংবাদিকৰ সমস্যাৰ কিছুমান দিশ আলোচনা কৰি প্ৰান্তিকলৈ এটা প্ৰবন্ধ পঠাইছিলো– যিটো অহা সংখ্যাত অৰ্থাৎ এই লেখা প্ৰকাশ হোৱাৰ (যদি হয়) আগতে প্ৰকাশ হব। সেই প্ৰবন্ধত উল্লেখ নকৰা কেইটামান কথাহে শ্ৰীপাঠকৰ প্ৰতিবেদনৰ গয়না লৈ উল্লেখ কৰিব খুজিছো। অৱশ্যে উক্ত প্ৰবন্ধৰ দুই এটা কথা ইয়ালৈ নাহিব বুলি ন দি ক'ব নোৱাৰো। কাৰণ আন লেখাৰ দৰে সেই প্ৰবন্ধৰো নকল মোৰ হাতত নাই।

আন ৰাজ্যত কেৱল 'লেখি খোৱা' মানুহ যথেষ্ট আছে। যি বিলাকৰ জীৱন নিৰ্বাহৰ কাৰণে উপাৰ্জনৰ আন বাট নাই। অসমত কেৱল লিখি, ছবি আঁকি বা গান গাই খোৱা মানুহৰ সংখ্যা কিমান হব হঠাতে কোৱা মস্কিল। মই তিনিজন কেৱল লিখি খোৱা লোকৰ নাম উল্লেখ কৰিব পাৰো। এই কেইজন হ'ল– ডঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, পদ্ম বৰকটকী (এতিয়া অৱশ্যে আৰু উপাৰ্জনৰ পথ আছে বুলি শুনা যায়) আৰু হোমেন বৰগোহাঞি। (প্ৰথম কেইবছৰমান বাদ দি)। আটাইকেইজনে প্ৰতিষ্ঠা হবলৈ যথেষ্ট কষ্ট কৰিব লগীয়া হৈছিল জানো।

বাতৰি কাকত/আলোচনীৰ কৃতকাৰ্যতা ঘাইকৈ নিৰ্ভৰ কৰে সাংবাদিক আৰু লেখক সকলৰ ওপৰত। কাৰণ কোনো কাকত-আলোচনী কেৱল এজেন্সীৰ ওপৰতে বা অনুবাদ প্ৰবন্ধৰ ওপৰতে চলি থাকিব নোৱাৰে। মোৰ দুখন ৰাষ্ট্ৰীয় কাকতক বাতৰি যোগান দিয়াৰ সুযোগ হৈছিল। এখনৰ লগত ১৪ বছৰ যোগাযোগ আছিল। মোৰ অভিজ্ঞতাৰ পৰা ক'ব পাৰো এই কাকত বিলাকে সদায়েই এজেন্সীতকৈ বাতৰি যোগনিয়াৰৰ বাতৰিতহে গুৰুত্ব দিয়ে।

অসমত মফচল সাংবাদিকৰ সংখ্যা বহুত হ'ল। কাকতৰ সংখ্যাও বাঢ়িল। কোনো কোনো কাকতে ৫/৬ কিলোমিটাৰৰ আঁতৰে আঁতৰে সংবাদদাতা নিয়োগ কৰিলে। সকলোকে কিমান টকা দিব। এই বিলাকৰ বহুতক টকা নালাগে। কাৰণ উপাৰ্জনৰ আন পথ আছে। লাগে মাত্ৰ সন্মান আৰু সমাজত স্বীকৃতি।

মফচল সাংবাদিকৰ বেছি ভাগেই হয় কলেজৰ প্ৰবক্তা, স্কুলৰ শিক্ষক বা কোনো নিগম আদিৰ কৰ্মচাৰী। কলেজৰ প্ৰবক্তা বা স্কুলৰ শিক্ষকৰ দা-দৰমহাও আজিকালি যথেষ্ট ভাল। তাৰ উপৰি বহী পৰীক্ষা কৰা, ঘৰুৱা শিক্ষকতা আদিৰ পৰাও উপাৰ্জন হয় যথেষ্ট ভাল। গতিকে কাগজৰ টকা কেইটা নহ'লেও হয়।

অসমৰ বিভিন্ন ঠাইত ৰঘুমলাৰ দৰে সাংবাদিকৰ প্ৰেছ ক্লাব, জাৰ্নেলিষ্ট গীল্ড, সাংবাদিক সংস্থা আদি গঢ়ি উঠিছে। এই সংগঠন বিলাকে দেখা যায় সেনা বাহিনী প্ৰত্যাহাৰ কৰিবলৈ, কলা আইন উঠাই লবলৈ দাবী, আলি-পদূলি, দলং আদি সজাৰ অনুৰোধ কৰি প্ৰস্তাৱ লয়। কিন্তু সাংবাদিকৰ সা-সুবিধাৰ কাৰণে বিশেষ মাত নামাতে। সৈন্য বাহিনী প্ৰত্যাহাৰ কৰা, কলা আইন উঠোৱা আদি প্ৰস্তাৱ যোগে দাবী সাংবাদিকে কৰা উচিতনে– এতিয়াও মোৰ এই বিষয়ে সন্দেহ আছে। আমাৰ কাম কলমৰ যোগেদিহে প্ৰতিবাদ কৰা।

এনে সংগঠন বিলাকে কেতিয়াবা অপদস্থও হব লগা হয়। আগৰ মফচল সাংবাদিক সংস্থা হঠাতে সদৌ অসম সাংবাদিক সংস্থা হ'ল। এই সংস্থাৰ এটা ডাঙৰ প্ৰতিনিধি দল বাঙ্গালোৰত হোৱা এখন সৰ্বভাৰতীয় সাংবাদিকৰ সম্মিলনত যোগ দিবলৈ গ'ল যোৱা ডিচেম্বৰ মাহত। তাত কোনোবাই প্ৰশ্ন উঠালে– স্বীকৃতিপ্ৰাপ্ত নোহোৱা এই সংগঠনৰ প্ৰতিনিধিয়ে কেনেকৈ আলোচনাত ভাগ লব। পাছত কোৱা হ'ল তেওঁলোক দৰ্শক প্ৰতিনিধিহে।

এচাম সাংবাদিকে সভা-সমিতিৰ যোগে সমাজত প্ৰতিষ্ঠা হোৱাৰ চেষ্টা কৰাও দেখা যায়। প্ৰায়ে সভা-সমিতিত নিৰ্দিষ্ট বক্তা, বিশিষ্ট অতিথি হোৱাৰ বাতৰি কাকতত দেখা যায়। বাতৰিও নিজে পঠায়। মোৰ সাংবাদিকতা কৰা ৪০ বছৰ হ'ল। অনেক অনুৰোধ স্বত্তেও কোনো সভাত 'বাৰ' লবলৈ যোৱা নাই। বাতৰি কাকতত এবাৰৰ বাদে (সাহিত্য সভাই সাংবাদিকতাৰ ওপৰত আয়োজন কৰা আলোচনা চক্ৰ) নাম প্ৰকাশ হোৱা নাই। শ্ৰীকীৰ্তি নাথ হাজৰিকায়ো কাকতৰ লগত জড়িত থকালৈকে এই নীতিকে গ্ৰহণ কৰিছিল।

এতিয়া পাৰিতোষিকৰ কথালৈ আহোঁ। বেছিভাগ কাগজেই সামান্য কিবা এটা স্থায়ী টকা দি বাকী প্ৰকাশিত বাতৰিৰ জোখৰ ওপৰত টকা দিয়ে। ফলত কিছুমান সাংবাদিকে যিমান পাৰে বাতৰি দীঘল কৰিবলৈ চায়। 'যোৰহাট নগৰৰ উত্তৰ পশ্চিমে নগৰৰ পৰা ১০ মাইল আঁতৰৰ' বা 'গোলাঘাট নগৰৰ পৰা আমুকলৈ আলিয়েদি ১৫ কিলোমিটাৰ, আমুকেদি ২০ কিলোমিটাৰ – তাত ইমান তাৰিখে ...। এনেকুৱা বাতৰি প্ৰকাশ হৈ থাকে। ডেস্কত সম্পাদনা কৰা নহয়। সম্পাদনাৰ আৰু এটা উদাহৰণ। এখন কাকতত পঢ়িলো – 'ঠিক প্ৰায় ৪ মান বজাত'। যদি ঠিকেই হয় 'প্ৰায়' কিয়। কেৱল প্ৰায়েই নহয় 'প্ৰায়' 'মান' দুইটা। কিছুমানে আকৌ একে বাতৰিকে ২/৩ দিনৰ মূৰে মূৰে প্ৰকাশ কৰি থাকে। কেতিয়াবা একেখন কাকততে দুবাৰ ওলায়। সম্পাদনা কৰা নহয়। নগালেণ্ডৰ দ্বিতীয় মহকুমা স্থাপনৰ কথাকে এইক্ষেত্ৰত উনুকিয়াব পাৰি।

এতিয়া টকা পঠিওৱাৰ ক্ষেত্ৰলৈ আহোঁ। দৈনিক অসমৰ লগত ২৩ বছৰ জড়িত আছিলো। কৰ্মচাৰীৰে দোষ নে কি নাজানো কিন্তু এদিনো ঘৰত বহি টকা নাপালো। কিন্তু টকা নিদিয়াকৈয়ো নাথাকে। কাৰ্যালয়লৈ যোৱাৰ লগে লগে জমা হোৱা সকলো টকা দি দিয়ে। চেন্টিনেল গ্ৰুপে টকা যিমানেই দিয়ক পাছৰ মাহৰ আগ সপ্তাহতে পোৱাকৈ ঘৰলৈ পঠিয়াই। প্ৰান্তিকে টকা দিয়েও ভাল পঠায়ো নিয়মীয়াকৈ। সূত্ৰধাৰৰ লগত বহুতদিন যোগাযোগ নাই। এটা প্ৰবন্ধ চিঠি আকাৰে প্ৰকাশ কৰিলে। চিঠিত বোলে পইচা নিদিয়ে। প্ৰথমে





OKDISCD

টকা কম দিছিল যদিও নিয়মীয়াকৈ দিছিল। একলাখ প্ৰচাৰ হোৱা বুলি দাবী কৰা এখন কাকতে লেখকক দিয়ে অতি কম। এইবোৰ ব্যাখ্যা কৰিবলৈ গলে বৰ দীঘল হব।

লেখা-মেলা প্ৰকাশ কৰাৰ ক্ষেত্ৰত আন অসুবিধাও কিছুমান আছে। এখন দৈনিকৰ অনুৰোধ ক্ৰমে সপ্তাহত এটাকৈ লিখিছিলো। নাম আছিল বৰনৈৰ ইপাৰে সিপাৰে। এটা সংখ্যাত কৃষি বিশ্ববিদ্যালয়ৰ ওপৰত লিখিছিলো। তাতেই লাগিল লেঠা। প্ৰবন্ধ নামত নাছিল যদিও মই যে লিখিছো বাহিৰ কৰিলে। (বাতৰি কাকতৰ গোপনীয়তা) উপাচাৰ্যৰ লিটিকায়ে চৌহদত প্ৰচাৰ কৰি দিলে। তাৰ পাছত প্ৰকাশ বন্ধ। কাৰণ কাৰোবাক লাগে কিতাপৰ অৰ্ডাৰ, কাৰোবাক বিজ্ঞাপন। উল্লেখ কৰিব পাৰি যে ৪মাহ লিখাৰ টকা এটাও নিদিলে।

আন এখন ইংৰাজী দৈনিকৰ আৱন্তৰ পৰা প্ৰতিনিধিত্ব কৰিলো। উল্লেখ কৰিব পাৰি যে মই নিবিচৰাকৈ তেওঁলোকেহে মাতি নিছিল। দহ বছৰ পূৰ হোৱাত লিখিলো দহ বছৰৰ আগতে নিৰ্দ্ধাৰিত নিৰিখটো পুনৰ বিবেচনা কৰিব লাগে আৰু মৰ্যাদা বঢ়াই দিব লাগে। সম্পাদকলৈ এখন দুখনকৈ তিনিখন চিঠি দিলো। উত্তৰ এখনৰো নাহিল। পাছত টেলিফোন কৰোতে কলে 'আমি যোৰহাটত এজনক দিলো'।

আৰু এটা সমস্যাৰ কথা উল্লেখ কৰি আজিৰ প্ৰবন্ধ সামৰিম। বিষয়টো ব্যক্তিগত যদিও আনৰ ক্ষেত্ৰটো প্ৰযোজ্য। অসমত সাংবাদিকৰ স্বীকৃতি নাই। নেলীৰ হত্যাকাণ্ডৰ কেইখনমান অনাতাঁৰ বাৰ্তা (আগতে পঠোৱা) প্ৰকাশ কৰি বিশিষ্ট সাংবাদিক শ্ৰীঅৰুণ শৌৰী অসমত 'হিৰ' হৈ গ'ল। তেওঁ ডাঙৰ কাম কৰিলে স্বীকাৰ কৰিব লাগিব। অসমতে ইমান সাংবাদিক থাকোতে দিল্লীৰ পৰা আহি বাৰ্তাবিলাক পালে।

চুঙাজানত হোৱা নগাৰ বৰ্বৰ আক্ৰমণৰ সময়ত তেতিয়াৰ অসমৰ জনতা চৰকাৰে শিৱসাগৰ জিলা কৰ্তৃপক্ষলৈ কেইখনমান অনাতাঁৰ বাৰ্তা দিছিল। তাত উল্লেখ কৰিছিল যে নগাই আক্ৰমণ কৰা আশঙ্কা আছে। আমাৰ পুলিচে কোনো ব্যৱস্থা লোৱাৰ প্ৰয়োজন নাই। অৰ্থাৎ হাত সাবটি বহি থাকিব। এইবিলাক মই কাকতত প্ৰকাশ কৰিছিলো। কিন্তু কোনেও স্বীকৃতি নিদিলে। বাৰীৰ ঘাঁহে গোহালিৰ গৰুৱে ৰাহি নাহে। এয়াই অসমত সাংবাদিকৰ অৱস্থা। ■

# অতীত আৰু বৰ্তমান ঃ জড়-অৱক্ষয়ৰ অৰ্থ বিচাৰি

কুমুদ বৰুৱা

নতুন বছৰৰ প্ৰথম সংখ্যাৰ 'সূত্ৰধাৰ'ৰ পাতত (১-১৫ জানুৱাৰী, ১৯৯২) চিঠি-পত্ৰৰ শিতানত শ্ৰীঅৰূপ কুমাৰ গোস্বামীয়ে লেখা চিঠিখন পঢ়িলো। কিন্তু পাঠকৰ চিন্তা আৰু অনুভূতিত কেনা লগাব পৰা দুটামান খুতি-নাতি তেখেতে আলোচনাৰ পোহৰলৈ টানি উলিয়াই ননাৰ বাবে, আমিও, আমাৰ ধাৰণা সমূহ বেকত কৰিবলৈকে, কিছু কথা প্ৰকাশ কৰাৰ প্ৰয়োজন বোধ কৰিছো। আমাৰ বিচাৰত, শ্ৰীকবীন ফুকনৰ দ্বাৰা 'ইয়াত নদী আছিল' কবিতাৰ আলোচনাত 'বস্তুজগতৰ ক্ষয়'তকৈ 'ক্ষয়িষ্ণু বস্তুজগত' বোলা বাক্যাংশহে আছিল বহুদূৰ ভ্ৰমযুক্ত। এনে অভিযোগৰ ভিত্তি হিচাপে আমি লক্ষ্য কৰিব পাৰো যে, আলোচ্য কবিতাটোত, কবিয়ে তেওঁৰ অবৈজ্ঞানিক ভাবাদৰ্শৰ প্ৰভাৱত যেনেকৈ অপ্ৰতিৰোধ্য বস্তুজগতৰ বিকাশৰ কেৱল ক্ষয়ংকৰ ৰূপটোহে দেখা পাইছে – ঠিক তেনেকে, শ্ৰীকবীন ফুকনেও এনে আৱিষ্কাৰত প্ৰবল ভাবে উদ্বুদ্ধ হৈ খাচ বস্তুজগতকেই 'ক্ষয়িষ্ণু' বুলি কবলৈহে আৰু এখোজ আগবাঢ়ি গৈছে। অন্য এটা দিশৰ পৰাও কথাষাৰ মনত ৰাখিবলগীয়া এইবাবেই যে, উল্লিখিত উভয় বাক্যাংশৰ পৃথক পৃথক ব্যৱহাৰে, পৃথক পৃথক যুক্তিৰ বাস্তৱ অথবা তাৰ বিপৰীতে অন্যান্য বিভ্ৰমৰ বাস্তৱো প্ৰকাশ কৰিব পাৰে।

শ্ৰীগোস্বামীয়ে তেখেতৰ মনোগ্ৰাহী আলোচনাৰ জৰিয়তে 'ক্ষয়িষ্ণু বস্তুজগত'ৰ ধাৰণাটো উ খাপন নকৰাকৈ, 'বস্তুজগতৰ ক্ষয়'ৰ বাস্তৱ ধাৰণাৰে যি ব্যাখ্যা আগবঢ়াইছে, সেই সুৰতে সুৰ মিলাই আমিও কব খোজো যে বস্তুজগতৰ কোনো জড় অৱক্ষয়ৰ ধাৰণা (যেনে নদী শুকাই মৰুভূমি সৃষ্টি হোৱা কাৰ্য) কবিৰ 'ভাবগত' অভিজ্ঞতা হলেও, সি কবিৰ সুনিৰ্দিষ্ট বক্তব্য নহয়। দৰাচলতে তেনে অভিজ্ঞতাৰ জৰিয়তে ব্যক্তিৰ ক্ৰমাগত ভাবাদৰ্শগত অধঃপতনো কবিৰ প্ৰাথমিক বৌদ্ধিক আৱিষ্কাৰ। বস্তুজগতৰ তেনে অৱক্ষয়ৰ ধাৰণাহে, ভাবগতভাবে কবিৰ এই ধৰণৰ উপলব্ধিৰ ভিত্তি। শ্ৰীকবীন ফুকনে কবলৈ প্ৰয়াস কৰাৰ দৰে বৈজ্ঞানিক সমীক্ষাৰ উৰ্দ্ধ্ব'ৰ 'ক্ষয়িষ্ণু বস্তুজগত' নিশ্চয়কৈ তাৰ ভিত্তি হব নোৱাৰে। অন্য এটা দৃষ্টিকোণৰ পৰা, আমাৰ বিচাৰেৰে, এই বুলিও হয়তো ধাৰণা কৰিব পাৰি যে, 'ইয়াত নদী আছিল' কবিতাত ৰূপায়িত বস্তুজগত হ'ল এক 'ভাবগত' দাৰ্শনিক ঘাই প্ৰকাৰ (Philosophical category), যাৰ সহায়েৰে কবিয়ে মানুহৰ ভাবাদৰ্শগত জীৱনত প্ৰকৃত আত্মিক পৰিচয়ৰ অৱলুপ্তি বা অৱক্ষয় বুজিবলৈকো চেষ্টা চলাইছে। তেনে 'ভাবগত' ক্ষয়ৰ বাস্তৱতাইহে কবিক বেছিকৈ হতাশগ্ৰস্ত কৰি তুলিছে। হয়তো বৰ্তমানৰ কোনো নিৰ্মাণত (যথা মৰুভূমিৰ), কবিৰ বাবে, বস্তুজগতৰ 'ভাবগত' ক্ষয়ৰ ধাৰণা সম্ভৱ হৈছে আৰু তেওঁৰ 'ভাবগত' দৃষ্টিকোণত সি হৈ উঠিছে সৃষ্টি বিৰোধী সম্ভাৱনা (আনকি নদীৰ ধ্বংসমুখী সৌন্দৰ্যৰ বিপৰীতেও)।

কবিতাটোৰ আঁহফলা ব্যাখ্যাৰ পৰা বিৰত থাকিলেও, তাৰ সমগ্ৰ অধ্যয়নৰ পৰা কি উপলব্ধি পাঠকৰ হয়? অভিযুক্ত আত্মিক দৈন্যৰ 'নিৰ্মাণ' নে, কবিৰ ভাবগত দৃষ্টিভংগীত 'সৃষ্টি' – বিৰোধী, বস্তুজগতৰ সঁচাসঁচিকৈ হোৱা ক্ষয়? বানপানী প্ৰতিৰোধৰ বৈজ্ঞানিক ব্যৱস্থাই নদীক নিজৰা কৰা আৰু জুৰিক শিলনিলৈ ৰূপান্তৰিত কৰি পেলোৱাটো ভাবগতভাবে বস্তুজগতৰ একপ্ৰকাৰ 'ক্ষয়' বুলি ধৰি ললেও, প্ৰকৃতাৰ্থত, কবিৰ বৌদ্ধিক আৰু আনুভূতিক উপলব্ধিৰ পৰিণতি কি? কবিৰ দৃষ্টিতো 'বস্তুজগতৰ ক্ষয়েই' (ক্ষয়িষ্ণু বস্তুজগত নহয়) কবিতাটোৰ কেন্দ্ৰীয় ধাৰণা নেকি? নিৰ্দিষ্ট সম্পৰ্কৰ জৰিয়তে, ভাবাদৰ্শজনিত অৱক্ষয়ৰ ধাৰণাটো কেন্দ্ৰীয় নহয় নেকি? উক্ত দুই অৱক্ষয়ৰ ধাৰণাৰ মাজৰ বৈজ্ঞানিক দাৰ্শনিক কাৰ্যকৰণৰ দ্বন্দ্ব আৰু তাৰ বাস্তৱতা কেনেকৈ প্ৰতিফলিত হয়? তাৰ মাজৰ নিৰ্দিষ্ট সম্পৰ্কৰ ব্যাখ্যা কেনেকৈ সম্ভৱ? শ্ৰীগোস্বামীয়ে তেখেতৰ চিঠিখনৰ শেষ অনুচ্ছেদটোৰ প্ৰথমৰ ফালৰ কথাখিনিৰে যিটো মন্তব্য কৰিছে, আচলতে তেনেকুৱা বাস্তৱ উপলব্ধিৰ অনুভৱ পাঠকৰ হলেহে, কবিৰ বক্তব্যৰ অন্তৰালত বস্তুজগত আৰু ভাবজগতৰ নিৰ্দিষ্ট দ্বন্দ্ব তথা সম্পৰ্কৰ বিচাৰ সম্ভৱ হয়।

কব খুজিছো, শ্ৰীগোস্বামীয়ে লিখাৰ দৰে, প্ৰবৃত্তিৰ ফালৰ পৰা (আমাৰ মতে, ভাবাদৰ্শৰ ফালৰ পৰা) কোনো নিষ্ঠাবান, সাধু কবি (যেনে শ্ৰীনৱকান্ত বৰুৱা) ব্যক্তিগতভাবে মংগলসূচক বিগ্ৰহ গঢ়োঁতা হলেও, 'অভিযুক্ত' গোপন ব্যাধিৰে অসুস্থসকল অথবা বালিময় মৰুভূমি নিৰ্মাণ কৰা সকলো, বিপৰীত মেৰুত অৱস্থান কৰা, নতুন এক মংগলসূচক বিগ্ৰহ গঢ়োঁতা নহয় নেকি? মন কৰিবলগীয়া কথা এইটোৱেই যে, এই দুয়ো শিবিৰৰ ভাবাদৰ্শৰ (Ideology) পাৰ্থক্য সত্ত্বেও, কোনো বৰ্তমানত, উভয় শিবিৰতে, 'বস্তুজগতৰ ক্ষয়'ৰ ধাৰণাৰ পৰিবৰ্তে 'ক্ষয়িষ্ণু বস্তুজগত'ৰ ধাৰণা নিতান্তই ভ্ৰমযুক্ত নহয় নে?

আমাৰ ধাৰণা দৃঢ়ই যে কবিতাটোত কবিয়ে ক'তো, ৰূপান্তৰৰ বৈজ্ঞানিক ধাৰণা বিৰোধী 'ক্ষয়িষ্ণু বস্তুজগত'ৰ ধাৰণা প্ৰচাৰ কৰা নাই। ডঃ হীৰেণ গোহাঁইৰ দৰেই সেয়ে আমাৰো কবৰ মন যায় যে অতীতৰ স্নেহকোমল কোলা এৰি বৰ্তমানত উপস্থিত হৈ কবিয়ে তাৰ বিনিময়ত এধানিও শান্তি বিচাৰি পোৱা নাই; পাইছে কেৱল মনোকষ্ট। বৰ্তমানৰ শ্ৰেষ্ঠ কীৰ্তি বুলি যিবোৰ বস্তু পৰিচিত – যেনে যুক্তি, বিজ্ঞান – সেইবোৰে কবিৰ অন্তৰত তৃপ্তি দিব পৰা নাই। সেয়ে কেৱল সিহঁতৰ ক্ষয়ংকৰ ৰূপটোহে কবিয়ে দেখা পাইছে। কিন্তু, আনফালে কবিৰ দৃষ্টিত বস্তুজগতৰ তেনে ক্ষয় এক ৰূপান্তৰ প্ৰক্ৰিয়াহে। এফালে টুটিছে, আনফালে সমৃদ্ধ হৈছে – বস্তুজগতৰ দ্বাৰাই টুটি গঢ় লোৱা বাস্তৱতাৰ গ্ৰহণ সম্ভৱ। কবিৰ মতে অনায়াস গ্ৰহণৰ ক্লীৱতাহে বিচাৰ্য। নদীৰ 'ক্ষয়ে' সৃষ্টি কৰিছে বালিময় ভূমি। আচলতে ক্ষয়ৰ ভয়াবহতাতকৈ, কবি পতিয়ন যাব পৰা নাই – বালিৰ বতাহে জানো পাহাৰত ভাস্কৰ্য গঢ়িব পাৰিব? ইয়াত শ্ৰীকবীন ফুকনে ভবাৰ দৰে 'ক্ষয়িষ্ণু' কি অমোঘ সত্যৰ তৎতপৰ্য লুকাই আছে, আমি বুজি নেপাওঁ। বস্তুজগতৰ (ভাবগত) ক্ষয়ৰ আবিলতা ক্লীৱ বস্তুৱে গ্ৰহণ কৰিলে তাত তৃপ্তিৰ অশান্তি নেথাকিলেও, নতুন সৃষ্টিৰ সৌন্দৰ্য নাই – এই অন্তৰ্ভেদী উপলব্ধিয়েই ক্ষয় আৰু গ্ৰহণৰ জৰিয়তে কবিৰ কেন্দ্ৰীয় উপলব্ধি। সেয়ে কবি নৱকান্তৰ এনেধৰণৰ ক্ষয় আৰু গ্ৰহণৰ ধাৰণাৰে ভাৰাক্ৰান্ত "বস্তুজগতৰ ক্ষয়"ৰ ধাৰণাটো, এটা ভাববাদী পৃথক বাস্তৱ হিচাপে মানি লব পৰা যায় যদিও, বৈজ্ঞানিক-দাৰ্শনিক বস্তুবাদী দৃষ্টিভংগীৰ পৰিপন্থী হিচাপে "ক্ষয়িষ্ণু বস্তুজগত" নামৰ মনে সজা বিভ্ৰান্তিকৰ ধাৰণাটো কিন্তু মানি লব নোৱাৰি। এনে ধাৰণা আচলতে কবিতাটো ব্যাখ্যাৰ নামত এক প্ৰসংগচ্যুত উপৰুৱা ধাৰণা মাথোন। আধিভৌতিক তথা ভাববাদী আত্মপ্ৰত্যয়ৰ অত্যুৎসাহ, যুগ যুগৰ ভাবাদৰ্শৰ ইতিহাসৰ গতানুগতিক স্বয়ংক্ৰিয় প্ৰভাৱ আৰু বস্তুবাদী দৃষ্টিভংগীৰ নিৰ্ভুল জ্ঞানৰ অভাৱৰ ফলতেই এনেকুৱা ভ্ৰান্তিয়ে (illusion) মনত বাহ লয়। আমাৰ দৃঢ় বিশ্বাস কবি নৱকান্তৰ তেনেকুৱা 'বিপজ্জনক' ধাৰণা নাই। কিয়নো নদী শুকাই ক্ষয় হোৱাৰ ৰূপান্তৰ প্ৰক্ৰিয়াত সৃষ্টি হোৱা শুকান বালিৰ বস্তুগত বাস্তৱ তেখেতে কেতিয়াও অস্বীকাৰ কৰা নাই। কবিৰ অসন্তুষ্টিয়েও কেতিয়াও 'ক্ষয়ৰ আবিলতা'ক বৈজ্ঞানিক সমীক্ষাৰ উৰ্দ্ধ্বত বুলি কব খোজা নাই। এনে কাৰণতেই কবি নৱকান্তৰ 'ভাববাদ' আৰু শ্ৰীকবীন ফুকনৰ আলোচনাত প্ৰতীয়মান 'ভাববাদ'ৰ মাজত পাৰ্থক্য আমাৰ বাবে বিশেষভাবে দৃশ্যমান হৈ উঠিছে। ভাবাদৰ্শৰ ইতিহাসৰ ধাৰাবাহিকতাই সঞ্চয় কৰা প্ৰচণ্ড শক্তিৰ লগত যুঁজিবলৈ হয়তো আমাৰ শকতি নাই, সেই বুলিয়ে যুক্তি আৰু বিজ্ঞান নুবুজাৰ কপটতাও আমাৰ কাম্য হব লাগিব, সেই কথা কেনেকৈ মানি লওঁ! নিৰ্ভুল ভাবাদৰ্শৰ সহায়েৰে ব্যক্তিৰ ৰূপান্তৰ সম্ভাৱনা সম্পৰ্কে বোধহয় মধ্যশ্ৰেণীৰ সুবিধাভোগী শিক্ষিত মানুহখিনিয়েই বেছিকৈ সন্দিহান। কিয়নো ব্যক্তিৰ দ্বাৰাই ব্যক্তিক সুপথে পৰিচালিত কৰাৰ ত্যাগ আৰু দুঃসাহস বৰ্তমান সময়ত অৰ্থহীন হৈ পৰিছে। এনে কাৰণতেই হয়তো বহুতেই ভাবে সাধু আৰু মানৱ দৰদী কবি 'অকলশৰীয়া' হৈয়ো ৰাইজৰ হিয়াৰ আমঠু, সমূহ জনসাধাৰণৰ হিতাকাংক্ষী। সেইবোৰৰ বিপক্ষে কথা কোৱাটো মানা! ■

সূত্ৰধাৰ
ডাকযোগেও আপুনি পাব
বছৰেকীয়া বৰঙণিঃ ১৪৪ টকা
ছমহীয়া বৰঙণিঃ ৭২ টকা
ডাক মাচুলৰ পৰা ৰেহাই দিয়া হ'ল।
আপোনাৰ বৰঙণি ডিমান্ড ড্ৰাফ্ট অথবা চেক যোগে পূৰ্বী প্ৰকাশন প্ৰাঃ লিঃ, গুৱাহাটীৰ নামত তলৰ ঠিকনালৈ পঠিয়াওক:
চাৰ্কুলেচন মেনেজাৰ
সূত্ৰধাৰ
মনজেৰা হাউছ, মতিলাল নেহৰু পথ
পানবজাৰ, গুৱাহাটী-৭৮১০০১

BENSON & HEDGES WORLD CUP 1992

# পঞ্চম বিশ্বকাপ ক্রিকেট আৰু ভাৰত



আজহাৰুদ্দিন



শ্ৰীকান্ত



ৰবি শাস্ত্ৰী

অৱশেষত বিশ্বৰ অগণন ক্ৰীড়াপ্ৰেমী দৰ্শকৰ অধীৰ আগ্ৰহৰ অন্ত পেলাই পঞ্চম বিশ্বকাপ ক্ৰিকেট বিগত ২২ ফেব্ৰুৱাৰীৰ পৰা আৰম্ভ হ'ল। এইবাৰৰ বিশ্বকাপত ৰঙা ব'লৰ সলনি ব্যৱহাৰ কৰা হ'ল বগা ব'ল। পৰম্পৰাগত ক্ৰিকেটৰ শুধ বগা পোছাকৰ সলনি ভিন ভিন দেশৰ দলৰ বাবে ভিন ভিন ৰঙৰ পোছাকৰ ব্যৱস্থাই ক্ৰিকেটৰ পথাৰত এক সুকীয়া শোভাৰ সৃষ্টি কৰিলে।

টিভি পৰ্দাৰ সমুখত এঠা লগাদি বহি থকা দৰ্শকে এই ৰঙ-চঙীয়া সাজ পিন্ধি খেলা খেল চাই আপ্লুত হৈছে। ভাব হয় টিভি পৰ্দাতেই যেন এই খেল বেছি সুন্দৰ আৰু জীৱন্ত হৈ ধৰা দিয়ে। আচলতে সম্পূৰ্ণ ব্যৱসায়ীক উদ্দেশ্যতেই এই ক্ৰিকেটক এইদৰে জকমকীয়াভাবে প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছে। দিন আৰু নিশা উভয় ভাগতেই আয়োজন কৰা এই খেলক বহুতো টিভি কেমেৰাই নানা কৌশলেৰে এনেকৈ জীৱন্তভাবে চেটেলাইটৰ মাধ্যমৰ পৃথিৱীৰ সকলো ঠাইতে প্ৰচাৰ কৰে যে স্ক্ৰীনৰ সমুখত বহি থকা দৰ্শকে প্ৰতিজন খেলুৱৈক ক্লোজআপত দেখা পায়। দেখিবলৈ পায় তেওঁৰ মুখৰ প্ৰতিটো ভঙ্গী। আনকি কপালত বিৰিঙি উঠা ঘামৰ টোপালটো পৰ্যন্ত। শুনিবলৈ পায় প্ৰতিটো ষ্টৰ শব্দ যেন খেলখন পৰ্দাতহে অনুষ্ঠিত হৈছে। অনকি খেলৰ সুৰুঙাৰে ষ্টেডিয়ামত সমবেত দৰ্শক সকলকো দেখিবলৈ পায়। আৰু দেখিবলৈ পায় বিভিন্ন কোম্পানীৰ ৰঙচঙীয়া বিজ্ঞাপন। ষ্টেডিয়ামৰ চৌপাশৰ সুন্দৰ দৃশ্যৰাজি দেখাৰো সৌভাগ্য হয় দৰ্শকৰ।

এদিনীয়া ক্ৰিকেট একেবাৰেই আনপ্ৰেডিক্‌টেবল খেল। প্ৰথম দিনাৰ খেল দুখনে ইতিমধ্যে দৰ্শকৰ জল্পনা-কল্পনাক যথেষ্ট ওলট-পালট কৰি দিয়া



কপিলদেৱ



শচীন টেণ্ডুলকাৰ



মনোজ প্ৰভাকৰ

দেখা গৈছে। ২২ ফেব্ৰুৱাৰীত পাৰ্থত অনুষ্ঠিত খেলখনত মুখামুখী হৈছিল দুটা শক্তিশালী দল। ভাৰত আৰু ইংলণ্ড। ক্ৰিকেটত আটাইতকৈ অভিজ্ঞতালব্ধ দল ইংলণ্ডৰ নেতৃত্বত আহিল গ্ৰাহাম গুচ; যি ইংলণ্ডৰ এজন অতি শক্তিশালী বেটচমেন আৰু অভিজ্ঞতাসমৃদ্ধ অধিনায়ক। তাৰোপৰি ৰবিনস্মিথ, ইয়ান বোথাম আদিৰ দৰে শ্ৰেষ্ঠ খেলুৱৈসকলৰ সমাবেশ এই দলত। আনহাতে সদ্যসমাপ্ত চিৰিজ এটাত ভ্ৰমণকাৰী নিউজিলেণ্ড দলক টেষ্ট আৰু এদিনীয়া পৰ্যায়ৰ খেলতেই সম্পূৰ্ণভাবে পৰাভূত কৰি এই দলৰ মনোবল আৰু তুংগত আছিল। ইপিনে ভাৰতীয় দলটো প্ৰায় একেবাৰে শেষজনলৈকে বেট ধৰিব পৰা খেলুৱৈৰে সমৃদ্ধ বিশ্বৰ কণিষ্ঠতম শ্ৰেষ্ঠ বেটচমেন টেণ্ডুলকাৰ, দক্ষ বেটচমেন শ্ৰীকান্ত, আজহাৰুদ্দিন আদি শ্ৰেষ্ঠ বেটচমেন, কপিলদেৱ, ৰবি শাস্ত্ৰীৰ বাহিৰেও বলিঙৰ নতুন প্ৰতিভা শ্ৰীনাথ আদিৰে এই দল গঠিত। তথাপিও সদ্যসমাপ্ত অষ্ট্ৰেলিয়া ভ্ৰমণৰ বিপৰ্যয় আৰু বিগত বেনচন এণ্ড হেজত এই দলৰ ব্যৰ্থতাই দলৰ মনোবলক যথেষ্ট আঘাত কৰিছে। তাৰোপৰি এই দলৰ অধিনায়ক আজহাৰউদ্দিনৰ ব্যক্তিগত ব্যৰ্থতাইও দলটোৰ প্ৰেৰণা বহুখিনি ব্যাহত কৰা যেন অনুমান হৈছিল। গতিকে ইংলণ্ডৰ দৰে দলৰ লগত এই দলে কেনেকুৱা খেল প্ৰদৰ্শন কৰিব এই লৈ যথেষ্ট সংশয় আছিল। দলৰ অধিনায়কে শেহতীয়াকৈ মন্তব্য অনুযায়ী দলৰ খেলুৱৈসকলে দীৰ্ঘদিন বাহিৰত থাকি ভাগৰুৱা আৰু হোম-চিক হৈ পৰা বুলি দিয়া মন্তব্যইও ভাৰতীয় দলৰ সমৰ্থকক যথেষ্ট নিৰাশ কৰিছিল। এনে পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত অনুষ্ঠিত এই খেলখনে কিন্তু এক সম্পূৰ্ণ সুকীয়া আনন্দ আৰু উত্তেজনাৰে দৰ্শকৰ মন জয় কৰি গ'ল।

ভাৰতীয় দলে প্ৰথমখন খেলেৰে এই কথা প্ৰমাণ কৰি দিছে যে অধিনায়ক আজহাৰউদ্দিনে প্ৰচাৰ কৰাৰ দৰে খেলুৱৈসকল ভাগৰি জুৰুলা হোৱা নাই বা ঘৰৰ কথা সুঁৱৰি বিয়াকুলো হোৱা নাই। বৰঞ্চ এক নতুন প্ৰত্যাহ্বান লৈয়েই তেওঁলোকে প্ৰতিযোগিতাত অৱতীৰ্ণ হৈছে। অপেনাৰ কৃষ্ণ মাচ্ছাৰী শ্ৰীকান্তে যি আত্মবিশ্বাসেৰে খেল খেলিছিল আৰু ক্ৰীজত থকা সময়খিনিত যি গতিত তেওঁ ৰাণ সংগ্ৰহ কৰিছিল তেওঁ আৰু কিছুসময় বেছিকৈ টিকি থকা হলে সিদিনা খেলৰ ফলাফলেই বেলেগ হৈ গ'লহেঁতেন। তেওঁৰ প্ৰতিটো ষ্ট্ৰোকেই আছিল এজন মাষ্টাৰ বেটচমেন পৰিচায়ক। প্ৰতিটো বলৰ পৰাই তেওঁ ৰাণ সংগ্ৰহ কৰিছিল। আনহাতে ৰবি শাস্ত্ৰীয়ে যথেষ্ট সময় ক্ৰীজত থাকি নিজে অৰ্ধশতক কৰাৰ লগতে আন খেলুৱৈসকলক প্ৰয়োজনীয় চাপোৰ্ট দি খেলখনৰ প্ৰতি যথেষ্ট দায়িত্ব



সুব্ৰত বেনাৰ্জী



সঞ্জয় মঞ্জৰেকাৰ



শ্ৰীনাথ



কিৰণ মোৰে

পালন কৰিছিল। এনেকৈয়ে সঞ্জয় মাঞ্জৰেকাৰৰ অনুপস্থিতিতো খেলে ঠিকেই অগ্ৰগতি লাভ কৰিছিল। ইংলণ্ডৰ শক্তিশালী ব'লাৰসকলৰ আক্ৰমণক নেওচি ৰবি শাস্ত্ৰী আৰু শ্ৰীকান্তৰ যুটীয়ে এনেদৰে খেল আগুৱাই লৈ গৈছিল যে এনেকুৱা ভাব হৈছিল ইংলণ্ড দলে ইতিমধ্যে কৰা ২৩৬ ৰাণৰ প্ৰত্যাহ্বানটোৰ ভাৰতীয় দলে অনায়াসে সম্মুখীন হব পাৰিব। কিন্তু শ্ৰীকান্তৰ পতনৰ পিছত অহা আজহাৰউদ্দিনে এটাও ৰাণ নকৰাকৈ অহা বাটে উভতি গৈ খেলখনৰ ৰাণৰ জোঁৱাৰত এক বাধাৰ সৃষ্টি কৰিলে। কিন্তু তাৰ পিছত টেণ্ডুলকাৰ আহি ধৈৰ্য সহকাৰে এজন প্ৰবীণ বেটচমেনৰ দৰে যিদৰে গতিময় খেল খেলিবলৈ আৰম্ভ কৰিলে দৰ্শকসকলৰ মন উৎফুল্লিত হৈ পৰিল আৰু জয়ৰ আশাই পুনৰ মনত হেন্দোলনি তুলিব ধৰিলে। দুৰ্ভাগ্যবশতঃ তেওঁ ৩৩ ৰাণ কৰি আউট হৈ যায়। টেণ্ডুলকাৰৰ পাছত কপিলদেৱ ক্ৰীজলৈ আহে। কিছুসময়ৰ বাবেহে ক্ৰীজত থকা কপিলদেৱৰ খেল চাই ভাব হৈছিল এয়া যেন ৮৩-ৰ কপিলদেৱ। আনকি কমেণ্টেটৰেও কৈছিল Kapil Dev can be a dangerous person। কিন্তু এটা চিক্সাৰ কোবাবলৈ গৈ ১৪ ৰাণ কৰি কপিলদেৱ আউট হৈ যায়। সুব্ৰত বেনাৰ্জীয়েও সেইদিনা আশাপ্ৰদ বেটিং কৰিছিল। শ্ৰীনাথৰ ব'লিঙো বৰ ভাল আছিল। ৪টা ব'ল থকাৰ সময়ত ভাৰতৰ ১০ ৰাণৰ প্ৰয়োজন আছিল। কিন্তু এনেকুৱা এক উত্তেজনাময় পৰিস্থিতিৰ সময়ত শ্ৰীনাথ ৰাণ আউট হৈ যায়। খেলৰ এই পৰিণতিয়ে ভাৰতীয় দলৰ সমৰ্থকসকলৰ মন সেঁমেকাই তোলে। সেই সময়ত এটা কথাই নমলৈ আহিছিল অধিনায়ক আজহাৰে যদি ১০ ৰাণ যোগ দি গ'লহেঁতেন ভাৰতীয় দলৰ সেইদিনা পৰাজয় হয়তো নহ'লহেঁতেন। ইংলণ্ড দলৰ ৰবিন স্মিথে গম্বুজৰ দৰে ক্ৰীজত থাকি ৯১ ৰাণ সংগ্ৰহ কৰিছিল। অধিনায়ক গ্ৰাহাম গুচে বিচক্ষণতাৰ পৰিচয় দিছিল শেষ মুহূৰ্তলৈকে। ইংলণ্ড দলৰ বাকী খেলুৱৈ সকলক ভাৰতীয় ব'লাৰসকলে বৰবেচি সুবিধা কৰিবলৈ দিয়া নাছিল। মুঠতে সেইদিনাৰ খেলখন চাই এটা কথাই মনলৈ আহিছিল যে ইংলণ্ড দলে খেলৰ কোনো পৰ্যায়তেই ভাৰতীয় দলতকৈ নিজকে অধিক শক্তিশালী দল বুলি প্ৰমাণ কৰিব নোৱাৰিলে।


মালবিকা পাঠক

# ইতিহাসে বিশ্বকাপৰ কেৱল উত্তেজনাৰ কথাকে কয়!

পবিত্ৰ কুমাৰ ডেকা

টেষ্ট ক্ৰিকেটত জনশ্ৰুতি লাভ কৰি এদিনীয়া অ'ভাৰৰ খেল খেলিব নোপোৱা সকলেও স্বীকাৰ কৰিছে 'এদিনীয়া খেল সঁচাকৈয়ে জনপ্ৰিয়তাৰ শীৰ্ষত। ড'ন ব্ৰেডমেনে কৈছিল 'One-day Cricket is a game that never behind of any excitement of game।' মই জানো, আপুনিও জানে – ইয়াক সহিষ্ণুতাৰে উপভোগ কৰা সকলেও জানে – এইখেল কিমান ৰসাল, উত্তেজক! সহনশীল গুণ লাগে বিশেষকৈ এদিনীয়া ক্ৰিকেট উপভোগ কৰিব বাবে, যদিহে তেনে ৰূপত খেলখন উপভোগ্য হয়। অৱশ্যে এইটো ঠিক যে সকলোবোৰ এদিনীয়া খেল সদৃশ আৰু সম পৰিসৰত প্ৰেৰণাদায়ক নহয়। মাজে সময়ে দুই এখন এনে খেল হয়– ধৰি লওক শেষ অ'ভাৰৰ শেষ ব'ল – উইকেটত থকা দলক বিজয়ীৰ বাবে লাগে পাঁচ ৰাণ – উইকেট এটাই থাকক বা দুটা, বেটচমেনজনে কিমান 'টে'ন-শ্বন'ত খেলিব বাৰু –! জিকিবৰ বাবে সেই বেটচমেনজনে নিশ্চয় এটা 'অ'ভাৰ-বাইণ্ডাৰি' মাৰিব লাগিব কাৰণ দৌৰি তেওঁ নহয় বিশ্বৰ আটাইতকৈ বেগী ব্যক্তি কাৰ্ল লুইছ বা বেন জনছনেও বোধহয় পাঁচ ৰাণ লব নোৱাৰিব যদিহে অ'ভাৰ থ্ৰ' নহয় বা ফিল্ডাৰসকলে বেটচমেনৰ 'ষ্ট্ৰ'ক' গতি লক্ষ্য কৰিবলৈ পাহৰি নাযায়। কাৰণ বেটচমেনজনে এইটো ভালদৰে জানে যে দুয়ো 'ক্ৰিজ'ৰ মাজৰ দূৰত্ব বৰ কম নহয়! অৱশ্যে কাডিবৰ লেখীয়া কিছুমান আকস্মিক বেটচমেনে শেষ বলটো ছিক্স মাৰি নিজৰ দলক ৰিজয়ী কৰাৰ উপৰিও গোটেই খেলখন ভৱিষ্যতৰ ইতিহাসত অন্যতম ৰোমাঞ্চক খেল হিচাপে চিহ্নিত কৰি 'হিৰো' হৈ পৰে।

ক্ৰিকেটৰ বিশ্বকাপ ইতিহাসে ইয়াতকৈ বেছি উত্তেজনাৰ কথা ৰোমন্থন কৰে। ইতিমধ্যে চাৰিবাৰ বিশ্বকাপ ক্ৰিকেটৰ মহাৰণ হৈ গ'ল, পঞ্চম বিশ্বকাপৰ ধুম, ষ্ট্ৰ'ক-আৱাজ, আপিলৰ বিকট চিঞ্ৰৰ, ভৰা ষ্টেডিয়াম গেলেৰীৰ অকৃত্ৰিম হৰ্ষ-ধ্বনি আদিয়ে সম্প্ৰতি এই জগৎ উল্লসিত কৰি পেলাইছে সেয়া পৰোক্ষ বা প্ৰত্যক্ষভাৱে উপভোগ কৰা সকলোৰে দৃষ্টিত। চাৰিবছৰৰ মূৰত হৈছে, আকৌ চাৰিবছৰ পাছত হব, 'আজিখিনি' ইতিহাস হৈ যাব



এয়া কিহৰ অপেক্ষা! গ্ৰাহাম গুচ এণ্ড কোম্পানী তথা ইংলেণ্ড দলে তাহানিৰে পৰা পাংপাতি আছে – বিশ্বকাপ লাভৰ বাবে ...

অতিশয় উপভোগ্য আৰু উত্তেজক খেলসমূহে কিন্তু ইতিহাসৰো অপাৰ্থিৱ হব।

এদিনীয়া ক্ৰিকেটৰ বিশ্বকাপ ইতিহাসৰ শুভাৰম্ভন হৈছিল ১৯৭৫ চনৰ ৭ জুন তাৰিখে। প্ৰথম খেলখনেই আছিল স্মৰণীয় ইংলিচ দেশৰ বাবে গৌৰৱ আৰু ভাৰতৰ বাবে দুঃখজনক! এদিনীয়া খেলত ২০২ ৰাণত হাৰিবলগীয়া কথাটো বাৰু কিমান পৰিহাসৰ বিষয়। প্ৰথম বিশ্বকাপৰ প্ৰথম খেলতে ঘৰুৱা দল ইংলণ্ডে ভাৰতক ২০২ ৰাণত পৰাস্ত কৰিছিল লৰ্ডছত, য'ত ইংলণ্ডে ৬০ অ'ভাৰত ৩৩৪ (চাৰি উইকেটত) ৰাণ কৰাৰ বিপৰীতে ভাৰতে মাথো ১৩২ (তিনি উইকেট) ৰাণ কৰোতে ৬০ অ'ভাৰ শেষ কৰিছিল। সেই অবিস্মৰণীয় খেলখনৰ শ্ৰেষ্ঠ সন্মান লাভ কৰিছিল ইংলণ্ডৰ এমিছে। সেইবাৰ বিশ্বকাপত ভাৰতে তিনিখন মেচ্ খেলি মাথো এখনতহে বিজয়ী হ'বলৈ সক্ষম হৈছিল – সেয়া ইষ্ট আফ্ৰিকাৰ বিৰুদ্ধে ১১ জুন ১৯৭৫-ত। খেলখনত আফ্ৰিকান দলটিয়ে পোনতে বেট ধৰি ৫৫ দশমিক ৩ অ'ভাৰত আটাইকেইটা উইকেট হেৰুৱাই মাত্ৰ ১২০ ৰাণ কৰাৰ বিপৰীতে ভাৰতে সুনীল গাভাস্কাৰৰ অপৰাজিত ৬৬ আৰু ফাৰুক ইঞ্জিনিয়াৰৰ অপৰাজিত ৫৪ ৰাণৰ সহযোগত বিনা উইকেটেৰে মাত্ৰ ২৯ দশমিক ৫ অ'ভাৰতে নিজৰ জয়ী সাব্যস্ত কৰিছিল।

প্ৰথম বিশ্বকাপৰ ফাইনেল, বছৰটোৰ আটাইতকৈ দীঘলীয়া দিনটোত বিশ্বশ্ৰেষ্ঠ খ্যাতি লাভৰ বাবে কোনো এখন দেশে ক্ৰিকেটৰ মহাৰম লাভ কৰিছিল – সেয়া হ'ল ক্ৰীড়াঙ্গনৰ মহানুভৱক ক্লাইভ লয়ডৰ নেতৃত্বাধীন কাৰাবিয়ান কাউণ্ট্ৰি। সেই ক্ৰীড়া পৰিবেশ, সেই ক্ৰীড়া-সমৰ আছিল অতিশয় অনুপম। কাৰণ ক্লাইভ লয়ড এণ্ড কোম্পানীৰ বীৰত্বৰ লগত ইয়ান চেপেল বাহিনীৰ প্ৰতিবন্ধক চিত্ৰখন কোনোপধ্যে কম বুলি কোৱাৰ থল নাছিল। 'ক্লোজ ফাইটিং' আৰু উপভোগ্য আছিল সেই খেলখন, য'ত কাৰাবিয়ান দলে অষ্ট্ৰেলিয়াক ১৭ ৰাণৰ ব্যৱধানত পৰাস্ত কৰি বিশ্ব ক্ৰিকেটৰ প্ৰথম চেম্পিয়ন হৈ ইতিহাসৰ গৌৰৱান্বিত সম্পদ হোৱাৰ যোগ্যতা লাভ কৰিছিল। মুদ্ৰা এটাৰে 'টছ্' কৰাৰ ব্যৱস্থা আছিল য'ত অষ্ট্ৰেলিয়াই পোনতে সিদ্ধান্ত লোৱাৰ সুযোগ পাই লয়ড বাহিনীক প্ৰথমে বেটিং মুকলি কৰিবলৈ কৈছিল। বিশেষকৈ 'ছুপাৰকাট' লয়ডে উপস্থিত ২৬ হেজাৰ দৰ্শকক উত্তেজিত কৰিব পাৰিছিল –

বিশ্বকাপত সৰ্বাধিক ৰাণ কৰা বেটচমেন দহজন :

| বেটচমেন | প্ৰথম | মেচ | ৰাণ | উচ্চতম | ১০০ | ৫০ | এইবাৰ খেলিছে ? |
|---|---|---|---|---|---|---|---|
| ১) ভিভ ৰিচাৰ্ডছ (ৱেষ্ট ইণ্ডিজ) | ১৯৭৫ | ২৬ | ১০১৩ | ১৮১ | ৩ | ৫ | খেলা নাই |
| ২) গ্ৰাহাম গুচ (ইংলণ্ড) | ১৯৭৯ | ১৩ | ৬৮১ | ১১৫ | ১ | ৫ | খেলিছে |
| ৩) জি, টাৰ্ণাৰ (নিউজিলেণ্ড) | ১৯৭৫ | ১৪ | ৬১২ | ১৭১* | ২ | ২ | খেলা নাই |
| ৪) ডি, হেইনছ (ৱেষ্ট ইণ্ডিজ) | ১৯৭৯ | ১৮ | ৬০৩ | ১০৫ | ১ | ২ | খেলিছে |
| ৫) জাহিৰ আব্বাছ (পাকিস্তান) | ১৯৭৫ | ১৪ | ৫৯৭ | ১০৩* | ১ | ৪ | খেলা নাই |
| ৬) জাভেদ মিয়াদাদ (পাকিস্তান) | ১৯৭৯ | ১৮ | ৫৯২ | ১০৩ | ১ | ৩ | খেলিছে |
| ৭) গৰ্ডন গ্ৰীনিজ (ৱেষ্ট ইণ্ডিজ) | ১৯৭৯ | ১৫ | ৫৯১ | ১০৬* | ২ | ৪ | খেলা নাই |
| ৮) এলান লেম্ব (ইংলণ্ড) | ১৯৮৩ | ১৫ | ৫৭৭ | ১০২ | ১ | ৩ | খেলিছে |
| ৯) গাভাস্কাৰ (ভাৰত) | ১৯৭৫ | ১৯ | ৫৬১ | ১০৩* | ১ | ৪ | খেলা নাই |
| ১০) কপিল দেৱ (ভাৰত) | ১৯৭৯ | ১৮ | ৫০৮ | ১৭৫ | ১ | ১ | খেলিছে |

একান্তভাৱে, তেওঁৰ ব্যক্তিগত ক্ৰীড়াশৈলী আৰু টিমস্পিৰিটেৰে। খেলখনৰ পাৰ্শ্বজ্যোতি বুলি কলে ক্লাইভ লয়ডৰ ছুপাৰ স্কৰ ১০২, কীইথ বয়ইচৰ ৪/৫০, অষ্ট্ৰেলিয়ান নেতা চেপেলৰ ৬২, তেওঁলোকৰ 'ফাষ্ট মেন' জি গিলমাউৰৰ ৫/৫৮ সাফল্য আদিক ধৰিব লাগিব। অৱশ্যে সেই স্মৰণীয় খেলখনৰ সন্মান 'মেন অব দ্যা মেচ' ক্লাইভ লয়ডে লাভ কৰিছিল। নিৰ্দিষ্ট ষাঠী অ'ভাৰত ৮ টা উইকেট ব্যয় কৰি ২৯১ ৰাণ কৰাটো এদিনীয়া খেল এখনৰ বাবে নিঃসন্দেহে শকত স্ক'ৰ আছিল যদিও অষ্ট্ৰেলিয়াৰ অধিনায়ক চেপেলৰ মনোবলে খেলখন আৰু অধিক উপভোগ্য হোৱাত সহায় কৰিছিল। কিন্তু দ্বিতীয় উইকেটৰ পাছত একেলেথাৰী তিনিজন ৰাণ আউট (টাৰ্ণাৰ, চেপেল আৰু গ্ৰীগ চেপেল) হোৱাৰ পাছত কাৰাবিয়ানৰ বিজয়ীৰ সম্ভাৱনা উজ্জ্বল হৈ পৰে যেতিয়া কীইথ বয়ইছে ভয়ঙ্কৰ ব'ল নিক্ষেপ কৰি উপৰ্যুপৰি তিনিটা উইকেট পায়। পিছত লৰ্ডছৰ আকাশ-পাতালত কেৱল ৱেষ্ট ইণ্ডিজলৈ অভিনন্দৰ হাত চাপৰিয়ে সচকিত কৰি তুলিছিল।

১৯৭৯-ৰ বিশ্বৰ অপ্ৰত্যাশিত খেলখন আছিল ভাৰতৰ বিৰুদ্ধে শ্ৰীলংকাৰ জয়। মেছ্ নং আছিল গ্ৰুপ 'বি'ৰ ১১ নং। প্ৰথমে বেটিং কৰি শ্ৰীলংকাই ৬০ অ'ভাৰত পাঁচ উইকেটৰ বিনিময়ত ২৩৮ ৰাণ কৰাৰ বিপৰীতে ভাৰতে ৫৪ দশমিক এক অ'ভাৰতে ১৯১ ৰাণ কৰিয়ে আটাইকেইটা উইকেট হেৰুৱাই। উল্লেখ যোগ্য যে সেইবাৰ বিশ্বকাপত ভাৰতে কানাডাৰ নিচিনা দলৰ স্থিতিৰ লগত ৰিজিত হৈছিল – মুঠ তিনিখন মেচ খেলি এখনতো জয় হ'ব নোৱাৰিলে। উত্তেজনা, আহ্লাদ ভাৰতৰ বাবে নহ'ল, কিন্তু ফাইনেলিষ্ট ৱেষ্ট ইণ্ডিজ বা ইংলণ্ডৰ উপৰিও নিউজিলেণ্ড বা পাকিস্তানেও বহু আশা কৰি সেইবাৰ খেলিছিল যিয়ে কেৱল বিশ্বকাপ ক্ৰিকেটৰ স্মৃতি গজগজীয়া আৰু উপভোগ্য কৰিছে তেনে নহয় বৰং সেই দেশবোৰত এদিনীয়া ক্ৰিকেটৰ দ্ৰুত সম্প্ৰসাৰণ আৰু উন্নতি লক্ষণ প্ৰকাশ কৰিছিল। হয়, সেইবাৰ নিউজিলেণ্ডৰ হাতত ভাৰতো পৰাজিত হৈছিল। পাকিস্তানৰ হাতত অষ্ট্ৰেলিয়াই ৮৯ ৰাণত হাৰিছিল। অৱশ্যে নিউজিলেণ্ডে '৭৫-ৰ বিশ্বকাপতো ভাৰতক পৰাস্ত কৰিছিল। নিউজিলেণ্ডে '৭৯-ত ছেমিফাইনেলত ইংলণ্ডৰ লগত 'ক্ল'জলি ফাইট' কৰিছিল শেষ মুহূৰ্তলৈকে; মাত্ৰ ৯ ৰাণত হাৰিছিল। শেষ উইকেটতো আছিল কিন্তু ব'ল নথকাত তেওঁলোকৰ ইনিংছ ২১৯-তে সমাপ্ত হয় য'ত নেকি ইংলণ্ডে কৰিছিল ২২১ ৰাণ।

লণ্ডনৰ 'টাইমছ' কাকতৰ তদানীন্তন ক্ৰিকেট সমালোচক জেমছ টাফৰ্ডে লিখিছিল – 'আমাৰ ভাগ্যত বোধহয় বিশ্বকাপৰ দৰে মহাৰম্ন ক্ৰিকেটত লভিব পাৰিম বুলি লিখা নাই।' হয়, দুয়োবাৰে ঘৰুৱা পৰিবেশত খেলিয়ো ইংলণ্ড ব্যৰ্থ, যি দেশত ক্ৰিকেটৰ ইতিহাসৰ ঐতিহ্য আছে, যি দেশত ক্ৰিকেট সন্মানীয় (Prestigious) খেল বুলি কাহানিবাই স্বীকৃত। ১৯৭৯-ত, একেস্থান, একে পৰিবেশ, 'হ'ল্ডাৰ'ৰ বিপক্ষে এইবাৰ ঘৰুৱা দল। কিন্তু কোনো ব্যতিক্ৰম নাই; কাৰাবিয়ানৰ হাতত পুনৰ বিশ্বকাপ প্ৰুডেনচিয়েল ট্ৰফী; লয়ড আকৌ নায়ক। দুবাৰ একেৰাহে বিশ্বকাপৰ নায়ক হৈ ক্লাইভ লয়ডে বিশ্ব ক্ৰিকেটৰ শ্ৰেষ্ঠ অধিনায়ক হিচাপে খ্যাতি আৰ্জিলে। অৱশ্যে সেইবাৰৰ বিশ্বকাপৰ ফাইনেল খেলখনৰ সন্মান পাইছিল – ভিভিয়ান ৰিচাৰ্ডছে। তেওঁ সেইখন খেলত অপৰাজিত ১৩৮ ৰাণ কৰিছিল।

তিৰাশীৰ ফাইনেলখন "অধিক

### প্ৰথম বিশ্বকাপ ক্ৰিকেটৰ ফাইনেল -

সংক্ষিপ্ত স্ক'ৰ ব'ৰ্ড ঃ লৰ্ডছ, ইংলেণ্ড, ২১ জুন ১৯৭৫ ।

ৱেষ্ট ইণ্ডিজ ঃ ফ্ৰেডেৰিকছ - ৭, গ্ৰীনিজ - ১৩, কালিচৰণ - ১২, কানহৈ - ৫৫, লয়ড - ১০২, ৰিচাৰ্ডছ - ৫, বয়ইচ - ৩৪, জুলিইন - ২৬, মুৰ্‌ৰে - ন.আ. -১৪, হোল্ডাৰ - ৬, ৰ'বাৰ্ট - ন. আ. - ০, (অতিৰিক্ত ঃ ১৭; লেগ বাই - ৭, ন'-বল - ১১) ঃ মুঠ - ৮ উইকেটত ২৯১ (৬০ অ'ভাৰ)

বলিং ঃ অষ্ট্ৰেলিয়াঃ লিলি - ১/৫৫, গিল্‌মাউৰ - ৫/৪৮, থমছন - ২/৪৪ ।

অষ্ট্ৰেলিয়া ঃ মেকৃকোছ্‌কাৰ - ৭, টাৰ্ণাৰ - ৪০, ইয়ান চেপেল - ৬২, গ্ৰীগ চেপেল - ১৫, ৱাল্‌টাৰ - ৩৫, মাৰ্ছ - ১১, ইড্‌ৱাৰ্ডছ - ২৮, গিলমাউৰ - ১৪, ৱালকাৰ - ৭, থমছন - ২১, লিলি - ন.আ. - ১৬, (অতিৰিক্ত ঃ ১৮; বাই - ২, লেগ বাই - ৯, ন'-বল - ৭) মুঠ - ২৭৪ (৫৮.৪ অ'ভাৰ)

বলিং ঃ ৱেষ্ট ইণ্ডিজ - বয়ইচ - ৪/৫০, লয়ড - ১/৩৮ ।

### দ্বিতীয় বিশ্বকাপ ফাইনেল -

সংক্ষিপ্ত স্ক'ৰ ব'ৰ্ড ঃ লৰ্ডছ, ইংলেণ্ড, ১৯৭৯ ।

ৱেষ্ট ইণ্ডিজঃ গ্ৰীনিজ - ৯, হেইনছ - ২০, ৰিচাৰ্ডছ - ন.আ. - ১৩৮, কালিচৰণ - ৪, লয়ড - ১৩, কিং - ৮৬, মুৰৰে - ৫, ৰ'বাৰ্ট - ০, গাৰ্ণাৰ - ০, হোল্ডিং - ০, ক্ৰোফ্‌ট - ০, (অতিৰিক্ত ঃ ১১, বাই - ১, লেগ বাই - ০) মুঠ ঃ ২৮৬, ন-উইকেটত (৬০ অ'ভাৰ)

বলিং ঃ ইংলেণ্ড, বথাম - ২/৪৪, হেন্‌ড্ৰিক - ২/৪০, ও'ল্ড - ২/৫৫, ইডমোন্‌ছ - ২/৪০ ।

ইংলেণ্ড ঃ ব্ৰেৰলেই - ৬৪, বয়কট - ৫৭, ৰেণড'ল - ১৫, গুচ - ৩২, গাৱাৰ - ০, বথাম - ৪, লাৰকিন - ০, ইড্‌মোনছ - ন.আ. - ৫, ও'ল্ড - ০, টেইলৰ - ০, হেনড্ৰিক - ০ । (অতিৰিক্ত ঃ ১৭, লেগ বাই - ১২, ৱাইড - ২, ন'-বল - ৩) মুঠ ঃ ১৯৪ (৫১ অ'ভাৰ) ।

বলিং ঃ ৱেষ্ট ইণ্ডিজ - গাৰ্ণাৰ - ৫/৩৮, ক্ৰোফ্‌ট - ৩/৪২, হোল্ডিং - ২/১৬ ।

### তৃতীয় বিশ্বকাপ ফাইনেলঃ

সংক্ষিপ্ত স্ক'ৰ ব'ৰ্ড ঃ লৰ্ডছ, ২৫ জুন, ১৯৮৩ ।

ভাৰতঃ গাভাস্কাৰ - ২, শ্ৰীকান্ত - ৩৮, অমৰনাথ - ২৬, য়শপাল শৰ্মা - ১১, পাটিল - ২৭, কপিল - ১৫, আজাদ - ২; মদনলাল - ১৭, কিৰমাণি - ১৪, সান্ধু - ন.আ. - ১১ (অতিৰিক্ত ঃ ২০; বাই - ৫, লেগ বাই - ৫, ৱাইড - ৯, ন'-বল - ১) মুঠ ঃ ১৮৩ (৫৪/৪ অ'ভাৰ)

বলিং ঃ ৱেষ্ট ইণ্ডিজ ঃ ৰ'বাৰ্ট - ৩/৩২, গাৰ্ণাৰ - ১/২৪, মাৰ্শ্বেল - ২/২৪, হোল্ডিং - ২/২৬, গোমেজ - ২/৪৯

ৱেষ্ট ইণ্ডিজঃ গ্ৰীনিজ - ১, হেইনছ - ১৩, ৰিচাৰ্ডছ - ৩৩, লয়ড - ৪, গোমেজ - ৫, বাকচুজ - ৪, ডুজন - ২৫, মাৰ্শ্বেল - ১৮, ৰ'বাৰ্ট - ৪, গাৰ্ণাৰ - ন.আ. - ৫, হোল্ডিং - ৬ (অতিৰিক্ত ঃ ১৪, ৱাইড - ৪, লেগ বাই - ১০)

বলিং ঃ ভাৰত ঃ কপিল - ১/২১, সান্ধু - ২/৩২, মদন লাল - ৩/৩১, অমৰনাথ - ৩/১২ ।

### চতুৰ্থ বিশ্বকাপ ফাইলেনঃ

সংক্ষিপ্ত স্ক'ৰ ব'ৰ্ড ঃ ইডেন গাৰ্ডেন, কলিকতা, নৱেম্বৰ ৮, ১৯৮৭

অষ্ট্ৰেলিয়াঃ বুন - ৭৫, মাৰ্শ্ব - ২৪, জোনছ - ৩৩, মেকডাৰমেট - ১৪, ব'ৰ্ডাৰ - ৩১, ভেলেটা - ন.আ. - ৪.৫, ষ্টীভ ৱ' - ন.আ. - ৫ (অতিৰিক্ত - ২৬, লেগ বাই - ১৩, বাই - ১, ৱাইড - ৫, ন'-ৱল্ড - ৭) । মুঠ ঃ ২৫৪, ৫ উইকেটত (৫০ অ'ভাৰ)

বলিং ঃ ইংলেণ্ড - ফ'ষ্টাৰ - ১/৩৮, হেমিংছ - ২/৪৮, গুচ - ১/৪২ ।

ইংলেণ্ড - গুচ - ৩৫, ৰবিনছন - ০, এথেই - ৫৮, গেটিং - ৪১, লেম্ব - ৪৫, ডাউনট'ন - ৯, এমৱেই - ১০, ডিফ্ৰেষ্টাছ - ১৭, ফ'ষ্টাৰ - ন.আ. - ৭, স্মল - ন.আ. - ৩ । (অতিৰিক্ত - ২১, বাই - ১, লেগ-বাই - ১৪, ৱাইড - ২, ন'-ব'ল - ৪) মুঠ ঃ ২৪৬, আঠ উইকেটত ।

বলিং ঃ অষ্ট্ৰেলিয়া - মেকডাৰমেট - ১/৫১, ৱ' - ২/৩৭, অ'ডোনাল - ১/৩৫, বৰ্ডাৰ - ২/৩৮

উপভোগ্য, ৰোমাঞ্চক তথা ঐতিহাসিক আছিল এইকাৰণেই যে যি দলক এদিনীয়া আন্তৰ্জাতিক খেলত ভাগ লব দিয়াৰ যোগ্য নহয় বুলি এচামে উপেক্ষা কৰিছিল সেই দলে দুবাৰ চেম্পিয়ন তথা আটাইতকৈ 'ফেভ্‌ৰিট' ৱেষ্ট ইণ্ডিজক হৰুৱাই বিশ্বকাপ দখল কৰিছিল। অৱশ্যে সেয়া সঁচাকৈয়ে অপ্ৰত্যাশিত ঘটনা হৈছিল। স্বয়ং কপিল দেৱে বিশ্বকাপ খেলিবলৈ গৈ সাংবাদিকক কৈছিল 'আমি ছেমিফাইনেল পাম বুলিও ভবা নাই'। সঁচাই ক্ৰিকেট খেলত কোনো নিশ্চয়তা নাই। ভাৰতে ৱেষ্ট ইণ্ডিজক পৰাজিত কৰি বিশ্ব চেম্পিয়ন হোৱাৰ পাছত লণ্ডনৰ 'টাইমছ' কাকতৰ ২৭/৬/৮৩ ইং সংখ্যাত ডেভিদ জকে লিখিছিল '..... At Lords, on 25th June 1983, India proved Cricket is a game of uncertain...।' ডেভিদ জকৰ মতে তেন্তে ই নাভূত-নাশ্ৰুত ঘটনা! কিন্তু তেওঁ শেষত স্বীকাৰ কৰিছিল - 'সেয়াই আছিল সত্য'। জকে লিখিছে - 'In today's cricket, uncertain is the true, especially in one-day game...'

১৯৮৭-ৰ বিশ্বকাপত 'ক্লজ ফাইটিং' হৈছিল ভাৰত-অষ্ট্ৰেলিয়া খেলখনত। ভাৰতক জিকিবলৈ শেষৰ অ'ভাৰত আৱশ্যক হৈছিল ছয় ৰাণ -'ক্ৰীজ'ত আছিল মোৰে আৰু মনিন্দৰ। মনিন্দৰ তিনিটা ব'ল খেলি চাৰি ৰাণ ললে। এটা ব'ল বাকী থাকোতে ষ্টীভ ৱ'ৰ বলত মনিন্দৰৰ মিডিল ষ্টাম্প উভালি গ'ল, অষ্ট্ৰেলিয়াই এক ৰাণত জয়ী হয়। একেধৰণৰ খেল আছিল নিউজিলেণ্ড বনাম জিম্বাবুৱে। নিউজিলেণ্ডে মাত্ৰ তিনিৰাণত জিকে; স্ক'ৰ আছিল নিউজিলেণ্ড ৫০ অ'ভাৰত সাত উইকেটত ২৪২ ৰাণ; জিম্বাবুৱে ৪৯ দশমিক ৪ অ'ভাৰত ২৩৯ ৰাণ। আন এখন খেল ৱেষ্ট ইণ্ডিজ বনাম পাকিস্তান; কি সাংঘাটিত যুঁজ - শেষ বিন্দুলৈ। তাতেই আছিল কাডিৰৰ কৃতিত্ব! ৱেষ্ট ইণ্ডিজে ৪৯ দশমিক ৩ অ'ভাৰত ২১৬ ৰাণৰ বিপৰীতে পাকিস্তানে শেষ বলত বিজয়ী সাব্যস্ত কৰে। 'লাষ্ট মেন' কাডিৰে শেষৰ অ'ভাৰত ৪ টা বল খেলি ১২ ৰাণ (এটা ছয় সহ) সংযোগ কৰি অন্তিম মুহূৰ্তত দলৰ জয়ী সাব্যস্ত কৰাৰ উপৰিও ইয়াৰ আকৰ্ষণীয় সামৰণিৰে খেলখন চিৰ-স্মৰণীয় তথা ঐতিহাসিক হোৱাত সহায় কৰিছিল।

ইতিহাসত পোনপ্ৰথমবাৰৰ বাবে বহল ভিত্তিক বিশ্বকাপ ক্ৰিকেটৰ ফাইনেল হৈছিল - ১৯৮৭ চনত কলিকতাৰ বিখ্যাত ইডেন গাৰ্ডেনত। ঐতিহাসিক আছিল চাৰিমলীয়া ষ্টেডিয়াম, আশী হাজাৰৰ ওপৰত দৰ্শক, সৰ্বাধিক প্ৰাইজমানি - চেম্পিয়ন অষ্ট্ৰেলিয়াই পাইছিল - ৬১ লাখ চাৰে ৩১ হাজাৰ ভাৰতীয় মুদ্ৰা। ৰাণাৰ্চ-আপ ইংলণ্ডে লাভ কৰিছিল ৫০ লাখ ৫৫ হাজাৰ। ■





# কৃত্ৰিম হৃৎযন্ত্ৰ

## মানৱ শৰীৰৰ অন্য এক ব্যৱসায়

চন্দ্ৰশেখৰ শৰ্মা

"More and more people are selling themselves — blood, semen, eggs, and even children."

—*Piecemel*

মানুহৰ শৰীৰৰ বিভিন্ন অংগ-প্ৰত্যংগক লৈ বৰ্তমান পৃথিৱীত এক ডাঙৰ ব্যৱসায় গঢ়লৈ উঠিছে। বিজ্ঞান যিমানে ওপৰলৈ গৈ আছে এজন মানুহৰ জীৱনৰ মূল্যও সিমানে কমি গৈ আছে। প্ৰতি বছৰে অতি কমেও ৯,০০০ কিড্‌নি, ১৭০০ হৃৎপিণ্ড (কলিজা) ২২০০ লিভাৰ, ৪৫০টা পেন্‌ ক্ৰিয়াচ, ৭০টা হৃৎপিণ্ড + হাওঁফাওঁ (একেলগে) আৰু ৩০,০০০ মান ক'ৰ্ণিয়া (cornea) অতি উচ্চ দামত বিক্ৰী হয়। অৰ্থাৎ এইবিলাক অংগগৈ অইনৰ দেহত প্ৰতিস্থাপিত হয় (Transplanted)। উচ্চ দাম বুলি কওঁতে ইয়াত প্ৰায় ১ বিলিয়ন ডলাৰ মানকে বুজোৱা হৈছে। গতিকে মূল্যটো চালে বুজিব পাৰি মানুহৰ অংগ-প্ৰত্যংগৰ ব্যৱসায় এতিয়া এটা কিমান লাভজনক ব্যৱসায়। যিমানে ইয়াৰ চাহিদা বাঢ়ি গৈছে সিমানে এইবিলাক অংগ দান কৰা মানুহৰ সংখ্যাও বাঢ়ি গৈ আছে। এটা পৰিসংখ্যা মতে অকল যুক্তৰাষ্ট্ৰতে ১৯৯০ চনৰ মে মাহলৈকে শৰীৰৰ বিভিন্ন অংশ দান কৰা মানুহৰ সংখ্যা আছিল ২০,৬১০ জন। সেই মতে এতিয়া প্ৰতি ৩০ মিনিটত দান দিওঁতাৰ তালিকাত একোটাকৈ নতুন নাম সংযোজিত হৈ আছে। ইয়াৰ ভিতৰত ১৭,০০০ কিড্‌নি আৰু ১,৬৫২ হৃৎপিণ্ড দান কৰোতাও আছে।

পিছে টকাই সকলো সময়তে কাম নিদিবও পাৰে। কাৰণ নিৰ্দিষ্ট অসুখত ভোগা ৰোগীজনে যদি তেওঁক লগা অংগটো দান কৰা লোকজনক সময়মতে বিচাৰি নাপায় তেতিয়াহলে তেওঁৰ মৃত্যু অনিবাৰ্য। এই ক্ষেত্ৰত হাৰ্ট ট্ৰেন্সপ্ল্যান্ট কৰিব লগা ৰোগীৰ সংখ্যা প্ৰতি চাৰিজনৰ মাজত এজন। তাৰ উপৰি কোনো লোকৰ হস্পিতালত মৃত্যু হলেহে আৰু মৃত্যুৰ আগে আগে তেওঁ লিখি গলেহে তেওঁৰ হৃৎপিণ্ডৰে হাৰ্ট-ট্ৰেন্সপ্ল্যান্ট ঘটাব পাৰি। গতিকে ব্যৱহাৰিক দিশৰ ফালৰ পৰাও এইটো সিমান উজু নহয়। ইয়াৰ উপৰি সকলোৰে কাৰণে ইমান উচ্চ মূল্য দি হাৰ্ট-ট্ৰেন্সপ্ল্যান্ট ঘটোৱা সহজো নহয়।

এইবিলাক কাৰণতে ইয়াৰ বিকল্প হিচাপে উদ্ভাৱন হৈছে কৃত্ৰিম হৃৎযন্ত্ৰ। নামেই যেতিয়া কৃত্ৰিম হৃৎযন্ত্ৰ, গতিকে ইয়াৰ নিৰ্মাণো সম্পূৰ্ণ অত্যাধুনিক সা-সৰঞ্জামেৰে নিৰ্মিত।

গাৰচন ৰোজেনবাৰ্গ (Gerson Rosenberg)। যুক্তৰাষ্ট্ৰৰ পেনষ্টেটৰ (Penn State) এই জীৱ অভিযন্তাজনৰ সুদীৰ্ঘ দিনৰ কষ্ট সাধনাৰ ফলতে সৃষ্টি হৈছে কৃত্ৰিম হৃৎযন্ত্ৰ। ৰোজেনবাৰ্গে সাজি উলিওৱা এই হৃৎযন্ত্ৰটো দেখাত এটা আঙুৰৰ সমান আৰু ইয়াক প্ৰস্তুত কৰা হৈছে বিশেষ আৰ্হিৰ ষ্টিল আৰু ৰবৰেৰে। চাৰিটা বহল মুখৰ নলী থকা এই সৰু যন্ত্ৰটো কফি বনোৱা ফিল্টাৰৰ নিচিনা। গোটেই যন্ত্ৰটো সাজি উলিয়াওঁতে ৰোজেনবাৰ্গৰ খৰচ হৈছে সৰ্বমুঠ ৩০,০০০ ডলাৰ। মানুহৰ ক্ষেত্ৰত ব্যৱহাৰ কৰাৰ আগতে ৰোজেনবাৰ্গে এই কৃত্ৰিম হৃৎযন্ত্ৰটো এটা গাই-গৰুৰ দামুৰীৰ দেহত প্ৰতিষ্ঠা কৰি অতি সফলতাৰে দামুৰীটোক ২০৫ দিন জিয়াই ৰাখিবলৈ সমৰ্থ হৈছিল।

ৰোজেনবাৰ্গৰ পাছত তেওঁৰ যন্ত্ৰটোক কিছু উন্নতি সাধি ইয়াৰ এটা নতুন নাম দিয়া হয়। সেই মতে এই নতুন যন্ত্ৰটোৰ নাম Jarvik-7 দিয়া হয় আৰু প্ৰায় আঠ বছৰমান আগতে এই Jarvik-7ক মানুহৰ দেহত প্ৰতিষ্ঠা কৰি সুফল লাভ কৰিব পৰা গৈছে। ইয়াৰ লগে লগে হাৰ্ট-ট্ৰেন্সপ্ল্যান্টৰ দিশত এক নতুন যুগৰ সূচনা হয়।

Jarvik-7তো কিছুমান অসুবিধা আছিল। তাৰ উপৰি ই কিছুপৰিমাণে ব্যয়বহুল হোৱাত বিজ্ঞানী সকল আকৌ উঠি পৰি লাগিল ইয়াতকৈও কম খৰচী অথচ সহজে ব্যৱহাৰ কৰিব পৰা কৃত্ৰিম হৃৎযন্ত্ৰলৈ। ইয়াৰ ফলস্বৰূপে উদ্ভাৱন হ'ল বৈদ্যুতিক হৃৎযন্ত্ৰ (Electric Heart)। এইবিধ হৃৎযন্ত্ৰত কৃত্ৰিম হৃৎযন্ত্ৰটোৱে দেহৰ ভিতৰত সুচাৰুৰূপে কাম কৰি থকাৰ কাৰণে যিখিনি ইন্ধন অনুভৱ কৰে সেইখিনি দেহৰ বাহিৰত ৰখা এটা সৰু বেটাৰীৰ দ্বাৰা যোগান ধৰি থকা হয়। এই পোৰ্টেবল বেটাৰীটোক মাজে সময়ে চাৰ্জিং (charging) কৰি থাকিলেই হ'ল। যিজন লোকৰ দেহত এই বৈদ্যুতিক হৃৎযন্ত্ৰ স্থাপন, কৰা হয়, তেওঁৰ কঁকালত এডাল বিশেষ আৰ্হিৰ বেল্ট পিন্ধাই দিয়া হয়। এই বেল্ট ডালত অতি মিহি ধাতুৰ তাঁৰ এডাল সযতনে পকোৱা থাকে। বেটাৰীৰ পৰা অহা বিদ্যুৎ প্ৰথমে এই তাঁৰৰ মাজেৰে প্ৰবাহিত হৈ ই শেষত ৰেডিঅ' ছেগনেললৈ ৰূপান্তৰিত হয়। এই ৰেডিঅ' ছিগনেল পাছত ৰোগীৰ ছালৰ মাজেৰে গৈ ছালৰ (skin) ভিতৰত ৰখা এটা বিশেষ আৰ্হিৰ গ্ৰাহক যন্ত্ৰত (Receiver) প্ৰবেশ কৰে। এই গ্ৰাহকযন্ত্ৰটো একেবাৰে সৰু। ইয়াৰ পাছত এই ৰেডিঅ' ছিগনেলবিলাক কৃত্ৰিম হৃৎযন্ত্ৰটোৰ মূল ইলেকট্ৰনিক কেন্দ্ৰত প্ৰৱেশ কৰে। সৰ্বশেষত এই ছিগনেলবিলাক বৈদ্যুতিক শক্তিৰ পৰা যান্ত্ৰিক শক্তিলৈ ৰূপান্তৰিত হৈ দেহৰ ভিতৰত ৰখা ম'টৰ (motor) লৈ যাব; আৰু এই ম'টৰটোৱে দেহৰ ৰক্ত সঞ্চালন সুচাৰুৰূপে সঞ্চালন কৰি থাকে।

থূলমূলকৈ বৈদ্যুতিক হৃৎযন্ত্ৰৰ মূল কাৰ্যপ্ৰণালী এইখিনিয়ে। ওপৰে ওপৰে চালে কাৰ্যপ্ৰণালীটো সহজ যদিও ইয়াত অতি উচ্চ স্তৰৰ জীৱ-অংক শাস্ত্ৰৰ (Biomathematics) নীতি নিহিত হৈ আছে। নতুন এই বৈদ্যুতিক হৃৎযন্ত্ৰৰ উদ্ভাৱক যুক্তৰাষ্ট্ৰৰ Tershey Medical Centreৰ বিখ্যাত চিকিৎসা বিজ্ঞানী ডঃ পিয়েৰচ্ (Dr. Pierce)ৰ মতে যদিও তেওঁৰ এই কৃত্ৰিম হৃৎযন্ত্ৰটো আপেক্ষিক ভাবে কিছু খৰচী তথাপি অদূৰ ভৱিষ্যতে ইয়ে চিকিৎসা বিজ্ঞানত এক নতুন যুগৰ সূচনা কৰিব। ■

# চলচ্চিত্রত অভিনয়

উৎপল দত্ত

কাহিনীচিত্র এখনত কাহিনী বৰ্ণনা কৰিবৰ বাবে পৰিচালকৰ হাতত যিকেইপদ আহিলা থাকে তাৰে অন্যতম এবিধ হ'ল অভিনেতাসকল। যান্ত্ৰিক আহিলাবোৰৰ দ্বাৰা সদায়েই ইপ্সিত ফল লাভ কৰিব পৰা যায় যদিহে পৰিচালকে এইবোৰৰ প্ৰয়োগিক সম্ভাৱনা আৰু সীমাবদ্ধতাৰ বিষয়ে সম্পূৰ্ণৰূপে অৱগত থাকে। কিন্তু অভিনেতা এজন যন্ত্ৰ নহয়, আবেগ-অনুভূতিসম্পন্ন এবিধ জীৱ, যাৰ হতুৱাই পৰিচালকে ইপ্সিত ফল আদায় কৰাটো যথেষ্ট কষ্টসাধ্য কাম।

অভিনয় হৈছে 'অনুকৰণ' আৰু 'পুনৰ কৰণৰ' শিল্প। এই দুয়োটি কামৰ সাৰ্থক ৰূপায়ণত সকলো অভিনেতাই সমানে দক্ষ নহয়। পৰিচালকে এনেকুৱা দক্ষ শিল্পী আৱিষ্কাৰ কৰিব পাৰিলেও প্ৰতিখন ছবিতেই একেগৰাকী অভিনেতাকে বাৰে বাৰে ব্যৱহাৰ কৰি থাকিব নোৱাৰে। কাহিনী আৰু চৰিত্ৰৰ ভিন্নতাই একেগৰাকী অভিনেতাক বাৰম্বাৰ ব্যৱহাৰ কৰাৰ সুযোগ নিদিয়ে।


একোগৰাকী পৰিচালকৰ একো একোগৰাকী প্ৰিয় অভিনেতা থাকে যাক নেকি তেওঁ বিভিন্ন চৰিত্ৰৰ বাবে ব্যৱহাৰ কৰাৰ সুযোগ গ্ৰহণ কৰে। বাৰ্গমেনৰ মেক্স ভন চিদো, সত্যজিৎ ৰায়ৰ সৌমিত্ৰ চেটাৰ্জী, কুৰোশ্বাৱাৰ টচিৰো মিফুনো, পিলবাৰ্গৰ হেৰিচন ফ'ৰ্ড, গডাৰৰ জাঁ পল বেলমেন্দো, ৰমেশ চিপ্পিৰ অমিতাভ বচ্চন আদি পৰিচালক আৰু অভিনেতাৰ নাম এই বিষয়ত উল্লেখ কৰিব পাৰি। হয়, এইসকল পৰিচালকে এইসকল অভিনেতাক অধিকসংখ্যক ছবিত ব্যৱহাৰ কৰিছে; কিন্তু আটাইবোৰ ছবিতেই ব্যৱহাৰ কৰা নাই। কাৰণ কৰাটো সম্ভৱো নহয়। সেয়ে তেওঁলোকে মুল চৰিত্ৰ ৰূপায়ণৰ বাবে নতুন নতুন অভিনেতাৰ সন্ধান কৰে। আৰু এই সন্ধানৰ চালিকা শক্তি হ'ল ছবিৰ বাবে পৰিচালকে বিচৰা অভিনয়ৰ স্বৰূপ।

ব্যৱসায়ৰ বাবে নিৰ্মাণ কৰা ছবিৰ উদাহৰণকেই প্ৰথমে লওঁ। আমি সহজে ঢুকি পোৱা হিন্দী ছবিৰ কথা। হিন্দী ছবিজগতত অমিতাভ বচ্চন এক চমকপ্ৰদ নাম। সুদীৰ্ঘ কেৰিয়াৰত অমিতাভৰ খুব অলপ সংখ্যক ছবিহে বক্স অফিচত আশা কৰা সাফল্যৰ দূৰৈত ৰৈ গৈছে; বাকী আটাইবোৰ ছবিয়েই প্ৰযোজকৰ বাবে কঢ়িয়াই আনিছে স্ফীতোদৰ ধনভাণ্ড। অমিতাভ নিসন্দেহে ভাল অভিনেতা, কিন্তু অমিতাভৰ সমকক্ষ অলেখ প্ৰতিভাধৰ অভিনেতা হিন্দী ছবিজগতত আছে, কিন্তু তেওঁলোকে অমিতাভৰ আসনৰ ওচৰ চাপিবলৈ সক্ষম হোৱা নাই। অৰ্থাৎ, এই কথাৰ পৰা প্ৰমাণ হয় যে অকল অভিনয় দক্ষতাৰ বাবেই অমিতাভ দৰ্শকৰ প্ৰিয় হৈ উঠা নাই। অন্য কিছু কাৰকে এই জনপ্ৰিয়তা সৃষ্টিৰ কাম কৰিছে। অমিতাভৰ দৈহিক সৌন্দৰ্য, ব্যক্তিত্ব, কৰিছমা, মেনাৰিজম আদিৰ সন্মিলিত ফল দৰ্শকৰ ভাল লাগিছে আৰু সেই ভাললগা গুণটোক চতুৰ পৰিচালকে নিজৰ সুবিধাৰে ব্যৱহাৰ কৰিছে। যিসকল পৰিচালক অধিক দক্ষ, তেওঁলোকে অমিতাভৰ এই সকলো গুণ চেলুলয়দৰ ফিটাত ভালদৰে ধৰি ৰাখি দৰ্শকক সন্মোহিত কৰিছে, যিসকলে পৰা নাই, তেওঁলোকৰ ছবিৰ প্ৰতি দৰ্শকৰ আগ্ৰহ কম পৰিমাণে দেখা গৈছে। অমিতাভৰ ভাৱমূৰ্তি খঙাল যুৱকৰ। 'ৰেখা-অমিতাভ' এই যুটী আছিল এসময়ৰ দৰ্শকৰ সৰ্বাধিক প্ৰিয়। কিন্তু এই যুটীৰ ছবি 'আলাপ'ৰ প্ৰতি দৰ্শকৰ আগ্ৰহ আছিল অতি সীমিত। কাৰণ এই ছবিত অমিতাভে খঙাল, অপৰাজেয় ৰূপত আত্মপ্ৰকাশ কৰা নাছিল। দৰ্শকে তেওঁলোকৰ প্ৰিয় অভিনেতাক নিজৰ প্ৰিয় ৰূপতহে চাবলৈ বিচাৰে। এই কাৰণতেই পৰিচালকে বিভিন্ন চৰিত্ৰতো একেজন অমিতাভকে ব্যৱহাৰ কৰি থাকে – যিটোৰ বাবে অমিতাভ হৈ পৰিল 'তাৰকা' – অভিনেতা নহয়। পৰিচালক সুভাষ ঘাইয়ে ঠিকেই মন্তব্য কৰিছিল – 'হিন্দী ছবিৰ ইতিহাসৰ এজন উল্লেখযোগ্য অভিনেতা হ'ব পৰা প্ৰতিভা থকাৰ পিচতো অমিতাভ হৈ ৰ'ল এটা দৰ্শকৰ ছুপাৰষ্টাৰহে মাত্ৰ'। অকল অমিতাভ বুলিয়েই নহয়, ৰাজ কাপুৰ, দেবানন্দ, ধৰ্মেন্দ্ৰে, ৰাজেশ খান্না, ৰাজ কুমাৰ আদিৰ ক্ষেত্ৰতো একে কথাই প্ৰযোজ্য হয়। এই আটাইকেইজন অভিনেতাৰ অভিনয় প্ৰতিভা এটা মাত্ৰ নিৰ্দ্ধাৰকৰ দ্বাৰা স্থিৰ কৰা হৈছিল – দৰ্শকৰ ভালপোৱা।

কিন্তু যিসকল পৰিচালকে দৰ্শকৰ ভাললগা অভিনেতাৰ সলনি নিজৰ কল্পনাৰ চৰিত্ৰটি ৰূপদান কৰা অভিনেতাৰ সন্ধান কৰে, সেইসকল পৰিচালকৰ ছবিত অভিনেতা এজনে নিজৰ শিল্প প্ৰতিভাৰ প্ৰদৰ্শন কৰিবলৈ সুযোগ পায়। এই ক্ষেত্ৰত উদাহৰণ হিচাপে সত্যজিৎ ৰায়ৰ নামটোৱেই প্ৰথমে মনলৈ আহে।

সত্যজিৎ ৰায়ৰ অভিনেতা নিৰ্বাচনৰ বৈশিষ্ট্য হ'ল তেওঁ যিটো চৰিত্ৰৰ বাবে যিজন অভিনেতাক নিৰ্বাচিত কৰে, ছবিখন চোৱাৰ পিছত সেই চৰিত্ৰটি আন কোনোবা অভিনেতাই ইমান জীৱন্তভাৱে ফুটাই তুলিব পাৰিব বুলি ভাব নহয়। অৰ্থাৎ অভিনেতাগৰাকী আৰু অভিনীত চৰিত্ৰটি সকলো দিশৰ পৰাই এক হৈ মিলি যায়। অভিনেতা নিৰ্বাচন কৰা প্ৰক্ৰিয়াটোৰ বিষয়ে সত্যজিতে কৈছে – 'মই পৰিচিত পেছাদাৰী অভিনেতাসকলৰ মাজতেই প্ৰথমতে মোৰ কল্পনাৰ চৰিত্ৰটি বিচাৰি চাওঁ। পালে ভালেই। কাৰণ পেছাদাৰী অভিনেতালৈ কাম কৰা অপেক্ষাকৃতভাৱ সহজ। নাপালে কল্পনাৰ চৰিত্ৰটিৰ লগত মিলা অইন মানুহ চাওঁ। চৰিত্ৰটিৰ অবয়বৰ লগত মনে বিচৰা মতে মিলি গলেই বহু কাম সহজ হৈ যায়।'

সত্যজিৎ ৰায়ৰ বহু চৰিত্ৰৰ সাৰ্থক ৰূপদান কৰিছে সৌমিত্ৰ চট্টোপাধ্যায়ে। অভিযানৰ ট্ৰাক ড্ৰাইভাৰ, অশনি সংকেতৰ বৃদ্ধ ব্ৰাহ্মণ অথবা ফেলুদা চিৰিজৰ ফেলুদা – আটাইবোৰ বিচিত্ৰ চৰিত্ৰকে সৌমিত্ৰই স্বাভাৱিক দক্ষতাৰে জীৱন্ত কৰি তুলিছে। বিশাল ব্যাপ্তিৰ অভিনয় প্ৰতিভা থকা সৌমিত্ৰই হয়তো প্ৰথম অভিনেতা যাৰ কেৰিয়াৰক অলেখ সফল চৰিত্ৰই বৰ্ণাঢ্য কৰি তুলিছে। সেই সৌমিত্ৰকো কিন্তু সত্যজিৎ ৰায়ে বাদ দি মাজে মাজে সম্পূৰ্ণ অনভিজ্ঞ লোক একোজনৰ হতুৱাইও মুল চৰিত্ৰ ৰূপায়িত কৰাইছে। প্ৰতিদ্বন্দ্বীৰ ধৃতিমান চট্টোপাধ্যায়, জন-অৰণ্যৰ প্ৰদীপ মুখাৰ্জী, সীমাবদ্ধৰ বৰুণ চন্দ – এই তিনিওটা নাম একেউশাহতে উল্লেখ কৰিব পাৰি। এই তিনিওজনকে সত্যজিৎ ৰায়ে নিৰ্বাচিত কৰিছিল কল্পিত চৰিত্ৰৰ লগত থকা আবয়বিক সাদৃশ্য আৰু 'বেচিক ইন্টেলিজেন্স'ৰ বাবে। এই পদ্ধতিত সত্যজিৎ ৰায় অভাৱনীয়ভাৱে সফল হোৱা বাবেই পৰৱৰ্তী কালত বহু পৰিচালকে 'অ-অভিনেতা'ৰ দ্বাৰাই ছবিত অভিনয় কৰাবলৈ সাহস কৰিলে। বহু পৰিচালক সফলো হ'ল, বহুপৰিচালক বিফলো হ'ল।



সত্যজিৎ ৰায়ে সৌমিত্ৰাক ফিনিচিং টাচ দিছে।

যিহেতু অভিনয় এবিধ জটিল কলা, আৰু ইয়াত সাফল্য অৰ্জন কৰাৰ বাবে যথেষ্ট অনুশীলন, প্ৰতিভা, মানসিক স্বাস্থ্য আৰু প্ৰণালীবদ্ধ জ্ঞানৰ প্ৰচলন আছে, সেইবাবেই শ্যাম বেনেগালৰ দৰে পৰিচালকে দৈহিক অবয়বৰ সাদৃশ্যৰ সলনি অভিনেতাৰ প্ৰস্তুতিৰ ওপৰতহে গুৰুত্ব দিবলৈ ললে। নাচিৰুদ্দিন শ্বাহ, ওম পুৰী, অমৰীশ পুৰী, শ্বাবানা আজমী, কুলভূষণ খাৰবান্দা আদি অভিনেতা-অভিনেত্ৰীসকলক শ্যাম বেনেগালে বাৰে বাৰে তেওঁৰ ছবিত ব্যৱহাৰ কৰি আহিছে। এই আটাইবোৰৰে আছে প্ৰণালীবদ্ধ প্ৰশিক্ষণ অথবা দীৰ্ঘদিনৰ মঞ্চাভিনয়ৰ অভিজ্ঞতা। চলচ্চিত্ৰ অভিনয়ৰ ক্ষেত্ৰত শ্যাম বেনেগালৰ নিজস্ব ধাৰণা আছে আৰু সেই ধাৰণাক মূৰ্তমান কৰি তোলাৰ বাবে অভিনয়ৰ জ্ঞান আৰু চৰ্চা থকা শিল্পীক প্ৰথম স্থান দিছে।


এইযে তিনিধৰণৰ অভিনেতাৰ কথা উল্লেখ কৰা হ'ল তাৰ ক'তোৱেই কিন্তু দক্ষতাৰ কথাটো অনুচ্চাৰিত হৈ থোৱা নাই। অমিতাভ বচ্চনৰ ক্ষেত্ৰত যেনেদৰে অভিনয় দক্ষতাৰ লগতে আন উপাদনাৰ কথাও আহিছে, তেনেদৰে ধৃতিমান চট্টোপাধ্যায়ৰ ক্ষেত্ৰত আবয়বিক সাদৃশ্যৰ প্ৰশ্নটো অধিক ব্যাপক ৰূপত উত্থাপিত হৈছে। 'বেচিক ইন্টেলিজেন্স'ৰ দ্বাৰা সত্যজিতে বুজাব বিচাৰে অভিনয় শিকি লব পৰা দক্ষতা।

কিন্তু সৰ্বোপৰি পৰিচালকৰ দক্ষতাৰ প্ৰশ্নও আছে। ছবিৰ অভিনেতা মঞ্চাভিনেতাৰ দৰে স্বাধীন নহয়, মঞ্চৰ অভিনয়ে দৰ্শকৰ লগত স্থাপন কৰা পোনপটিয়া যোগাযোগৰ সুবিধা ছবিত নাই। ছবিত অভিনয়ৰ সাফল্যৰ দায়িত্ব মূলতঃ পৰিচালকৰ। সেয়ে একেজন অমিতাভ বা একেজন নাচিৰুদ্দিনে কোনোবা কোনোবা পৰিচালকৰ নিৰ্দেশত কৰা 'অভিনয়ে দৰ্শকক স্পৰ্শ কৰিব নোৱাৰে।

একপৃষ্ঠা

ভূপেন্দ্ৰনাৰায়ণ ভট্টাচাৰ্য্য

# লিচুগছৰ তলৰ প্ৰস্তাৱিত কবি সন্মিলন আৰু কবি-প্ৰণামৰ এচোৱা



চফাত বহি আমি কবিৰ বাবে বাট চাই থাকিলো

লিচুগছৰ ডালত উঠি লিচু খাই খাই গান গাই থাকোতে হঠাৎ এদিন ভাবিলো,–"এনেকৈ গান গাই গাই লিচু খাই গ্ৰীষ্ম বন্ধটো পাৰ কৰি দিয়াতকৈ আমি দেখোন কাম এটাকে কৰিব পাৰো"–

'কি কাম ?' লগৰ জ্যোতিষে সুধিলে ।

'আমি সকলোৱে মিলি–জুলি এখন কবি সন্মিলন পাতো' – মই প্ৰস্তাৱটো দিলো ।

প্ৰস্তাৱটো দিবহে পালো, উৎসাহতে লিচু খাই থকা লগৰ আটাইকেইজন ল'ৰাই এজন-এজনকৈ সকলোৱে লিচুগছৰ পৰা ঠিয়ক-ঠিয়ই তলৰ ঘাঁহনিত জপিয়াই পৰিল ।

'এই লিচু গছৰ ঘাঁহনিতে আমাৰ এই প্ৰস্তাৱিত কবি সন্মিলন পতা হওঁক' – জ্যোতিষে কলে ।

মই গছৰ পৰা মাটিত ভৰি দিয়াৰ আগেয়েই জ্যোতিষৰ প্ৰস্তাৱ বাকী সকলৰ দ্বাৰা গৃহীত হৈ গ'ল ।

কিন্তু তাৰপাছতেই আচল সমস্যাটো আহি পৰিল । যদিহে জ্যোতিষৰ প্ৰস্তাৱ কেইটা বাকীবোৰ সদস্যই মানি নলয় তেনেহলে সি তাত অলপো সহযোগ নকৰে ; তদুপৰি এই প্ৰস্তাৱ অগ্ৰাহ্য হলেই কথা ওলোটা হৈ যাব বুলি ভয়ো খুৱালে । আমিও তেতিয়া তাক তাৰ প্ৰস্তাৱকেইটা জানিব খুজিলো । সি ক'লে–

প্ৰস্তাৱ নং (১) কবি সন্মিলনৰ বাবে নিমন্ত্ৰণ কৰি অনা সভাপতিজনে শ্ৰোতাক ৰস দিব পৰা হব লাগিব ;

(২) যিদিনাখন সভাপতিক নিমন্ত্ৰণ কৰিবলৈ যোৱা হয় সিদিনা সি উপস্থিত থাকিবই লাগিব ; তাৰ অনুপস্থিতি সভাপতি নিমন্ত্ৰণ কৰিবলৈ যোৱাটো চৰ্ত্তবিৰোধী বুলি ধৰা হব । যদি এই কাৰণত, তাক সন্মিলনৰ পৰা বাহিৰ কৰা হয়, তেনেহলে সি কেতিয়াও এই কথা সহ্য নকৰিব । অন্যথাই সি দহটা বটল-বোমা ফুটাই সন্মিলনৰ শান্তি ভংগ কৰিব ।

(৩) কবি সন্মিলনত উপস্থিত থকা সকলো কবি আৰু শ্ৰোতাক একোটা খৰিকাজাই ফুল কাণত পিন্ধাই দিয়া হব । যিসকল কবি আৰু শ্ৰোতাই কাণত ফুল নিপিন্ধো বুলি প্ৰতিবাদ কৰে, তেওঁলোকৰ প্ৰবেশ অধিকাৰ নাকচ কৰা হব ।

(৪) সভাপতিক সি সাষ্টাঙ্গে প্ৰণাম কৰিব আৰু তাৰপাছত গামোচা এখন কান্ধত দি কব–"ইয়াৰ দ্বাৰা আপোনাক নিমন্ত্ৰণ জনোৱা হ'ল ।"

(৫) সন্মিলনত উপস্থিত থকা সকলো ব্যক্তিকে চুঙা-পিঠা এটুকুৰা আৰু বিশুদ্ধ গৰু গাখীৰত বনোৱা একোকাপ চাহ খুওৱা হব । যিসকলে নাখায়, তেওঁলোক প্ৰতিজনকে একোটাকৈ পনিয়ল দিয়া হব ।

শেষ চৰ্ত্তটো কৈ শুনোৱাৰ লগে লগে আমাৰ মাজত কোঢ়াল উঠিল– 'চুঙা পিঠা ক'ত পাম ? গুৱাহাটী চহৰতনো চুঙাপিঠাৰ বাঁহ ক'ত পোৱা যাব ?

'সেই লৈ আমাৰ মূৰ কামোৰণি হোৱা উচিত নহয় ; সিহঁতৰ গাৱঁৰ ঘৰত চুঙা-পিঠাৰ বাবে প্ৰয়োজনীয় বাঁহৰ আকাল হোৱা নাই ; চুঙা-পিঠাৰ যাৱতীয় খৰচ আৰু অনাৰ সকলো দ্বায়িত্ব নিজেই লব'– জ্যোতিষে স্পষ্টকৈ কলে ।

তাৰ সেই স্পষ্টবাদিতাত আমি ভালেই পালো; আজিলৈ চুঙা-পিঠা খাবলৈ পোৱা নাই যেতিয়া এই চেগতে এটুকুৰা চুঙা-পিঠা খাবলৈ পোৱাটোৱো এটা আনন্দৰ কথা হব । গতিকে, আমি তাৰ সকলো চৰ্ত মানি লৈ পিছদিনাৰ পৰা প্ৰস্তাৱিত কবি-সন্মিলনৰ বাবে তাৰিখ এটা ঠিক কৰি চিঠি ছপাবলৈ দিলো ।

কিন্তু যিজন কবিৰ নাম সভাপতি পদৰ বাবে সি প্ৰস্তাৱ কৰিলে, সেইজনক আমি সেই সময়ত কোনোৱে চিনি নপাওঁ । তথাপিও জ্যোতিষকেই লিদাৰ পাতি সমুখলৈ আগবঢ়াই দি এদিন দুপৰীয়া আমি যাবলৈ ওলালো । আগে আগে সি আৰু পাছত আমি আঠজনমান । সিও হাতত গামোচাখন লৈ আগবাঢ়ি গৈ থাকিল ।

দুপৰীয়াৰ ৰ'দ । কবিৰ ঘৰৰ সন্মুখত আমি থমকি ৰলো । বাহিৰত কোনো নাই । কিন্তু সন্মুখৰ মিহি লনৰ ওপৰত চ'ফা পৰা আছে । ভাবিলো, কিবা উৎসৱ-তুৎসৱেই আছে নেকি ? আমি ইফাল-সিফাল কৰোঁতে দেখিলো এইফালে এগৰাকী মহিলাই আগবাঢ়ি আহি সুধিলে – তোমালোকে কাক বিচাৰিছা ? আমি কলো । তেখেতে কলে – অলপ বহিব লাগিব; আলহীৰ সৈতে চাহ খাবলৈ ধৰিছে ।

মই আৰু কেইজনমান চ'ফাত ভালদৰে আৰাম কৰি বহি ল'লো আৰু কেইজনমানে চ'ফাৰ পিছফালে ফটোগ্ৰাফ উঠা মানুহৰ দৰে থিয় হৈ কবিৰ আগমনলৈ বাট চাই থাকিলো ।

অলপ বেলি পাছত এক ভদ্ৰলোকে আমাৰ ফালে হাঁহি মাৰি আগবাঢ়ি আহিল । তেওঁক দেখি ঘপহ্কৈ আমি বহাৰ পৰা উঠিলো । জ্যোতিষে কাৰো কথালৈ বাট নাচাই তৎক্ষণাৎ হাতৰ গামোচা কান্ধত লৈ সাষ্টাঙ্গে সেই ভদ্ৰলোকৰ সন্মুখত দীঘল দি পৰিল ।

"হেই হেই কি কৰা ? কি ক'ৰা , মই কবি অমুক নহয়; মই তেওঁৰ ভায়েকহে – ভায়েক – ভায়েক – ছিঃ ছিঃ । নাপায় নাপায় উঠা – উঠা –

লাজতে মই তাত এক মুহূৰ্তও নাথাকিলো ঃ জপনা খুলি প্ৰাণটাকি দৌৰিলো, পিছফালে ঘূৰি চাই দেখো সকলোৱে মোক অনুসৰণ কৰিছে আনকি জ্যোতিষেও ।

আমাৰ প্ৰস্তাৱিত কবি সন্মিলনৰো তাতেই যৱনিকা পৰিল ।

(কবিজনৰ নাম/শ্ৰীযুত নৱকান্ত বৰুৱা)

অহা সংখ্যাৰ এক পৃষ্ঠাত
"নেপোলিয়ন বোনাপাৰ্টী নে মিঃ গাধ ?"



EASTERN PRESS & PUBLICATIONS PVT. LTD

The Most Advanced

PHOTOTYPESETTING & OFFSET

PRINTING HOUSE

of North East

WITH

IMPORTED MACHINERY & SKILLED MANPOWER

to cater to the various printing needs

of the Region

Contact us for Quality Jobs at Competitive Price

Write to :

GENERAL MANAGER

EASTERN PRESS AND PUBLICATIONS PVT. LTD.

Monjera House, First Floor,

Pan Bazar, GUWAHATI – 781001

Phone : 33122/33618